
# দাপোণত আপোন মুখ

## শিৱসাগৰ ছোৱালী কলেজ আলোচনীৰ নিৰ্বাচিত গল্প

49852



সম্পাদনা ড° ৰশ্মিৰেখা গগৈ

Library Copy
49852
14/02/2025

# দাপোণত আপোন মুখ

( শিৱসাগৰ ছোৱালী কলেজ আলোচনীত ১৯৬৬-৬৭ চনৰ পৰা
২০১৯-২০ চনলৈকে প্ৰকাশিত গল্পৰ নিৰ্বাচিত সংকলন)

Sibsagar Girls' College Central Library & Information Centre
Date ........

শিৱসাগৰ ছোৱালী কলেজ, শিৱসাগৰ

সম্পাদনা
ড° ৰশ্মিৰেখা গগৈ

দাপোণত আপোন মুখ ঃ শিৱসাগৰ ছোৱালী কলেজ আলোচনীত ১৯৬৬-৬৭ চনৰ পৰা ২০১৯-২০ চনলৈকে প্ৰকাশিত গল্পৰ নিৰ্বাচিত সংকলন।

ISBN : 978-81-977494-1-4

## সম্পাদনা সমিতি :

**সভাপতি ঃ**

ড° প্ৰতিম শৰ্মা, অধ্যক্ষ

**সম্পাদক ঃ**

ড° ৰশ্মিৰেখা গগৈ

**আহ্বায়ক ঃ**

দীপজোনালী ভূঞা

**বিশেষ সহযোগী ঃ**

শ্ৰী অভিজিত বৰপূজাৰী

ড° বনিতা বুঢ়াগোঁহাই

প্ৰকাশক ঃ শিৱসাগৰ ছোৱালী কলেজ প্ৰকাশন কোষ

প্ৰকাশ কাল ঃ ফেব্ৰুৱাৰী, ২০২৫

বেটুপাত ঃ শব্দ সমীৰণ বৰুৱা

মূল্য ঃ মাত্ৰ ১৭০/- টকা

অক্ষৰ বিন্যাস ঃ বিকি বৰগোহাঁই

মুদ্ৰণ ঃ স্পেকট্ৰাম অফ্‌চেট
কে.পি.এম. চাৰিআলি, শিৱসাগৰ
৯৪৩৫০৫৭০৫৭

# মুখবন্ধ

এখন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ লগতে কলাত্মক ৰূপ প্ৰতিফলনৰ বাবে তথা মৌলিক সৃষ্টি প্ৰতিভা বিকাশৰ অন্যতম থলী হ'ল মহাবিদ্যালয়ৰ প্ৰকাশিত আলোচনীখন। ছাত্ৰ-ছাত্ৰীসকলৰ সুকুমাৰ কলা সাধনা প্ৰকাশৰ দাপোণ, মন, বুদ্ধি আৰু হৃদয়ৰ সংবাদ বহনকাৰী।

১৯৬৪ চনত প্ৰতিষ্ঠা হোৱা শিৱসাগৰ ছোৱালী কলেজৰ প্ৰথমখন আলোচনী প্ৰকাশ হয় ১৯৬৬-১৯৬৭ চনত। সম্পাদক আছিল ৰীতা শৰ্মা আৰু জ্যোতি ঠাকুৰ। ১৯৬৪ চনৰ পৰা ২০২৪ লৈকে প্ৰায় ষাঠি বছৰীয়া পৰিক্ৰমাত ২০০৩-২০০৪ চনলৈকে 'শিৱসাগৰ ছোৱালী কলেজ আলোচনী' নামেৰে প্ৰকাশ পাই আহিছিল। পাছলৈ আলোচনীখন 'প্ৰৱাহিনী' নামেৰে প্ৰকাশ পাই আহিছে। হতাশজনক বিষয় যে মাজে মাজে দুই-এবছৰ আলোচনীখনৰ প্ৰকাশ বিভিন্ন কাৰণত স্তব্ধ হৈ ৰৈছে। লেখিকাসকলৰ বৌদ্ধিক হৃদয়ানুভূতি আলোচনীখনৰ বুকুত লিপিবদ্ধ হৈ থকা গল্প, কবিতা, প্ৰবন্ধ, ৰস ৰচনাৰ মাজত ভাস্বত হৈ আছে। হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ মুহূৰ্তত কলেজ আলোচনীৰ প্ৰথম সংখ্যা ১৯৬৬-৬৭ চনৰ পৰা ২০১৯-২০ চনলৈকে আলোচনীৰ পাতত নিজৰ কলাসুলভ চিন্তা-চেতনাক দাঙি ধৰা লেখনিক হিৰণ্ময়ী কৰি ৰখাৰ প্ৰয়াসেৰে নিৰ্বাচিত গল্প সংকলন 'দাপোণত আপোন মুখ' সহৃদয়জনৰ হাতত তুলি দিব বিচাৰিছোঁ।

আমি নিৰ্ধাৰণ কৰি লোৱা সময় (১৯৬৬ৰ পৰা ২০২০ চন) ৰ ভিতৰত কলেজৰ আলোচনীখনৰ পাতত প্ৰকাশিত প্ৰায় দুশ গল্পৰ মাজৰ পৰা সুখপাঠ্যতা, নিটোল গাঁথনি, বিষয় বৈচিত্ৰ্য তথা গল্পসমূহৰ সামগ্ৰিক আবেদনৰ ওপৰত ভিত্তি কৰি একচল্লিশটা (৪১) গল্প বুটলি লৈছোঁ। সত্তৰৰ দশকৰ পৰা গল্পকাৰসকলৰ গল্পত আছে সমসাময়িক সমাজৰ প্ৰতিফলন, নাৰীমনস্তত্ত্ব তথা তেওঁলোকৰ চিন্তন আৰু মনন। গল্পবোৰৰ মাজত সহৃদয়জনে বিচাৰি পাব লেখিকা তথা ছাত্ৰীসকলৰ ৰোমাণ্টিক ভাব বিলাসিতাৰ পৰা জীৱনক বাস্তৱিক দৃষ্টিভঙ্গীৰে চোৱাৰ প্ৰয়াস। অতি কম সময়ৰ ভিতৰতে দাপোণত আপোন মুখবোৰ বিচাৰি

চাবলৈ গৈ বহুবোৰ দিশত ক'ৰবাত নহয় ক'ৰবাত উজুটি খাব লগা হৈছে। তদুপৰি আছে এই লেখকৰ সম্পাদনাৰ দক্ষতাৰ অভাৱ। তথাপি অতীতৰ পৰা বৰ্তমানলৈকে আলোচনীখনৰ এটা মাথোঁ ৰূপ গল্পৰ সংকলন প্ৰকাশ ক্ষুদ্ৰতম প্ৰয়াস হ'লেও 'দাপাণত আপোন মুখ' ৰ বুকুত নিগৰি নিগৰি আছে কলেজ পৰিয়ালৰ অন্যতম সম্পদ শিক্ষাৰ্থীসকলৰ আবেগ, শুভ ইচ্ছা, সৃজনীমূলক দক্ষতা।

শেষত আমাৰ অনুৰোধ ৰাখি কলেজৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ, অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক শ্ৰীযুতা যমুনা বৰগোহাঁই বাইদেৱে সংকলনটিৰ পাতনি লিখি আমাক অনুগৃহীত কৰা বাবে বাইদেউক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। স্বাস্থ্যজনিত সমস্যাৰ মাজতো বাইদেৱে আগবঢ়োৱা সহযোগিতা আমাৰ বাবে আশীৰ্বাদস্বৰূপে গ্ৰহণ কৰিছোঁ। বাইদেউৰ প্ৰতি আমাৰ কৃতজ্ঞতাৰ ভাষা নাই।

এনেধৰণৰ সংকলন এটি প্ৰস্তুত কৰি উলিওৱাৰ ইচ্ছা আমাৰ বহুদিনৰ পৰাই মনৰ মাজত পুঁহি ৰাখিছিলোঁ। গল্পসমূহ বহুবাৰ লিৰিকি বিদাৰি চাইছোঁ। এইক্ষেত্ৰত আমাৰ সীমিত জ্ঞানে বহুবাৰ পিছুৱাই আনিছে। এইবাৰ যথেষ্ট সাহসেৰে লগতে বৰ্তমানৰ অধ্যক্ষ ড° প্ৰতিম শৰ্মাদেৱে আগবঢ়োৱা দূৰদৰ্শী মনোভাৱৰ বাবে সংকলনখনি প্ৰকাশৰ বাবে উঠিপৰি লাগো। ফলশ্ৰুতিত সুধী সমাজৰ হাতত আজি তুলি দিবলৈ সক্ষম হৈছোঁ — 'দাপোণত আপোন মুখ'। কলেজৰ প্ৰকাশন কোষৰ দ্বিতীয় এটা সংগ্ৰহৰ সম্ভাৱনাও নিশ্চয় আছে। আমাৰ প্ৰত্যাশা সংকলনটিৰ প্ৰতি সহৃদয়জনে সহাঁৰি জনোৱাৰ লগতে আমাৰ শুভ ইচ্ছাক অনুপ্ৰাণিত কৰিব।

গল্পসমূহ সংগ্ৰহৰ ক্ষেত্ৰত সততে সহায়ৰ হাত আগবঢ়োৱা গ্ৰন্থাগাৰিক শ্ৰী অভিজিত বৰপূজাৰী বিশেষ ধন্যবাদৰ পাত্ৰ। তেখেতে আলোচনীসমূহ সংৰক্ষণ কৰি নোথোৱা হ'লে হয়তো সময়ৰ গতিত হেৰাই গ'লহেতেন। গ্ৰন্থাগাৰৰ কৰ্মী অংকুৰ আৰু সন্দীপন দুয়োজনে যেতিয়াই কোনোবা এখন আলোচনী বিচাৰিছোঁ; তেতিয়াই আমাৰ হাতত তুলি দিছে। এইক্ষেত্ৰত বিপ্লৱ আৰু ব্ৰজেনৰ সহযোগিতা নুই কৰিব নোৱাৰি। তেওঁলোকে বিষয়টোৰ গুৰুত্ব দিয়াৰ বাবে কম সময়ত কামটো সমাধা কৰিব পাৰিলো বুলি অনুভৱ হয়। গ্ৰন্থাগাৰিক বৰপূজাৰী

আৰু অংকুৰ-সন্দীপনৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। সংকলনখনিৰ নামকৰণ নিজস্ব দৃষ্টিৰে আগবঢ়োৱাৰ বাবে কলেজ পৰিয়ালৰ ওচৰত কৰযোৰে ক্ষমা বিচাৰিছোঁ।

শেষত সংকলনখনি কম সময়ৰ ভিতৰতে ছপাৰূপ দিয়া স্পেকট্ৰাম অফ্‌চেটৰ স্বত্বাধিকাৰী ও সমূহ কৰ্মীৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো।

ৰশ্মিৰেখা গগৈ

❑❑❑

# আগলি পাত

শিৱসাগৰ ছোৱালী কলেজৰ ষাঠি বছৰীয়া জয়ন্তী উপলক্ষে ছাত্ৰীসকলে তেওঁলোকৰ বছৰেকীয়া আলোচনীত লিখা গল্পৰ সংকলন 'দাপোণত আপোন মুখ'।

এখন কলেজৰ আলোচনীখনত ছাত্ৰীসকলে তেওঁলোকৰ গল্প, কবিতা লিখাৰ এখনি মঞ্চ। বছৰে বছৰে ছাত্ৰীসকলৰ লেখা-মেলাৰে এই আলোচনীখন সমৃদ্ধ। এইবাৰ কলেজৰ ষাঠি বছৰীয়া জয়ন্তী উপলক্ষে বচা বচা প্ৰায় চল্লিশটা গল্পৰে এটি সংকলন উলিওৱা হৈছে। গল্পকেইটা পঢ়ি মই কি পালো, তাৰ দায়িত্বটো মোৰ ওপৰত দিছে।

সাহিত্যিকসকল সমাজৰ পৰা প্ৰদৰ্শক। দস্যু ৰত্নাকৰ বাল্মিকী হ'ল। অন্তৰত কৰুণ ৰসৰ সমাহাৰ, সেই ৰসে তেওঁক মন্ত্ৰদ্ৰষ্টা ঋষি কৰি তুলিলে। বিশ্বৰ কবিসকলে দৃষ্টি লাভ কৰিলে। কৰুণ ৰসৰ বিশ্ববিখ্যাত মহাকাব্য সৃষ্টি হ'ল।

অসমত সাহিত্যৰথী বেজবৰুৱাই চুটিগল্পৰ প্ৰথম প্ৰাণ প্ৰতিষ্ঠা কৰিলে। ইয়াক কিয় চুটিগল্প বোলে তাৰ সংজ্ঞা মই নিৰূপণ কৰিব নোৱাৰোঁ। ছাত্ৰীসকলে নিশ্চয় জানে। কাৰণ আজি তেওঁলোক এগৰাকী গল্পকাৰ। গল্পৰ পৃথিৱীলৈ এগছি বন্তি আগবঢ়াইছে। এই প্ৰসঙ্গত ৰবি ঠাকুৰৰ সংজ্ঞাই মন চুই যায় —

সহস্ৰ বিস্মৃতি ৰাশি প্ৰত্যহ উঠেসে ভাসি
তাৰি দউ' এটই অশ্ৰুজল।

তেওঁ কৈয়ে গৈছে-বৰ্ণনা বিবৰ্জিত, ঘটনাৰ সংখ্যা বিবৰ্জিত, তত্ত্ব, উপদেশ নথকা কথা বুলি। পঢ়ি শেষ হ'লে অন্তৰত এক অতৃপ্তি-কিবা যেন আৰু থাকিল। আমাৰ আধুনিক সমালোচকসকলেতো 'এচকল' জীৱন বুলিয়েই কৈছে। বেজবৰুৱাই কেইটামান শিতানত চুটিগল্পবোৰ লিখিছিল যেনে— কাহিনীপ্ৰধান, চৰিত্ৰ প্ৰধান, পৰিৱেশ প্ৰধান। তাৰ উপৰিও বুৰঞ্জীৰ কিছুমান চৰিত্ৰ লৈও গল্প

লিখিছিল। সাধাৰণতে গল্পকাৰসকলৰ গল্পত ফুটি উঠে সমাজ জীৱনৰ চিত্ৰ,পুৰুষশাসিত সমাজত নাৰী নিৰ্যাতন — যেনে বেজবৰুৱাৰ 'পাটমুগী'। আমাৰ ছাত্ৰীসকলে পাঠ্যপুথিত থকা গল্পবোৰ পঢ়িব লাগে, পৰ্যালোচনা কৰে আৰু পৰীক্ষাত প্ৰশ্নভিত্তিক উত্তৰ দিব লাগে। এইয়াই হ'ল তেওঁলোকৰ চুটিগল্পৰ পাঠশালা। এতিয়া তেওঁলোকৰ কোমল মনেও গল্পত হাত দিছে। বহুকেইটা গল্পত প্ৰতিশ্ৰুতি আছে। কলেজৰ যাঠি বছৰীয়া জীৱন কালছোৱাত বহু চুটিগল্পৰ সৃষ্টি হ'ল। বয়সত এতিয়া তেওঁলোকো আগবাঢ়িল। বহুগৰাকী প্ৰথিতযশা গল্পকাৰ হ'ল; সেইসময়ৰ পৰিৱেশ, আজিৰ পৰিৱেশ বহু সলনি হ'ল। সেইসময়ত নাৰী নিৰ্যাতনে প্ৰাধান্য পাইছিল। আজি পুৰুষ নিৰ্যাতনেও ঠাই অধিকাৰ কৰি বহিছে। বিশ্বজুৰি সন্ত্ৰাসৰ বাতাবৰণত পাৰ্থক্য আহিছে। প্ৰাকৃতিক দুৰ্যোগ মহামাৰী, নানা প্ৰলয়ে দেশ ঢৌৱাই পেলাইছে। এনে পৰিপ্ৰেক্ষিতত বহুত চুটিগল্পৰ সৃষ্টি হৈছে।

কলেজৰ ছাত্ৰীসকলৰ এই সংকলনটিত জীৱনৰ ৰঙীন ভাঁজবোৰত ৰূপসলোৱা ছাত্ৰীসকল এতিয়া জীৱনৰ শেষ আলিকেঁকুৰিত বৈ হয়তো আনন্দ অশ্ৰু, বিষাদ অশ্ৰু টুকিব।

গল্পসংকলনটিৰ গল্পসমূহ পঢ়িলে আপোনাৰো অতীতলৈ মনত পৰিব। মই সমালোচকৰ দৃষ্টিৰে চোৱা নয়ো তেওঁলোকৰ শিক্ষয়িত্ৰী - মৰমৰ ছাত্ৰীসকলৰ সুখ-দুখৰ লগৰী। মোৰ আৰ্শীবাদ থাকিল।

যমুনা বৰগোহাঁই

□□□

## অনুক্ৰমণিকা


| গল্প | গল্পকাৰ | প্ৰকাশৰ চন | পৃষ্ঠা |
|---|---|---|---|
| ◈ উত্তৰ মেঘ | আস্না চেতিয়া | ১৯৬৬-১৯৬৭ | ১০ |
| ◈ পুৰণি পৃথিৱীৰ জীয়া কাহিনী | মঞ্জু দেৱী | ১৯৬৬-১৯৬৭ | ১৯ |
| ◈ প্ৰতিশ্ৰুতি আছে তাত | মুগ্ধাৰাণী বৰুৱা | ১৯৬৯-১৯৭০ | ২৩ |
| ◈ স্থিৰ নক্ষত্ৰৰ পোহৰ | মীৰা ফুকন | ১৯৭১-১৯৭২ | ২৭ |
| ◈ ৰহস্যৰ অন্তৰাল | অঞ্জনা বৰঠাকুৰ | ১৯৭১-১৯৭২ | ৪৩ |
| ◈ ভাগ্যৰ পৰিহাস | ভাৰতী গগৈ | ১৯৭৩-১৯৭৪ | ৫৫ |
| ◈ বসন্ত তুমি ক্ৰন্দসী | অনিমা বৰকাকতি | ১৯৭৩-১৯৭৪ | ৫৯ |
| ◈ ছন্দ পতন | অজুলীমা বৰুৱা | ১৯৭৬ | ৬৪ |
| ◈ এক সঁচা গল্পৰ কাহিনীৰে | পূৰ্ণিমা কোঁৱৰ | ১৯৭৭ | ৬৯ |
| ◈ গৰীৱৰ সংসাৰ | নীলিমা ভূঞা | ১৯৭৭ | ৭৮ |
| ◈ নিশাৰ উচুপনি | জিনু কাকতী | ১৯৭৮ | ৮৩ |
| ◈ এটি হুমুনিয়াহ অশ্ৰুসিক্ত বেদনাৰ | মৃদুলা দত্ত | ১৯৮৪-১৯৮৫ | ৯০ |
| ◈ স্বপ্ন | পূৰবী ৰাজগুৰু | ১৯৮৬-১৯৮৭ | ৯৩ |
| ◈ মই গেটৰ বাহিৰত | ৰীতা দত্ত | ১৯৮৯-১৯৯০ | ৯৬ |
| ◈ অভিজাত্য | মামণি চেতিয়া | ১৯৯২-১৯৯৩ | ১০২ |
| ◈ নাম তাইৰ অশ্ৰুবন্যা | অংশুমালা দত্ত | ১৯৯৪-১৯৯৫ | ১০৮ |
| ◈ সংকল্প | কৰবী শেনচোৱা | ১৯৯৫-১৯৯৬ | ১১১ |
| ◈ সেই অনুভূতি | নন্দিতা গগৈ | ১৯৯৬-১৯৯৭ | ১১৫ |
| ◈ শুধৰণি | মৈত্ৰী গগৈ | ১৯৯৬-১৯৯৭ | ১২১ |
| ◈ এইখন সমাজতে | পাপৰী চাংমাই | ১৯৯৭-১৯৯৮ | ১২৫ |
| ◈ এটি নতুন পুৱাৰ সন্ধানত | অঞ্জুমণি বড়া | ১৯৯৮-১৯৯৯ | ১২৮ |
| ◈ মই পৰাজিত হ'লো | মৌচুমী চুতীয়া | ২০০১-২০০২ | ১৩১ |
| ◈ এটা সিদ্ধান্তৰ শেষত | লিপি ফুকন | ২০০৩-২০০৪ | ১৪১ |
| ◈ স্বাধীনতাৰ বিধস্ত গান | টুটুমণি বেগম | ২০০৫-২০০৬ | ১৪৭ |

| গল্প | গল্পকাৰ | প্ৰকাশৰ চন | পৃষ্ঠা |
|---|---|---|---|
| ◈ সোঁৱৰণী নিদিবি আমনি | ত্ৰিবেণী দত্ত | ২০০৬-২০০৮ | ১৫০ |
| ◈ ভাৱনাৰ সিপাৰত মই | আকাশ জ্যোতি দাস | ২০০৬-২০০৮ | ১৫৪ |
| ◈ পাৰ্থিৱ বিভীষিকাৰ অন্তত | কৃপাক্ষী চাৰুকীয়া | ২০০৬-২০০৮ | ১৫৬ |
| ◈ অনুভৱ | ৰিতুমণি দুৱৰী | ২০০৮-২০০৯ | ১৬০ |
| ◈ আশ্ৰয় | ৰিজু বৰগোহাঁই | ২০০৮-২০০৯ | ১৬৫ |
| ◈ আতংকবাদ আৰু বিপ্লৱ | অংকিতা গগৈ | ২০১০-২০১১ | ১৭৩ |
| ◈ নিয়তিৰ পৰিহাস | চিমী আহমেদ | ২০১০-২০১১ | ১৭৭ |
| ◈ অন্তহীন অপেক্ষা | ৰ'দালি চেতিয়া | ২০১২-২০১৩ | ১৮০ |
| ◈ স্বপ্নৰ সমাধি | বৰ্ণালী বৰগোহাঁই | ২০১২-২০১৩ | ১৮৪ |
| ◈ বোৱাৰী হোৱাৰ দিনা | যামিনি মহন্ত | ২০১৩-২০১৪ | ১৮৬ |
| ◈ হেৰাই যোৱা সপোন | ৰাণীমা বৰপাত্ৰগোহাঁই | ২০১৩-২০১৪ | ১৯৫ |
| ◈ সম্বন্ধ | চিমি কোঁৱৰ | ২০১৪-২০১৫ | ১৯৯ |
| ◈ বাঁহীৰ মাত | সংগীতা দাস | ২০১৪-২০১৫ | ২০৪ |
| ◈ অৰ্ধাঙ্গিনী | প্ৰতীক্ষা ফুকন | ২০১৬-২০১৭ | ২১০ |
| ◈ হেৰুৱা ছন্দ বিচাৰি | উপাসনা নাথ | ২০১৭-২০১৮ | ২১৪ |
| ◈ গৌৰৱ | প্ৰণিছা কোঁৱৰ | ২০১৮-২০১৯ | ২১৭ |
| ◈ এয়াই যে সময় ঃ শুধৰণিৱ | প্ৰিয়াক্ষী বৰগোহাঁই | ২০১৮-২০১৯ | ২২৪ |

# উত্তৰ মেঘ

আল্পা চেতিয়া

ড্ৰয়িংৰূমৰ সকলোবোৰ বস্তু এটা এটাকৈ দলিয়াই পেলাবৰ ইচ্ছা হ'ল সবিতাৰ। ৰেডিঅ'টোৰ কাষলৈ গৈ সবিতাৰ ভাৱ হ'ল এই মুহূৰ্ত্ততে যেন ভাঙি পেলাব। সকলো খবৰ ৰেডিঅ'টোৱে দিব পাৰে, কিন্তু কিয় সবিতাৰ একমাত্ৰ মৰমৰ পুতেক জয়ন্তৰ খবৰ নকয়। অকলশৰীয়া নীৰৱ ঘৰখনত সবিতা চঞ্চল হৈ উঠে। ইমানপৰেচোন বীণাও নাপালেহি। জীয়েক বীণাৰ কাৰণে বৈ বৈ আমনি লগাত সবিতা আগফালে ওলাই আহে। কাকো ক'তো নেদেখি পুনৰ সোমাই গৈ ড্ৰয়িং ৰূমৰ চোফা এখনত বহি পৰে।

উচ্চ চৰকাৰী চাকৰীয়াল প্ৰণৱ বৰুৱাৰ পত্নী সবিতা। জয়ন্ত আৰু বীণা তেওঁলোকৰ সন্তান। বীণা জয়ন্ততকৈ আঠ বছৰৰ সৰু। জয়ন্ত ডাক্তৰ, বীণা তৃতীয় বাৰ্ষিকৰ ছাত্ৰী। দুয়োটা ল'ৰা-ছোৱালীয়েই বৰুৱা বৰুৱানীৰ বৰ আদৰৰ। জয়ন্ত সৰুৰে পৰা মাক দেউতাকৰ দূৰে দূৰে থকি পঢ়া-শুনা কৰিছিল। সেয়ে বন্ধত ঘৰলৈ আহিলে মাকৰ মৰম আৰু ভনীয়েকৰ আন্তৰিক স্নেহ আৰদাৱে তাৰ বুৰাই ৰাখে। দেউতাকৰ উপদেশ আৰু যন্ত্ৰণাবোৰৰ লক্ষ্য সদায় জয়ন্তৰ ভৱিষ্যতৰ প্ৰতিয়েই। কিন্তু ঘৰখনৰ সেই আদৰ স্নেহ এদিন জয়ন্তৰ আমনি লাগিল যিদিনাই জয়ন্তই তাৰ শিক্ষা শেষ কৰি হৈ আহিল ডাক্তৰ। অনাবিল সুখে বিৰাজ কৰা ঘৰখনত কিবা এক অনামী বেদনাই নিস্প্ৰভ কৰি দিলে। মাক-দেউতাকৰ সকলো ইচ্ছা আকাংক্ষা পিছ পেলাই থৈ জয়ন্তই ক'লে — 'মই আৰ্মিত জইন কৰিম মা'।

বৰুৱা বৰুৱানী চমকি উঠিল। তেওঁলোকে জয়ন্তৰ কথাত সন্মতি দিয়া নাছিল। কাৰণ আৰ্মিত সোমোৱা মানেই পুনৰ জয়ন্তক তেওঁলোকৰ মাজৰ পৰা আঁতৰি যাবলৈ দিয়া। সেয়ে প্ৰণৱ বৰুৱাই কৈছিল —"নহয় সোণ তই আগতে ফৰেইনলৈ গৈ ডিগ্ৰীটো লৈ অহাই বেছি ভাল হ'ব।"

মাক সবিতাই কৈছিল —"তই আঁতৰি নাযাবি সোণ, সৰুৰে পৰাই তই আমাৰ দূৰে দূৰে আছ। এইবাৰ আমাৰ মাজতে থাক। তই যে আমাৰ একমাত্ৰ ল'ৰা।"

জয়ন্তই বুজিছিল পৃথিৱীৰ সকলো মাকেই পুত্ৰৰ স্নেহত অন্ধ। তাৰোপৰি

দেউতাকৰ কথামতে ফৰেইনলৈ যোৱা মানেই আৰ্মি জীৱনৰ পৰা আঁতৰি যোৱাৰ এটা উপায়। সেয়ে দৃঢ়ভাৱে তাৰ লক্ষ্যত উপনীত হ'বৰ বাবে সি মাকক বুজালে "হ'ব পাৰো মই তোমালোকৰ একমাত্ৰ সন্তান, কিন্তু মনত ৰাখিক মা কত একমাত্ৰ ল'ৰাই মাতৃৰ বুকু শুদা কৰি দেশৰ বাবে প্ৰাণ আহুতি দিছে। মই মাত্ৰ তোমালোকৰ দৰে শত শত মা-দেউতা বীণাৰ দৰে বাই ভনীৰ ভৱিষ্যতৰ বাবেই যাম। আমি দেশৰ সন্তান। দেশ ৰক্ষাৰ বাবে আমি সকলো যাব লাগিব মা।"

মাক দেউতাকৰ অশেষ মৰম অনুৰোধ উপেক্ষা কৰি জয়ন্তই আৰ্মিত জইন কৰে। চীনাৰ বিৰুদ্ধে যুঁজা নেফাৰ আহত জোৱানৰ শুশ্ৰূষাৰ কাৰণে জয়ন্ত ব্যস্ত হৈ পৰে।

দুটা বছৰৰ আগৰ কথাবোৰ ভাবি ভাবি সবিতা তন্ময়। সেই দুটা বছৰ সহজ হৈ যোৱাৰ পিছত আজি দুমাহ মানৰ পৰা জয়ন্তৰ স্মৃতিয়ে তেওঁক অস্থিৰ কৰি তোলে। অথচ অতি দুৰ্য্যোগপূৰ্ণ এই দুটা মাহত তেওঁ পাগল হৈ যোৱা নাই। পাকিস্তানৰ লগত ভাৰতৰ সংঘৰ্ষই মানুহৰ মনলৈ অশান্তি আনিছে। এই অশান্তি ভাৰতৰ প্ৰত্যেক জিলাৰ প্ৰত্যেক মানুহৰ মনৰ ফাকে ফাকে অংকিত হৈ ৰৈছে। বিৰাট ঘৰখনত অকলশৰীয়া সবিতাই বৰ নিঃসঙ্গ অনুভৱ কৰে। আনদিনা বীণা থাকিলেও অনবৰতেই ৰেডিঅ'টোৰে কাষত বহি নিউজ ল'ব। কিজানি কৰবাত তাইৰ মৰমৰ একমাত্ৰ ককায়েকৰ খবৰ পায়। বাতৰি কাগজ আহিলে বহলকৈ চকু দুটা মেলি চাব জয়ন্তৰ খবৰ পোৱাৰ আশাৰে। প্ৰত্যেক দিনাই নিৰাশ হৈ বিষাদে আৱৰা মুখেৰে কাগজ ৰেডিঅ' সকলো এৰি গোঁসাই ঘৰত সোমাই কৃষ্ণমূৰ্ত্তিত প্ৰাৰ্থনা জনায় "মোৰ একমাত্ৰ দাদাক মোৰ কাষলৈ আনি দিয়া প্ৰভু"।

বীণা ঘৰত থাকিলেও তাইৰ কামবোৰে সবিতাৰ মনত শান্তি নিদিয়ে। যুদ্ধৰ প্ৰথম অৱস্থাতে জয়ন্তৰ খবৰ পাই আছিল। কিন্তু পাকিস্তানে আম্বালাত হস্পিতেল, কেণ্টনমেণ্ট আদিত বোমা বৰ্ষণ কৰাৰ পৰাই জয়ন্ত নীৰৱ হ'ল। অজান আশঙ্কাত সবিতায়ো ভগৱানৰ ওচৰত বাৰে বাৰে প্ৰাৰ্থনা জনালে জয়ন্তৰ মঙ্গলৰ বাবে।

কিন্তু সবিতাৰ প্ৰাৰ্থনা ভগবানে নুশুনিলে। কৃষ্ণৰ মূৰ্ত্তিৰ আগত বীণাই জ্বলোৱা মিঠাতেলৰ চাকিগছ বতাহে নুমাই দিলে। জয়ন্তৰো কোনো খবৰ নাহিল।

প্ৰণৱ বৰুৱাৰ ইচ্ছা আছিল জয়ন্তই বিলাতত ডিগ্ৰী লৈ অহাৰ পিছত বিয়া পাতিব প্ৰতাপ চলিহাৰ কন্যা জোনালীৰ লগত। এয়া বৰুৱা আৰু চলিহাৰ বন্ধুত্বৰ এনাজৰী সুদৃঢ় কৰাৰ ডেকা কালৰ আশা। এই কথা জয়ন্তই জনা নাছিল। বৰ ভাল ল'ৰা বুলি খ্যাতি থকা জয়ন্তই সৰুৰে পৰা মাক দেউতাকৰ আঁতৰত থাকি কেৱল পঢ়াৰ কথাই জানিছিল। কিন্তু দুৰ্য্যোগৰ দিনতহে বিপদ অহাৰ দৰে প্ৰণৱ বৰুৱাৰ জীৱনত নতুন দুৰ্য্যোগৰ আবিৰ্ভাৱ হ'ল। প্ৰতাপ চলিহাক কেঞ্চাৰ দুৰাৰোগ্যই কলিজাত খুলি খুলি খাইছিল। সেয়ে চলিহাই তেওঁৰ অৱস্থাৰ কথা জনাই প্ৰণৱ বৰুৱালৈ বিয়াৰ প্ৰস্তাৱ পঠালে। মৃত্যুৰ ক্ষণ গণি থকা বন্ধুৰ অৱস্থাৰ কথা সুঁৱৰি তেওঁৰ ইচ্ছা পূৰণৰ বাবে বৰুৱা সাজু হ'ল। অতি সোনকালে জয়ন্তকো মাতি পঠালে আৰ্জ্জেণ্ট টেলিগ্ৰামৰ যোগে। ইতিমধ্যে ভাৰতৰ শাৰদীয় জোনাক নিশাবোৰ পাকিস্তানী টেঙ্ক আৰু কামানৰ ধোঁৱাই অন্ধকাৰ কৰি পেলালে। ডাৱৰে আৱৰি পেলালে স্নিগ্ধ জোনাকবোৰ। ভাৰতৰ শান্ত আকাশ কঁপি উঠিল কামান আৰু বন্দুকৰ অশান্ত গৰ্জ্জনেৰে।

বিয়াৰ সকলো আয়োজন চলিল মৃত্যুমুখী চলিহাৰ শেষ ইচ্ছা পালনৰ অৰ্থে। প্ৰতাপ চলিহাৰ ঘৰত বিয়াৰ আনন্দ ম্লান কৰি দিছিল চলিহাৰ অসুস্থতাই। ক্ৰমে বিয়াৰ দিন চমু চাপি আহিল। জয়ন্তৰ খবৰ নাপাই বৰুৱা ব্যাকুল হৈ উঠিল। আকৌ এখন টেলিগ্ৰাম কৰিলে অতি সোনকালেই ঘৰ পোৱাকৈ — লগতে জনাই দিলে বিয়াৰ তাৰিখ দহদিন মাত্ৰ আছে।

ভাৰতৰ মাটিত তেতিয়া বন্দুক আৰু বাৰুদৰ গোন্ধ। ৰণ পিপাসু পাকিস্তানীৰ উন্মত্ততা অমৃতসৰ আৰু আম্বালাৰ হস্পিতেল আদিত বোমা বৰ্ষণৰ বাতৰি ইতিমধ্যে বিয়পি পৰিছে। প্ৰণৱ বৰুৱা নিৰ্ব্বাক হৈ পৰিল বন্ধু চলিহাক এই অৱস্থাত তেওঁ কি বুলি শান্ত্বনা দিব। সবিতাই অজান আশঙ্কাত কঁপি উঠিল। দুখনকৈ দিয়া আৰ্জেণ্ট টেলিগ্ৰামৰ উত্তৰ কিয় জয়ন্তই দিয়া নাই।

সকলোৱে ভগৱানক প্ৰাৰ্থনা কৰিলে একো যেন অমঙ্গল নহয়। কিন্তু সকলোৰে আশা আৰু আনন্দত বেদনাৰ অঞ্জনে ছানি ধৰিলে। বিয়াৰ দিনালৈকে অধীৰ উৎকণ্ঠাৰে বাট চালে কিন্তু জয়ন্ত নাহিল। বিয়াৰ অতিথিও বিমুখ হৈ নিৰানন্দ মনেৰে উভতি গৈছিল বৰুৱা বৰুৱানীক বুজনি দি। বৰুৱা বৰুৱানী

আৰু বীণা হৈ পৰিছিল বাক্‌হীন বোবা পুতলাৰ দৰে। মাজ নিশাৰ তৰাবোৰ স্থিৰ হৈ জ্বলি আছিল। নিশাৰ সেই নিবিড় নীৰৱতাত বৰুৱানীৰ কান্দোনৰ শব্দ ভাহি আহিছিল। নিষ্পন্দ হৈ বৰুৱা আগফালৰ ৰভাত বহি আছিল সজাই থোৱা খালি চকী মেজবোৰ আগত লৈ। বীণা কান্দি কান্দি অৱশ হৈ শুই পৰিছিল। সাৰে আছে মাত্র টিমিক-টিমিক জ্বলা শেষ নিশাৰ আকাশৰ তৰাবোৰ, সন্মুখৰ ৰভাৰ তলত বৰুৱা আৰু বৰুৱানীৰ গোটেই ঘৰ কঁপাই তোলা গভীৰ উচুপনি। এনে অৱস্থাত খবৰ পালে নিশা এক বজাত প্ৰতাপ চলিহাৰ মৃত্যু হ'ল।

দুটা মাহৰ আগতে শেষ হৈ যোৱা ঘটনাবোৰ স্মৃতিৰ মাজত সঁজাই পেলালে সবিতাই। নানান ভাৱত আনমনা হৈ সবিতাই আন্ধাৰে-মুন্ধাৰে ড্ৰয়িং ৰূমৰ চোফাতে বহি ৰ'ল। গধূলিৰ গভীৰতা লাহে লাহে নামি আহিল। দুৱাৰত মৃদু আঘাট শুনি সবিতাই উচপ খাই উঠে। লগে লগে লাইট জ্বলি উঠে। লাইটৰ পোহৰত কোঠাটোৰ অন্ধকাৰখিনি আঁতৰি গ'ল। লগে - লগে সবিতাই দেখা পাই বীণাক - লগত জোনালী। জোনালীক দেখি সবিতাৰ পাহৰা শোক উথলি উঠিল। দুমাহৰ আগতে এই জোনালীক আদৰি আনিবলৈ বৰুৱা পৰিয়াল ব্যস্ত আছিল। আৱেগত সবিতাই জোনালীক সাৱটি ধৰি কান্দি উঠিল। জোনালীয়ে মুখেৰে মতা নাছিল। মৌন মুখৰ বেদনা বিধুৰ শান্ত জোনালী যেন শৰতৰ নিৰ্ম্মল আকাশৰ জোনজনী। নিয়ৰত তিতা শুভ্ৰ শেৱালীৰ পাহিৰ দৰেই শুভ্ৰ সুগোল মুখৰ জোনালীৰ দুচকু উপচা চকুলো মুকুতাৰ দৰে লাইটৰ পোহৰত উজলি উঠিল।

সবিতাই জোনালীৰ মূৰত হাত ফুৰাই কলে — "তোমাক মাতিলো। হেৰুৱাৰ বেদনা আমাৰ তাকে ক'বলৈ। তোমালৈ গঢ়াই থোৱা সকলো বস্ত আজি তোমাকৈই পিন্ধাই দিম কিন্তু তুমি আমাক পাহৰি যোৱা জোনালী। জয়ন্ত যে আৰু কোনো দিন আমাৰ মাজলৈ নাহে"।

কাতৰ স্বৰে জোনালীয়ে তেতিয়া চিঞৰি উঠিল "মা"।

বীণাই লৰা-লৰিকৈ কোঠাটোৰ পৰা আঁতৰি গ'ল। সবিতাই জোনালীৰ মূৰত হাত থৈ অনৰ্গল কৈ গ'ল। "আমাৰ মনত, আমাৰ ঘৰত তাণ্ডৱ নৃত্য চলাই এতিয়া যুদ্ধৰ বিৰতি ঘটিল। কিন্তু আমাৰ মনত আমাৰ শান্তি ক'ত জোনালী? আমাৰ জয়ন্ত ক'ত? ক'ত পাম জয়ন্তক?" কৈ কৈ সবিতাই উচুপি উঠিল।

এনেতে দুৱাৰত কোনাবাই বৰকৈ আঘাট কৰে। সবিতাৰ শুনি বৰ খঙ উঠে। সবিতাই জানে এয়া বৰুৱা নহয়। বৰুৱা সদায় সাত বজাতহে অফিচৰ পৰা আহে। তাতে আজি জোনালী আহিব বুলি জানিছে যেতিয়া কিমান দেৰী কৰে তাৰো ঠিক নাই। সবিতায়ো জোনালীক বিচাৰিছে অকলে। হেৰুৱা পুতেকৰ সোঁৱৰণিৰে বুকুৰ বেদনা উজাৰি প্ৰকাশ কৰিবলৈ জোনালীক তেওঁ মাতি আনিছে। সেয়ে তেওঁ কথা শেষ হোৱাৰ আগতেই কোনোবা তৃতীয় ব্যক্তিয়ে আহি ব্যাঘ্যাত জন্মাওক এইটো সবিতাই বিচৰা নাই। কিন্তু অবিৰাম দুৱাৰত আঘাট কৰাত সবিতা বিৰক্ত হ'ল। কিন্তু উঠি যাবলৈ মন নকৰিলে। সবিতাক নিশ্চল দেখি জোনালী নিজেই আগবাঢ়ি গ'ল। সবিতায়ে বাধা নিদি কলে — "কোন আহিছে কৈ দিয়া জোনালী - তেখেত ঘৰত নাই"।

আগফালৰ লাইটটো জ্বলাই জোনালী আগবাঢ়ি গ'ল। দুৱাৰখন খুলিয়েই জোনালীয়ে দেখা পালে বেডিং বাকচেৰে সৈতে এজন মানুহ দুৱাৰমুখত ৰৈ আছে। মানুহজনক দেখি জোনালী চমকি উঠিল, উত্তেজনাত কপি উঠিল আৰ্মিৰ পোচাক পিন্ধা মানুহজন দেখি।

জোনালীৰ মুখলৈ চাই হাঁহি হাঁহি কিবা এটা ক'ব খুজি হঠাত ডেকাজন ৰৈ যায়। নিৰ্ব্বাক নিশ্চল হৈ দুৱাৰত ধৰি কোনোমতে স্থিৰ হৈ জোনালী ৰৈ গ'ল ডেকাজনৰ মাত্ৰ এষাৰ কথাতেই — "মা, মা ক'ত আছে?"

হেৰুৱা পুতেকৰ মাত শুনি সবিতা উচপ খাই উঠিল। চকুৰ আগতে মৰমৰ পুতেকক দেখিবলৈ পাই আনন্দত আত্মহাৰা হ'ল। পাহৰি গ'ল জোনালীক মাতি অনাৰ কথা। পুতেকক সাৱটি ধৰি মুৰে-গায়ে হাত ফুৰাই সুধিলে — "ইমান দিনে কিয় খবৰ এটা দিয়া নাই তই"।

মাকৰ কথাৰ উত্তৰ নিদি জয়ন্তয়ো মাকক সুধিলে "দেউতা আৰু বীণা ক'ত মা?"

পুতেকৰ প্ৰশ্নলৈ মন নকৰি মাকে সুধিলে "তই আমাৰ টেলিগ্ৰাম কেইখন পোৱা নাছিলি"।

"পাইছিলো মা। কিন্তু তাৰ আগতে কোৱাচোন তোমাৰ মুখখন ইমান শুকান কিয়? মোৰ খবৰ নাপাই কান্দি আছিলা নেকি?" দুষ্ট হাঁহিৰে প্ৰশ্ন কৰি

জয়ন্তই মাকৰ মুখলৈ চাই দেখে মাকৰ চকু মুখত খঙৰ আভাস।

জয়ন্তৰ কথাত সবিতাৰ বৰ খং উঠিল। "আমাক কষ্ট দি তই বৰ ৰং পাইছ? তই নাজান তোৰ বাবেই ক'ত নিশা আমাৰ চকুত টোপনি নাই, পেটত ভাত নাই, মুখত হাঁহি নাই। আৰু যে কি হৈ গ'ল তাক জানো তই বুজিবি।"

মাকৰ কথা শুনি জয়ন্তই ডাঙৰকৈ হাঁহি উঠে। "এতিয়া বুজিলো মা। মই মৰিলো বুলি তোমালোকে ইতিমধ্যে মোৰ শ্ৰাদ্ধই পাতিলা। ভালকৈ চোৱা মা, মই কিজানি জয়ন্ত নহওঁ তাৰ প্ৰেতাত্মাহে।"

পুতেকৰ ৰগৰত সবিতাৰ খঙ উঠে। ৰুক্ষ সুৰেৰে কৈ উঠে "বন্ধ কৰ কথা। ইমানবোৰ যন্ত্ৰণা দি সহ্য হোৱা নাই?"

মাকৰ খঙৰ কাৰণ বুজি নাপাই মাকৰ মুখলৈ চাই অজলা ল'ৰাৰ দৰে জয়ন্তই ক'লে — "বাৰু এটা মাত্ৰ কথাকে কোৱা মা। মোক যে দুৱাৰ খুলি দিলে ছোৱালীজনী কোন মই যে চিনি পোৱা নাই।"

জয়ন্তৰ কথাত সবিতাই সম্বিত ঘূৰাই পালে। কৰুণ দৃষ্টিৰে বহুত সময় জয়ন্তৰ মুখলৈকে সবিতাই চাই ৰৈ গ'ল। মাকৰ একাগ্ৰ চাৱনিত জয়ন্তই ভয় খাই উঠিল। চোফা এখনত গাটো পেলাই সি বহি ল'লে। "সোণ তই নিশ্চয় টেলিগ্ৰাম পোৱা নাই। সেয়া জোনালী, দেউতাৰৰ বন্ধু প্ৰতাপ চলিহাৰ কন্যা। এই জোনালীৰ লগতেই তোৰ বিয়াৰ দিন ঠিক কৰিছিলো দুমাহৰ আগতেই। কিন্তু তই নাহিলি আৰু জীয়াই থকাৰো কোনো সঁহাৰি নিদিলি। সেই জোনালীকে আজি মতাই অনাইছিলো তোৰ জীয়া মৃত্যুৰ কথা ক'বলৈ।" এইবুলি সবিতাই দুটা মাহৰ ভিতৰতে বিয়া ঠিক হোৱা আৰু দুৰ্যোগপূৰ্ণ দিনৰ কথাবিলাক কৈ যায়। বাৰে বাৰে মাথোন মাকৰ এষাৰ কথাই তাৰ কাণত বাজি উঠিল "মাজ নিশালৈকে তোলৈ বাট চালো। তই নাহিলি। তোৰ এই অৱহেলাৰ কাৰণেই প্ৰতাপ চলিহাই দাৰুণ আঘাত লৈ বিয়াৰ দিনাই মৃত্যুবৰণ কৰিলে।

জয়ন্তৰ উশাহ বন্ধ হৈ যাব খুজিলে। মুখৰ মাত হেৰাই গ'ল। ৰূপকথাৰ দৰে ইমানবোৰ ঘটনা এটা মাত্ৰ মাহতে কেনেকৈ ঘটিবলৈ পালে! সপোন বুলি জয়ন্তই নিজৰ গাত চিকুটি চালে, নহয় এয়াতো সপোন নহয়। এয়া জীয়া বাস্তৱ, চকুৰ আগতে তাৰ মৰমী মাক আৰু সি এয়া তাৰ নিজৰ ঘৰতে। কোনোমতে

সেহাই সেহাই জয়ন্তই কলে “নকবা আৰু মা। যুদ্ধ ক্ষেত্ৰত হাজাৰ হাজাৰ আহত সৈন্যৰ কাতৰস্বৰে আমাক অভিভূত কৰি তুলিছিল। বন্দুকৰ গুলীত ধৰাশায়ী হোৱা সেই বিলাক জোৱানৰ চকুত আছিল দেশপ্ৰেমৰ জুই। তেওঁলোকক আৰোগ্য কৰাৰ আপ্ৰাণ চেষ্টাই মোক সকলো পাহৰাই ৰাখিছিল।” মাকৰ আগত জয়ন্তই যুদ্ধত আহত জোৱানৰ কথাবিলাক কৈ গ'ল। জয়ন্তই বুজিলে তাৰ অজ্ঞতাৰ বাবেই ঘৰত এয়া চৰম পৰিণতি। কিন্তু জয়ন্তই বুজা নাছিল দুখন টেলিগ্ৰামেই এই পৰিণতিত অৰিহণা যোগাব পাৰে। বন্দুকৰ গুলীত ধৰাশায়ী হৈ আহত জোৱানে যেতিয়া শত্ৰুক প্ৰতিহত কৰাৰ কথা কয় তেতিয়া তাৰ শিৰা প্ৰতিশিৰাৰ তেজবোৰ গৰম হৈ যায়। অসহ্য বেদনাত কাতৰ জোৱানৰ চকুৰে মুখে দেশপ্ৰেমৰ অবিচলিত ভাৱ দেখি ডাক্তৰ জয়ন্ত অভিভূত হৈ পৰে। বেদনাত চট্ ফটাই থকা জোৱানক শুশ্ৰূষা কৰাত নিজক উচৰ্গা কৰে। তেনেকুৱা সময়তে জয়ন্তই ঘৰলৈ অতি সোনকালে মাতি পঠোৱা টেলিগ্ৰামখন পায়। সেই অভূতপূৰ্ব সময়ত জোৱানসকলৰ অনাবিল ত্যাগৰ মনোবল দেখি ঘৰলৈ মতাত জয়ন্তৰ নিজকে বৰ নীচ যেন লাগিল। সেয়ে ঘৰলৈ মতাৰ কথা ইচ্ছা কৰি উপেক্ষা কৰিলে। কিন্তু দ্বিতীয়বাৰ ইচ্ছা কৰি জয়ন্তই ঘৰৰ নিমন্ত্ৰণ অৱহেলা কৰা নাছিল। দ্বিতীয়খন টেলিগ্ৰাম হাতত তুলি লওঁতেই জয়ন্তই দেখা পালে কেপ্তেইন বাহাদুৰ সিঙক এম্বুলেঞ্চৰ পৰা নমাই আনিছে। অতি গুৰতৰভাৱে আহত হোৱা কেপ্তেইনক আজৰি সময়ত আহত জোৱানক শান্ত্বনা দিছিল, আশ্বাস দিছিল, মনোবল বঢ়াই তুলিছিল। সেই মুহূৰ্ত্ততে জয়ন্তই তাৰ সকলো শক্তি প্ৰয়োগ কৰি মানুহৰ জীৱন মৰণৰ লগত সংগ্ৰাম কৰিলে। কেপ্তেইনৰ বুকুত তেতিয়াও দুটা বুলেট সোমাই আছিল। জয়ন্ত নিৰাশ হ'ল অস্ত্ৰোপচাৰ কৰাৰ পিছত। সি নিজেই বগা কাপোৰ এখনেৰে মূৰৰ পৰা ভৰিলৈকে ক্ষত বিক্ষত কেপ্তেইনৰ দেহাটো ঢাকি পেলালে। তাৰ পিছত আকাংক্ষাৰে বাট চাই থকা এটা পৰিয়ালৰ কল্পনা কৰিলে। সেয়া কেপ্তেইনৰ পৰিয়াল। লগে লগেই তাৰ মনত পৰিল মাকৰ মৰমী মুখলৈ। টেলিগ্ৰাম খনলৈ মনত পৰি চাৰিওফালে চালে কিন্তু ক'তো পেলাই থৈ যোৱা কাগজ টুকুৰা পুনৰ ঘূৰাই নাপালে।

এনেতে জয়ন্তই শুনিলে ভিতৰত কাৰোবাৰ উচুপনি। লগে লগে বহুত

দেৰীৰ মুৰত বীণাৰ মাত "জোনালী তুমি কান্দিছা। তুমি কান্দিলে মই ৰব আঘাত পাওঁ। চোৱাচোন মই এতিয়া কিমান অকলশৰীয়া।"

জয়ন্তই আৰু ৰব নোৱাৰিলে। সি বুজিলে বীণাই এতিয়াও সি অহাৰ গম পোৱা নাই। সেয়ে নিজকে অকলশৰীয়া বুলি ভাবি আছে। "বীণা মই আহিলো নহয় এয়া মোক চা বীণা।" আৱেগত জয়ন্তই চিঞৰি উঠিল।

জয়ন্তৰ মাত শুনি ৰীণা দৌৰি আহিল। "দাদা তোক কোনে প্ৰাণ দিলে? তই ক'ত আছিলি ইমান দিনে? তোৰ কাৰণে এইমাত্ৰ গোঁসাইঘৰত এগাল ফুল দি ওলাই আহিছো।" একে উশাহে কথাখিনি কৈ জয়ন্তৰ ডিঙিত সাৰটি ধৰে।

বীণা মুখৰ হৈ উঠে। জোনালীক ভিতৰৰ পৰা টানি আনি কয় — "চা দাদা; এইজনী জোনালী। এই শান্ত আৰু উজ্জ্বল জোনালীৰ ৰূপ তোৰ বাবেই ম্লান হৈ গৈছিল। তই কিয় আমাক ইমান কষ্ট দিলি?"

জোনালী লাজত জয় পৰি গ'ল। মুখখন ৰক্তিম হৈ উঠিল। হয়তো লাজত, হয়তো আনন্দত। লগে লগেই বেজাৰেও আহি তাইক আমনি কৰিলে মনত পৰিল এই আনন্দ যদি তাইৰ দেউতাকেও শেষ মুহূৰ্তত পালেহেঁতেন।

এনেতে প্ৰণৱ বৰুৱা অফিচৰ পৰা আহি কোঠাটোত সোমাই দেখে — জয়ন্ত আৰু জোনালীক। জয়ন্তক দেখি তেওঁ অবাক হৈ গ'ল। মুখৰ পৰা মাত্ৰ ওলাল — "কেতিয়া আহিলি সোণ?"

দেউতাকৰ মাতৰ জড়তা শুনি জয়ন্তৰ মনেও হাঁহাকাৰ কৰি উঠিল। সি ভাবিছিল কাকো গম নিদিয়াকৈ আহি সকলোকে অবাক কৰি আনন্দ কৰিব। কিন্তু এতিয়া তাৰ বিপৰীত পৰিবেশত পৰি অস্থিৰ হৈ উঠিল সমগ্ৰ দেহ মন। "দেউতা - মই জনা নাছিলো ইমানবোৰ ঘটনাই আমাৰ ঘৰত তাণ্ডৱ ৰূপ ল'ব — 'মাত্ৰ দুখন টেলিগ্ৰামৰ বাবেই।" কাতৰ হৈ জয়ন্তই দেউতাকক ক'লে। সেয়া কোনো কথা নহয় সোণ। যি হৈ গ'ল তাৰবাবে ভাবি আৰু লাভ নাই। এতিয়াৰ কথা হ'ল আমাৰ বেদনা ভৰা দিনবোৰ তহঁতে আজিৰ হাঁহি আৰু আনন্দেৰে উটুৱাই দে - প্ৰতাপ চলিহাৰ অশান্ত আত্মাই শান্তি পাওক। বন্ধুৰ স্মৃতিয়ে বৰুৱাৰ মনত বেজাৰ দিয়ে। মাতটো কঁপি উঠে।

দেউতাকৰ কথাত জয়ন্তই ক্ষমা বিচাৰিছিল। বৰুৱাবো জয়ন্ত আৰু

জোনালীক হৈ যোৱা ঘটনাৱলীৰ বাবে দুখ নকৰিবলৈ বুজালে। সেয়া সকলোৰে ভাগ্য। সেয়েহে বিয়াৰ দিনাও অতীৱ আনন্দত কোনেও আত্মহাৰা হ'ব নোৱাৰিলে। অথচ সেই দিনটোৱেই আছিল দুটা পৰিয়ালৰ গভীৰ বেদনা ভৰা বিনিদ্ৰ ৰজনী। সকলোকে সচেতন কৰি দিলে প্ৰণৱ বৰুৱাৰ এযাৰ কথাই "আজিহে তহঁতৰ শুভ মিলনৰ দিন জয়ন্ত। কিন্তু এই মিলনৰ কথা প্ৰতাপ চলিহাই নাজানিলে আৰু কোনো দিন নাজানে?"

বৰুৱাৰ কথা শুনি জোনালী স্থিৰেৰে ৰব নোৱাৰিলে। বৰুৱাৰ ভৰিত ধৰি জোনালী উচুপি উঠিল। জয়ন্তয়ো কাষ চাপি আহি দেউতাকক সুধিলে — "নাজানি কৰা ভুলৰ বাবে চলিহাৰ আত্মাই জানো মোক ক্ষমা নকৰিব দেউতা?"

বৰুৱাই জয়ন্ত আৰু জোনালী দুয়োটাকে দুহাতে সাৱটি ভিতৰলৈ সোমাই গ'ল।

বৰুৱাই জোনালীক ক'লে — 'নাকান্দিবা জোনালী, চলিহা নাথাকিলেও মই আছো।" তাৰপিছত বৰুৱা সহজ হৈ ভিতৰলৈ সোমাই গ'ল। জয়ন্ত আৰু জোনালী - নিশ্চল হৈ একে ঠাইতেই ৰৈ গল। ভিতৰত বীণাই চিঞৰি চিঞৰি দেউতাকক কোৱা জয়ন্ত আৰু জোনালীয়ে শুনিলে — "মই আৰু জোনালী নবৌক যাবলৈ নিদিওঁ দেউতা।" লগে লগে দেউতাকৰ কণ্ঠস্বৰ ভাহি আহিল — জোনালীক যাবলৈ নিদিবি কিয় আজলী? কিন্তু ভাল এটা দিনত তহঁতেই গৈ জোনালীক আনিবগৈ লাগিব।

জয়ন্তই দুৱাৰত ধৰি ৰৈ থকা জোনালীৰ ওচৰলৈ গৈ মুখখন দাঙি ধৰে। জোনালীৰ চকুত তেতিয়াও দুচকু উপচা চকুলো। লগে লগেই চাৰি চকুৰ মিলন হয়। চাৰিওটা চকুত তেতিয়া প্ৰশ্ন। জয়ন্তৰ দুচকুত ঃ "তোমাক বহুত কষ্ট দিলো — তাৰ বাবে জানো মোক ক্ষমা কৰিব পাৰিবা?"

জোনালীৰ গভীৰ ক'লা সজল দুচকুত তেতিয়া আন এটা প্ৰশ্নঃ উত্তৰৰ মেঘৰ ভয়লগা বিজুলী গৰ্জনৰ পিছতো তেন্তে সূৰ্যৰ উদয় হয়?

নীলা আকাশৰ স্নিগ্ধ জোনাকবোৰ বাগৰি আহি বাহিৰৰ পৃথিৱীখন পোহৰ কৰি পেলালে। যেন ভাৰতৰ আকাশো ক্ৰমে নিৰ্মল আৰু শান্ত হৈ পৰিল।

—ঃঃঃঃ—

# পুৰণি পৃথিৱীৰ জীয়া কাহিনী

শ্ৰী মঞ্জু দেৱী

এজাক গাভৰুৰ খিল খিল হাঁহিৰ শব্দই গোটেই বাটটো মুখৰিত কৰি তুলিছে। ছোৱালীজাক বোধহয় Love in Tokyo নামৰ চিনেমাখন চাবলৈ গৈছে। ওচৰৰ চিনেমা হলটোৰ পৰা হিন্দী চিনেমাৰ গান এটা ভাঁহি আহিছে। সেই একে গানটোকে ৰিক্সাৱালা এটাই বেসুৰা সুৰত গাবলৈ যত্ন কৰিছে। চাৰিওফালে এটা হুলস্থূল ব্যস্ত পৰিবেশ। ৰিক্সা, মটৰ চাইকেলৰ অসম্ভৱ ব্যস্ততা। কৰ্ম্মক্লান্ত বিভিন্ন জাতিৰ বিভিন্ন পুৰুষ- মহিলাৰ আহ- যাহৰ ব্যস্ততাকণ চাই ভাল লাগে। কত কিমান ধৰণৰ যে মানুহ। এতিয়াও চাৰে পাঁচ বাজিবলৈ পোন্ধৰ মিনিট বাকী আছে। ভালকৈ আন্ধাৰ হোৱা নাই। অলপ পিছতে আন্ধাৰবোৰে গোটেই পৃথিৱীখন গ্ৰাস কৰি পেলাব। তাৰ পিছত এই ব্যস্ততা কমি গৈ এই সৰু অকণমান চহৰখন নিদ্ৰাদেৱীৰ কোলাত শুই পৰিব।

মোৰ চকুদুটা এজুৰি মৰম লগা হাঁহো হাঁহো কৰা চকুৰ সন্ধানত ঘূৰি ফুৰিছে। বাৰে বাৰে চকুজোৰে নিৰ্দ্দিষ্ট ঠাইখনৰ ফালে গৈছে। মোৰ আজ্ঞাতে চকুজোৰ গৈছে। আজি বোধহয় সি নাহে। হয়তো পলম হ'ব। হয়তো এতিয়া আহিবই কিবা কামত তাৰ দেৰী হৈছে।

ল'ৰাটো মোৰ খুব মৰম লাগে। ভাল লাগে। গধূলি নিৰ্দ্দিষ্ট এই সময়কণত মই তাক প্ৰায় চাওঁ, সুন্দৰ, সুস্বাস্থ্য, সুগঢ়ী ল'ৰাটোক চাই মোৰ খুব ভাল লাগে, বিশেষকৈ তাৰ সেই মৰম লগা মুখখনৰ হাঁহিটো। কিবা এটি নাম নজনা আকৰ্ষণে মোক টানি আনে এই নিৰ্দ্দিষ্ট ঠাইডোখৰলৈ আৰু এয়া সেইবাবেই আজিও মই বহি আছো তাৰ অপেক্ষাত।

গোটেই দ'লটো বনভোজ খুৱাৰ আনন্দত মত্ত। মিঠা মিঠা, কোমল কোমল ৰ'দ জাকত আমাৰ মনবোৰ আৰু বেছি ৰঙীয়াল হৈ উঠিছিল। কাজল বুলীয়া নৈখনৰ পাৰত নীল আকাশৰ তলত আমি ভাত খাইছিলো। গানৰ সুৰে, অসম্ভৱ ধুনীয়া পৰিবেশে প্ৰাকৃতিক সৌন্দৰ্য্যই আমাক ইমান আপ্লুত কৰি তুলিছিল যে পৃথিৱীৰ সমূহ আনন্দ আমাৰ মাজতেই যেন বিদ্যমান। আমি ভাত বিলাক

আধা খাইছিলো আধা পেলাইছিলো। তাৰ পিছত আমি হাঁহি হাঁহি নাচিছিলো, দৌৰিছিলো, খেলিছিলো। গোটেইজাক আমি আনন্দত পাগল হৈ পৰিছিলো।

সেই আনন্দমুখৰ পৰিবেশটোৰ মাজেৰে মই মন কৰিছিলো এহাল ১১/১২ বছৰীয়া ল'ৰাই পেলাই দিয়া ভাত মাছৰ টুকুৰাবোৰ বুটলি বান্ধি লৈছিল। খাব নোৱাৰা ভাতমুঠি আমি অৱহেলা কৰি দ্বিধাহীন ভাৱেই পেলাই দিছিলো। সেই একে ভাত মুঠিৰ মাজত আমাৰ দৰেই একেই তেজমঙহৰ আন কেইটামান প্ৰাণীয়ে জীয়াই থকাৰ সপোন দেখিছে। সেই পেলনি ভাত মুঠিৰ মাজত আছে কেইটামান প্ৰাণীৰ জীয়াই থকাৰ দুৰ্ব্বাৰ হেঁপাহ।

দলটোৰ একমাত্ৰ ময়েই ভাবিছিলো সেই অৱহেলিত ভাত মুঠিৰ লগত জড়িত কথাবোৰ। ৰঙা, জপৰা চুলিৰ শুকান মুখৰ অৰ্ধনগ্ন কিছুমান প্ৰাণীৰ কথা। পৃথিৱীৰ এচাম মানুহ আজি সভ্যতাৰ চৰম সীমাত উপস্থিত আৰু আনচাম মানুহে ভালকৈ এমঠি খাবলৈ জীয়াই থাকিবলৈ পোৱা নাই। পিন্ধিবলৈ এখন কাপোৰ পোৱা নাই। সেইচাম মানুহৰ জীৱন অতিবাহিত হয় মহানগৰীৰ ফুটপাথৰ ওপৰত। কিয় এইচাম মানুহে আগবাঢ়িব পৰা নাই? কিয় নোৱাৰিলে। কিয় সুযোগ নিদিলে, কিয় নাপালে, এই প্ৰশ্নৰ সমাধান নাই। হোৱা নাই, হ'বলৈও হয়তো.... থিক এনে এক কাহিনীৰ লগত জড়িত আছে বিগন নামৰ এটা কিশোৰৰ কাহিনী।

বিগন, বিগনেও বিচাৰে এমুঠি মানৱৰ মাজত মানুহ হিচাপে জীয়াই থাকিবলৈ। একেই শৰীৰ, একেই প্ৰাণৰ একে অনুভূতিৰ সি এটা মানুহ। সি বিচাৰে মৰম চেনেহৰ মাজত জীয়াই থাকিবলৈ। আমাৰ দৰে সিও একে আশা একে কল্পনা একে স্বপ্নলৈ পৃথিবীলৈ আহিছিল আৰু সেই আশাক বুকুত বান্ধি এই পৃথিৱীত জীয়াই থাকিবলৈ সি জীৱনটো তিল তিল কৈ বিসৰ্জন দিছে কঠোৰ পৰিশ্ৰমৰে।

সেইদিনা আছিল দেওবাৰ। দুপৰীয়া ভাত খাই উঠি ৰামধেনু এখন লৈ দেউতাৰ আৰামী চকীখনতে বহিছো। সেইদিনা, সেই সময়তে বিগনৰ লগত মোৰ প্ৰথম দেখা-দেখি হয়। সি প্ৰখৰ ভাদমহীয়া ৰ'দত চিমেণ্টৰ বস্তাবোৰ কঢ়িয়াইছিল। চিমেণ্ট আৰু ঘামৰ সংমিশ্ৰণেৰে তাৰ গোটেই গাটো কুৎসিত কৰি তুলিছিল, কিন্তু তাৰ তালৈ ভ্ৰূক্ষেপ নাই। সি এটা এটাকৈ চিমেণ্টৰ বস্তাবোৰ

কটিয়াই কাঠৰ তক্তাখনৰ ওপৰত থাক পাতি থৈছিল।

মই হাতৰ আলোচনীখন একান্ত মনে চাই আছিলো। হঠাতে তাৰ মাতত জড়তা ভাগিল "মায়জী বাবু কাঁহা হেয়" মই কলো - "বাবু আভী ঘুমাতা হেয়। তুম চাম মে আ-যাও।" সি কোনো প্রতিবাদ নকৰি গুছি গৈছিল। তাৰ বোধহয় বিশ্বাস আছিল প্রাপ্য ধনখিনি নেহেৰায় বুলি। সি যোৱাৰ ফালে মই বহুত পৰ একেথিৰে চাই আছিলো।

আবেলি সি মোৰ কথা মতে আহিছিল। ৰাতিপুৱা দেখাৰ দৰে সেই কুৎসিত লেতেৰা চেহেৰাৰে নহয় পৰিষ্কাৰ চুৰীয়া কামিজ পিন্ধি মৰম লগা হাঁহিমুৱা মুখখনৰ এই ১৪/১৫ বছৰীয়া ঠেলাৱালা ল'ৰাটোৰ বিষয়ে জানিবলৈ কিয় জানো মোৰ ইমান মন গ'ল কব নোৱাৰো আৰু সেয়ে তাৰ নাম, তাৰ ঘৰৰ কথা, তাৰ জীৱনৰ কথা সি ভঙা ভঙা অসমীয়াত কৈ গৈছিল। মই শুনিছিলো।

সুদুৰ বিহাৰৰ, চাপ্ৰা জিলাত বিগনৰ ঘৰ। পঙ্গু বাপেক, মাক আৰু চাৰিটা ভায়েক-ভনীয়েকৰ সৈতে সিহঁতৰ ঘৰখন। বাপেক ভাল হৈ থাকোঁতে সিহঁতৰ সুখেই আছিল। কিন্তু চাকোলা বেমাৰত পৰি বাপেক পঙ্গু হৈ পৰাত সিহঁতৰ ঘৰখন বিপদৰ ধুমুহাই আগুৰি ধৰিলে। বিপদৰ ওপৰি বিপদ আহিল। বাপেক পঙ্গু হোৱা বছৰেই সিহঁত বানপানীত জুৰুলা হ'ল। অভাব অনাটনে গোটেই ঘৰখন থকাসৰকা কৰিলে। ঘৰখনৰ ভিতৰত সিয়ে ডাঙৰ সেইবাবে সিয়ে বেছি চিন্তা কৰিব লগাত পৰিলে। শেষত খুৰাকৰ লগত অসমলৈ অহাটোকে থিক কৰিলে।

প্ৰথনে মাকক কথাতো কওঁতে মাকে আপত্তি কৰি উঠিছিল। ইমান কমবয়সীয়া পুতেকক ইমান দূৰলৈ পঠিয়াব লগা হোৱাত চেনেহী মাকৰ অন্তৰখনে কান্দি উঠিছিল। শেষত বুজাই কোৱাত আৰু আপত্তি নকৰিলে।

অসমলৈ অহাৰ আগদিনাৰ কথা তাৰ এতিয়াও স্পষ্ট মনত আছে। সেইদিনা সি শুব পৰা নাছিল। গোটেই নিশা মাকৰ বুকুত সোমাই সি অসমখনক অলপ কল্পনাৰে চাইছিল। হৰ্ষ বিষাদেৰে সি জীয়াই থকাৰ সপোন দেখিছিল আৰু দেখিছিল কঠোৰ পৰিশ্ৰমৰ বিনিময়ত মাক -বাপেক আৰু ভায়েক-ভনীয়েকহঁতৰ মুখত হাঁহি।

পাছদিনা পুৱা যেতিয়া সি খুৰাকৰ লগত আহিবলৈ সাজু হৈছিল তেতিয়া মাকে তাক বুকুৰ মাজত সাৱতি ধৰি কান্দি উঠিছিল। চুমাৰে গোটেই মুখখন ওপচাই পেলাইছিল। পঙ্গু বাপেকেও থোকা থোকি মাতেৰে আশীৰ্বাদ দিছিল। কন্দনামুৰা ভায়েক ভনীয়েককিটাক চুমা খাই সি বিদায় লৈছিল।

তাৰ পিছত সি আজি আঢ়ৈবছৰ অসমত আছে। সি ঠেলা গাড়ীখনকে জীৱনৰ ব্ৰত কৰি ল'লে। প্ৰথমে সি পৃথিৱীখন সহজ সুন্দৰ বুলিয়েই ভাবিছিল; কিন্তু যেতিয়া লাহে লাহে সি সকলো বুজি পালে, তেতিয়াহে পৃথিবীৰ স্তূপীকৃত জটিলতাবোৰৰ মাজত চিনি পালে পৃথিৱীৰ আচল ৰূপটো।

হাড় ভঙা পৰিশ্ৰমৰ অন্তত সি দিনটোত ৬/৭ টকা পায়। তাৰে ৰাহি কৰি মাহে ঘৰলৈ পঠাব লাগে। শুকান ৰুটি চাত গুৰি খাই খাই সি ঘৰলৈ টকা পঠাই আৰু সেই টকাৰে ঘৰৰ ছয়টা প্ৰাণী পোহপাল যায়। ভায়েক-ভনীয়েক হালোক স্কুলৰ মাচুল দিব লাগে।

খুৰাকৰ লগতে সি থাকে। ৰাতি সিহঁতে মাৰোৱীৰ দোকানৰ বাৰাণ্ডাত শুই থাকে। জাৰকালি আৰু বাৰিষা সিহঁতৰ বৰ কষ্ট হয়। কিন্তু সেই কষ্টৰ কাৰণে সিহঁতে ভয় নকৰে। কাৰণ সিহঁতে কষ্ট কৰিবলৈকে জীয়াই আছে।

বহুতবাৰ বিগন আমাৰ ঘৰলৈ আহিছে। দিদীমনী দিদীমনী বুলি সি মোক দূৰৈৰ পৰাই চিঞৰে। হাঁহি হাঁহি গান গাই সি নিজৰ জীৱনৰ দুখৰ কথাবোৰ পাহৰিবলৈ যত্ন কৰে। এইদৰেই জীয়াই আছে বিগনহঁতৰ দৰে বহুতো প্ৰাণী। সিহঁত জীয়াই থাকিবই লাগিব। মৰিব নোৱাৰে। কিয়নো সিহঁতক পৃথিৱীৰ মোহে, এক অনামী আকৰ্ষণে জীয়াই থাকিবলৈ বাধ্য কৰে।

—ঃঃ০ঃঃ—

# প্রতিশ্রুতি আছে তাত

শ্ৰী মুগ্ধাৰাণী বৰুৱা

"মোক লৈ বাৰু গোটেই ঘৰখন কিয় ইমান ব্যস্ত হৈ পৰিছে। বিয়া মানুহৰ জীৱনলৈ এবাৰ আহে, ই নিশ্চিত। ছোৱালী হ'লেই যে এজন অচিনাকি মানুহক বিয়া কৰাব লাগে, ইয়াৰ কি মানে থাকিব পাৰে। নাই হ'বই নোৱাৰে, এইয়া মোৰ তীব্ৰ প্ৰতিবাদ। এই বিয়া মোৰ অমতত কেতিয়াও হব নোৱাৰে।" শেষবাৰৰ বাবে অঞ্জনাই কৈ উঠে।

ঘৰখন গহীন হৈ পৰে। অনিলেশ বৰুৱাৰ দুজনী কন্যা আৰু এটা পুত্ৰ সন্তান। তিনিটা সন্তান আনন্দ মুখৰিত ঘৰখন সন্তানৰ সদায় নিবিড় শান্তিয়ে বিৰাজ কৰি আছে। দেউতাক অনিলেশ বৰুৱা সমাজত দুই চাৰিজনৰ লগত চিনাকি। ডাঙৰ ছোৱালীজনীক (শান্ত্বনা) দুবছৰৰ আগতে বিয়া দিলে ধনী ডাক্তৰ অনিলাভ ফুকনৰ লগত। মাজুসন্তান পুলকেশ এইয়া পঢ়ি আছে আলিপুৰত ইঞ্জিনিয়াৰ। একমাত্ৰ বাকী আছে নুমলীয়া সন্তান অঞ্জনা।

তৃতীয় বাৰ্ষিকৰ ছাত্ৰী অঞ্জন বৰুৱাৰ দুগৰাকী কন্যা বহুতো আদৰৰ। কিন্তু দুয়োৰে মাজত বহুতো পাৰ্থক্য। শান্ত্বনা যেন পৰ্বতৰ পৰা নাচি নাচি বৈ অহা চঞ্চলা ঝৰ্ণা, অঞ্জনা শান্ত। ধীৰভাৱে বৈ অহা নিৰ্ম্মল স্ফটিক ধাৰাৰ জুৰিটি। সমাজত প্ৰতিপত্তি নাথাকিলেও বৰুৱাই জীয়েকহঁতক সমাজৰ সান্নিধ্যৰ লগত চিনাকি কৰি দিয়ে। শান্ত্বনা অঞ্জনাৰ ৰূপে মানুহক চিনাকি দিয়ে সিহঁতৰ দেউতাকৰ। ঘৰত ধুনীয়া ছোৱালী থাকিলেও কি যে আপদ। অঞ্জনাৰ ৰূপ মনোলোভা। তাইৰ অঙ্গে অঙ্গে শোভা। খোজে যেন পদুম ফুলায়। অঞ্জনাৰ গাম্ভীৰ্য্যই তাইক

বেচি ধুনীয়া কৰি তোলে।

এই অপৰূপ সৌন্দৰ্য্যৰে শোভিতা অঞ্জনাৰে সকলোৱে ভয় কৰে। আলসুৱা জীয়েকে ভালপোৱাকেই সদায় কৰি আহিছে। অঞ্জনাইও কোনোদিন অমান্য হোৱা নাছিল মাক-দেউতাকৰ, কিন্তু বিয়াৰ কথা ওলালেই অঞ্জনা অসম্ভৱ গহীন হৈ উঠিছিল।

চিনাকি হয় ২য় বাৰ্ষিকৰ নয়নাভ কটকীৰ লগত। প্ৰথম দেখাতেই অঞ্জনাৰ ভাল লাগি আহে নয়নাভক। প্ৰাণে প্ৰাণে জাগি উঠে আকুলতা, লাহে লাহে নয়নাভক দেখিলেই অঞ্জনাৰ মন নাচি উঠা হ'ল। নয়নাভক নেদেখিলেই অঞ্জনা ব্যাকুল হৈ পৰে। ক্লাচ নকৰি কমন ৰূমত বহি বহি থাকে পিৰিয়দৰ পিছত, পিৰিয়দ কটাই দিয়ে। অন্তৰত এবোজা অব্যক্ত বেদনা লৈ অঞ্জনা আনমনা হৈ পৰে। কোনেও নুবুজা দুখ অঞ্জনাৰ হৃদয়ৰ স্তৰে স্তৰে পুঞ্জীভূত হৈ ৰয়।

অঞ্জনাহঁতৰ ঘৰলৈ নয়নাভ আহে। অঞ্জনাৰ কাতৰ অনুৰোধক নয়নাভে ৰক্ষা কৰে। নয়নাভে নুবুজে এই কাতৰ অনুৰোধৰ মাজত থকা বিহ্বলতা। অনুৰোধক্ৰমেই আহে। বহুতো কথা হয়। মাজে মাজে দুই এটা ঘৰুৱা কথাও। অঞ্জনাই গাম্ভীৰ্য্যৰেই বহুতো কথা পাতে। ঘৰুৱা বৰ্ণনা সকলো দি যায়। কিন্তু নয়নাভে কোনোদিন নিজৰ ঘৰৰ কথা কোৱা নাই। নয়নাভ সদায় গহীন। প্ৰথম দেখাৰে পৰা অঞ্জনাৰ লগত তাৰ চিনাকি হোৱাৰ বাবে ক্ৰমে সহজহৈ যায়। এইদৰেই দুটা বছৰ পাৰ হৈ যায়।

অঞ্জনাৰ অন্তৰত এসাগৰ ভালপোৱাই পাৰ ভাঙি যাবৰ চেষ্টা কৰে। কিন্তু অশেষ চেষ্টা, অঞ্জনাৰ কেতিয়াও পাৰ ভাঙিব নিদিয়ে তাইৰ মনসাগৰৰ। এদিন অঞ্জনাই নিজেই সুধিলে "নয়নদা, আপোনাৰ মা দেউতাই আপোনাক খুউব মৰম কৰে নহয়? ইমান যে ঘৰলৈ যায়।"

মৃদুভাৱে নয়নাভে হাঁহিলে, "ঘৰলৈ যাওঁ খুব বেচি। মা - দেউতাৰ মৰমৰ কাৰণে নহয়। দেউতাই শান্তি পাবৰ বাবেই। মা নাই। মাহীদেউ আছে। কিন্তু মাৰ মৰম আৰু মাহীদেউৰ মৰম সম্পূৰ্ণ বেলেগ অঞ্জনা। জন্মৰ পিচতেই মা ঢুকায়, মই তেতিয়া নিচেই সৰু।" এইবুলি সি গম্ভীৰ হৈ ৰৈ যায়।

"কিয়, মাহীয়ে আপোনাক মৰম নকৰে নেকি? জানে নয়নদা এই

Central Library 60 & Info



মাহীমাকৰ প্ৰতি মোৰ খুব ভয় লাগে। বেয়া নাপায় যদি কওঁ কচোঁন নয়নদা —

"কৰে —, মাহীদেউয়ে আমাক খুউব মৰম কৰে। কিন্তু নাজানো সেই মৰম মাহীদেউৰ অন্তৰ নিগৰি ওলোৱা হয়নে নহয়।ঘৰলৈ নগলে দেউতাই মনত কষ্ট পাব বুলিয়েই যাওঁ অঞ্জনা।"

নয়নাভৰ অশ্ৰুসিক্ত নয়নৰ সজল চাৱনিত কাতৰ হৈ পৰে অঞ্জনা। মনে মনে প্ৰতিজ্ঞা কৰে নয়নাভৰ বেজাৰ তাই লাঘব কৰিবই। কিন্তু মাক-দেউতাকক যে তাই এই কথা কেতিয়াও কব নোৱাৰে। চতুৰ্থ বাৰ্ষিকৰ এজন ছাত্ৰৰ লগত তাইৰ বিয়া হ'ব কেনেকৈ। এইয়া অসম্ভৱ। কিন্তু তাই এই অসম্ভৱক সম্ভৱ কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিব। এইয়া তাইৰ হৃদয়ৰ প্ৰতিশ্ৰুতি।

দিন যায়। এটা বছৰ বাগৰি নতুন বছৰ আহে।

বি, এ, পাছ কৰি নয়নাভে এম, এ, পঢ়িবলৈ যায়। অঞ্জনায়ো বি, এ, দিব। বি, এ, দিয়াৰ পাচতেই বিয়া পাতিবলৈ মাক দেউতাকে চেষ্টা কৰিব। আৰু এইয়া চেষ্টা কৰিছে।

অঞ্জনাৰ একমাত্ৰ ভিনিহীয়েক আনিলাভ ফুকনৰ সম্বন্ধীয়া ভায়েক প্ৰশান্ত ফুকনৰ লগত। অঞ্জনাৰ বিয়া পতাৰ খুব ইচ্ছা গোটেই ঘৰখনৰ। প্ৰশান্ত ফুকন ধুনীয়া এজন ডেকা অফিচাৰ। অনিলাভৰ দৰেই, অজস্ৰ সম্পত্তিৰ মালিক। বুকুত ভাল পোৱা আছে আৰু আছে হৃদয়জোৱা মৰম।

কিন্তু অঞ্জনাই প্ৰথমে একো কোৱা নাছিল। পিছত অঞ্জনাই দেখিলে যে তাই নীৰৱ হৈ থাকিলে নহব। নিশ্চয় কিবা এটা অজুহাত দেখুৱাব লাগিব। সেয়ে তাই বিয়াত অলপো মন নেদেখুৱাই প্ৰতিবাদ কৰে, এই বিয়াত। কোনেও মান্তি কৰাব নোৱাৰে। নোৱাৰিলে এইজনী শান্ত গহীন ছোৱালীক। অঞ্জনাই দেউতাকৰ ওচৰত দাবী কৰিলে মই এম. এ. পঢ়িম। পঢুৱাব লাগিবই। মোক যদি একেজনী ছোৱালীকে দেউতাই নপঢুৱায় তেন্তে মই জীৱনত কোনোদিন বিয়া নকৰো।

দুপৰীয়াৰ ফিৰফিৰিয়া বতাহখিনি অঞ্জনাৰ ভাল লাগিল। গেটৰ মুখত পিয়নটো দেখি অঞ্জনা আগবাঢ়ি গ'ল। পিয়নটোৱে চিঠিখন অঞ্জনাৰ হাতত দি গুচি গ'ল। এইয়া কাৰ চিঠি? হঠাৎ এক অবুজ শিহৰণে অঞ্জনাৰ সৰ্ব্বশৰীৰ কপাঁই

তুলিলে। চিঠিখন দিছে অনিলেশ বৰুৱাৰ ভাবী জোঁৱাই প্ৰশান্ত ফুকনে।

তাত লিখা আছিল মাত্ৰ এশাৰী বাক্য। অঞ্জনা।

কালি ডাক্তৰ বীৰেণ দুৱৰাৰ নুমলীয়া কন্যা ইভা দুৱৰাৰ লগত মোৰ কোৰ্ট মেৰেজ হৈ গ'ল। আহোঁ —

ইতি-

প্ৰশান্ত ফুকন

অঞ্জনাই পৃথিৱীখন আন্ধাৰ দেখিছিল! হঠাৎ এইয়া কি হৈ গ'ল। সংজ্ঞা হেৰোৱা মানুহৰ দৰে অঞ্জনা জঠৰ হৈ গৈছিল। অজানিতে মুখৰ পৰা ওলাই আহিল — "হে ভগৱান ৰক্ষা কৰিলা। তোমাৰ দয়াত মই চিৰকৃতজ্ঞ" ততালিকে অঞ্জনাই চিঠিখন লৈ দেউতাকৰ ওচৰলৈ দৌৰ দিলে।

—ঃঃঃঃ—

# স্থিৰ নক্ষত্ৰৰ পোহৰ

মীৰা ফুকন

বহুত দিনৰপৰা ৰক্তচাপ ৰোগত ভুগি থকা মানুহে হঠাতে বেমাৰে উক্ দিলে যেনেকৈ মূৰ ঘূৰাই, ৰব নোৱাৰি বহি নাইবা শুই পৰে, ঠিক তেনেকৈয়ে চকীখনত ক'ব নোৱাৰাকৈয়ে বহি পৰিল ৰণেশ। সাতাইশ বছৰীয়া যুৱক ডাঃ ৰণেশ দুৱৰাই কোনো ৰক্তাচাপ ৰোগত ভোগা নাই, বৰঞ্চ বহুত ৰক্তচাপ থকা ৰোগীৰ চিকিৎসা কৰি আৰোগ্যৰ পথলৈ আনিছে।

কিন্তু এই মুহূৰ্তত ৰণেশক দেখিলে অনুভৱ হ'ব, দেহৰ স্থিৰতা ৰক্ষা কৰিবলৈ অক্ষম হৈ, কোনো দুৰাৰোগ্য ৰোগত ভুগি থকা এজন ৰোগী যেন অলস হৈ এইমাত্ৰ চকীখনত বহি পৰিছে।

আৰু তাকেই অনুভৱ হ'ল লাহে লাহে ৰণেশৰ নিজৰো। বহুত স্মৃতি, বহুত আশা, বহুত কল্পনা যেন একেলগ হৈ ৰণেশৰ চকুৰ আগত চক্ৰাকাৰে ঘূৰি, নাচি নাচি কোনোবা মায়াবিনী অপেশ্বৰীৰ দৰে তৎক্ষণাত অদৃশ্য হৈ গ'ল। চকুৰ আগত গোটেই পৃথিৱীখনেই, পৃথিৱীখনৰ সকলো বস্তুৱেই যেন চক্ৰাকাৰে ঘূৰিব লাগিছে এনে অনুভৱ হ'ল ৰণেশৰ। সঁচাকৈয়ে ৰণেশে বৰ অসুস্থবোধ কৰিলে এই সময়ত। অলপ আগতে পোৱা অনিৰুদ্ধ বৰুৱাৰ এখন সৰু চিঠিৰ কেইটামান কথাই বিষাক্ত বীজাণু হৈ ৰণেশৰ অন্তৰত এনেদৰে দংশন কৰিব ধৰিলে যে অসহ্য এক অনামী বেদনাত ছট্‌ফটাই উঠিল ৰণেশ, অন্তৰখনে অসহায়ভাৱে হাঁহাকাৰ কৰি উঠিল। ৰণেশে জানে, ভালকৈয়ে জানে, যি ৰোগে ৰণেশক আক্ৰমণ কৰিছেহি সেই ৰোগৰ চিকিৎসা কৰি আৰোগ্য কৰিব নোৱাৰে কোনো

চিকিৎসাবিদে, কোনো চাইক'থেৰাপিষ্টে। পাৰিব মাত্ৰ এটা প্ৰাণীয়ে যি ৰণেশৰ বাবে এতিয়া আকাশ- কুসুম হৈ পৰিছে, যি ৰণেশৰ মন-আকাশৰ পৰা খহি পৰিব খুজিছে আৰু সেই মানুহজনী যেন ৰণেশৰ বাবে এতিয়া এটা দুৰ্বোধ্য সাঁথৰ হৈ পৰিছে। দেউতাকৰ বন্ধু অনিৰুদ্ধ বৰুৱাৰ জ্যেষ্ঠা কন্যা মানু। মানৱী বৰুৱা।

'মানু'

মিঠা এটা নাম, মৰমলগা, মধুৰ।

মিঠা, মৰমলগা, মধুৰ আৰু বহুত কিবা-কিবি ভাল লগা যেন কিছুমান সোমাই আছে —'মানু' নামটোত।

আৰু তাতোকৈ বেচি মিঠা, মধুৰ, মৰমলগা সেই ছোৱালীজনী, 'মানু' — মানৱী বৰুৱা । এই মানুৰ লগতে প্ৰথম জীৱনৰ ষোল্লটা বছৰ নিবিড়ভাৱে পাৰ কৰি দিছিল ৰণেশে। ডিব্ৰুগড়ত একেলগে চাকৰি কৰিছিল ৰণেশৰ দেউতাক জ্যোতিষ দুৱৰা আৰু মানুৰ দেউতাক অনিৰুদ্ধ বৰুৱাই। দুৱৰা আৰু বৰুৱা অন্তৰঙ্গ বন্ধু। আৰু সেই অন্তৰঙ্গতা ভৱিষ্যতে আৰু গভীৰ, দৃঢ়, মধুৰ কৰি তুলিবৰ বাবে দুয়ো আশা কৰিছিল ৰণেশ-মানুৰ মিলন। হয়তো সেইবাবেই নেকি ৰণেশ আৰু মানু দুয়োটাৰ মাজত যি কোনো মিলা-মিচা কৰাত কাৰোৱেই কোনো বাধা নাছিল, খেলা-ধূলা, ফুৰা ক'তোৱেই।

মানু তেতিয়া ক্লাছ এইটত। মানুতকৈ পাঁচ- বছৰৰ ডাঙৰ ৰণেশে হায়াৰ চেকেণ্ডাৰী পাছ কৰিলে।

ঃ কংগ্ৰেচুলেশ্যন, ৰণ্দা।

ঃ ধন্যবাদ মানু।

ঃ "ৰণ্ দা এনেকৈয়ে নহয় দেই, মিঠাই খুৱাব লাগিব কিন্তু। ইমান ভালকৈ ফাৰ্ষ্ট ডিভিজনত পাছ কৰিছা!

আৰে কি কোৱা তুমি মানু? তোমাক আৰু মই মিঠাই নুখুৱাম কিয়? তুমি কিন্তু আজি আমাৰ ঘৰত থাকিব লাগিব। মই এতিয়াই যাম ব'বা মিঠাই আনিবলৈ। কোৱা কি কি আনিম?

স্ফূৰ্তিতে একে উশাহেৰে ইমানখিনি কথা কৈ যেতিয়া ৰণেশে মানুলৈ

চালে, সি আচৰিত হ'ল। মানুৰ কৰুণ-সজল হৈ পৰা চকুযুৰিলৈ চাই সি অবাক হৈ গ'ল — "এইয়া আক' কি মানু? কান্দিছা কিয়?"

দুষ্টালি সনা চকুযুৰি হঠাতে সজল হৈ পৰাত ৰণেশৰ অসহ্য হ'ল। মানুক হঁহুৱাবৰ চেষ্টা কৰি ধেমালিৰ সুৰত সি সুধিলে —কি হ'ল মানু? এই ৰ'দ, এই বৰষুণ যে!

মানুৱে নাহাঁহিলে, ৰণেশৰ মুখৰপৰা দৃষ্টি আঁতৰাই আনি মাথোন কঁপা মাতেৰে তাই ক'লে — "তুমি যাবাগৈ আক'।"

ঃ "মই? ক'লৈ যাম? অ' ভালহে মিঠাই আনিম।"

ঃ "ওঁহো, নহয়। তুমি বুজা নাই। তুমি পঢ়িবলৈ নাযাবা গুৱাহাটীলৈ?"

ঃ "অ' সেইটো কথাৰ কাৰণেই কান্দিছা? ধেৎ আকৰীজনী। ভালহে মই পঢ়িবলৈ যাম। কিয় তোমাৰ বেয়া লাগিব নেকি?" মানুৰ ঠুতৰিটোত ধৰি লাহেকৈ জোকাৰি দিলে ৰণেশে।

ঃ তেনেই অকণমানি ছোৱালীজনীৰ দৰে কৈ উঠিল —সঁচা জানা, মোৰ তেতিয়া খুব বেয়া লাগিব। তুমি লগত থাকিলে যে মোৰ ইমান ভাল লাগে!

অজানিতে শিহৰণ উঠি গ'ল ৰণেশৰ ষোল্ল বছৰীয়া কিশোৰ দেহত। এইজনী মানুক সঁচাকৈয়ে তাৰো যে কিমান ভাল লাগে। মানুৱে হয়তো নাজানে; ৰণেশে এদিন অকস্মাতে শুনিবলৈ পাইছিলহি মাক-দেউতাকৰ কথা, দেউতাকহঁতৰ আশাৰ কথা, তাৰ আৰু মানুৰ ভৱিষ্যৎ মিলনৰ কথা। তেতিয়াৰ পৰাই হয়তো ৰণেশে মানুৰ প্ৰতি কিবা এক অনামী আকৰ্ষণ অনুভৱ কৰিছিল নিজৰ অজ্ঞাতে। মানুক আপোন কৰি লোৱাৰ দুৰ্বাৰ এক হেঁপাহ, কামনাই ৰণেশৰ মনত বাৰুকৈয়ে শিপাইছিল সেই কৈশোৰ জীৱনতেই। কিশোৰ ৰণেশে হয়তো প্ৰেম কি নাজানিছিল, কিন্তু সি জানিছিল — সি মানু নামৰ ছোৱালীজনীক ভাল পায়-খুব ভাল পায়। মানু নামৰ ছোৱালীজনীক সি সদায় তাৰ নিচেই কাষতে বিচাৰে আৰু আজিলৈকে বিচাৰিছে ৰণেশে মানুক নিজৰ কৰি ল'বলৈ।

কিন্তু পাব জানো?

পঢ়ি-শুনি ৰণেশ এদিন ডাক্তৰ হ'ল। তাৰ পাছত বিদেশলৈ গ'ল উচ্চ

শিক্ষা লোৱাৰ উদ্দেশ্যে। বেবী স্পেচিয়েলিষ্ট হৈ আহি নিজৰ ক্লিনিক খুলিলে। ইতিমধ্যে ৰণেশৰ দেউতাক জ্যোতিষ বৰুৱায়ো চাকৰিৰ পৰা অৱসৰ পাই ডিব্রুগড়ৰ পৰা গুচি আহিল নিজ ঘৰলৈ। যোৰহাটলৈ।

সময়ে বহুত সলনি আনিলে।

বছৰে বছৰে বহুত পৰিবৰ্তন হ'ল।

মাত্ৰ সলনি নহ'ল ৰণেশৰ আশাবোৰ; বৰুৱা আৰু দুৱৰা পৰিয়ালৰ মধুৰ সম্বন্ধ আৰু মধুৰতা কৰি তুলিবৰ বাবে জ্যোতিষ দুৱৰা আৰু অনিৰুদ্ধ দুৱৰা এইবাৰ তৎপৰ হৈ উঠিল — ৰণেশ আৰু মানুৰ বিয়াৰ পকা বন্দবস্ত কৰাত। কিন্তু সব আধা হৈ ৰ'ল, হঠাতে হৃদৰোগত জ্যোতিষ বৰুৱাৰ মৃত্যু হোৱাত। মাকৰ মৃত্যুৰ এবছৰেই হোৱা নাছিল, আকৌ দেউতাকৰ এই আকস্মিক মৃত্যুত ৰণেশ একেবাৰে ভাগি পৰিছিল। শোকত ভাগি পৰা ৰণেশক শান্ত্বনা দিছিলহি অনিৰুদ্ধ বৰুৱা আৰু তেওঁৰ পৰিয়ালে। দেউতাকক হেৰুৱাই ৰণেশ এইবাৰ একেবাৰে নিঃস্ব হৈ পৰিল। ঘৰখনৰ একমাত্ৰ সন্তান হোৱাটো যেন এটা অভিশাপ হৈ পৰিল ৰণেশৰ বাবে। তাৰ এই নিঃসঙ্গতা আঁতৰাবলৈকে সি মানুহঁতৰ ঘৰলৈ প্ৰায়ে যোৱা হ'ল। কিন্তু কিমানবাৰ সি অহা-যোৱা কৰিব যোৰহাটৰ পৰা ডিব্রুগড়লৈ? তাৰ আমনি লাগিল। কিন্তু তাহাঁতৰ ইমান বিৰাট ঘৰখনত সি কিমান অকলশৰীয়া; আৰু এটা প্ৰাণীৰ প্ৰয়োজন সি খুব বেছিকৈয়ে অনুভৱ কৰিলে। জীৱনৰ এই সময়টোত মানুক সি আপোন কৰি ল'বলৈ বিচাৰিছে। কিন্তু পাৰিলে জানো।

ৰণেশৰ অনুভৱ হ'ল, দেউতাকৰ মৃত্যুৰ লগে লগে তাৰ দেউতাকৰ সকলো আশাৰো মৃত্যু ঘটিল। ক'তা মানুহঁতৰ ঘৰৰ পৰাতো সি এই বিষয়ে কোনো সঁহাৰি পোৱা নাই। তাহাঁতৰ ঘৰখনেতো তাক আগৰদৰেই মৰম কৰি আছে। আদৰ কৰি আছে। হয়তো আৰু কেইদিনমানৰ পিছতে ৰণেশৰ জীৱনলৈ সেই মধুৰ মুহূৰ্তটো আহি যাব পাৰে, কোনে জানে, যিটোত নেকি অনিৰুদ্ধ বৰুৱাই তেওঁলোকৰ কল্পনা; আশাৰ কথা ৰণেশক জনাবহি; ৰণেশক উপদেশ দিবহি দেউতাকৰ ইচ্ছা পূৰণ কৰিবলৈ।

অৱশেষত এটা মুহূৰ্ত আহিল।

কিন্তু ৰণেশে আশা কৰা মুহূৰ্ত এইটো নাছিল। অলপ আগতে অহা অনিৰুদ্ধ বৰুৱাৰ চিঠিখনে যেন এটা প্ৰকাণ্ড দৈত্য হৈ ৰণেশৰ কল্পনাৰ ৰঙীন সৌধটো ভুঁইকপৰ দৰে জোকাৰি ভাঙি দিলে এই মুহূৰ্ত্তটোত।

অনিৰুদ্ধ বৰুৱাই কি লিখিছে আকৌ পঢ়িবলৈ মন নগ'লেও, চিঠিখনত আকৌ এবাৰ চকু ফুৰালে ৰণেশে —

কল্যাণীয়

ৰণ,

মৰম-আশীষ লবা। আশাকৰোঁ ভালে আছা। দুখেৰে জনাবলগীয়া হ'ল তোমাক, আমাৰ সকলো আশা পানী কৰি মানুৱে শঙ্কৰ কাকতি নামৰ গ্ৰেজুৱেট শিক্ষক এজনক বিয়া কৰাবলৈ ওলাইছে। তোমাৰ লগত বিয়া হোৱাত তাই কোনোমতেই সন্মত নহয়। জানাই মানু কেনেকুৱা জেদী ছোৱালী !

দেউতাৰা আৰু আমাৰ বৰ আশা আছিল তোমাৰ আৰু মানুৰ বিয়াৰ মাজেৰে আমাৰ দুয়োখন ঘৰৰ অন্তৰঙ্গতা বঢ়াবলৈ। তুমি যদি পাৰা আহিবা মানুক বুজাবলৈ।

এটা কথা, মানুক নহ'লেও জানুক বিয়া কৰোৱাত তোমাৰ আপত্তি আছে নেকি ? দেউতাৰাৰ আশা জানো তেতিয়াও পূৰণ নহ'ব ? তুমি সদায় আমাৰ আপোন হৈ থকাটোৱেই কামনা কৰোঁ। তোমাৰ মতামত জনাবা। অসন্তোষ নকৰিবা।

ইতি,

তোমাৰ শুভাকাংশী

মহাদেউৰা —

অনিৰুদ্ধ বৰুৱা।

চিঠিখন পঢ়ি অবাক হৈ গ'ল ৰণেশ। সি একো ধৰিব নোৱাৰিলে। সি তেন্তে ইমান দিনে ভুল ধাৰণাকে কৰি আহিছিল, মিছা কল্পনা আছিল সকলোবোৰ ? মানুয়ে তেন্তে তাক প্ৰকৃততে ভাল নাপায় ? কিন্তু ক'তা, সিতো মানুৰ আচৰণত ইমান দিনে একো দোষ পোৱা নাছিল। মানুকতো সদায় সি ঘৰতে পাইছিলগৈ।

শঙ্কৰ কাকতি নামৰ মানুহজনক সিতো কোনোদিন দেখা নাই মানুহঁতৰ ঘৰত, কোনোদিন লগ পোৱা নাই। তেন্তে অনিৰুদ্ধ বৰুৱাই এইবোৰ কি লিখিছে। মানুৱে তেন্তে অভিনয় কৰিছিল ইমানদিনে।

নাই, বিশ্বাস কৰিব নোৱাৰে ৰণেশে।

ইমান বছৰে, ইমান দিনে সৰুৰে পৰা পোৱা মানুক সি কেতিয়াও অবিশ্বাস কৰিব নোৱাৰে কেতিয়াও — এবাৰ। দুবাৰ। সহস্ৰবাৰ।

ইমানদিনে জানো সি মানুক চিনি পোৱা নাই? সহজ-সৰল, বাধ্য ছোৱালীজনীয়ে কেতিয়াও ফাঁকি দিব নাজানে। ডাঙৰ হৈ অহাৰ লগে লগে মানুজনীক সি বেছি গহীন, দৃঢ়মনা, জেদী হৈ অহা দেখিছে আৰু তাৰ বাবেইতো মানুজনী আগৰ সেই অভিমানী মানুজনীয়েই হৈ আছে। কিন্তু মানুতো কেতিয়াও মাক - দেউতাকৰ অবাধ্য নাছিল। মাক-দেউতাকৰ বাধ্য হৈয়ে ইংৰাজীত এম, এ পাছ কৰা মানুৰ মাজতে এইবোৰ কি খেয়াল ৰণেশে বুজি নাপালে।

কিয় মানুৱে জানো নাজানিছিল সিহঁতৰ সম্বন্ধৰ কথা? আৰু তাৰ মনৰ কথা জানো তাই বুজিব পৰা নাছিল।

কিন্তু ........

কিবা মনত পৰাৰ দৰে ভাবিবলৈ এৰি থৈ গ'ল ৰণেশ।

এৰা, সিতো মানুক কোৱা নাছিল প্ৰকাশ কৰি — "মই তোমাক ভাল পাওঁ" বুলি সি মাত্ৰ ভাবিছিল দেউতাকহঁতৰ আশামতেই কাম হ'ব। আৰু বেলেগ একো নাছিল। আৰু মানুৱে যদি জনা নাছিল? তেন্তে..... তেন্তে ....

ভাৱত আউল লাগি গ'ল ৰণেশৰ। তাৰ এই আকস্মিক দুৰ্ভাগ্যৰ বাবে কাক দায়ী কৰিব সি ভাবিব নোৱাৰিলে। এই দুৰ্বল মুহূৰ্তটোত তাৰ চিন্তাধাৰাক আক্ৰমণ কৰিলে জানুৱে (জানু) নামটোৱে।

মানুৰ ভনীয়েক জানু। মানৱী বৰুৱাৰ ভনীয়েক জাহ্নৱী বৰুৱা।

ৰণেশে 'জানু' বুলিয়েই মাতে। মানৱীতকৈ তিনিবছৰৰ সৰু জানুৱে এইবাৰ ডিগ্ৰীৰ ফাইনেল পৰীক্ষা দিব। মানুতকৈ বেছি ধুনীয়া, বেছি 'স্মাৰ্ট' জানু। কিন্তু মানুৰ মুখৰ সৰলতাখিনিত ৰণেশে যি এটা আকৰ্ষণীয় শান্তি বিচাৰি পাইছিল, জানুৰ মুখত সেয়া নাই। আৰু জানুকতো সদায় সি ভনীয়েকৰ দৰেই ভাবি আহিছে।

জানুক বিয়া কৰোৱাৰ কথাটো সি কেতিয়াও কল্পনাই কৰা নাছিল; যিটো ভাবিছিল মানুৰ ক্ষেত্ৰতে। মুঠতে মানু আৰু জানুৰ মাজত তুলনামুলকভাৱে বৰ্ণনা কৰিবলৈ গ'লে মানুকেই সি শ্ৰেষ্ঠ স্থান দিব প্ৰায় ক্ষেত্ৰতে। কিন্তু এতিয়াতো তাৰ অন্তৰত জানুকেই শ্ৰেষ্ঠ স্থান দিব লাগিব। যদি অনিৰুদ্ধ বৰুৱাই সন্তোষ পায়, মৃত দেউতাকৰ আত্মাই শান্তি পায়, আৰু মানু যদি শঙ্কৰ কাকতি নামৰ মানুহজনক বিয়া কৰি সুখী হয়, সিও নিশ্চয় জানুক বিয়া কৰাব পাৰিব লাগিব। কিন্তু তাৰ সৰল অন্তৰখনেৰে পৃথিৱীখনৰ, সংসাৰখনৰ জটিলতাৰ মাজত নিজকে খাপ খুৱাই ল'বলৈ যথেষ্ট সময় লাগিব নিশ্চয়।

আৰু জানুৱে, মানে জাহ্নৱীয়ে বা কি ভাবিছে!!

নিশ্চয় ভাবিছে, সঁচাই জাহ্নৱীয়ে কল্পনা কৰিছে। ভাবিছে মাকৰ কথা, দেউতাকৰ কথা, 'মানুবা'ৰ কথা। কল্পনা কৰিছে 'ৰণ' দা মানে ৰণেশক লৈ।

"জানু—"

"মা"

"ৰণৰ লগত বিয়া হোৱাত তোৰ আপত্তি আছে?

"উৱা, তুমি আকৌ এইবোৰ কি কৈছা মা? মানুবাৰ কি হ'ল?'

"মানুৰ মত নাই। তোৰ কিবা আপত্তি আছে নেকি? তই মতটো দি দে জানু। চাচোন দেউতাৰহঁতে কিমান আশা কৰিছিল দুইঘৰৰ মাজত সম্বন্ধ পাতিবলৈ।"

"কিন্তু মা, ৰণ দাই জানো......"

"সেই বিষয়ে তই চিন্তা কৰিব নালাগে জানু। ৰণ, কেতিয়াও অবাধ্য ল'ৰা নহয়।"

"মা, মানুবাওতো বাধ্য আছিল সদায়। কিন্তু......"

"সেইবোৰ কথা নুলিয়াবি জানু, তই মত দে, বুজিছ। তই একো ভয় খাব নালাগে, ৰণেশ খুব ভাল ল'ৰা।"

শেষৰ কথাকেইটা প্ৰায় জোৰ দিয়েই ক'লে মাকে। মাকে বুজি পাইছিল জানুৱে কি প্ৰসঙ্গ উলিয়াব খুজিছে। সেই প্ৰসঙ্গৰ পৰা আঁতৰি আহিবৰ বাবেই নিজৰ যুক্তিৰ ওপৰত বেছি গুৰুত্ব দিব বিচাৰিলে।

জাহ্নৱীৰেও বুজি পাইছিল আৰু ভালকৈ জানিছিল, যি সমস্যাৰ মাজত সোমাই মাক- দেউতাক বিমোৰত পৰিছে-তাৰ সমাধান কৰিব পাৰে একমাত্র তাই। আৰু তাই বিচৰা বস্তুটোকেই যে পাইছে।

জাহ্নৱীৰ এইবাৰ বেয়া লাগিল মাকলৈ। কোমল সুৰত তাই মাকক কলে — মা। মোক কিন্তু এম-এটো পঢ়িবলৈ দিবা। তাৰ পিছত তোমালোকৰ যি ইচ্ছা হয় তাকে কৰিবা।

বৰ ডাঙৰ বোজা এটাৰ পৰা যেন সকাহ পালে মাকে। চিন্তাত গম্ভীৰ হৈ পৰা মাকৰ মুখখন কিছু উজ্জলি উঠা যেন লাগিল জাহ্নৱীৰ ।

"বাৰু হ'বচোন দে, তই একো চিন্তা কৰিব নালাগে। মৰমেৰে কথাকেইটা কৈ ধীৰ খোজেৰে আঁতৰি যোৱা মাকৰ ফালে চাই চাই সোঁহাতখন টেবুলত ভেজা দি মূৰত থৈ কিবা এটা চিন্তা কৰিলে জাহ্নৱীয়ে। এইকেইদিন মাক-দেউতাকৰ আচৰণত যি ফুটি উঠিছে, পঢ়াৰ আশা নাই। মানুৰ ওপৰত তেওঁলোক ক্ষুণ্ণ হৈছে। অথচ এই মানুৰ ওপৰত জানুতকৈ বেছি আস্থা আছিল মাক-দেউতাকৰ। অৱশ্যে আটাইতকৈ ডাঙৰ কথা হ'ল জাহ্নৱীৰো ডিগ্ৰী পৰীক্ষা পাছ কৰি আৰু পঢ়িবৰ ইচ্ছা নাই। তাইৰ ইচ্ছা সুবিধা পালেই অভিনয়ৰ ট্ৰেইনিং লোৱাৰ। এম-এ পঢ়িম বুলি আব্দাৰ কৰি মাকৰ পৰা কিবা এটা গোপন কৰাৰহে চেষ্টা কৰিলে তাই। জাহ্নৱীৰ কাৰণে জীৱনটোৱেই এটা বিৰাট স্ফূৰ্তি। এই স্ফূৰ্তিৰ পৰা কেতিয়াও নিজক বঞ্চিত কৰিব নোখোজে জাহ্নৱীয়ে। কলেজৰ "গ্লেমাৰ গাল" বুলি খ্যাতি থকা জাহ্নৱীয়ে ধুনীয়া গান গায়, নাচে, সুন্দৰ অভিনয় কৰে ,আনে ভাবিব নোৱাৰা আইদিয়া লৈ কেৰম খেলে, চেলোৱাৰ -কামিজ পিন্ধি ৰেকেট নচুৱাই নচুৱাই বয়ফ্ৰেণ্ডৰ লগত বেডমিন্টন খেলিবলৈ যায়। আৰু আটাইতকৈ — "আটাইতকৈ উল্লেখযোগ্য কথা হ'ল, জাহ্নৱীয়ে খুব মনোৰম কবিতা লিখে। ইমান উৎপতীয়া ছোৱালীজনীৰ মাজত এটা কোমল, কবিসুলভ মন, গভীৰ এখন অন্তৰ লুকাই আছে।'

সেই অন্তৰেই এদিন উৎপতীয়া জাহ্নৱীজনীক নিস্তব্ধ হ'বলৈ বাধ্য কৰাইছিল।

সেই অন্তৰেই মনে মনে, গোপনে আহ্বান জনাইছিল, জনাব বিছাৰিছিল

ৰণেশক। যৌৱনৰ সকলো উপচাৰেৰে পূজা কৰা জাহ্নবীৰ অন্তৰৰ করুণ, আৱেগময় আৰতি-মিনতিৰ গুণ-গুণনি কিন্তু তাইৰ হৃদয় দেৱতা ৰণদাই শুনা নাছিল। কোনেও শুনা নাছিল। কিন্তু তাইৰ অজ্ঞাতে শুনিবলৈ পালে মানুবাই। জানি পেলাইছিল মানুবাই ৰণদাৰ প্ৰতি থকা তাইৰ দুৰ্বলতাৰ কথা।

জাহ্নবীয়ে জানে তাইৰ বাবেই মানুবাই ৰণদাক বিয়া কৰাবলৈ অসন্মতি জনোৱা নাই; শঙ্কৰ কাকতিক মানুবাই কেনেকৈ ভাল পালে সেয়া জাহ্নবীয়ে নাজানে — বুজিও নাপায়। কিন্তু সেইবুলি তাই শঙ্কৰ কাকতিক বেয়া বুলি ক'ব নোখোজে। শঙ্কৰ কাকতি হাইস্কুলৰ গ্ৰেজুয়েট শিক্ষক হিচাবে মাক-দেউতাকহঁতৰ আগত, সিহঁতৰ আভিজাত্যৰ আগত সামান্য হ'ব পাৰে, সাধাৰণ হ'ব পাৰে, কিন্তু সাহিত্যিক, শিল্পী, কৃতী শিক্ষক হিচাবে শঙ্কৰ কাকতিৰ ব্যক্তিত্ব অসামান্য, অসাধাৰণ। এই ব্যক্তিত্বক কোনেও উপেক্ষা কৰিব নোৱাৰে।

আন একো নাজানিলেও জাহ্নবীৰ মতে — চেন্টিমেন্টাল মানুবাৰ মনটো এইবাবেই শঙ্কৰ কাকতিৰ প্ৰতি আকৰ্ষিত হ'ল। মানুবা দৃঢ়মনা, জেদী ছোৱালী। নিজৰ লক্ষ্যৰ পৰা কোনেও আঁতৰাব নোৱাৰে মানুবাক। সেইবুলি মানুবাতো মা-দেউতাৰ অবাধ্য নাছিল। জাহ্নবীয়ে জানে, দেউতাকে একো নক'লেও, মাকে বিশেষকৈ ফাৰ্ষ্ট ক্লাছ পাই এম. এ পাছ কৰা মানুবাৰ বাবে কেতিয়াও এজন গ্ৰেজুয়েট শিক্ষকক সমৰ্থন নকৰে। জাহ্নবীৰেও নকৰে, কিন্তু মানুবাৰ খেয়ালী মনটোক তাই আঘাত কৰিব নোখোজে। মানুবাৰ সিদ্ধান্তৰ কথা তাই বুজিব পাৰিছে। আৰু এতিয়া ভালকৈ উপলব্ধি কৰিব পাৰিছে-মানুবাই এই সিদ্ধান্তটোৰে তাই 'ৰণ'দাক পোৱাৰ বাটটো মুকলি কৰি চমুৱাই দিলে। ৰণদাক তাই কিয় ভাল পালে তাই বুজি নাপায়। তাহাঁতৰ ঘৰলৈ প্ৰায়ে আহি থকা ৰণদাৰ প্ৰতি অজানিতে তাই আকৰ্ষিত হৈ পৰিছিল। কিন্তু ৰণদাইতো তাইক ভাল নাপায়। পায় মানুবাক। ৰণদাই বিচাৰে মানুবাক। জাহ্নবীক নহয়। জাহ্নবীক ৰণদাই নিজৰ ভনীয়েকৰ দৰেই মৰম কৰে। কিন্তু জাহ্নবীয়ে বাৰু ভাল পাই ৰণদাৰ এই মৰমক কলুষিত কৰা নাইতো? অৱশ্যে ৰণদাৰ প্ৰতি জাহ্নবীৰ এই দুৰ্বলতা, এই ভালপোৱা কেতিয়াবা সফল হ'ব পাৰে বুলি তাই ভবা নাছিল; আশা কৰা নাছিল। কিন্তু মাজতে এইবোৰ কি খেলিমেলি হৈ গ'ল? মানুবা অমান্তি হ'ল দেউতাৰ প্ৰস্তাৱত-

ৰণদাক বিয়া কৰাবলৈ। "শঙ্কৰ কাকতিৰ বাদে কাকো বিয়া নকৰাও" বুলি, দৃঢ় হৈ যোৱা মানুবাক কোনেও সন্মত কৰাব নোৱাৰিলে। মাক-দেউতাক নিৰুপায় হ'ল। জ্যোতিষ দুৱৰা আৰু অনিৰুদ্ধ বৰুৱাৰ আশাক ৰূপ দিবলৈ অমান্তি হ'ল মানুবা। দেউতাক অনিৰুদ্ধ বৰুৱাই জাহ্নৱীক ৰণেশলৈ বিয়া দিয়েই মৃত জ্যোতিষ বৰুৱাৰ আত্মাক শান্তি দিব বিচাৰিছে হয়তো; সেই সিদ্ধান্তলৈ আহিয়েই মাক আহিছিল জাহ্নৱীৰ ওচৰলৈ-তাইৰ মত বিচাৰি। জাহ্নৱী অবাধ্য নহ'ল। সদায়েই উৎপতীয়া, অবাধ্য ছোৱালীজনী এইবাৰ বাধ্য হ'ল।

কিন্তু অবাধ্য হ'ল মানু, মানৱী।

অবাধ্য হ'বলৈয়ে বাধ্য হ'ল মানৱী। মাক- দেউতাক, ৰণদাক দুখ দিয়াৰ ইচ্ছা নাছিল মানৱীৰ। কিন্তু আটাইতকৈ দুখ দিয়াৰ ইচ্ছা নাই শঙ্কৰ কাকতিক। শঙ্কৰক দুখ দিয়াৰ সাহসকণ নাই মানৱীৰ। কলেজত মানৱীতকৈ এবছৰৰ চিনিয়ৰ আছিল শঙ্কৰ কাকতি। ওখ, পাতল ল'ৰাজনৰ মাজত মানৱীয়ে কিন্তু মহাসাগৰৰ আটাইখিনি গভীৰতাকে বিচাৰি পাইছিল।

উজ্জ্বল, জ্ঞানী এযোৰ চকুৱে শঙ্কৰ কাকতিৰ প্ৰতি মানৱীক বিশেষকৈ আকৰ্ষণ কৰিছিল। কলেজৰ প্ৰায়বোৰ কামতে আগৰণুৱা আছিল শঙ্কৰ কাকতি। ধুনীয়া কবিতা লিখে, সুন্দৰ প্লট লৈ গল্প লিখে আৰু দৰ্শকৰ মন চুই যোৱাকৈ অভিনয় কৰে। এই অভিনয়েই এদিন মানৱীৰ অন্তৰৰ গভীৰতমখিনিত স্পৰ্শ কৰিলেগৈ। শঙ্কৰ কাকতিৰ ব্যক্তিত্বৰ মাজত যেন বহুত কিবাকিবি বিচাৰি পাইছিল মানৱীয়ে। নিজৰ অজ্ঞাতেই লাহে লাহে মানৱী শঙ্কৰ কাকতিৰ বহু ওচৰ চাপি গ'ল। সহজ-সৰল, ধীৰ স্থিৰ, মেধাৱী এই মানৱী নামৰ ছোৱালীজনীৰ প্ৰতিও আকৰ্ষিত হৈছিল শঙ্কৰ কাকতি। লাহে লাহে শঙ্কৰ আৰু মানৱী দুয়ো দুয়োৰে বহুত ওচৰ চাপি গ'ল।

অৱশেষত শঙ্কৰ-মানৱীৰ ভালপোৱাই গাঢ় ৰূপ ল'লে, ভালপোৱাৰ গভীৰতা আৰু গভীৰ হ'ল। তাহাঁতৰ ভালপোৱাক পূৰ্ণতা দিবলৈ দুয়োটাই দৃঢ় সংকল্প হ'ল।

"মানু।"

"হুঁ!" মানুৱে সহাঁৰি জনাইছিল শঙ্কৰৰ প্ৰতি।

“বি, এ পাছ কৰি আৰু মই নপঢ়ো জানা ?’

“নপঢ়া ? কিয় ?”

অবাক বিস্ময়ত শঙ্কৰৰ মুখলৈ চাই ব’ল মানৱীয়ে।

“আচৰিত হ’ব লগা একো নাই মানৱ। তোমাকতো মই আগতেই কৈছোঁ, আমাৰ ঘৰৰ অৱস্থা ভাল নহয়। প্ৰাইমাৰী স্কুলত শিক্ষকতা কৰি দেউতাই আমাৰ এই আঠজনীয়া বিৰাট পৰিয়ালটো চলাবলৈ অক্ষম হৈ পৰিছে। বহুত আশা কৰি বহুত কষ্টেৰে দেউতাই মোক পঢ়াইছে মানু। দেউতাৰ এই ডাঙৰ বোজা ডাঙৰ ল’ৰা হৈ যিমান পাৰোঁ পাতলাই দিয়াটো জানো মোৰ কৰ্তব্য নহয় ? বি, এ পাছ কৰি মই চাকৰি কৰিম।”

শঙ্কৰৰ মাতৰ গভীৰতা আৰু বেছি হৈ পৰিছিল। সেই গভীৰতাই মানৱীৰ অন্তৰত খুব দকৈ স্পৰ্শ কৰিছিল। তাই শঙ্কৰক কিবা সহানুভূতি জনাবলৈ একো ভাষা বিচাৰি নাপালে।

নিমাত হৈ পৰা মানৱীক শঙ্কৰে আকৌ সুধিলে “তুমি মোক পাহৰি যাবা নেকি মানু? আমাৰ ভালপোৱাক পাহৰি নোযোৱাতো ?”

পাহৰা নাছিল মানৱীয়ে। আৰু আজিও পাহৰা নাই।

বি, এ পাছ কৰি শঙ্কৰ হাইস্কুলৰ শিক্ষক হ’ল। এখন বিৰাট অভাৱগ্ৰস্ত সংসাৰৰ খেলিমেলি সমস্যাবোৰৰ মাজত সোমাই পৰি শঙ্কৰে আগৰ সাহিত্যিক, শিল্পী প্ৰতিভাক আগৰদৰে বিকাশ কৰিবলৈ অক্ষম হৈ পৰিছিল লাহে লাহে।

কাৰো চকুত এয়া ধৰা নপৰিলেও মানৱীৰ চকুত শঙ্কৰৰ এই অক্ষমতা ধৰা পৰিছিল।

“শঙ্কৰ দা!”

প্ৰায়ে লগ পাই থকা শঙ্কৰক মানৱীয়ে এদিন সুধি পেলাইছিল “তুমি দেখোন লিখিবলৈ এৰি দিলা শঙ্কৰদা! “আৰু অভিনয়ো যে নকৰা হ’লা ?”

মানৱীৰ এই আকস্মিক প্ৰশ্নত থত্‌মত্‌ খাই গ’ল শঙ্কৰ। কি ক’ব সি মানৱীক? তাহাঁতৰ অভাৱগ্ৰস্ত সংসাৰখনেই জানো তাৰ অক্ষমতাৰ বাবে দায়ী নহয়? মানৱীয়ে সহজেই বুজি পাইছিল শঙ্কৰৰ এই অৱস্থা। ধনীৰ সন্তান হ’লেও মানৱী অন্তৰহীনা নাছিল। শঙ্কৰৰ দুখখিনি হৃদয়ঙ্গম কৰাৰ আগ্ৰহে যেন তাইক

কিবা এটা কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ কৰি তুলিছিল। সঁচাকৈয়ে কিবা এটা কৰাৰ দৃঢ়প্ৰতিজ্ঞ হৈছিল মানৱী।

— মানৱী দৃঢ়প্ৰতিজ্ঞ হৈছিল; তাই এম, এ, পাছ কৰি এদিন চাকৰি কৰিব। সেই চাকৰিৰ অৰ্জনেৰে শঙ্কৰৰ অভাৱখিনি বহুদূৰ আঁতৰাই শঙ্কৰক প্ৰেৰণা যোগাব তাই। শঙ্কৰৰ প্ৰতিভাখিনি তাই কেতিয়াও শেষ হৈ যাবলৈ দিব নোৱাৰে। শঙ্কৰৰ এই ব্যক্তিত্বখিনি তাই অনুজ্জ্বল হৈ যাবলৈ দিব নোৱাৰে। ইয়েইতো এদিন তাইক শঙ্কৰৰ কাষ চপাই নিছিল। তাইৰ শঙ্কৰক আগৰ সেই সাহিত্যিক, শিল্পী শঙ্কৰ হিচাবেই ৰাখিবলৈ বিচাৰে মানৱীয়ে। শঙ্কৰৰ প্ৰতিভাৰ মৃত্যু হোৱা তাই কোনোমতেই কামনা কৰিব নোৱাৰে। শঙ্কৰক যদি তাই অকণো উন্নতিৰ পথত আগুৱাই যোৱাত সহায় কৰিব নোৱাৰে, তেন্তে তাইৰ ইমানখিনি শিক্ষা, এই ফাৰ্ষ্টক্লাছ এম.এ ডিগ্ৰীৰ সাৰ্থকতা ক'ত?

মানৱীৰ এই দৃঢ় সিদ্ধান্তই ক'ব নোৱৰাকৈয়ে মাক-দেউতাকৰ অবাধ্য হ'বলৈ তাইক এই প্ৰথমবাৰৰ বাবে প্ৰস্তুত কৰিলে। মানৱী সদায়েই মাক-দেউতাকৰ বাধ্য আছিল। আজিও বাধ্য কিন্তু হঠাতে যে এনেদৰে অবাধ্য হৈ যাব লাগিব, তাই আশা কৰা নাছিল। অকণো প্ৰস্তুত নাছিল তাই। মানৱীয়ে আশা কৰিছিল, মাক-দেউতাকে তাইক কেতিয়াও সমৰ্থন নকৰাকৈ নাথাকে। তাইৰ ইচ্ছাক কোনোদিনেই বাধা দিয়া নাই মাক-দেউতাকে। এইবাৰো তাকেই আশা কৰিছিল তাই; শঙ্কৰক তাই বিয়া কৰোৱাত নিশ্চয় মাক- দেউতাকে বাধা নিদিয়ে। পৃথিৱীখনক, সমাজখনক বহল দৃষ্টিভঙ্গীৰে চোৱা মানৱীৰ অন্তৰখনে, অন্তদৃষ্টিয়ে শঙ্কৰ কাকতিহঁতৰ নিম্নস্তৰৰ সামাজিক প্ৰতিষ্ঠা, অৰ্থনৈতিক দুৰ্বলতাখিনি ঢুকি পোৱাগৈ নাছিল। তাই মাত্ৰ জানিছিল শঙ্কৰক বিয়া কৰি তাই সুখী হ'ব, শঙ্কৰ সুখী হ'ব আৰু সুখী হ'ব শঙ্কৰৰ মাক-দেউতাক, তাহাঁতৰ ঘৰখন। তাইৰ বহুমূলীয়া শিক্ষাখিনিয়ে শঙ্কৰহঁতৰ ঘৰখনত যেন বহুতখিনি নোপোৱা কিবাকিবি পূৰ কৰি দিব পাৰিব,তাই চাকৰি কৰিলে।

এই দৃঢ় সিদ্ধান্তই বাধ্য কৰিছিল মানৱীক দেউতাকৰ প্ৰস্তাৱক অসম্মতি জনাবলৈ। তাই জানো আশা কৰিছিল দেউতাকৰ এই প্ৰস্তাৱ? ৰণেশক বিয়া কৰোৱাৰ কথা তাই দেখোন কথমপিয়েই সহজ কৰি ল'ব পৰা নাই। অথচ এই

ৰণেশেই তাইৰ কিমান মৰমৰ ৰণদা আছিল। সেই মৰমতো ভালপোৱা নাছিল, প্ৰেম নাছিল! মানৱীৰ সেই মৰম আছিল পৱিত্ৰ ককাই-ভনীৰ স্নেহ-মৰম। ল'ৰা নথকা ঘৰখনত ৰণেশৰ উপস্থিতিয়ে যেন প্ৰতিটো পৰিৱেশেই সজীৱ কৰি তুলিছিল। ৰণেশৰ সান্নিধ্যলৈ আহি মানৱীহঁতে পাইছিল ককায়েকৰ মৰমৰ সোৱাদ। মানৱীয়ে নাজানিছিল, দেউতাকহঁতে আলচি থোৱা সংকল্পৰ কথা। জনাহেঁতেন হয়তো গোটেই পৰিস্থিতিটোৱেই বেলেগ হৈ গ'লহেঁতেন। মানৱীৰ জীৱনত হয়তো ৰণেশেই একমাত্ৰ পুৰুষ হৈ ৰ'লহেঁতেন। শঙ্কৰ কাকতি নামৰ মানুহজন গোটেই জীৱনতেই অচিনাকী হৈ ৰ'লহেঁতেন মানৱীৰ বাবে।

কিন্তু কি বেয়া কৰিলে মানৱীয়ে? কি দোষ কৰিলে?

বৰঞ্চ নিজৰ সিদ্ধান্তটোকেই বেছি যুক্তিসংগত বুলি বিবেচনা কৰিলে তাই।

ৰণেশকতো মানৱীয়ে আগৰদৰেই, আগৰ সেই ৰণ্দা হিচাবেই জ্ঞান কৰি আহিছে। অকণো হ্ৰাস ঘটা নাই। অকণো কম হোৱা নাই সেই মৰম। কিন্তু সেইবুলি জানো তাই ৰণেশক বিয়া কৰাই সুখী হ'ব পাৰিব?

নাই নোৱাৰে। কেতিয়াও নোৱাৰে।

বৰঞ্চ তাইৰ লগতে অসুখী হ'ব ৰণেশ।

ৰণেশ খ্যাতি থকা ডাক্তৰ। বেবীস্পেচিয়েলিষ্ট। সমাজত প্ৰতিষ্ঠা আছে, বংশ-গৌৰৱ, আভিজাত্য, ধন-সম্পত্তি সকলো আছে ডাঃ ৰণেশ দুৱৰাৰ। তেনে সমৃদ্ধিশালী জীৱনত কেৰোণ লগাবলৈ নিবিচাৰে মানৱীয়ে। অশিক্ষিতা ছোৱালী এজনী বিয়া কৰালেও ৰণেশৰ হানি নহয়। শিক্ষিতা হৈ মানৱীয়ে সজাই থোৱা পুতলাৰ দৰে ৰণেশৰ বিৰাট ঘৰখন শুৱনি কৰিবলৈ নিবিচাৰে; আৰু এইটোও নিবিচাৰে যে ৰণেশ অসুখী হওঁক। নিবিচাৰে, অশিক্ষিতা ছোৱালী এজনী ৰণেশৰ জীৱনলৈ আহক। বিচাৰে, ৰণেশৰ জীৱনটো যিমান পাৰে মধুৰ হওঁক। বিচাৰে, শঙ্কৰ কাকতিৰ জীৱনলৈ যেন মানৱীয়ে পূৰ্ণতা আনিব পাৰে। শঙ্কৰৰ জীৱন-সঙ্গিনী হৈ শঙ্কৰৰ নিচেই কাষতে থাকি শঙ্কৰক প্ৰতিটো ক্ষেত্ৰতে যেন প্ৰেৰণা আৰু উৎসাহ যোগাব পাৰে তাই। তাই বিচাৰে, ভনীয়েক জানুৰ মনৰ কামনা পূৰ্ণ হওক। মানুৱে কল্পনা কৰিব পৰা নাছিল, জানুৱেও যে ভালপাব জানে।

জানু মানৱীৰ মনত সদায়ে এজনী সৰু ছোৱালীৰ দৰে। বন-ফৰিঙৰ দৰে জপিয়াই ফুৰিবলৈ ভালপোৱা, উৎপতীয়া জানুজনীয়েও যে কাৰোবাক ভাল পাব জানে, তাই ভবাই নাছিল। কিন্তু নভবাটোকেই এদিন ভাবিবলৈ বাধ্য হৈছিল মানৱীয়ে।

একমনে কিবা এটা লিখি থকা জানুৰ ওচৰলৈ গৈ জানুৱে ক'ব নোৱৰাকৈয়ে পিছফালৰ পৰা জুমি চাই মানৱীয়ে যিটো দৃশ্য দেখিলে, সেয়া তাই একেবাৰে আশা কৰা নাছিল। এটা নাম লিখি লৈ বহীখনত তাকে ঘঁহাই আছে জানুৱে। এচুকত সেই নামটোৰ লগতে জানুৰ নামটো কটা-কটি কৰি থোৱা আছে। মানৱী আচৰিত হ'ল। সেইটো নাম আন কাৰো নহয়, তাহাঁতৰ অতিকে মৰমৰ ৰণ্দাৰ- ৰণেশৰ।

একেবাৰে সৰু কথা। অথচ এই সৰু কথাটোৱেই ডাঙৰকৈ চক্ খুৱাই দিলে মানৱীক। জানুৱে হয়তো মানৱীৰ উপস্থিতি গম পালে। পাছলৈ ঘূৰি চাই মানৱীক দেখি জানু লাজত ৰঙা-চঙা পৰি গ'ল।

অকণো ভূমিকা নকৰাকৈয়ে মানৱীয়ে সুধি পেলালে জানুক —"তই ৰণদাক ভাল পাৱ নহয় জানু?'

জানু এইবাৰ আৰু অপ্রস্তুত হ'ল। উত্তৰত একো ক'ব নোৱাৰি টেবুলত মূৰটো গুজি হুক্- হুকাই কান্দি দিলে মানুৱে। মানৱীৰ বৰ দুখ লাগিল। উৎপতীয়া এই জানুজনীৰ চকুপানী মানৱীয়ে সহ্য কৰিব নোৱাৰে। আল-ফুলকৈ তাই জানুৰ চকুপানীখিনি মচি দি তাইক নাকান্দিবলৈ কৈ ওলাই আহিল জানুৰ ওচৰৰ পৰা। দেউতাকৰ ওচৰলৈ গৈ মানৱীয়ে এটা প্রস্তাৱেৰে আচৰিত কৰি দিলে দেউতাকক।

"জানুক ৰণদাৰ লগত বিয়া দিলে জানো তোমালোকৰ সংকল্প পূর্ণ ন'হব দেউতা? মইতো শঙ্কৰ কাকতিৰ বাহিৰে কাকো কিয়া নকৰাওঁ জানাই। আৰু জানুতো সৰু হৈ থকা নাই। জানুকে দিয়া ৰণেশলৈ।"

মানৱীৰ এই আকস্মিক অথচ স্পষ্ট প্রশ্নত দেউতাকে প্রথমতে থত্মত খাই গৈছিল। কিন্তু যেতিয়া চিন্তা কৰি চালে, তেওঁ দেখিলে মানুৱে দেখোন উচিত কথাকে কৈছে। মানুৰ প্রস্তাৱটো তেওঁ বেয়া নাপালে। অনিৰুদ্ধ বৰুৱাই আশাই কৰা নাছিল, সমস্যাৰ যে ইমান সোনকালে সমাধান ঘটিব। তেওঁৰ দুজনী ছোৱালীয়েই তেওঁৰ সন্তান আৰু সন্তানৰ কামনাই জানো তেওঁৰো কামনা নহয়?

মানুক— মানে মানৱীক অনিৰুদ্ধ বৰুৱাই সকৰে পৰা জানে। মানৱী সঁচাই মানৱী। তাইৰ অন্তৰখন কেৱল যেন মানৱীয় অনুভূতি, মানৱীয় কোমলতাৰেই সমষ্টি। তেওঁৰ এই মানু নামৰ ছোৱালীজনী সৰুৰে পৰাই দৃঢ়মনা, জেদী ছোৱালী। নিজৰ লক্ষ্যৰপৰা কোনোদিনেই আঁতৰাব নোৱাৰি মানুক। কোনোদিনে অবাধ্য নোহোৱা এই বাধ্য ছোৱালীজনী এই দৃঢ়মনা স্বভাৱৰ বাবেই অবাধ্য হ'ল প্ৰথমবাৰৰ কাৰণে। সকলো আচৰিত হ'লেও, আচৰিত নহ'ল যেন অনিৰুদ্ধ বৰুৱা। শঙ্কৰ কাকতি নামৰ ল'ৰাজনক তেওঁ অপছন্দ নকৰে। শঙ্কৰ সাহসী ল'ৰা। এইটো জানিয়েই মাকে বাধা দিয়া সত্বেও তেওঁ মানুক বাধা নিদিলে শঙ্কৰ কাকতিক বিয়া কৰোৱাত। তেওঁ সন্মতি জনালে। পৃথিৱীখনক তেওঁ সৰুৰেপৰাই বহল দৃষ্টি-ভঙ্গীৰে চাবলৈ শিকিলে। শঙ্কৰ কাকতিৰ দৰেই এদিন তেওঁৰো অৱস্থা আছিল। নিজৰ সাহসী স্বভাৱেই এদিন অনিৰুদ্ধ বৰুৱাৰ জীৱনৰ জটিল সমস্যাবোৰ অতিক্ৰম কৰি আনি এনে এটা স্তৰত থলেহি, য'ৰ পৰা তেওঁৰ অতীতলৈ ঘূৰি চাবলৈ বহুত সময় লাগিব। মানু সুখত থকাটোকে তেওঁ বিচাৰিছিল, এতিয়াও বিচাৰে। কিন্তু শঙ্কৰৰ লগত নিজৰ বহুত মিল থকা যেন লাগিল অনিৰুদ্ধ বৰুৱাৰ। সেয়েহে মানুক শঙ্কৰ কাকতিৰ লগত বিয়া হোৱাত অসম্মতি জনাব নোৱাৰিলে তেওঁ। মানুকো আঘাত দিব নোখোজে অনিৰুদ্ধ বৰুৱাই। তাৰোপৰি জীৱনৰ সমস্যাবোৰৰ সন্মুখীন হবলৈ তেওঁ মানুহক যথেষ্ট শিক্ষিত কৰি তুলিছে। মানুৰ ওপৰত তেওঁৰ বিশ্বাস আছে। জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে খোজ দিব জনা মানুক তেওঁ খুব ভালকৈ জানে। আন নহ'লেও, মানুৰ উপলব্ধি কৰিব পৰা শক্তি আছে আৰু সেই উপলব্ধি শক্তিৰেই মানুৱে শঙ্কৰ কাকতিৰ জীৱনৰ উন্নতিত প্ৰেৰণা যোগাব ঃ উৎসাহ যোগাব পাৰিব। মাত্ৰ তেওঁৰ বেয়া লাগে ৰণেশলৈ। ৰণেশৰ ওচৰত নিজকে বৰ দোষী দোষী লাগিল বৰুৱাৰ।

অনিৰুদ্ধ বৰুৱাই ভালকৈ জানে, ৰণেশে মানুৰ বাবে খুব আশা ৰাখিছে। ৰণেশৰ সেই আশাত আঘাত হানিবলৈ তেওঁ অনিচ্ছুক। তেওঁৰ ইচ্ছা নাই মৃত বন্ধু জ্যোতিষ দুৱৰাৰ আত্মাক অসন্তুষ্ট কৰিবলৈ। কোনো দিনে অবাধ্য নোহোৱা মানু যে অবাধ্য হ'ব, সেই আশা কৰিয়েই দুৱৰা আৰু তেওঁৰ কল্পনাৰ কথা মানুক আগেয়ে নজনাইছিল, জনোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল। কিন্তু মানুৱে অবাধ্য হৈও

হতাশ নকৰিলে তেওঁক। মানুহে তেওঁক উত্তম উপায়েই দিছিল। জানুৰ বিষয়ে সেয়ে তেওঁ পলম নকৰি লিখিলে ৰণেশলৈ।

দেউতাকৰ ওচৰৰপৰা আহি ভাগৰুৱা মানুহৰ দৰে মানৱীয়ে বিছনাত পৰি দিলেহি। নাভাবোঁ। নাভাবোঁ বুলিও তাইৰ মনলৈ বাৰে বাৰে ৰণেশৰ কথাকে আহিছিল।

ভাবিছিল মানৱীয় ৰণেশৰ আশা পূৰণ কৰিব নোৱাৰিলে। কিন্তু ৰণেশ আৰু তাইৰ শৈশৱৰ, কৈশোৰৰ নিবিড় সম্বন্ধবোৰ, মধুৰ মুহূৰ্তবোৰ তাই মনৰ মাজত জীপ দি ৰাখিব এটা মধুৰ স্বপ্নৰ দৰে।

□□□

# ৰহস্যৰ অন্তৰালত

অঞ্জনা বৰঠাকুৰ

বিখ্যাত শিল্পপতি মহেন্দ্ৰ চৌধুৰীৰ মৃত্যুৰ খবৰ গোটেই চহৰখনত বিয়পি পৰিল। চৌধুৰীৰ প্ৰকাণ্ড গেটৰ সন্মুখত বহুত মানুহ গোট খালে। এচ-আই ৰজতমোহনে দুজন কনিষ্টবলৰ সহায়ত কাকো ভিতৰলৈ যাবলৈ নিদিয়াকৈ বাধা দি আছে। চহৰৰ বিখ্যাত শিল্পপতি মহেন্দ্ৰ চৌধুৰীক চিনি নোপোৱা মানুহ নাই। অসমৰ একমাত্ৰ এলোমিনিয়াম ফেক্টৰীৰ মালিক মহেন্দ্ৰ চৌধুৰী, অতি নিৰীহ ভদ্ৰলোক। চহৰৰ প্ৰায় সকলো- বিলাক অনুষ্ঠানৰ লগতে তেখেত জড়িত।

অৱশেষত মহেন্দ্ৰ চৌধুৰীৰ মৃত্যু হ'ল। প্ৰথমতে দুই একে চৌধুৰীৰ মৃত্যুক সাধাৰণভাৱে লৈছিল। কিন্তু ঘৰৰ আগত পুলিচ দেখি মানুহৰ কৌতূহল বাঢ়িবলৈ ধৰিলে। সকলোৰে প্ৰশ্ন- পুলিচ কিয়? চৌধুৰীৰ নিচিনা মানুহৰো জানো শত্ৰু থাকিব পাৰে? তেনেহ'লে......?

চৌধুৰীৰ মৃত্যুৰ কথা প্ৰথমে গম পালে খাচ লগুৱা হৰিপ্ৰসাদে আৰু লগে লগে তেখেতৰ একমাত্ৰ কন্যা মীনা আৰু ভতিজাক দীপকে। ঘটনাটো এনেকুৱা — সদায় পালেংচা খোৱা চৌধুৰীৰ বহুত দিনীয়া অভ্যাস। সেইদিনা হৰিপ্ৰসাদে চাহ লৈ গৈ দেখে, মালিকৰ কোঠাৰ দুৱাৰ বন্ধ। সি উভতি আহিল। পিচত গৈ আকৌ দুৱাৰ বন্ধ দেখি হৰিপ্ৰসাদ আচৰিত হ'ল। সি জানে, মালিক কোনো দিনে ইমান দেৰিলৈকে শুই নাথাকে। সি প্ৰথমতে দুৱাৰত টক্‌টকালে, তাৰ পাচত ঢকিয়াবলৈ ধৰিলে। তেতিয়াও নুঠা দেখি সি দীপকক খবৰ দিলেগৈ, দীপক আহি জোৰেৰে ঢকিয়াবলৈ ধৰিলে। শব্দ শুনি মীনা আহি সেইখিনি পালেহি। তাইও দেউতাকক জগাবলৈ দুৱাৰত ঢকিয়াই-ঢকিয়াই চিঞৰিলে-কিন্তু সকলো মিছা। উপাই নেপাই দীপক আৰু হৰি প্ৰসাদে দুৱাৰ ভাঙি পেলালে। তাৰ পাছত হৰিপ্ৰসাদে আঁঠুৱাখন দাঙি চৌধুৰীক দেখি চিঞৰি উঠিল, মীনাই 'দেউতা দেউতা!' বুলি সাৱতি ধৰিলে — দীপক থৰ হৈ ৰ'ল।

হৰিপ্ৰসাদে ডাঃ বৰুৱালৈ লগে লগে ফোন কৰিলে। অলপ পিচতে ডাঃ বৰুৱা পালেহি। মীনাই তেতিয়াও দেউতাকৰ গাত মূৰ থৈ কান্দি আছিল।

ডাঃ বৰুৱাই চৌধুৰীক দেখি বজ্রপাত পৰা মানুহৰ দৰে থৰ লাগি ৰ'ল। কি দৃশ্য! চৌধুৰীৰ চকু আৰু মুখ মেল খোৱা অৱস্থাত। দেখিলে এনে লাগে যেন অতি যন্ত্রণাৰে চট্‌ফটাই কাৰোবাক কিবা কব খুজি অৱশেষত অতি করুণভাৱে মৃত্যু দানৱৰ ওচৰত পৰাজিত হ'ল। এই দৃশ্য দেখি বৰুৱাৰ নিচিনা মানুহৰো গাৰ নোম শিঁয়ৰি উঠিল। ডাক্তৰৰ কিবা এটা সন্দেহ হ'ল, মনতে ভাবিলে-চৌধুৰীৰতো এনেদৰে হঠাৎ মৃত্যু হ'ব নেলাগিছিল! তেনেহলে চৌধুৰীৰ আত্মহত্যা—নে কোনোবাই হত্যা কৰিলে? তেতিয়াই ডাঃ বৰুৱাই ৰিচিভাৰ তুলি পুলিচ ইনচ্‌পেক্টৰ হামিদক তেখেতৰ সন্দেহৰ বিষয়ে কৈ সোনকালে আহিবলৈ অনুৰোধ কৰিলে।

ইনিচ্‌পেক্টৰ হামিদে লগত এচ আই ৰজত মোহন আৰু কেইজনমান কনিষ্টবল লৈ চৌধুৰীৰ গেটৰ সন্মুখত পুলিচ জীপৰ পৰা নামিল। ৰজত মোহন আৰু কনিষ্টবল কেইজনক গেটত ৰাখি হামিদ ভিতৰ পালেহি। ডাঃ বৰুৱাই হামিদক শুৱা কোঠালৈ লৈ গ'ল। তাত তেতিয়া হৰিপ্রসাদ, দীপক আৰু মীনা আছিল। মীনাৰ অৱস্থা দেখি হামিদে তেওঁলোকক বাহিৰলৈ যাবলৈ কলে। ভিতৰত থাকিল ডাঃ বৰুৱা আৰু হামিদ। চৌধুৰীৰ মৃতদেহৰ ওপৰত চকু ফুৰাই তেওঁ ডাঃ বৰুৱালৈ ঘূৰি চাই সুধিলে— "আপোনাৰ মতে মৃত্যুৰ কাৰণ কি ডাঃ বৰুৱা?"

"কাৰণ মই এতিয়া ক'ব নোৱাৰিম, কিন্তু মৃত্যু স্বাভাৱিক নহয় যেন লাগে।"

"কেনেকৈ জানিলে?"

"চাওক মিঃ হামিদ, মই মিঃ চৌধুৰীৰ অকল ফেমিলি ফিজিচিয়ানেই নহয়, এজন অন্তৰঙ্গ বন্ধুও। কালি গধুলি সাত বজাত মই তেওঁৰ পালচ্‌, ব্লাডপ্রেচাৰ চাইছিলোঁ। চব নৰমেল, লগতে এটা ইনজেকচনও দি গৈছিলোঁ। গতিকে ইমান সোনকালে তেওঁৰ মৃত্যুটো মই ......"

"বুজিছোঁ, তাৰ মানে আপুনি ক'ব খোজে, চৌধুৰীয়ে আত্মহত্যা কৰিছে নতুবা তেওঁক হত্যা কৰা হৈছে। আত্মহত্যা কৰাৰ কোনো কাৰণ মই বিচাৰি পোৱা নাই; আপুনি কাৰোবাক সন্দেহ কৰে নেকি?" হামিদে সুধিলে।

"ওহোঁ, মই কাক সন্দেহ কৰিম? তেওঁৰ নিচিনা মানুহৰ যে কোনোবা

শত্ৰু থাকিব পাৰে মই ভাবিবই নোৱাৰোঁ।”

“মৃত্যু কিমান সময়ত হ'ল যেন লাগে ডাঃ বৰুৱা?”

“ৰাতিপুৱা চাৰি-পাঁচমান বজাৰ ভিতৰতে হ'ব।”

হামিদে ডাঃ বৰুৱাক ধন্যবাদ জনাই বৰুৱাক বাহিৰলৈ যাবলৈ কৈ কোঠাটোত কিবা শুংসূত্ৰ পাই নেকি চাবলৈ ধৰিলে। কিন্তু তেনে কোনো সন্দেহজনক বস্তু তেওঁৰ দৃষ্টিগোচৰ নহ'ল। হামিদে তেতিয়াই তেওঁৰ বন্ধু প্ৰখ্যাত প্ৰাইভেট ডিটেক্টিভ অমৰ শৰ্মালৈ ফোন কৰিলে। লগতে সকলো জনাই চৌধুৰীৰ বঙলালৈ আহিবলৈ ক'লে।

প্ৰায় আধাঘণ্টাৰ পাছত অমৰে তেওঁৰ ক'লা ফিয়েটখন লৈ চৌধুৰীৰ বঙলাৰ গেট পালেহি। অমৰক দেখিয়েই পহৰাত থকা চিপাহী দুজনে চেলাম দিলে। মাত্ৰ এচ আই ৰজতমোহনে অমৰক দেখিয়েই নাক কোঁচাই দিলে। ৰজতমোহনক অমৰে বহুতবাৰ কোৰ্টত অপদস্থ কৰি থৈছে।

অমৰক দেখিয়েই হামিদে হাঁহি মাৰি কলে- “আঁহা বন্ধু আঁহা, মহা অঠাই সাগৰত পৰিলোঁ। মানুহ কোঠাত মৰি আছে, একো শুংসূত্ৰই নাই। চিগাৰেটৰ টুকুৰা, লাইটাৰ, ৰুমাল, মণিবেগ, আঙুলিৰ ছাপ থকা গিলাচ, কিবা এটাতো থাকিব লাগে নহয় জানো?”— হামিদে হাঃ হাঃ কৈ হাঁহিবলৈ ধৰিলে।

“তাৰমানে হত্যাকাৰী বেছি চতুৰ, গতিকে সোনকালে ধৰা পৰিব, নহয় জানো বন্ধুবৰ?”

“জানো তুমি কি কোৱা - বাৰু ব'লা এতিয়া।”

অমৰে চৌধুৰীৰ কোঠালৈ আহি চাৰিওফালে এবাৰ ভালদৰে চকু ফুৰালে। চৌধুৰীৰ মৃত দেহটোৰ ফালে একেথৰে ৰ- লাগি চাবলৈ ধৰিলে। তেওঁ হামিদক মৃতদেহটো অতি সোনকালে পোষ্টমৰ্টেমৰ কাৰণে পঠিয়াবলৈ ক'লে আৰু ৰিপৰ্ট আজিৰ ভিতৰতে পোৱাৰ বন্দবস্ত কৰিবলৈ ক'লে। হামিদে এই ভাৰ এচ আই ৰজত মোহনক দিলে।

মীনা কেইবাবাৰো মূৰ্চ্ছা গৈছে। মীনাৰ ওচৰত ডাঃ বৰুৱা বহি আছে। ইতিমধ্যে ডাঃ বৰুৱাৰ পুতেক অজিতেশ আহি পালেহি। সি মীনাৰ কোঠাতে চকী এখনত বহি কিবা চিন্তা কৰি আছে। কাৰো মুখত মাত নাই, মাজে মাজে

দীপক আহি খবৰ লৈ গৈছেহি।

ড্ৰইং ৰুমত অমৰে পাইপ হুপি হুপি চকুকেইটা মুদি চিন্তাৰ সাগৰত ডুব গৈ আছে। পাইপৰ ধপাত শেষ হোৱাত অমৰে হামিদক ঘৰত কোন কোন আছে খবৰ ল'লে। হামিদে খাচ লগুৱা, হৰিপ্ৰসাদ, দীপক, মীনা আৰু দুজন লগুৱা থাকে বুলি অমৰক জনালে। অমৰে হৰিপ্ৰসাদক মাতিবলৈ হামিদক ক'লে। হামিদে হৰিপ্ৰসাদক মতাৰ লগে লগে সি আহি ড্ৰইংৰূম পালেহি। অমৰে সুধিলে,

"তোমাৰ নাম?"

"হৰিপ্ৰসাদ হুজুৰ।"

"ইয়াত কিমান দিন কাম কৰিছা?"

"সাত সাল হজুৰ।"

"তোমাৰ মালিকক কোনে খুন কৰিলে?"

"মই কি কৰি জানিম?" — হৰিপ্ৰসাদে কান্দিবলৈ ধৰিলে।

"বাৰু তুমি মালিকক কালি কিমান সময়ত শেষ দেখিছিলা?"

"ৰাতি ন বজাত হজুৰ-মালিকে খানা খাওঁতে।"

ইয়াৰ পাচত অমৰে দীপকক মাতিবলৈ কলে। দীপক সোমাই অহাৰ লগে লগে অমৰে দীপকক ভালদৰে চালে। প্ৰায় ছয় ফুট ওখ, স্বাস্থ্যৱান, সুদৰ্শন যুৱক দীপক। দীপক সোমাই আহিয়েই অমৰ আৰু হামিদক নমস্কাৰ কৰিলে।

অমৰে সুধিলে —

"আপোনাৰ নাম?"

"দীপক চৌধুৰী।"

"মিঃ মহেন্দ্ৰ চৌধুৰী আপোনাৰ কি হয়?"

"খুৰাদেউ।"

"আপুনি এতিয়া কি কৰে?"

"অমৰে সুধিলে।"

"M. Sc. পাছ কৰি বহি আছো আজি দুবছৰ।"

"কাম-কাজ নকৰে নেকি?"

"সেইটো মোৰ পাৰচনেল কথা।" দীপকে ক'লে।

"বাৰু আপোনাৰ খুৰাদেউৰ লগত আপোনাৰ শেষ দেখা কেতিয়া হয়?"

"আবেলি প্ৰায় চাৰি বজাত তাৰ পাচত আৰু মই খুৰাদেউক দেখা নাই, আজি ৰাতি পুৱাহে......।"

"দুৱাৰ ভাঙি সোমোৱাৰ পিচত মৃত অৱস্থাত দেখিলে?"

"হয়।"

"আপুনি খুৰাদেউৰ মৃত্যুৰ কাৰণে কাক সন্দেহ কৰে?"

"খুৰাদেউক যে কোনোবাই হত্যা কৰিব পাৰে ভাবিবই নোৱাৰি। তেখেতক সকলোৱে ভাল পাইছিল। মোকো তেখেতে পুত্ৰৰ দৰে ভাবিছিল।"

"আপোনাৰ ভনী মীনাৰ লগত কাৰোবাৰ।"

"হয় অজিতেশৰ — ডাঃ বৰুৱাৰ ল'ৰা। তেওঁৰ লগত মীনাৰ বিয়া হোৱাৰ কথা আছিল।"

"বাৰু আপুনি যাওক, ডাঃ বৰুৱাক মাতিছোঁ বুলি ক'ব।"

হামিদে দীপক যোৱাৰ লগে লগে অমৰক ক'লে আৰু মিছামিছি হুলস্থূল কৰিব লাগিছে কিয়? হত্যাকাৰী চকুৰ আগতে জিলিকি আছে।

"কোন?" অমৰে সুধিলে।

"অজিতেশ, বোধকৰো বহলাই নক'লেও হ'ব।"

অমৰে এটা মিচিকিয়া হাঁহি মাৰি হামিদক কলে ধীৰে বন্ধু ধীৰে, আৰু অলপ সময় অপেক্ষা কৰা। হামিদে মুখখন গোমোৰা কৰি থম্‌থম্‌কৈ বহি থাকিল।

তেনেতে ডাঃ বৰুৱা সোমাই অহা দেখি অমৰে এটা মিচিকিয়া হাঁহি মাৰি ক'লে— "আহক ডাঃ বৰুৱা, বহক। আপোনাক কেইটামান কথা সুধিবলগীয়া আছে। আশা কৰোঁ একো লুক-ঢাক নকৰাকৈ আপুনি ক'ব।"

নিশ্চয় মিঃ শৰ্মা। মই যি জানো সকলোখিনি কম। মিঃ চৌধুৰী মোৰ প্ৰিয় বন্ধু আছিল। তেওঁৰ হত্যাকাৰীক বিচাৰি উলিয়াবলৈ নিশ্চয় যি জানো সকলো কম।

"বাৰু ডাঃ বৰুৱা, মিঃ চৌধুৰী কি অসুখত ভুগিছিল?"

তেওঁৰ ডায়েবেটিচ্ আছিল আৰু হাৰ্ট অলপ উইক আছিল। কালি মই চৌধুৰীৰ পালচ্, ব্লাডপ্ৰেচাৰ সকলো ভালদৰে পৰীক্ষা কৰিছিলোঁ আৰু লগতে

মই এটা Paraphyliver বেজী দিছিলোঁ।

"তেনেহলে তেখেতৰ ইমান সোনকালে মৃত্যু হোৱাটো আচৰিত নহয় জানো ডাঃ বৰুৱা?"

"মই সেইকাৰণে ইঞ্চপেক্টৰ মিঃ হামিদক মোৰ সন্দেহৰ বিষয়ে কৈছিলোঁ।"

"মিঃ চৌধুৰীয়ে কিবা উইল কৰিছিল নেকি?" অমৰে সুধিলে।

"হয়, তেওঁ এখন উইল কৰিছিল, মৃত্যুৰ পাচত তেওঁৰ সম্পত্তিৰ আধা মীনাই আৰু আধা দীপকে পাব।"

"মিঃ চৌধুৰীৰ বয়স কিমান হৈছিল?" অমৰে সুধিলে।

"পঞ্চাশ, অলপ কমও হ'ব পাৰে।"

"বাৰু আপুনি যাওক ডাঃ বৰুৱা। আপোনাক বহুত ধন্যবাদ। আপোনাৰ পুত্ৰ অজিতেশক পঠিয়াই দিব।"

"তাক!"

"হয়, দৰকাৰ আছে।"

অজিতেশ আহি ড্ৰইং ৰুমত সোমোৱাৰ লগে লগে অমৰে ক'লে—

"আহক প্ৰফেচৰ বৰুৱা।"

"আপুনি মোক চিনি পায় মিঃ শৰ্মা?"

"খুব ভালদৰে। আপোনাক এই চহৰত কোনে চিনি নাপায়?"

"বাৰু, মোক কিয় মাতিছিল?"

"হত্যাৰ সংক্ৰান্তত দুটামান কথা সুধিবলৈ।" অমৰে ক'লে—

"মই এই বিষয়ে একো নাজানো।"

অমৰে হাঁহি মাৰি সুধিলে—

"বাৰু মিঃ বৰুৱা, আপোনাৰ চৌধুৰী পৰিয়ালৰ লগত সম্পৰ্ক কেতিয়াৰ পৰা গঢ়ি উঠিল?"

"মানে?"

"মানে আপুনি নিশ্চয় বুজিছে যি সোধো তাৰ উত্তৰ দি যোৱাই আপোনাৰ পক্ষে মঙ্গল। নহ'লে পিচত বিপদত পৰিব। আমি অন্য পন্থা লবলৈ

বাধ্য হ'ম।"

"মই যদি একো নকওঁ?"

হামিদৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। খঙেৰে ক'লে — "নন চেঞ্চ"। হামিদৰ চকুৰে চকুৰে পৰাত বৰুৱাই ভয় খালে। ভিজা মেকুৰীৰ দৰে বহি থাকিল।

"এতিয়া কওক মিঃ বৰুৱা। সম্পৰ্ক কেতিয়া গঢ়ি উঠিল?"

"মীনাই কলেজত পঢ়াৰ পৰাই।"

"আপোনালোক কিমানদূৰ আগবাঢ়িছে। মানে মই কব খুজিছোঁ। বিয়া ......"

"হ'ব পাৰে।"

"হ'ব পাৰে নহয়, হ'বনে নহয় তাকে কওক।"

"হ'ব।" অজিতেশে ক'লে।

"মীনা মিঃ চৌধুৰীৰ একমাত্ৰ কন্যা। গতিকে চৌধুৰীৰ অগাধ সম্পত্তি মীনাই পাব; তাৰমানে বিয়া হ'লে আপোনাৰ হাতলৈ আহিব। তেতিয়া আপুনি এই কষ্টকৰ মাষ্টৰী নকৰিলেও হ'ব নহয় জানো মিঃ বৰুৱা?"

"আপুনি মোক কি বুলি ভাবিছে?" অজিতেশ চিঞৰি উঠিল, "আপোনাৰ নিচিনা এজন নামজ্বলা মানুহৰ মুখত এনে কথা আশা কৰা নাছিলোঁ। মিঃ শৰ্মা!

"অমৰ আৰু হামিদে মিচিকিয়াই হাঁহিলে।"

"মিঃ বৰুৱা, দীপকৰ লগত আপোনাৰ সম্বন্ধ কেনেকুৱা?"

"দীপক মোৰ বন্ধু" অজিতে উত্তৰ দিলে।

"দীপক M.Sc. পাছ কৰি দুবছৰ কিয় বহি আছে?"

"মই কেনেকৈ জানিম?"

"তেওঁ মিঃ চৌধুৰীৰ বিজনেচৰ তদাৰক কৰে নেকি?"

"নকৰে।"

"বাৰু আপুনি যাওক।"

"তেনেতে পষ্টমৰ্টেমৰ ৰিপৰ্ট লৈ ৰজতমোহন আহি ৰিপৰ্টখন হামিদৰ

হাতত দিলে। হামিদে নপঢ়াকৈয়ে অমৰক দিলে। ৰিপৰ্ট পঢ়ি অমৰৰ চকু থিৰ হৈ গ'ল। হামিদেও পঢ়িলে। হামিদে পঢ়ি গম্ভীৰ হৈ গ'ল।"

"অমৰে হামিদক লৈ মীনাৰ কোঠা পালেগৈ। তাত তেতিয়া ডাঃ বৰুৱা, অজিতেশ আৰু দীপক আছিল। অমৰে সকলোকে বাহিৰলৈ যাবলৈ অনুৰোধ কৰিলে। মীনাৰ বিছনাৰ ওচৰলৈ গৈ অমৰে ক'লে, "ক্ষমা কৰিব মিচ, চৌধুৰী, আপোনাক এনে অৱস্থাত কথা সোধাটো অশোভনীয়, কিন্তু উপায় নাই পুলিচৰ কাম। মীনাই অমৰলৈ চালে। লগে লগে হুকহুকাই কান্দিবলৈ ধৰিলে।" অমৰে বিমোৰত পৰি ক'লে, "ধৈৰ্য্য ধৰক মিচ্ চৌধুৰী, আপোনাৰ দেউতাৰ হত্যাকাৰীক ধৰিবলৈ হ'লে আপুনি আমাক সহায় কৰিব লাগিব।" মীনাৰ চকুৰেদি তেতিয়াও চকুলো বাগৰি আছিল।

"মিচ্ চৌধুৰী, মিঃ চৌধুৰীৰ হত্যাৰ ক্ষেত্ৰত আপুনি কাৰবাক সন্দেহ কৰে নেকি?"

"মই কাক সন্দেহ কৰিম?" মীনাই কান্দিবলৈ ধৰিলে।

"মিঃ চৌধুৰীয়ে কিবা উইল কৰাৰ বিষয়ে আপুনি কিবা জানেনে?"

"নেজানো।"

"ধন্যবাদ মিচ্ চৌধুৰী।" অমৰ আৰু হামিদ মীনাৰ কোঠাৰপৰা ওলাই আহিল। হামিদক সকলোৰে ফিঙ্গাৰ প্ৰিণ্ট সংগ্ৰহ কৰিবলৈ কৈ অমৰ চৌধুৰীৰ শোৱা কোঠালৈ আহিল। চৌধুৰীৰ গড্‌ৰেজ আলমাৰী দুটা খুলিলে। এটা আলমাৰীত চৌধুৰীৰ কাপোৰৰ বাহিৰে অন্য বিশেষ একো অমৰৰ চকুত নপৰিল। আনটো আলমাৰীত যাৱতীয় ফাইল আৰু কিছু নোট আৰু খুচুৰা পইচা দেখা পালে। তাৰ পিচত অমৰে দৰবৰ টেবুলৰ ওচৰলৈ আহি ৰুমাল উলিয়াই দৰবৰ এম্‌পোল এটা জেপত ভৰাই ৰুমৰ পৰা ওলাই আহিল। ডাঃ বৰুৱা আৰু অজিতেশক সন্ধ্যা ৭ বজাত চৌধুৰীৰ ড্ৰইং ৰুমত গোট খাবলৈ অনুৰোধ জনাই অমৰে মীনা আৰু দীপকৰ পৰা বিদায় লৈ হামিদৰ লগত গাড়ীত উঠিলহি।

থানাৰ সন্মুখত হামিদ গাড়ীৰ পৰা নামিল। অমৰে ৰুমালেৰে মেৰিওৱা এম্‌পোলটো উলিয়াই হামিদৰ হাতত দি ফিঙ্গাৰ প্ৰিণ্ট কাৰ লগত মিলে চাবলৈ ক'লে।

ঠিক সন্ধ্যা সাত বজাত অমৰ চৌধুৰীৰ বঙলা পালেগৈ। সকলোকে ড্ৰইং ৰুমত বহি থকা দেখি অমৰে সকলোলৈকে চাই এটা মিচিকিয়া হাঁহি মাৰি চোফাত বহিল। হামিদে অমৰক কাণে কাণে ক'লে যে এম্পোলত ডাঃ বৰুৱাৰ আঙুলিৰ ছাপ পোৱা গৈছে। হামিদ অমৰৰ ওচৰতে বহিল। অমৰে সকলোটি ঠিক সময়ত গোটে খোৱা কাৰণে ধন্যবাদ জনালে আৰু পাইপত অগ্নি সংযোগ কৰিলে।

"এতিয়া প্ৰথম আৰু প্ৰধান কথা হ'ল মিঃ চৌধুৰীৰ হত্যাকাৰীক বিচাৰি উলিওৱা, হত্যাকাৰী আমাৰ মাজতে আছে"

সকলোৱে অমৰৰ মুখলৈ চালে।

"প্ৰথমতে মই সকলোকে সন্দেহ কৰিছিলোঁ, যেতিয়া পোষ্টমৰ্টেমৰ ৰিপৰ্ট পালোঁ, তেতিয়া মোৰ সন্দেহৰ পৰা মীনা আৰু হৰিপ্ৰসাদ বাদ পৰিল।" এই বুলি কৈ অমৰে মীনাৰ চকুলৈ চালে। চকুৰে চকুৰে পৰাত মীনাই তলমূৰ কৰিলে।

"এতিয়া বাকী থাকিল ডাঃ বৰুৱা, দীপক আৰু অজিতেশ। এই তিনিজনৰ ভিতৰত কাকো সন্দেহৰ পৰা বাদ দিব নোৱাৰি। প্ৰথমে ধৰা যাওক ডাঃ বৰুৱাৰ বিষয়ে।"

ডাঃ বৰুৱাৰ পক্ষে মিঃ চৌধুৰীক হত্যা কৰা আটাইতকৈ সহজ, তেখেত মিঃ চৌধুৰীৰ ফেমিলি ফিজিচিয়ান আৰু অন্তৰঙ্গ বন্ধুও, আনহাতে তেখেতে মিঃ চৌধুৰীৰ উইলৰ বিষয়ে জানে আৰু মীনা আৰু অজিতেশৰ বিষয়েও কি কয় ডাঃ বৰুৱা ? অমৰে ডাঃ বৰুৱাৰ মুখলৈ চালে।

"এই বিলাক কি কৈছে মিঃ শৰ্মা ?"

"মই ঠিক কৈছোঁ ডাঃ বৰুৱা, আপুনিয়েই আপোনাৰ বন্ধু মিঃ চৌধুৰীক হত্যা কৰিলে।"

ডাঃ বৰুৱা উচপ খাই উঠিল — "আপুনি পাগল হ'ল নেকি শৰ্মা ?"

"এতিয়াও হোৱা নাই বাৰু আপুনি বহক, ডাঃ বৰুৱা।" অজিতেশে অমৰলৈ চালে, যেন পাৰিলে অমৰক গিলি পেলাব।

মি: বৰুৱা, আপুনি মোৰ পৰা বহুত কথা লুকুৱাইছিল। তেতিয়া আপুনি

সকলো জনা কথা খুলি কোৱা হ'লে মোৰ কাম তেতিয়াই শেষ হ'লহেঁতেন আৰু আপোনালোকক এইদৰে দিগদাৰ নিদিলোঁহেঁতেন। আপুনি দীপকৰ বন্ধু, গতিকে দীপকৰ বহুত কথা জানে, মই অথনি সোধোঁতে কিয় একো নক'লে?

অজিতেশেও তলমূৰ কৰিলে।

"হামিদ, মিঃ মহেন্দ্ৰ চৌধুৰীৰ হত্যাকাৰীক এৰেষ্ট কৰা।"

ডাঃ বৰুৱাৰ ফালে হামিদ আগবাঢ়ি গ'ল। "হামিদ, ডাঃ বৰুৱাক নহয়-দীপক চৌধুৰীক।"

সাৱধানে কথা কব শৰ্মা। দীপক গৰ্জি উঠিল, "কি প্ৰামাণ পালে? এনে কথা ক'বলৈ আপোনাৰ সাহস ক'ৰ পৰা হ'ল?" এই বুলি কৈ দীপকে জেপত হাত ভৰালে। তাৰ আগেয়ে অমৰে জেপৰ পৰা ৰিভলভাৰ উলিয়াই দীপকলৈ টোৱাহ কলে— "হাত ওপৰলৈ তোলক মিঃ দীপক চৌধুৰী, বৃথা চেষ্টা কৰি একো লাভ নাই।"

দীপকে একো উপায় নেপাই দুয়োখন হাত ওপৰলৈ তুলিলে, লগে লগে হামিদে দীপকক হেণ্ডকাফ, পিন্ধাই দিলে।

"কিন্তু আচল হত্যাকাৰী ডাঃ বৰুৱাহে হামিদ।" অমৰে কলে (মুখত এটা ৰহস্যৰ হাঁহি লৈ), ডাঃ বৰুৱা চকীৰ পৰা উঠিল। হামিদ দোধোৰ মোধোৰত পৰিল।

"বহক ডাঃ বৰুৱা, আপুনি কালি দিয়া ইনজেকচনটোৱেই মিঃ চৌধুৰীৰ কাল হ'ল।"

"কেনেকৈ?" ডাঃ বৰুৱা চক্ খাই উঠিল।

এম্পোলটোত প্লেগ ৰোগৰ বীজাণু আছিল, আৰু বীজাণু ভৰাই দিছিল দীপকে" দীপকৰ চকুকেইটা খণ্ডত ৰঙা পৰিল।

"মিঃ চৌধুৰী বেছি সাৱধান হ'বলৈ গৈ ধৰা পৰিল, ইনজেকচনৰ এম্পোলটোত মাত্ৰ বৰুৱাৰ আঙুলিৰ ছাপ আছে।"

"কিন্তু এজন মানুহৰ আঙুলিৰ ছাপ তাত কেনেকৈ থাকিল, এইখিনিতে দীপক চৌধুৰীয়ে ডাঙৰ ভুল কৰিলে। প্লেগৰ বীজাণু চিৰিঞ্জেৰে এম্পোলত সুমুৱাই দিয়াৰ পাচত তাত নিজৰ আঙুলিৰ ছাপ মচি পেলালে, যাতে পুলিচে

তাত ডাঃ বৰুৱাৰ আঙুলিৰ ছাপ পায় আৰু তেখেতক হত্যাকাৰী বুলি ভাবে।

আমাৰ অপৰাধ শাস্ত্ৰত এটা কথা আছে — অমৰে কৈ গল যিমান চতুৰ হত্যাকাৰী নহওক কিয়-সকলো হত্যাকাৰীয়ে কিবা এটা ভুল কৰিবই কিবা নহয় কিবা এটা চিন ৰাখি যাবই। মিঃ চৌধুৰীৰ ক্ষেত্ৰতো সেয়ে হ'ল, হত্যাকাৰী বিচাৰি উলিয়াওঁতে সাধাৰণতে হত্যাকাৰীৰ মতিভ বিচাৰি উলিয়াব লাগিব। এই ক্ষেত্ৰত মিঃ বৰুৱাই মোক অলপ সহায় কৰা হ'লে মই তেতিয়াই এটা মীমাংসালৈ আহিব পাৰিলোঁহেঁতেন।

মিঃ চৌধুৰীৰ মৃত্যুত সকলো লাভৱান হ'ব পাৰে। প্ৰথমতে মই এইদৰে ভাবিছিলোঁ। কিন্তু যেতিয়া ডাঃ বৰুৱাৰ মুখত উইলৰ কথা গম পালোঁ, তেতিয়া মোৰ সন্দেহ হৈ পৰিল দীপক চৌধুৰীৰ ওপৰত। প্ৰথম কাৰণ হ'ল মিঃ চৌধুৰীৰ মৃত্যুৰ পাচত তেখেতৰ সম্পত্তিৰ আধা অংশ পাব দীপকে আৰু আধা অংশ পাব মীনাই, ধৰি ললোঁ মিঃ চৌধুৰীৰ বয়স পঞ্চাশ, তেখেতৰ মৃত্যুলৈকে ধৈৰ্য্য ধৰিব পৰা অৱস্থা দীপকৰ নাছিল। সৰুৰে পৰা চৌধুৰীৰ মৰমত থকাৰ কাৰণে দীপক বিলাসপ্ৰিয় হৈছিল, বাহিৰত গৈ ডাঙৰ ডাঙৰ বিলাসী হোটেলত, ৰেচ্‌কোচ আদিত দুই হাতেৰে ধন ভঙাৰ ফলত বহুত ধাৰ হ'ল, অৱশেষত একো উপায় নাপাই মিঃ চৌধুৰীক হত্যা কৰিবলৈ ঠিক কৰিলে — কিন্তু কেনেকৈ? দীপকে মিঃ চৌধুৰীৰ অসুখৰ সুযোগ ল'লে। ডাঃ বৰুৱাই প্লেগৰ বীজাণু কেনেবাকৈ চৌধুৰীৰ শৰীৰত সুমুৱাই দিব পাৰিলে তেখেতৰ মৃত্যু অনিবাৰ্য্য। তেখেতে সেই বীজাণু ডাঃ বৰুৱাৰ লেবৰেটৰিৰ পৰা চুৰ কৰি এম্‌পোলটোৰ ৰাৱাৰ কাক ফুটাই চিৰিঞ্জৰ সহায়ত ভৰাই দিলে, ৰাৱাৰ কাকৰ ওপৰত মই দুটা ক্ষুদ্ৰ ফুটা দেখিলোঁ। এটাইদি দীপকে প্লেগ ৰোগৰ বীজাণু ভৰাই দিয়া আৰু আনটো ডাঃ বৰুৱাই দৰৱসহ প্লেগৰ বীজাণু উলিয়াই অনা। এতিয়া কথা হ'ল, সেই বীজাণু যে দীপকে এম্‌পোলত ভৰাইছে তাৰতো কোনো প্ৰমাণ নাই! আছে। প্ৰমাণ আছে।

মৰ্ডান ফাৰ্মাচিৰ পৰা দীপকে এটা চিৰিঞ্জ কিনিছিল। ফাৰ্মাচিষ্টজনে তেতিয়া দীপকক চিৰিঞ্জটো কিয় কিনিছে এই বিষয়ে প্ৰশ্ন কৰিছিল। দীপকে 'এনেয়ে' বুলি কৈ কেচমেম ননাকৈয়ে ওলাই আহিছিল।

হঠাতে অমৰে দীপকলৈ চাই সুধিলে — "চিৰিঞ্জটো কি কৰিলে দীপক

বাবু?" দীপক তলমূৰকৈ থাকিল। অমৰে আকৌ আৰম্ভ কৰিলে — "মই জানো চৌধুৰী, চিৰিঞ্জটো আপোনাৰ হাতত নাই। অৱশ্যে থাকিলে আচৰিততহে হলোঁহেঁতেন, আপোনাৰ নিচিনা শিক্ষিত মানুহ এজনে এইটো ভুল নকৰে। কিন্তু জানে মিঃ চৌধুৰী, হত্যাকাৰীয়ে কিবা নহয় কিবা এটা প্ৰমাণ এৰি থৈ যাবই। আপোনাৰো সেয়ে হ'ল, নহয় জানো মিঃ চৌধুৰী?"

সকলোৱে একান্ত মনে অমৰৰ কথা শুনি আছিল, কাৰো মুখত মাত-বোল নাই। ডাঃ বৰুৱাই খপকৰে জেপৰপৰা চেকবহীখন উলিয়াই চেক্ এখন লিখি অমৰলৈ আগবঢ়াই ক'লে — "মই জানো মিঃ শৰ্মা, অপুনি আজি যিটো কাম কৰিলে তাৰ তুলনাত মোৰ এই চেক্খন অতি সামান্য, কিন্তু আপুনি ফিৰাই নিদি গ্ৰহণ কৰিব বুলি আশা কৰিলো।"

অমৰে এটা মিচিকিয়া হাঁহি মাৰি কলে — "নিশ্চয় গ্ৰহণ কৰিম ডাঃ বৰুৱা, মোৰ এইটো বিলাসিতা বা নিচা নহয়, পেচাহে। গতিকে গ্ৰহণ নকৰি উপায় নাই। বাৰু হামিদ, মই যাওঁ, তুমি পাচে পৰে আহি থাকিবা।" অমৰে ডাঃ বৰুৱাৰ পৰা পাঁচহেজাৰ টকাৰ চেক্খন জেপত ভৰাই সকলোৰে পৰা বিদায় লৈ গাড়ীত উঠিলহি।

□□□

# ভাগ্যৰ পৰিহাস

ভাৰতী গগৈ

বৰ্ষামুখৰ নিশাটো একেবাৰে নিজম নিস্তব্ধ হৈ পৰিছিল। নগৰৰ বাট-পথবোৰ জনপ্ৰাণীহীন হৈ পৰিছিল। তাৰ মাজতে থকা ছাত্ৰীনিবাসটোও শুই পৰিছিল। মাজে মাজে বতাহ-বিজুলীৰ বাবে পোহৰৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছিল। বিজুলীৰ পোহৰত ছাত্ৰীনিবাসটো পুৱাৰ নিয়ৰে ধুই নিকা কৰা এপাহ শৰতৰ শুভ্ৰ শেৱালিৰ দৰে দেখা গৈছিল। দিনৰ হুলস্থুলীয়া পৰিবেশৰ অৱসান ঘটাই ছাত্ৰীবিলাক শুই পৰিছিল। সাৰে আছিল মাত্ৰ ছাত্ৰীবাসৰ বুঢ়া চকীদাৰ ৰামপ্ৰসাদ। সি মাথোন নিজৰ কৰ্তব্যৰ খাতিৰত ওৰে নিশা উজাগৰে থাকি ছাত্ৰীবাসত পহৰা দিয়ে।

তেনে নিস্তব্ধ পৰিবেশৰ অৱসান ঘটাই ভাহি আহিছিল ছাত্ৰীবাসৰ ওপৰ মহলাৰ পৰা এক কৰুণ ক্ৰন্দন। সেই কান্দোন বৈ বৈ বাজিছিল বুঢ়া চকীদাৰৰ কাণত। ৰামপ্ৰসাদ দৌৰি গৈছিল ওপৰলৈ আৰু সজোৰে দুৱাৰত টকিয়াইছিল। দুৱাৰ খোলা নাছিল অনুৰাধাই। কলেজৰ মেধাৱী ছাত্ৰী মিছ, অনুৰাধা বৰুৱাই। ৰূমমেট অলকা দত্তৰ বুজনিত অনুৰাধাই কান্দিবলৈ এৰা নাছিল। কান্দি কান্দি ভাগৰি বিছনাত শুই পৰিছিল। অলকাই মুখেৰে ক'ব পৰা নাছিল। মাথোন নিৰ্দিষ্টমনে চাই ৰৈছিল সুদৰ্শনা, সুশিক্ষিতা, মেধাৱী ছাত্ৰী মিছ অনুৰাধা বৰুৱালৈ। অসাৱধানতাৰে শুই পৰা অনুৰাধাৰ মুৰৰ আউল-বাউল চুলিখিনি হাতেৰে ঠিক কৰি দিছিল। আঁঠুৱাখন ঠিক কৰি দিছিল। নীৰৱে শুই পৰা সেই প্ৰশান্ত গম্ভীৰ মুখৰ অনুৰাধাৰ মানসকুঞ্জত ফুলি থকা বেদনাৰ সঙ্গীৰ ফুল কেইপাহৰ কথা আকৌ এবাৰ অলকাই ভাবিবলৈ ধৰিলে। অলকাৰ মনত পৰি গ'ল অনুৰাধাৰ লগত প্ৰথম পৰিচয় হোৱাৰ কথা।

সেইদিনা আছিল শুক্ৰবাৰ, ১৯৭০ চন। দিনৰ এক বজাত অলকা দত্তই অসমীয়া সন্মান বিভাগৰ ক্লাছ কৰি ওলাই আহিছিল। সেই সময়তে ভেটাভেটি হ'ল প্ৰিন্সিপালৰ কোঠাৰ পৰা কৰুণভাৱে ওলাই অহা অনুৰাধাৰ লগত। সেয়েই প্ৰথম পৰিচয়। অনুৰাধাই যোৰহাট কলেজৰ পৰা দৰ্শনত সৰ্বোচ্চ নম্বৰ পাই

প্ৰথম বিভাগত প্ৰাক্ স্নাতক পাছ কৰি আহিছিল ডিব্ৰুগড়লৈ। অনুৰাধাৰ সেই গাম্ভীৰ্য্যপূৰ্ণ সহজ-সৰল মুখমণ্ডলত সদায় যেন লাগি আছিল এক বিষাদৰ ছাঁ। অলকাই এই বিষয়ে নানাভাৱে চিন্তা কৰিছিল। অনুৰাধাৰ মনটোক বুজাৰ দুৰ্ব্বাৰ হেঁপাহ হৈছিল। কেতিয়াবা অনুৰাধাক ঘৰুৱা কথাৰ অৱতাৰণা কৰিলেই গহীন হৈ পৰা দেখি বেছি দূৰ আগবাঢ়িবলৈ মন নাযায় অলকাৰ। অলকাই ভাবে তাই অনুৰাধাৰ লগত একেলগে আছে, খাইছে, শুইছে, ফুৰিছে, তথাপিও এদিনো প্ৰাণখোলা হাঁহি মৰা দেখা নাই। হাঁহিলে যেন এসোপা কান্দোনহে ওলাই আহিব। খুব চেষ্টা কৰিহে যেন মনৰ কান্দোনখিনি হেঁচি ৰাখিছে। কেতিয়াবা ভাবি ভাবি অলকাই একো বুজিব নোৱাৰা হৈ যায়। কেতিয়াবা খঙো উঠে অনুৰাধাৰ ওপৰত। কিন্তু সেই খঙৰ যে মূল্য নাই।

এদিন ঘৰৰ কথা সোধাত আৰু ইমান পলমকৈ ছাত্ৰীনিৱাসৰ চিট বিচৰাৰ কাৰণ সোধাত মাথোঁ 'ভাগ্যৰ পৰিহাস' বুলি ক'লে। ইয়াতকৈ বেছি কোৱাৰ ইচ্ছা নকৰাৰ বাবে অলকাই বেছি সোধাৰ সাহস নকৰিলে। মাথোঁ অনুভৱ কৰিলে যে, এইখন হৃদয়ত বহুতো অব্যক্ত-বেদনা খূপ খাই আছে; যিবোৰ এদিন নিজেই কবলৈ বাধ্য হ'ব।

ছাত্ৰীনিৱাসৰ সেইদিনা আছিল বিজয়া দশমী তিথি। সকলো ছাত্ৰী ওলাই গৈছিল দুৰ্গাদেৱীক ব্ৰহ্মপুত্ৰৰ বিশাল বক্ষত বিসৰ্জন দিয়া চাবলৈ। অলকাই যাবৰ কাৰণে ইচ্ছা কৰি অনুৰাধাক অনুৰোধ কৰিছিল। কিন্তু অনুৰাধাই কোনোমতে যাবলৈ প্ৰস্তুত নহ'ল। বহু চেষ্টা কৰিও অনুৰাধাক নিব নোৱাৰাৰ বাবে অলকাই সেই ইচ্ছা ত্যাগ কৰিলে। অন্তৰখনত অভিমানেৰে ভৰি পৰিল। দূৰত ৰৈ ৰৈ বাজিছিল মাইকৰ মাত। মাইকত জনসমাগমৰ বাবে সাৱধানতা অৱলম্বনৰ বাবে ৰাইজক জনাইছিল। অলকাই বন্ধুৰ ওপৰত অভিমান কৰি খিৰিকীয়েদি চাই ৰৈছিল। ৰাস্তাৰ জনসমাগম আৰু বিসৰ্জন দিবলৈ নিয়া প্ৰতিমাক। অলকাক ৰাস্তাৰ ফালে চাই থকা দেখি অনুৰাধায়ো সেই ফালে চাই উচুপি উঠিছিল আৰু পিচত সজোৰে কান্দি দিছিল। কান্দি কান্দি অলকালৈ চাইছিল। অলকাৰ চকুত পানী দেখি অনুৰাধা ৰৈ গৈছিল। অশ্ৰু সম্বৰণ কৰিবৰ বাবে বৃথা চেষ্টা কৰিছিল। এসময়ত কান্দিব এৰি অলকাক কৈছিল নিজৰ জীৱনৰ বিষয়ে, এৰি অহা অতীতটোৰ

বিষয়ে।

অনুৰাধাই অলকাৰ চকুলো মোহাৰি দি কৈছিল —"অলকা, তুমি কান্দিবা বুলি মই জানো। মই নোযোৱাৰ বাবে তুমি অভিমান কৰিবা বুলিও জানে। তথাপি মই যে নিৰুপায়। মোৰ অতীতটোৰ বিষয়ে জানিলেহে তুমি মোৰ মনৰ কথা বুজিবা। মোক বুজিবৰ বাবে বৰ সহজ নহয়, জানা! তুমি যিবিলাক কথা ইমানদিনে ৰহস্য বুলি ভাবিছিলা, যিবিলাক কথা মই নোকোৱাৰ বাবে তুমি অভিমান কৰিছিলা সেই সকলো কথা আজি তোমাক কম। তুমি কিন্তু ভুল নুবুজিবা। এৰি অহা অতীতটোৰ বিষয়ে মোৰ ভাবিবলৈ ভয় লাগে। মা-দেউতাৰ একমাত্ৰ সন্তান আছিলো মই। দুয়োৰে প্ৰাণভৰা মৰম পাইছিলোঁ। সৰুৰে পৰা পঢ়া-শুনা, গান-বাজনাত মোৰ বৰ ৰাপ আছিল। এদিন স্থানীয় নাট্য-মন্দিৰত গান গাই শ্ৰোতাৰ পৰা বেছ প্ৰশংসা পাইছিলো। বহুতৰ পৰা শুভেচ্ছাও পাইছিলো। সেই সূত্ৰতে চিনাকি হয় ডাঃ অনুপম দুৱৰাৰ লগত। প্ৰথম দৃষ্টিতে সুদৰ্শন, সুগায়ক, টেবুল টেনিছ চেম্পিয়ন অনুপমক মোৰ ভাল লাগি গৈছিল। পৰিচয় হৈছিল মা-দেউতাৰৰ লগত। অনুপমক পছন্দ কৰিছিল মা-দেউতাই। প্ৰস্তাৱ দিছিল অনুপমৰ ঘৰৰ পৰাই। উপযুক্ত জোঁৱাই পাব বুলি মা-দেউতাই আনন্দ মনেৰে সন্মতি জনাইছিল। বিয়াৰ দিন ঠিক হৈছিল। কিন্তু ভগৱানে মনে-খন্দা পুখুৰীত পানী খাবলৈ নিদিলে। যোৱা বছৰ দুৰ্গাপূজা চাবলৈ তিনিচুকীয়ালৈ গৈছিলো অনুপমৰ লগত আমাৰ ঘৰৰ পৰাই বগা ফিয়েট খনত উঠি। গাড়ীৰ ষ্টিয়েৰিং ধৰিছিল অনুপমে নিজে। কিন্তু হঠাতে এখন ট্ৰাকৰ লগত সংঘৰ্ষ হোৱাৰ ফলত আমাৰ গাড়ীখন খালত পৰিলগৈ। আমি গাড়ীৰপৰা ওলাবই নোৱাৰিলো। বিয়াৰ গাড়ীৰ গ্লাছ ভাঙি অনুপমৰ ডিঙিত লাগিছিল। ষ্টিয়েৰিং ডালত জোৰেৰে বুকুখন খুন্দা খাইছিল। লগে লগেই অনুপমে মোৰ সন্মুখতে তেজেৰে ৰাঙলী হৈ নিশ্বাস এৰিলে। মই অজ্ঞান হৈ পৰিছিলো তাৰ বহু আগতেই। কেইবাদিনৰ অন্তত জ্ঞান পাই গুৱাহাটী মেডিকেল হস্পিতেলৰ শুভ্ৰ বিছনাখনৰ ওপৰত নিজকে দেখি কিন্তু লগে লগেই অজ্ঞান হৈ পৰিলো। মা-দেউতাই মোৰ এনে অৱস্থা দেখি একেবাৰে অসহায় হৈ পৰিছিল। একমাত্ৰ মৰমৰ সন্তান, মোৰ এনে ভয়াবহ অৱস্থা দেখি মানসিক জ্ঞান লোপ পালে। বৰ্তমান তেওঁলোক দুয়ো তেজপুৰত আছে।

পুনৰ যে ভাল হৈ মোৰ কাষলৈ ঘূৰি আহিব তাৰ কোনো আশা নাই। মই মাথোঁ বাচি আছো এনেদৰে। জানা অলকা মামাহঁতে জোৰ কৰি মোক ইয়ালৈ পঢ়িবলৈ পঠাই দিছে। লগৰ ছোৱালীৰ লগত থাকিলে মনৰ দুচিন্তাবোৰ দূৰ হ'ব বুলি ভাবিয়েই তেওঁলোকে মোক ইয়ালৈ পঠালে। মই কিমান দুখ সহ্য কৰি আছো তাক কোনে জানে? মোৰ যে ধৈৰ্য নাই। ইমানবোৰ মানসিক সংঘাত পায়ো কোনোবাই জানো পঢ়িব পাৰে? শৰতৰ আগমন হোৱাৰ লগে লগেই মোৰ মনটো কিবা হৈ উঠে। জীয়াই থকাৰ ইচ্ছা নোহোৱা হয়। কিন্তু আত্মহত্যাও কৰিব নোৱাৰো। নিজৰ বিবেকে বাধা দিয়ে। সেয়েহে মই মৰি মৰিও জীয়াই আছো। একমাত্ৰ বিবেকৰ বিৰুদ্ধে যুঁজিবলৈ!

এতিয়া কোৱা মই কোনস'তে পূজাৰ প্ৰতিমাক বিসৰ্জন দিয়া চাবলৈ যাওঁ। তুমি মোক বেয়া পোৱা নাইতো। আজিকালি মোৰ জোনাকবোৰতকৈ এন্ধাৰবোৰ ভাল লাগে। ভয় লাগে পোহৰলৈ। মানুহৰ সমাগম বেছি সহ্য কৰিব নোৱাৰো। কান্দি কান্দি মোৰ চকুলো শুকাই গৈছে। হেঁপাহ পলুৱাই কান্দিবও নোৱাৰো। তুমি নাকান্দিবা অলকা। 'এইয়া ভাগ্যৰ পৰিহাস' বুলি কৈ অনুৰাধাই অলকাৰ চুলিখিনিত হাত বুলাই মৰম কৰিব ধৰিলে। অনুৰাধাৰ মৰম পাই অলকাৰ সকলো অভিমান নাইকিয়া হৈ গ'ল। সেয়ে তাই 'ভাগ্যৰ পৰিহাস' বুলি চিঞৰি অনুৰাধাক সাবটি ধৰিলে।

—::::—

# বসন্ত তুমি ক্ৰন্দসীত

অণিমা বৰকাকতি

সময় আবেলি পিক্‌বঙা পশ্চিমৰ বেলি অস্তপ্ৰায়। অনামিকাই গভীৰ আলস্যৰে চকীখনত বহি উদাস দৃষ্টিৰে অতীত ৰোমন্থন কৰিছে — কি পালে কি পায় হেৰুৱালে। নোপোৱাৰ বেদনাতকৈ যে পাই হেৰুওৱাৰ বেদনা বেছি বেদনাদায়ক তাকে উপলব্ধি কৰিছে এইদৰে।

— প্ৰবাল পোকে দ্বীপ সাজে, উঁইয়ে উঁই হাফলু সাজে, এই উঁই হাফলু নিশ্চয় প্ৰবাল দ্বীপ নহয়। সেইবুলি জানো তাইৰ সাধনাক উপহাস কৰিব পাৰি।

অনামিকাই সপোন দেখিছিল জীৱন আৰু জোনাকৰ আশা আৰু আহ্বানৰ একুৰি এটা জীৱন বসন্তই চুমি যোৱা আলোলয়িত যৌৱনৰ অপূৰ্ব্ব সমাবোহৰ। দেহ-মন আৰু চঞ্চলতাৰ ফাগুনী পছোৱাত উদ্‌বাউল হৈ নিজে যেন জীৱন বশ্মি হৈ কাৰোবাৰ জীৱন জোৎস্না হৈ জীৱনটো সোণালী কৰিব বিচাৰিছিল। দেহ-সুষমাৰ লাৱণ্যতাই বহুতৰ মন চুই গৈছিল। কিন্তু শেষত বিৰাট শূন্য মন এটা লৈ পৰি আছে মাথোঁ এচাম ব্যক্তিৰ প্ৰতীক হিচাবে। "সংঘাত আৰু উৎকণ্ঠাই থকা-সৰকা নকৰিলে যে জীৱনত প্ৰকৃত সোৱাদ নাপায় তাকে বুজাই গ'ল নৱজ্যোতি বৰুৱাই তেওঁৰ জীৱনৰ মাজেদি।"

মানুহে এবাৰ ভুল কৰে, মই কিন্তু দুবাৰ কৰিলো। ঠিক কৰিলো নে নাই নাজানো। তথাপি সমাজে কয় মই জানি- শুনি ইয়াকে কৰিলোঁ। মানে কৰিব নালাগিছিল। তথাপি উপায় নাই। মই নিৰুপায়। তাৰ বাহিৰে মোৰ কৰিব লগা একোৱেই নাছিল। মোৰ একুৰি চাৰিটা বসন্তই চুই যোৱা মনটোৱে কাৰো বাধা নামানি সেই চৰম মুহূৰ্তটোত উপস্থিত হ'ল। চুৰকৈ নহয় দেখাদেখিকৈ।

মই কাৰো আগত লুক-ঢাক কৰিবলৈ নাই। সমাজ নামৰ এই নাটঘৰৰ পৰা ভুৱা এচাম মানুহৰ মুখা খুলিবৰ হ'ল। সেয়ে মই প্ৰতিবাদ কৰিছিলোঁ। প্ৰতিবাদ মই কেৱল মোৰ কাৰণেই যে কৰিছিলোঁ এনে নহয়। মোৰ দৰে সমাজৰ এচাম ডেকাৰ মুক্তিৰ কাৰণেই মই তেনে কৰিলোঁ। হয়তো ভাল কৰিলো নে বেয়া কৰিলোঁ ভাবি চাবৰ সময় নাই। মুঠৰ ওপৰত মই মোৰ বিবেকক বিশ্বাস কৰিয়েই

তেনে কৰিলোঁ।

সমাজৰ এচাম তেজসোহা জোকৰ মুখত চূণ দিবৰ বাবেই মই বিবেকৰ বিৰুদ্ধে যুঁজিলোঁ। মই এতিয়াহে ভাবিছো ভুল কাৰ হ'ল — মোৰ নে সমাজৰ? নে মোৰ উতনুৱা মনটোৰ?

মই মোৰ মনৰ এলবামৰ পাত লুটিয়ালো। দিন, মাহ, বছৰ বাগৰি গ'ল — সেয়া যে অতীত। অতীতবোৰ অতীত হৈয়ে ৰ'ল। মোৰ স্মৃতিৰ এলবামৰ পাতৰ পৰা হেৰোৱা ছবিৰ টুকুৰাবোৰ মচিব খুজিও নৈ যাওঁ। সময়ৰ দীঘলী বাটত তাঁত বাটি কৰোঁতে কেনা লাগি গ'ল মই কব নোৱাৰাকৈয়ে।

সৰুৰে পৰা পঢ়াত ভাল আছিলোঁ। আৰ্থিক অৱস্থা সিমান ভাল নাছিল। তথাপি আমি যে দুখীয়া সেই কথা উপলব্ধি কৰিব পৰা নাছিলো। মোৰ খুব সৰুতে হেনো দেউতা ঢুকাইছে। মই পিচে নাজানো। মোৰ মনত নাই। মই চোকা বাবেই হওঁক বা পিতৃহীনা বাবেই হওঁক সমাজৰ কেইজনমান ব্যক্তিয়ে খুব মৰম কৰিছিল। মোৰ কলেজলৈ যাওঁতে পলম হ'ব পাৰে বুলি এজন ব্যক্তিয়ে মোক এখন চাইকেল দিছিল। মই উপহাৰ হিচাবে সেইখন লৈছিলোঁ। কিন্তু ভবা নাছিলো সেইজন ব্যক্তিয়েই মোৰ জীৱনটো শেষ কৰি দিব বুলি।

মোৰ মৰমৰ মাজত মই পাহৰি আছিলো সকলোবোৰ অভাৱ। তথাপি ডাঙৰ হৈ অহাৰ লগে লগে সেই অভাৱ অনুভৱ কৰিবলৈ ধৰিলোঁ। মোন মনটোৱে বাৰে বাৰে বিচাৰিছিল এখন পূৰ্ণাঙ্গ ঘৰ। য'ত মই মোৰ মা-দেউতা আৰু একমাত্ৰ পঙ্গু বাইদেউজনীৰ হাঁহিৰে তোলপাৰ লগাই থকা এখন ঘৰ। ভবা কথা ভবা হৈয়ে ৰ'ল। বিচৰাটো মই কোনো দিনে নাপালোঁ। এয়া কাৰ দোষ নাজানো। মোৰ জন্ম নে ভাগ্য? হয়তো দুয়োটা। এদিন মই মাকো হেৰুৱালো। মোৰ মনৰ মাজৰ পৰা মাৰ ছবিখন বাৰে বাৰে মচিব খুজিও নোৱাৰিলো। মাৰ মৃত্যুত মই শূণ্য দেখিলোঁ। মোৰ মনৰ ফ্ৰেমত বান্ধি ৰখা মাৰ মাথোন এখন মুখেই ভুমুকি মাৰিলে। এখন সহজ সৰল মুখ। মাৰ মৃত্যুৱে কঢ়িয়াই আনিলে দুঃখসহ বেদনাৰ বোমা। মই অকলশৰীয়া। মোৰ পঙ্গু বাইদেউজনীয়ে মাতিব পাৰিও নমতা হ'ল। হাঁহিব পাৰিও নহঁহা হ'ল। নিৰৱ-নিথৰ পাথৰৰ দৰে মোৰ জীৱনৰ একমাত্ৰ অভিভাৱক হৈ পৰি ৰ'ল বিছনাখনত।

মই মাত্র প্ৰতীক হিচাবে থিয় দি ৰলোঁ। এই দুখৰ দোমোজাত। একমাত্ৰ বাইদেউৰ বাবে জীয়াই থাকিব লাগিব জীৱনৰ স'তে সংগ্ৰাম কৰি। আৰম্ভ হ'ল মোৰ অন্য এক জীৱন। যাযাবৰী জীৱনটোৰে দিনৰ পাছত দিন অতিবাহিত কৰিবলৈ ধৰিলে এখন ভগা অন্তৰ লৈ। এদিন সেয়ে হ'ল। এটা চাকৰিৰ বাবে মই হাবাথুৰি খাই ফুৰিলো। বহুতো ঠাইত Interview দিলো। কতজন ব্যক্তিৰ ওচৰ চাপিলো এটি চাকৰিৰ বাবে; তথাপি কাৰো পৰা এবাৰি সঁহাৰি নাপালোঁ। 'মাথোঁন চাব লাগিব', পিছত খবৰ কৰিবা ইত্যাদি মন ভাল লগোৱা কথা। অৱশেষত এটা চাকৰি পালোঁ। প্ৰাইভেট ছেক্ৰেটৰী হিচাবে। চাকৰিটো পাই বেয়া পোৱা নাছিলো। অন্ততঃ বাইদেউৰ কাৰণে কিবা সহায় হ'ব। আমি তেওঁ মানুহ হিচাবে জীয়াই থাকিব পাৰিম। চাকৰিটো মানে অফিচ আৰু ব্যক্তিগত হিচাব-পত্ৰ ৰখা।

চাকৰিটো কৰি মই বেয়া পোৱা নাছিলো। খাটিব লাগে। তথাপি মোৰ কাৰণে পঙ্গু বাইদেউৰ কাৰণে এটা সহায়, এটা দান। গোটেই দিনটো ব্যস্ততাৰ পাছত যেতিয়া ঘৰলৈ গধূৰ মন এটা লৈ উভতি আহো তেতিয়া সদায় মই নীলা ফিয়েট এখনৰ পৰা নামি যোৱা দেখো শান্ত, ধীৰ এখন মুখা খুলি কিবা এটা কোৱাৰ বা চোৱাৰ ইচ্ছা থাকিলেও সাহস নাই। মই এটা সৰু চাকৰিয়ালহে। তথাপি কিয় জানো এনে এটা ছায়াঁছবি ভাল লাগে। মোৰ পঙ্গু বাইদেউৰ কথা মনত পৰে। বাইদেউৰ ইমান ধুনীয়া মুখ। অভাৱত, বেদনা, গধুৰ বোজা কঢ়িয়াই লৈ মাথোঁ বৈ আছে মৃত্যুৰ বাবে। কোনে জানে মনত কিমান বেদনা- কিমান দুখ। দিন, মাহ, বছৰ পাৰ হ'ল — মই নতুন এটা চাকৰি নাপালো। মানে তাৰ পৰা ওলাই আহিব খোজা নাছিলো। মোৰ বি, এ ডিগ্ৰীটোৰে তাতোকৈ_বেছি দৰমহাৰ চাকৰি এটা পালোঁহেঁতেন — "নিবিচাৰিলোঁ। মোৰ সীমিত দৰমহাৰে খাবলৈহে আঁতে মাথোঁন, তাৰ বাহিৰে একো নহয়। সেয়েহে মোক মোৰ গৰাকীয়ে (যিয়ে মোক চাকৰি দিছে) সময়মতে আহিবলৈ এটা ঘড়ী দিছিল। ঘড়ীটো লৈ লাজ আৰু হতাশাত ঘৰলৈ আহি বাইদেউক কলো-মোক এটা ঘড়ী দিয়াৰ কথা। বাইদেউৱে বহু দেৰি মোলৈ চাই ৰ'ল।

মই বাইদেউৰ মুখলৈ চাই ৰ'লো। বাইদেউৱে মাথোঁন এষাৰ কথাই

কলে — মই থকাৰ পৰা তোৰ বহুত অসুবিধা হৈছে, নহয়? তোৰ বাবে মই এট বোজাহে মাথোন আৰু বিশেষ একো কথা নক'লে। মই মোৰ ভুলৰ বাবে অনুতাপ কৰিব লাগে নেকি পাহৰি গ'লো। মোৰ চিন্তাত আউল লাগিল। তথাপি মই একো নক'লো। উপাই নাই। মই মোৰ দৈনন্দিন কামত ব্যস্ত হৈ পৰিলোঁ। বাইদেউৰে ভাত খাবলৈ ইচ্ছা কৰা নাছিল। মই জোৰ কৰি খোৱালো। মোৰ মৰমৰ অত্যাচাৰত বাইদেউৰ দাবী নাখাটে, মই জানো। বাইদেউ নথকা হ'লে মোৰটো আহিবলৈ ঘৰ এখনেই নাই।

মানুহৰ মন সদায় একেদৰেই নাথাকে। ধৈৰ্য্যৰ বান্ধ খুলি যায়। বাইদেউৰো তেনেই হ'ল। মাজৰাতি বাইদেউৰে আত্মহত্যা কৰিলে মাথোঁন সাক্ষীৰূপে ৰাখি গ'ল এটা ডায়েৰী। য'ত লিখা আছে মোৰ, মাৰ আৰু দেউতাৰ মৃত্যুৰ কাৰণ। বাইদেউ পঙ্গু হোৱাৰ কাৰণ। হাতৰ মুঠিত কেনেকৈ দেউতা হেৰাই গ'ল। বাইদেউ দুৰ্ঘটনাত পঙ্গু হ'ল আৰু তাৰে সাক্ষীৰূপে থিয় দিলোঁ মই পিতৃ পৰিচয়হীনভাৱে। মাৰ মৃত্যু যে ইচ্ছাকৃত, মই ভবা নাছিলো। বাইদেউ হয়তো সেয়ে বোবা হ'ল। ডায়েৰীৰ পাত লুটিয়াই দেখিলে। বাইদেউৰে লিখিছে — "সিতো নাজানে তাৰ পিতৃ কোন? মইতো কোনো দিন কব নোৱাৰোঁ, মাইয়ে ভুল কৰিলে বুলি। মই কোনটো সতেৰে কওঁ চৌধুৰীয়ে সেয়েহে নিজৰ ঘৰতে চাকৰি দি চাইকেল আৰু ঘড়ী দিছে। মই কেনেকৈ কওঁ তই দি দে এইবোৰ, চাকৰি এৰিদে— মই নোৱাৰোঁ আৰু নোৱাৰোঁ বাবেই মই আত্মহত্যা কৰিবলৈ লৈছোঁ।"

মোৰ মূৰৰ ওপৰত পৃথিৱীখন ঘূৰিবলৈ ধৰিলে। মই মোৰ নিজৰ স্থিতিকেই পাহৰি গলোঁ। হাতৰ ঘড়ীটো আৰু চাইকেলখন লৈ ওলাই গলো। বাইদেউৰ ওলমি থকা শটোৰ ফালে এবাৰ চাই গলো। মোৰ ডায়েৰীখন আৰু বাইদেউৰ ডায়েৰীখন জেপত ভৰাই ললোঁ। কব নোৱাৰোঁ মই সুস্থ নে অসুস্থ?

চৌধুৰীৰ বঙলাৰ সন্মুখত থিয় দি মই সকলো পাহৰি পোনে পোনে সোমাই গৈ হাতৰ পৰা ঘড়ীটো সোলোকাই চাইকেলখন দি উদাস ভাৱ পৰিহাৰ কৰি জীৱনত এটা ডাঙৰ কাম কৰি শেষ কৰাৰ দৰে ওলাই আহিলোঁ। নাজানো ক'লৈ যাম — ঘৰলৈ? ঘৰ যে শূণ্য —

অস্থিৰ খোজেৰে ওলাই আহি চৌধুৰীৰ বঙলাৰ পৰা সন্মুখৰ ৰাস্তাত চলি থকা ডিজেল এখনৰ লগত মুন্দা মাৰি জীৱনটো শেষ কৰি দিলে নৱজোতি বৰুৱাই।

হাস্পাতালৰ ২২ নম্বৰ বিছনাখনত মাথোঁন শুৱাই দিয়াৰ লগে লগে শেষ নিশ্বাস ত্যাগ কৰিলে। এটা জীৱনৰ পৰিসমাপ্তি হ'ল। সেই নীলা ফিয়েটখনৰ পৰা সদায় নামি যাওঁতে চাই থোৱা অনামিকা চৌধুৰীয়ে নিজেই ডাক্তৰনী হৈয়ো বচাব নোৱাৰিলে। জেপৰ ডায়েৰী দুখনে মাথোঁ চিনাকি দিলে নৱজ্যোতি বৰুৱা কোন—?

—ঃঃঃঃ—

# ছন্দ পতন

শ্ৰীঅঞ্জুলীমা বৰুৱা

মই কেতিয়াৰ পৰা কবিতা লিখা আৰম্ভ কৰিছিলো সেয়া মোৰ মনত নাই। কোনে জানো কৈছিল, কবিতা লিখিবলৈ বোলে প্ৰেৰণাৰ প্ৰয়োজন। মোক কোনে প্ৰেৰণা যোগাইছিল সেয়া পাহৰিলোঁ; কিন্তু মোৰ মনত আছে সপ্তমমানত থাকোঁতে প্ৰকাশ হোৱা মোৰ প্ৰথম কবিতাটো যেতিয়া ঘৰত দেখুৱাইছিলোঁ তেতিয়া বাইদেউহঁতে হাঁহিছিল, মায়ে হুমুনিয়াহ কাঢ়িছিল আৰু দেউতাই কৈছিল 'আই অ', এইবোৰ আমাৰ কাৰণে নহয়, সেইবিলাকত লাগি পঢ়া ক্ষতি নকৰিবি। তোৰ ওপৰতহে আমাৰ আশা।

ময়ো বুজিছিলোঁ সৰুৰে পৰাই মোৰ ওপৰত বহুতেই আশা আছে। এল. পি. বৃত্তি মই পাইছিলোঁ; কিন্তু পৰীক্ষা ভাল হোৱা সত্ত্বেও দহোটা প্ৰাণীৰ উৎসুকতাপূৰ্ণ আশাক মাটিৰ লগত মিলাই মই এম্, ই, বৃত্তি পোৱা নাছিলোঁ। ঘৰখনৰ আশাভঙ্গৰ বেদনা মই উপলব্ধি কৰিব পাৰিছিলোঁ। সঁচাকৈ বৃত্তিটো মোৰ, আমাৰ পৰিয়ালটোৰ কাৰণে বৰ প্ৰয়োজন আছিল। অন্তত: ইলেভেন ক্লাচলৈকে ফিজটোকে ৰেহাই পালোহেঁতেন।

কোনোবা আপোন মানুহ অথবা ওচৰ চুবুৰীয়াৰ বিয়া হ'লে মায়ে সদায়েই ভাত ৰান্ধি থাকোঁতে কান্দে। সেয়া মোৰ বাবে চিৰ পৰিচিত দৃশ্য হৈ পৰিছিল। বহুদিনৰ পিছত বুজিব পাৰিছিলোঁ মাৰ কান্দোনৰ উৎস। তিনিজনীকৈ অৰ্দ্ধশিক্ষিতা বাইদেউক বিয়া দিয়াৰ অক্ষমতাই মাক কান্দিবলৈ শিকাইছিল। শিকাইছিল নহয় বাধ্য কৰাইছিল। ডাঙৰ বাইদেউ নীভাই চাৰিবাৰ মেট্ৰিক দিও পাছ কৰিব নোৱাৰি ঘৰতে বন্দী হৈ পৰিছিল। মাজু বাইদেউ ৰীতাই মেট্ৰিক পাছ কৰি প্ৰি-ইউনিভাৰ্চিটিৰ দেওনাখন পাৰ হ'ব নোৱাৰিলে। অলপ দিন টাইপ শিকিছিল; কিন্তু কিয় জানো আধাতে এৰি দিলে তাই। চাকৰি বিচাৰি বহুদিন ঘূৰি শেষত ভাগৰি পৰিল। এতিয়া বন্দীঘৰৰ চাৰিবেৰৰ মাজত। আৰু সৰু বাইদেউ শিখা? তাইৰ জীৱনৰ ওপৰেদি বাগৰি যোৱা বসন্তকেইটা লুকাই লুকাইহে অনুভৱ কৰিছে। তথাপি অৱশ্যে তাই নীভাহঁতৰ দৰে হাঁহিবলৈ পাহৰা নাই। হুমুনিয়াহ

কাঢ়িবলৈ শিকা নাই। জন্মৰপৰা আঁকৰি শিখাবাই এতিয়াও সাত বছৰীয়া সৰু ভনীটি নিশাৰ লগত দৰা-কইনা খেলে, ধূলি লৈ ভাত-ডাইল ৰান্ধে।

এনেকুৱা এটা পৰিবেশৰ মাজতে ডাঙৰ হৈছিলোঁ মই। বয়সতকৈ বহু বেছি কথা জানি বেছি অভিজ্ঞতা গোটাই নিজে নজনাকৈয়ে মই নীভাবাহঁতৰ দৰে গহীন হৈ পৰিছিলোঁ। হাঁহিবলৈকে শিকা নাছিলোঁ। হয়তো মাৰ মুখত সকলো সময়তে হাঁহিৰ পৰিৱৰ্তে লাগি থকা বেদনাখিনিয়ে নীভাবাহঁতৰ বয়সৰ ছোৱালীয়ে হাঁহি আৰু ৰঙৰ মাজত নিজকে বিলোৱাৰ সময়ত নীভাবাহঁতে কঢ়া হুমুনিয়াই মোক হাঁহিবলৈ দিয়া নাছিল। স্কুলত মই কোনো ছোৱালীৰ সৈতে বেছিকৈ মিলামিছা কৰিব পৰা নাছিলোঁ। নিতান্তই নাপাতিলেই নহয় বাবে একে বেঞ্চত বহা ৰূপাহঁতৰ সৈতে দুই-এটা কথাৰ বিনিময় কৰিছিলোঁ মাত্ৰ। লগৰ ছোৱালীবোৰে যেতিয়া হাঁহে সিহঁতে বাৰু পাহাৰী নিজৰাৰ দৰে উজ্জ্বল গতিৰে হাঁহিবলৈ ক'ত শিকিলে? ঘৰত যেতিয়া ভনীটি জিতা, জোনা, নিশা আৰু ভাইটি ৰুণে খেলিবলৈ মাতে বাধ্য হৈ সিহঁতৰ কাষতে বহি চাই থাকোঁ নিৰৱে। সিহঁতৰ লগতে খেলি থকা মোতকৈ চাৰিবছৰে ডাঙৰ শিখাবাক দেখি মই প্ৰস্তৰ মূৰ্ত্তিৰ দৰে বৈ যাওঁ, জিতাহঁতে মোক খং কৰে মনে মনে বহি থকাৰ কাৰণে। বেছি সময় ৰ'ব নোৱাৰোঁ সিহঁতৰ কাষত পঢ়া টেবুললৈ গুচি আহোঁ।

স্কুলৰ সময়খিনিৰ বাহিৰে বাকী প্ৰায় দিনটোৱেই মই পঢ়া টেবুলত বহি থাকো। দেওবাৰে বা অন্য বন্ধ দিনত কথাই নাই। মোৰ যাৱতীয় কামবোৰ কৰে ৰীতা বাইদেৱে। টেবুলৰ কাষত তেনেদৰে ঘণ্টাৰ পিচত ঘণ্টা বহি থাকিলে কোনেও মোক একো নকয়। আমনিও নকৰে। বৰং টেবুলতে নীভা বাইদেৱে দি যায় চাহ-জলপান। সকলোৱে ভাবে মই খুউব পঢ়িছো। কাৰণ কোনেও নক'লেও মই জানো। দেউতাকে আদি কৰি ভনীটি নিশালৈকে সকলোৱে জানে ৰেখা খুব চোকা, ক্লাছৰ প্ৰথম ছোৱালী। মোৰ ওপৰত সেয়েহে গোটেই ঘৰখনৰ আশা। দেউতাই প্ৰায়ে কয় "প্ৰভিডেণ্ট-ফাণ্ডৰ টকাকেইটাৰে মই তোক মেডিকেল পঢ়ামেই। ঘৰৰ বাকীকেইটা প্ৰাণীয়ে পেটত গামোচা মাৰিব লগা হ'লেও হ'ব।" দেউতাৰ কথাষাৰ মায়ে বুজে, সেয়েহে দিনটো টেবুলৰ কাষত বহি থাকো। অৱশ্যে প্ৰায় সদায়েই ৰীতাবাহঁতৰ এখন চাদৰৰ কাৰণে লগা কাজিয়া, মাৰ

গালি, পিৰালিত বহি থকা শিখাবা আৰু ভোকত অতিষ্ঠ হৈ কান্দোনত গছৰ পাত সৰোৱা জিতাহঁতক অফিচৰপৰা আহিয়েই মাৰি মাৰি শান্ত কৰা দেউতাক লক্ষ্য কৰি মই নীৰৱে চাই থাকোঁ। সন্মুখত থাকে মেলা কিতাপ। পঢ়াত মন বঢ়াব নোৱাৰোঁ যদিও বহিয়েই থাকোঁ টেবুলৰ ওচৰত।

এদিন মোৰ মন গ'ল কবিতা লিখিবলৈ। তেতিয়া মই আছিলোঁ সপ্তমমানত। লাহে লাহে কবিতা লিখাত মোৰ নিচা বাঢ়ি গ'ল। কিতাপ পঢ়াৰ দৰে নিৰ্জনতাত মই কবিতা লিখিবপৰা নাছিলো। মা-দেউতা, ৰীতাবাহঁতৰ চিঞৰ, জিতা আৰু জোনাৰ কাজিয়া, নিশা আৰু ৰুণৰ কান্দোন মিলি যেতিয়া প্লেটফৰ্মৰ হুলস্থূলৰ সৃষ্টি কৰিছিল, তেতিয়াহে মই কবিতা লিখিব পাৰিছিলোঁ। বিভিন্ন বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ হোৱা মোৰ কবিতাবোৰ পঢ়ি বিভিন্ন ঠাইৰ বহুতো ল'ৰা- ছোৱালীয়ে মোৰ সৈতে বন্ধু পাতিব খুজি মোলৈ চিঠি দিছিল। চিঠিবোৰ পাই মই ভাৱিছিলো বাস্তৱ জীৱনত যি কাৰোবাৰ সৈতে প্ৰাণখুলি এষাৰ কথা পাতিব নোৱাৰে, এবাৰ হাঁহিব নোৱাৰে, সি আকৌ চিঠিৰে বন্ধু পাতিব? সেয়ে মই কালৈকো চিঠিৰ উত্তৰ দিয়া নাছিলোঁ।

দিনবোৰ পাৰ হৈ গৈছিল। মোৰ বাবে সেই দিনবোৰ আছিল "আহে দিন, যায় দিন, বৈচিত্ৰ্যবিহীন।" আমাৰ ঘৰখনো চলি আছিল গতানুগতিকতাৰে, মোৰ কান্দোন আৰু অনুৰোধত মামাইতে নীভাবাৰ কাৰণে দৰা এজন পঠাইছিল। দৰাজন সৰুমামাৰ লগত আমাৰ ঘৰলৈ আহিছিল। ছোৱালী চাই গৈ হেনো কৈছিল "ছোৱালীজনী ধুনীয়া হ'ল কি হ'ল, ইমান দুখীয়া। তাতে তলত সাতোটা ল'ৰা-ছোৱালী থকা মানুহৰ ছোৱালী আজিৰ দিনত বিয়া কৰিব নোৱাৰি।" সৰুমামাই দিয়া চিঠিখন পঢ়ি মায়ে কান্দিছিল। দেউতাই বাৰাণ্ডাত বহি জীৱনত কিজানি প্ৰথমবাৰৰ বাবে অনুতাপ কৰিছিল। মই কিন্তু হাঁহিছিলো। আজিকালি বিয়াৰ বজাৰত তেনেহ'লে হৃদয়তকৈ ধন, আভিজাত্য আদিৰ বেছি মূল্য দিয়া হয়।

নীভাবাৰ বিয়াৰ কথাও সিমানতে সামৰণি পৰিছিল। হা-হুতাশ; নিৰাশা, হুমুনিয়াহ, কান্দোন আৰু বিষাদৰে পৰিপূৰ্ণ হৈ পৰিছিল আমাৰ ঘৰখন। মোৰ লগৰ লোপা, মুদ্ৰা, মৌচুমীহঁতৰ হৃদয় যেতিয়া নাম নোহোৱা অনুভূতি কিছুমানেৰে ভৰি পৰিছিল, সিহঁতৰ মনৰ চকুৱে যেতিয়া চৌপাশৰ পৃথিৱীখনক ৰঙ আৰু

হাঁহিৰ স্ফুৰণ যেন দেখিছিল, তেতিয়া মই ব্যস্ত আছিলোঁ লাইব্ৰেৰীৰপৰা অনা গধূৰ চিন্তামূলক বিশেষকৈ দৰ্শনৰ কিতাপবিলাকলৈ। পঢ়া কিতাপত মন বহুওৱাব পৰা মই নাছিলো। নিতান্ত নহয় বাবেহে মেলি লৈছিলো পঢ়াৰ কিতাপ। ডাক্তৰ হোৱাৰ উৎসাহো মোৰ হেৰাই গৈছিল। ঘৰৰ সকলোৰে একমাত্ৰ আশাপূৰণ কৰি সিহঁতক এসাজ লঘোণ দিয়াই ডাক্তৰ জানিবা হ'লোৱেই, তাৰ পিছত মই কৰিম কি? মোৰ জীৱনটো - জীৱনটো দেখোন সিমানতে ৰুদ্ধ হৈ ৰ'ব। মোৰ হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ দিনবোৰ আগুৱাই আহিছিল। টেষ্টত সিমান ভাল কৰিব পৰা নাছিলোঁ। পঢ়া কিতাপত ইণ্টাৰেষ্ট হেৰুওৱাই পেলাইছিলোঁ যদিও মাজে মাজে মোৰফালে আগবাঢ়ি আহিছিল জিতা, জোনা, নিশা আৰু ৰুণৰ মুখকেইখন। মই যে সিহঁতৰ বাবেই কিবা এটা কৰিব লাগিব। সিহঁতৰ ভৱিষ্যত গঢ়াৰ দায়িত্ব, জীৱনৰ সৈতে পৰিচয় কৰি দিয়াৰ দায়িত্ব যে মোৰ ওপৰতেই, কেতিয়াবা পঢ়া টেবুলত মূৰ থৈ মনটো ভাৱৰাজ্যত বিচৰণ কৰি ফুৰোঁতে হঠাতে মা- দেউতাৰ মুখ দুখনে বাৰে বাৰে আমনি কৰি যায়হি মোক। তেতিয়া কিন্তু মই পুনৰ উদ্যমৰে মেলি লওঁ আটাইতকৈ টান পোৱা বিষয় ফিজিক্সৰ কিতাপখন, যিখন কিতাপ মই এমাহৰ মূৰত কাচিৎতহে এবাৰ মেলো। জোৰকৈ নিজৰ অস্তিত্বক নিঃশেষ কৰি দিওঁ ফিজিক্সৰ কেলকুলেছনবিলাকৰ মাজত। কাৰণ মা-দেউতাক নীভাবাহঁতে যি দিব নোৱাৰিলে সেয়া যে মই দিবই লাগিব। মা-দেউতাৰ অক্ষমতাৰ বেদনা যে মই গুচাবই লাগিব।

পৰীক্ষা মোৰ হৈ গ'ল। ফিজিক্স বেয়া হ'ল যদিও ভাবিছিলোঁ পাছ মাৰ্কটো ৰাখিব পাৰিম। বাকীবিলাক বিষয় বেচ ভাল হৈছিল। প্ৰথম বিভাগৰ কাৰণে মই নিচিন্ত হৈ আছিলো। এদিন মিলাই মই ফেইল কৰাৰ বাৰ্তা আমাৰ ঘৰখনলৈ কঢ়িয়াই আনিলে। বজ্ৰপাতৰ বিভীষিকা অফিচৰ পৰা আহিয়েই জিতাহঁতৰ মুখে কথাটো গম পাই দেউতাই হিতাহিত জ্ঞান শূন্য হৈ হাততে পোৱা ফলাখৰিডালেৰে মোক উধাই-মুধাই কোবাইছিল। কবিতা লিখি পঢ়ালৈ পিঠি দিয়া বুলি মায়েও দেউতাৰ লগতে তাল মিলাইছিল। দেউতাৰ হাতৰপৰা মোক এৰুৱাবলৈ কোনো অহা নাছিল। ফলাখৰিৰ কোব খায়ো মই এটা শব্দও উচ্চাৰণ কৰা নাছিলো। মাত্ৰ এটা সময়ত মই চাৰিওফালে দেখা আন্ধাৰতে নিজকে

হেৰুওৱাই দিলোঁ।

দুটা দিন পাৰ হৈ গ'ল। শ্মশানৰ নীৰৱতাই গ্ৰাস কৰি পেলাইছিল আমাৰ ঘৰখন। ভাইটি ৰুণ পয্যন্ত সকলোৱে মৌন হৈ পৰিছিল। নিস্তব্ধতাৰে ভৰি পৰিছিল মোৰ মনটো। ঘৰৰ এটা প্ৰাণীক যেন জীৱন্তে হত্যা কৰিছিলোঁ মই। আঁৰ চকুৰে চাই মই দেখিছিলোঁ স্কুলৰপৰা কাৰোবাৰ হাতত মোৰ মাৰ্ক লিষ্টখন শিক্ষাগুৰু এজনে পঠাই দিছিল। ৰীতাবাই দলিমাৰি দি যোৱা মাৰ্ক লিষ্টখন পাই মই কান্দিব পৰা নাছিলো। বহুতপৰ মৌন হৈ এসময়ত টুকুৰা-টুকুৰকৈ ফালি পেলাইছিলো মাৰ্ক লিষ্টখন। প্ৰথম বিভাগতকৈ বহুত বেছি হৈ যোৱা মোৰ মুঠ নম্বৰখিনি আৰু ফিজিক্সত কটা চিন দিয়া নম্বৰটোৱে বাৰে বাৰে মোক চকুলৈ আহি যেন মোৰ আদৰ্শক, মোৰ স্বপ্নক উপলুঙা কৰিছিল। মই হাঁহিছিলো। আমাৰ নিচিনা মানুহৰ জীৱনত নিজৰ মুৰ্খামিৰ কাৰণে প্ৰাপ্যখিনিও হেৰুওৱাৰ লগীয়া বেদনাত মই হাঁহিছিলোঁ। এয়া আছিল মোৰ পৰাজয়ৰ হাঁহি। কল্পনা লৈ জীয়াই থকাটো আমাৰ নিচিনা মানুহলৈ সঁচাকৈয়ে পুতৌজনক। ভাবিছিলো গোটেই জীৱনটো কিতাপ লৈয়ে ব্যস্ত থাকিম।

কিতাপ পঢ়ি পঢ়িয়েই পাৰ কৰি দিম মোৰ জীৱনটো। পিছে বাস্তৱত সকলোবোৰ খেলিমেলি লাগি গ'ল। জীৱনৰ সৈতে ভালদৰে বুজা-পৰা হোৱাৰ আগতেই মই শোচনীয়ভাৱে পৰাজিত হৈ গ'লো। শিখাবাৰ দৰে মোৰ জীৱনটোও ভৰি পৰিল শূন্যভাৱে। কেৱল শূন্যতাত মোৰ সত্তা হেৰাই গ'ল — চিৰদিনৰ বাবেই।

□□□

# এক সচাঁ গল্প কাহিনীৰে

কুমাৰী পুৰ্ণিমা কোঁৱৰ

কিছুদিনৰ আগতে ভাবিছিলো গল্প এটা লিখাৰ কথা। ভাৱিছিলোঁ, মানুহৰ মনৰ কথা। মানুহৰ মনবোৰ যে. কিমান বিচিত্ৰ। কিছুমান মানুহে নিজৰ জীৱনৰ হাজাৰ বেদনা হাঁহিমুখে ঢাকি ৰাখি আনন্দ মনেৰে জীৱন কটাই দিব পাৰে। কোনোৱে আকৌ নিজৰ জীৱনত কোনো বিশেষ দুখ নাথাকিলেও আনৰ দুখেৰে নিজক দুখী কৰি এক অকাৰণ বেদনাত ভোগে। কবি, শিল্পী আদি অনুভূতিপ্ৰৱণ মানুহেই সৰ্বসাধাৰণতে এক অহৈতুকী বেদনাৰে নিজৰ জীৱনক ভাৰাক্ৰান্ত কৰি লয়। আনৰ কাৰ্য সমৰ্থন কৰিব নোৱাৰি নিজে মনোকষ্ট ভোগ কৰে। মই কিন্তু কবিও নহওঁ অথবা শিল্পীও নহওঁ। মই চাইক্‌লজিষ্ট ডাঃ অমানিশা চৌধুৰী। মানুহৰ গুহাবাসী মনৰ অটল তলিত থকা সুপ্ত ৰহস্যৰ সন্ধান পাবলৈকে মই অহৰহ চেষ্টা কৰি আহিছো। ভাবিছিলো মোৰ ব্যাখ্যাতে মানুহক মনৰ সংজ্ঞা মই দাঙি ধৰিম। নিৰিবিলি আহৰি সময়ত আজিও অলপ আগলৈকে মনৰ মাজত খেলিমেলি হৈ থকা প্লট গোটাই লৈ সুন্দৰকৈ লিখি পেলোৱাৰ কথাকে ভাবি আছিলোঁ; কিন্তু হঠাতে বাহিৰত বজা কলিংবেলৰ শব্দত তন্ময়তা ভাগি গ'ল। লৰালৰিকৈ বাহিৰলৈ ওলাই গলোঁ। পʼষ্ট মেন (Post Man) জনে বাহিৰৰ টেবুলখনত খাম এটা থৈ ওলাই গৈছে। খামটো তুলি লৈ Sender's-Address চাই হঠাৎ যেন চমকি উঠিলো। এয়া দেখোন ৰাঁচীৰ মেণ্টেল হস্পিটেলৰ পৰা লিখা চিঠি। এয়াতো তৃষ্ণাৰ চিঠি। মোৰ অতি মৰমৰ বান্ধৱী তৃষ্ণা কাকতিৰ, পাছলৈ যাৰ উপাধি হৈছিল চলিহা। সেই তৃষ্ণা চলিহাৰে চিঠি, যিজনী ছোৱালীৰ হৃদয় দাপোণৰ কাৰণ জানিবলৈ আজি অতদিনে মই উৎসুক হৈ আছোঁ। নানান চেষ্টা কৰিও মই কৃতকাৰ্য হোৱা নাছিলো। আৰু আজি হঠাতে অপ্ৰত্যাশিতভাবে এই চিঠি আহিছে মোলৈ ৰাঁচীৰ পৰা। মনটো এহাতে ভাল লাগি গ'ল। অন্যহাতে বিমৰ্ষ, শংকা আৰু বেদনাত হৃদয়ৰ কোনোবা ডোখৰ বিষাই উঠিল। মানুহৰ মনৰ নোকোৱা কথাখিনিৰ সম্ভেদ মোক লাগে। তথাপি নাজানো কিয়, এই সময়ত যিটো সময়ত আজি মই মোৰ মৰমৰ তৃষ্ণাৰ কথা বিশদভাৱে জানি

উঠিম, সেই জীৱন আৰু মনৰ কথা সময়ত মোৰ সমগ্ৰ সত্তা কঁপি উঠিছে। এনে লাগিছে মই যেন ইয়াৰ পিছত কিবা এটা হেৰুৱাই পেলাম। তৃষ্ণাই কোনো ভুল নকৰেতো? জীৱনৰ স্বীকাৰোক্তিত অন্ততঃ তৃষ্ণাই কোনো ভয়লগা সিদ্ধান্ত নলয়তো? চিঠিখন মেলি ল'লো। এখন দীঘলীয়া চিঠি। নীলা চিয়াঁহীৰে লিখা। গোট গোট বৰ মৰমলগা তৃষ্ণাৰ আখৰ। এসময়ত এই ধুনীয়া আখৰৰ বাবে তৃষ্ণাক, সঁচা হিংসাই কৰিছিলো মনে মনে। সেই গোট গোট আখৰেৰেই তৃষ্ণাই লিখিছে। মই পঢ়ি গ'লোঁ —

মৰমৰ অমা,

আজি হঠাৎ তোমালৈকে এই চিঠি লিখিছোঁ। তুমি বৰ্তমান ক'ত আছা নাজানো, কিন্তু আগৰ থকা ঠাইৰ ঠিকনাতে লিখিলোঁ। তুমি নিশ্চয় জানা যে সম্প্ৰতি মই ৰাঁচীৰ মেণ্টেল হস্পিটেলত (Mental Hospital) আছোঁ। মোৰ হিচাপেৰে ইয়ালৈ অহা প্ৰায় ডেৰবছৰেই হ'ল। আজি মোৰ তোমালৈ মনত পৰিছে। মনত পৰিছে অতীতৰ সুষমামণ্ডিত দিনবোৰলৈ। সেই সুন্দৰ দিনবোৰ যে আৰু কাহানিও উভতি নাহে! অমা, মই হোনো পাগলী হৈছিলো। তোমালোকে মোৰ দুৰ্ভগীয়া জীৱনটোৰ বাবে নিশ্চয় হুমুনিয়াহ পেলাইছিলা, যেনেদৰে মোৰ সৌভাগ্য দেখি এদিন আনন্দত উৎফুল্লও হৈছিলা। এৰা, সেইবোৰ দিনত মোক বহুতে চাগে হিংসাও কৰিছিল। আৰু আজি সকলোৰেই কিজানি মোক পুতৌ কৰিছে।

এই চিঠি কিন্তু মই সুস্থ মগজুৰে লিখিছোঁ বিশ্বাস কৰিবা অমা, আজি মোৰ জোনলৈ মনত পৰিছে। তাৰ মৰমলগা মুখখন মোৰ কল্পনাপটত দুলিছে। মৰমলগা মাত কথাবোৰে মোৰ বুকুত খুন্দিয়াইছে। কোনে বাৰু তাৰ তত্ত্বাৱধান লৈছে অমা? মই যে ব্যাকুল হৈ পৰিছোঁ জোনক চাবলৈ।

কিন্তু, কোনে মোক এই অন্ধকাৰ ছেল (cell) টোৰপৰা, এই দুৰ্দান্ত সংগীবোৰৰপৰা উদ্ধাৰ কৰি নিবলৈ আহিব? মই কেতিয়াবা উন্মাদ হৈছিলোনে নাই সন্দেহ ঃ কিন্তু এতিয়া এই কাৰাগাৰৰ পৰা কেনেকৈ উদ্ধাৰ পাওঁ তাকে চিন্তা কৰিছোঁ অহৰহ। মা-দেউতাক হেৰুৱালোঁ। দাদাহঁতৰ মৰম শুকান বালি। সিহঁতে মোক পাহৰিলে অমা। এৰা। কিয়বা মোক মনত পেলাব সিহঁতৰ যে

এখন ধুনীয়া সংসাৰ আছে। ব্যস্ত জীৱন। মোৰ বাবে সিহঁতৰ জীৱন ঠায়েই বা ক'ত?

সৰুৰেপৰা সুন্দৰ সুস্থ — মই ভৰাতকৈ সুস্থ মানুহজনী এদিন বলিয়া হৈ গৈছিলো কিয়? তোমালোকে ভাবিছানে? ইয়াৰ কাৰণ কোনো মনোবৈজ্ঞানিকে উলিয়াব পৰা নাই নোৱাৰেও। তোমালোকে মনোবৈজ্ঞানিকবোৰোতো মানুহহে। মগজুৰে যিমানলৈকে ঢুকি পোৱা, নিজৰ দৃষ্টিৰে যিমান দূৰলৈকে দেখা পোৱা, দহজনৰ লগত আলোচনা কৰি যিমান দুৰলৈকে দৌৱা, সেইখিনিলৈকেহে তোমালোকৰ জ্ঞানৰ দৌৰ ঃ তাৰ পিছৰখিনিত অন্তৰ্হিত কি সত্য আছে একো ক'ব নোৱাৰা। ভুৱা আশ্বাস, শাত্বনাৰে তোমালোকে পৰিস্থিতিৰ গুৰুত্ব লঘু। কৰিবলৈ বিচাৰা মাথোঁন। তথাপি অমা, সৰুৰে পৰাই তুমি মোক নিবিড়ভাৱে জানা, বুজি পোৱা। আজি সেইজনী তৃষ্ণাৰেই জীৱন তোমাৰ মনৰ লেববেটৰাত এটা 'গিনিপিগ্'। তুমি চোৱা, ভাৱা আৰু চোৱা। মই জানো পাগল হৈছিলোঁ সঁচাই?

অমা, জোনলৈ মনত পৰিলে তাৰ ওচৰলৈ যাবলৈ যেনেদৰে ধাউতি হয় তেনেদৰে সৌবীৰলৈ মনত পৰিলে ঘৃণাত মোৰ সৰ্বশৰীৰ কঁপি উঠে। মৰি যাবৰ মন যায়। এৰা, মই মৰি যোৱাটোৰেই সৌবীৰ বাবে বাঞ্ছনীয় আছিল। এদিন এইটো ময়ো ঠিক কৰিছিলো। আজি কিন্তু কৰা নাই। এই ধুনীয়া পৃথিৱীখনৰ মৰম আজি আৰু মই নেওচা দিব নেখোজোঁ। সাপ এডালকো আজি মই কিছুসময়ৰ বাবে যেন ফুল বুলি ভাবিব খোজোঁ।

এম. বি. বি-এছ ডাক্তৰ সৌৰভ চলিহাৰ সৈতে মোৰ বিয়া হৈছিল। সেয়া তুমিও জানা। সঁচাই মই ভাবিছিলোঁ অমা, নিৰ্মল আৰু উদাৰ হৃদয়েৰে মোক অভিভূত কৰি পেলোৱা সুদৰ্শন সৌবীৰ সৈতে মই সুখী হ'ব পাৰিম। সৌবীৰৰ ব্যক্তিত্বৰ মাজত মই দেখা পাইছিলো নৈতিকতাৰ হীৰা-প্ৰৱাল লাৱণ্য। অমা, সৌবীৰ দুচকুত মই মাণিকৰ ৰশ্মি দেখিছিলোঁ। মোৰ দিগন্তভৰা কল্পনাবোৰ আৰু বহুদূৰলৈ যেন প্ৰসাৰিত হৈছিল। কিন্তু অমা, কোনোবাখিনি কিবা এটা ভুল হৈ গ'ল। আমি চকুৰে দেখা পোৱা সকলো বস্তু বা মানুহকেই যেনে দেখোঁ সেইটোৰেই ভাৰ আচল ৰূপ নহয়। তাৰ আঁৰটো এটা ৰূপ থাকে। সেই ৰূপ

কেতিয়া কেনেকৈ, কি পৰিবেশত ফুটি ওলায় তাৰ কোনো নিশ্চয়তা নাই। এই কথা মই বুজিলো। কিন্তু বুজাত মোৰ পলম হৈ গ'ল অমা। বহুত পলম হৈ গ'ল।

পঢ়াশুনাতো মোৰ বেছি দূৰ আগ নাবাঢ়িলেই। প্রি. য়ুনিভাৰছিটি পাছ কৰি আৰু পঢ়াৰ ইচ্ছা আছিল যদিও মনৰ ইচ্ছাবোৰ মনতে দমাই ৰাখিলো। মোৰ প্রথম আৰু প্রধান কথা-সৌবীৰ সুখী হওক; সৌবীৰ মনত কাহানিও কোনো কথাতে বেয়া নাপাওক। সেয়ে তেওঁ বেয়া পায় বুলিয়ে পঢ়াৰ কথা কোনো দিনে নক'লো। সঁচাই এজনী পতিব্রতা নাৰীৰদৰে মই অহৰহ স্বামী সেৱা কৰিছিলো। মোৰ ঐকান্তিক সেৱা-শুশ্রূষাত সৌবীৰ সুখী হৈছিল নে নাই নাজানো, কিন্তু তেওঁৰ মৰমৰপৰা অৱশ্যে কোনোদিনেই বঞ্চিত হোৱা নাছিলোঁ। সৌবীৰৰ মৰমেই আছিল মোৰ শিৰৰ মুকুট। এই মৰম মৌচুম সিঁচি জোনক লৈ আমাৰ কিমান দিগন্তভৰা কল্পনা। জোন জানো ৰবীন্দ্রনাথ হ'ব নোৱাৰিব? অথবা গ্রেগৰিণ হ'ব নোৱাৰিব? সৌবীৰে কৈছিল-জোনক সুন্দৰকৈ শিক্ষা দিয়াব লাগিব; আৰু বহুত কথা কৈছিল সৌবীৰে। মই তেতিয়া মনে-প্রাণে সদায় কামনা কৰোঁ -সৌবীৰৰ যেন আৰু বেছি উন্নতি হয়।

ভগৱানে যেন সঁচাকৈয়ে মোৰ প্রার্থনা শুনিছিল অমা। সৌবীৰৰ প্রমোশ্যন হ'ল। সৌবীৰ ছিভিল ছাৰ্জন হ'ল। বন্ধুবৰ্গই দাবী কৰিলে পাৰ্টি দিব লাগে। আমি আয়োজন কৰিলোঁ। সেই দিন আহি পালেহি। দিনৰ ব্যস্ততাৰ অন্তত সন্ধ্যা আহিল। আমাৰ ড্ৰয়িংৰুম নিয়ন লাইটৰ পোহৰত উজ্বলি উঠিছিল। ফুলদানীত বেঙুনীয়া ডালিয়া আৰু ক্রিছেনথিমানে হাঁহিছিল। 'ফৰ গেট্ মি নটছ' কেইথোকাৰ অৱস্থিতিয়ে ড্রইংৰুমৰ সৌন্দর্য্য দুগুণে বঢ়াইছিল। অতিথিবোৰ আহিছিল। সৌবীৰে চিনাকি কৰি দিছিল এয়া মিষ্টাৰ শইকীয়া, এয়া মিছেছ শইকীয়া, মিষ্টাৰ চক্ৰৱৰ্তী, মিছ দত্ত ইত্যাদি বহুতক। সকলো আজি মনত পৰিছে অমা; সেইদিনা তুমিওতো আহিছিলা; তুমি মোক কাণে- কাণে কৈছিলা - 'তোৰ সৌভাগ্য দেখি হিংসা হয় তৃষ্ণা।' মই কি উত্তৰ দিছিলো মোৰ মনত নাই। সিদিনা মোৰ মনত উঠিছিল নীল সাগৰৰ জোৱাৰ। তাতেই চিনাকি হৈছিলোঁ মিছ ৰিমঝিম বৰুৱাৰ লগত। সৌবীৰে চিনাকি কৰি দি কৈছিল — "এওঁ এইবাৰ এম. বি. পঢ়িবলৈ বম্বেলৈ যাব।" মোৰ প্রতি ৰিমঝিম বৰুৱাৰ চাৱনিটো সেই প্ৰথম

চিনাকিতে ভাল লগা নাছিল জানা? কিবা এটা যেন অৱজ্ঞাৰ চাৱনি। যেই নহওক, হাঁহি-ধেমালিৰ মাজেৰেই পাৰ্টি শেষ হৈছিল। বন্ধুবৰ্গ ঘৰাঘৰি গৈছিল। হাতত এথোক 'ফৰগেট্ মি নটছ' লৈ ৰিমঝিম ওলাই গ'ল। সিদিনা ৰিমঝিমক সৌবীৰে গাড়ীৰে ঘৰত থৈ আহিছিলগৈ। মই একো ভবা নাছিলো অমা। আজি কিন্তু ভাবিছোঁ। সেইবোৰ কথাইহে আজি মোক ভাবিবলৈ বাধ্য কৰাইছে।

দিন বাগৰিছিল। পৃথিৱীত বসন্ত - শীত নামিছিল। চোতালত সেউজীয়া দুবৰি গজিছিল। হিমালয়ত বৰফ পমিছিল আৰু জোনৰ মাতবোৰ মৰমলগা হৈছিল।

সৌবীৰৰ কামৰ বোজা গধুৰ হৈছিল। দায়িত্ব বঢ়াৰ কাৰণেই বোধকৰোঁ। এই দায়িত্ব আৰু ব্যস্ততাই আমাৰ জীৱন বিভ্ৰান্ত কৰি দিলে কোনে জানে ইয়াত গইনা লৈয়ে সৌবীৰে হয়তো নিজেই পাতিলে এক অদৃশ্য মায়াৰ জাল। সৌবীৰ সলনি হ'ল। বহু নিশাৰ গভীৰতাত কামৰ অজুহাতত সৌবীৰ ঘৰলৈ ওভটে। কেতিয়াবা নিশা আহি ভাত খায়। কেতিয়াবা টেবুলত সজোৱা ভাত টেবুলতে থাকে।

তথাপি, মোৰ মানত সৌবীৰ দেৱতা আছিল। কিন্তু অমা — মানুহক দেৱতা বুলি ভবাটোতেই মোৰ ভুল হ'ল। মানুহ কেতিয়াও দেৱতা হ'ব নোৱাৰে। অসুন্দৰতা আৰু নিৰ্মমতাৰে সৰহ মানুহ কদৰ্য্য। মানুহ হিংস্ৰ। অন্ততঃ সিদিনাৰ অভিজ্ঞতাই মোক এইদৰেই ভাবিবলৈ শিকাইছে। সিদিনাও সৌবীৰ বহু ৰাতিলৈকে কামৰপৰা উভতি অহা নাছিল। বাহিৰত দিগন্তভৰা জোনালীৰ মধুৰ অভিসাৰ। সৰল বনৰাজিৰ মাজেৰে মুঠি মুঠি জোনাক সৰিছিল। ব্যস্ত শুকুলা ডাৱৰে দৌৰিছিল হিমগিৰিৰ আৱেষ্টনীৰ মাজলৈ। দূৰণিত দুই এটা কুকুৰে ভুকিছিল। হঠাতে মোৰ টোপনি কেতিয়া আহিল ক'ব নোৱাৰো। মাজনিশা এবাৰ মটৰৰ শব্দ শুনি সাৰ পালোঁ। সৌবীৰ তেতিয়ালৈকে আহি নোপোৱা বাবে নানা দুশ্চিন্তাৰে মন ভৰি পৰিছিল। আকৌ টোপনি গলো; কিন্তু কিবা এটা শব্দত যেন সাৰ পাই গলো। বাৰাণ্ডাৰ লাইট নুমুৱা দেখি ভাবিলোঁ। সৌবীৰ চাগে আহিল। মোৰ অনুমান শুদ্ধ নাছিল। কিন্তু সৰ্বসাধাৰণতে সৌবীৰেই আহি বাৰাণ্ডাৰ লাইটটো নুমায়। মনটোত দুঃচিন্তাৰ আউল লাগিল। আকাশত তেতিয়াও

জোন জ্বলি অজস্ৰ অনুকম্পা লৈ। মই বাহিৰলৈ ওলাই গলোঁ নিঃশব্দে আহি মই কি দেখিলো অমা? প্ৰশস্ত বাৰান্দাৰ সিমুৰত দুজন মানুহৰ সৰু সৰু কিছুমান কথা। সেই ভয়ংকৰ মুহূৰ্তটোত মোৰ বুজিবলৈ বাকী নাথাকিল যে সেয়া সৌবীৰক আৰু সেয়া সৌবীৰৰ কোনো বান্ধৱী-অভিসাৰিকা।

"তুমি উভতি অহালে বাট চাম ৰিমঝিম..." মোৰ কাণত পৰিছিল সৌবীৰৰ কণ্ঠস্বৰ। হয়, মোৰ অনুমানেই ঠিক, সেয়া ৰিমঝিম বৰুৱা। অমা, মোৰ দৃষ্টিত নামিছিল তেতিয়া পম্পিয়াইৰ প্ৰলয়। পৃথিৱীখন মোৰ ভৰিৰ তলৰপৰা আঁতৰি যোৱা যেন অনুভৱ কৰিছিলো। হিমালয়ৰ দৰে, অবিচলিত ভক্তিৰে মই পূজা কৰিছিলোঁ সৌবীৰক আৰু তেৱেঁই ভয়ংকৰভাৱে মোক প্ৰতাৰণা কৰিলে।

ভয়ংকৰ সেই পৰিৱেশৰ মাজত মই তেওঁলোকৰ নিচেই কাষত থিয় হ'লো। 'সৌবীৰ'। মই চিঞৰি দিছিলো। সৌবীৰে উচপ খাই উঠি মোৰ হাতত ধৰি কৈছিল — 'অমা', এওঁ মোৰ ভণ্টিৰ দৰে তুমি 'ভণ্টীৰ দৰে'! সৌবীৰৰ মুখৰ মাত মই বন্ধ কৰি দিবলৈ মই চিঞৰি কলোঁ। "এই মাজনিশা এন্ধাৰৰ আঁৰ লৈ তোমাৰ ভনীয়েৰাৰ সৈতে কথা পাতিছা? তোমাৰ এই অশ্ৰাব্য উচ্চাৰণে ভাতৃ-ভগ্নীৰ মাজত কালিমা সানে। তুমি ইমান চৰিত্ৰহীন বুলি মই ভবা নাছিলো সৌবীৰ!"

আৰু তুমি ৰিমঝিম। আনৰ সংসাৰ জ্বলাই .... মোক আৰু ক'বলৈ নিদি সৌবীৰে ভিতৰলৈ টানিছিল। মোৰ বিবেক শূন্য হৈ গৈছিল। মই মাত্ৰ চিঞৰিছিলো-'প্ৰৱঞ্চক। প্ৰতাৰক।'

তাৰ পাছত ক'ব নোৱাৰোঁ, মই ৰাঁচী কেনেকৈ পালোঁহি। অমা, মোৰ জীৱনৰ জোনাক শেষ হ'ল। হৃদয়ৰ স্পন্দনৰ গতি ৰুদ্ধ হ'ল। সপোন ভাঙি গ'ল। আজি মই সুস্থ হৈও মেণ্টেল হস্পিটেলৰ নিষ্ঠুৰ জীৱনৰ মাজত নীৰৱে চকুলো টুকিছোঁহি। সেউজীয়া ধৰণীও যে ধূলিময় আৰু এই ধূলিৰ ধৰণীত যে বেদনাৰ চিতা জ্বলে সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছো।

সৌবীৰলৈ খবৰ দিব নালাগে। বিশ্বাসঘাতকৰ মুখ মই নাচাওঁ। উচ্চ শিক্ষাৰে শিক্ষিতাও মই নহওঁ তথাপি ৰিমঝিমৰ দৰে মোৰ মন ভেজাল নহয়। সৌবীৰৰ হৃদয়ৰ গভীৰতা বিচাৰি মই ভুল কৰিলোঁ অমা! মই ভুল কৰিলো

হৃদয়ৰ গভীৰতাৰ মাজত হীৰা অথবা প্ৰবাল লাৱণ্য বিচাৰি। তাৰ বাবে মোৰ কোনো আক্ষেপ নাই অ' মা মানুহৰ মনৰ বিচিত্ৰ গতিপথ অনুধাৱন কৰাটো সহজ কথা নহয়; এই কথা নিশ্চয় তুমিও উপলব্ধি কৰিছা। মনৰ চকুৰে দেখা আৰু মনৰ উপলব্ধিয়ে সাঁকিয়াই দিয়া মানুহৰ কাৰ্য্যৰ পৰিণতিও কিজানি সঠিককে ক'ব নোৱাৰি।

আজি তোমাৰ ওচৰত মোৰ এটাই মাত্ৰ অনুৰোধ আছে। এবাৰ তুমি মোক জোনক চোৱাৰ ব্যৱস্থা কৰি দিব পাৰিবানে? তাৰ পাছতেই ইয়াৰ পৰা মই যাম। দেশৰক্ষাৰ কামত অৰিহণা যোগাম। এজন, বিশ্বাসঘাতক কাপুৰুষ সৌবীৰৰ বাবে জীৱন আকৃতি দিয়াতকৈ হেজাৰজন সাহসী জোৱানৰ হকে প্ৰাণ দিম। এই সিদ্ধান্তই আজি মই কৰিছো!

এয়া ৰাঁচীৰ আকাশ। বাহিৰত পদ্মগন্ধা জোনাক। যুগ যুগান্তৰৰ বেদনাৰে নীলা হোৱা আকাশখনক মুঠি মুঠি জোনাকে পোহৰাই তুলিছে। আকাশৰ জোন, ভৰা, জোনাকেও আজি মোক শিকাইছে পৃথিৱীত নোপোৱাৰ বাবে নাকান্দি দিয়াৰ বাসনাৰে আগবাঢ়ি যাবলৈ। ইয়াতেই মোৰ জীৱন সাৰ্থক হ'ব; মোৰ জীৱনৰ জোনাক নামিব হয়তো আৰু কৃষ্ণচূড়াৰ ৰঙেৰে মোৰ মন ভৰি পৰিব, ধৰণী আকৌ সেউজীয়া হ'ব। আজি এই পথেই মোৰ প্ৰাণৰ পথ। প্ৰাণৰ পথত ভৰি দিলে মেই পথ আৰু ভুল হোৱাৰ আশা নাই।

মোৰ হেজাৰ মৰমেৰে

ইতি —

তোমাৰ মৰমৰ

তৃষ্ণা

চিঠিখন পঢ়ি শেষ কৰি মই স্তব্ধ হৈ গলো। যি অজান আশংকাৰে অলপ.. আগলৈকে মনটো ভৰি পৰিছিল নিমিষতে সি আঁতৰি গ'ল। এদিন তৃষ্ণাৰ বেদনাৰে দগ্ধ জীৱনৰ খবৰ শুনি মৰ্মাহত হৈছিলোঁ। সেইদিনা মই কামনা কৰিছিলো। তৃষ্ণাৰ জীৱনৰ দিনবোৰ খু-উ-ব চুটি হৈ যাওক। কিন্তু আজি মই তৃষ্ণাৰ জীৱনৰ দিনবোৰ দীৰ্ঘ হ'বলৈহে কামনা কৰিছে। তৃষ্ণাৰ এই জীৱন যাত্ৰা-জয়যাত্ৰা। তৃষ্ণা সফল হওঁক। জীৱন আকাশত তাইৰ ন প্ৰভাত উদয় হওঁক

এমোকোৰা ৰাঙলী হাঁহিৰে। হাঁহি আক বেদনাৰ সমষ্টিয়েই আমাৰ জীৱন। সংঘাতৰ অনলেৰে যিটো জীৱন দগ্ধ হোৱা নাই সেইটো জীৱনেই নহয়। মোৰ বিশ্বাস, দগ্ধ জীৱনৰ ছাই ভস্ম পৰাহে সোণালী জীৱনৰ বীজকণা মহিৰূহ হয়- যেনেদৰে হৈছে তৃষ্ণাৰ। এয়া তৃষ্ণাৰ 'বিচাৰেকশ্যন' ক স্বীকৃতি দিবলৈ তৃষ্ণাই আত্মাৰ শক্তি অটুত ৰাখিছে। তৃষ্ণা মহীয়সী- অনন্যা।

আলফুলে চিঠিখন জাপি থলোঁ। খোলা খিড়িকীৰে বাহিৰলৈ চাই পঠিয়ালো। বাহিৰত সন্ধ্যাৰ পাতত ছাঁয়াৰ অৱগুণ্ঠন। মোৰ চাৰিওকাষ জুৰি এক মায়াভৰা নিৰ্জনতা। ইমান সময় কেতিয়া যে পাৰ হ'ল ক'ব নোৱাৰিলো।

লিখিম বুলি ভবা মোৰ গল্পটো আৰু লিখিম জানো? এয়া যে মোৰ কাষত তৃষ্ণাৰ জীৱনৰেই এক সঁচা কাহিনী। যাক অজানিতেই গল্পৰ আকাৰে তুলি ধৰিছো পাঠকৰ আগত।

এইজনী ছোৱালী, যিজনী ছোৱালীয়ে এখন হৃদয়ৰ সঁচা মৰম বিচাৰিলে, কিন্তু সেই বিচৰা ব্যৰ্থ হ'ল। পৃথিৱীখন সোণ-হীৰাৰে ভৰি পৰক কোনো লাভ নাই, যদি হৃদয়ৰ সংঘাত হৃদয়ে, মানুহে বুজিবলৈ চেষ্টা নকৰে। হৃদয়ৰ কথা আজিৰ পৃথিবীত, মানুহে পাহৰি গৈছে। আমি মানুহবোৰ হৈ পৰিছে 'একচেচ্ৰীজ'। তথাপি আশা আৰু অপেক্ষাৰ শেষ হোৱা নাই। নহ'বও। জীৱনৰ স্বপ্নও আমি নেহেৰুৱাওঁ। সমুখত তাৰ সাক্ষী তৃষ্ণা-তৃষ্ণাই যেন সুদূৰৰ পৰা ৰিঙিয়াব লাগিছে — 'টছ্‌দ য়েট উই হেভ দ্যা ট্ৰেপষ্ট্ৰিজ অব লাইফ' (Tossed yet we have the tapestries of life)...... আমি সঁচাকৈয়ে বিক্ষিপ্ত হৈয়ো জীৱনৰ সূত্ৰ ৰচোঁ।

আজি মনোবিশ্লেষণৰ নীতিৰে মই - ডাঃ অমানিশা চৌধুৰীয়ে তৃষ্ণা চলিহাৰ জীৱনৰ ধুমুহা বিশ্লেষণ কৰিব খোজা নাই। হৃদয়ৰ সহস্ৰ আৱেগেৰে মোৰ মন ভৰি পৰিছে। মোৰ মৰমৰ তৃষ্ণাৰ এই বেদনাৰ গভীৰতম সত্য মোৰ প্ৰাণৰ একান্ত কাষত উপলব্ধি কৰিছো। একান্ত গভীৰ, অফুৰন্ত উপলব্ধি। উকা চকুৰে দেখা সকলো সুখ, সকলো আনন্দৰ মাজতো অন্তঃসলিলা জন্তুৰ দৰে দুখৰ কণা থাকিব পাৰে। অথবা দুখৰ মৰুভূমিৰ মাজতো ক'ৰবাত সুখৰ মৰীচিকা থাকিব পাৰে; আচলতে প্ৰত্যেকৰে অনুগামী সাধক। এয়াও পাৰ্চপেকটিভৰ

(Perspective) কথা; উপলব্ধিৰ কথা।

মোৰ মনটো এই মুহূৰ্তত অতীতৰ সুষমামণ্ডিত দিনবোৰলৈ উৰা মাৰিছে। দুৰন্ত সময়ৰ অবিৰাম গতি; নিশ্চল যেন আমি। এয়া মই দেখোন তাহানিতে পঢ়া কোনোবা কবিৰ কবিতাৰ গুঞ্জন তুলিছোঁ।

Time Merches on but memory stays
Torturing silently the rest of our days...

মনটো যেন হঠাৎ গধুৰ হৈ পৰিছে, কিয় ? – নহয়, এই গধুৰতাৰ কোনো হেতু থাকিব নোৱাৰে; তৃষ্ণাই জীৱনৰ কান্দোনখিনি সংগোপনে হাঁহিৰ ঢাকোনেৰে ঢাকি ৰাখি স্বাৰ্থহীনভাৱে আনৰ বাবে নিজক শেষ কৰি দিবলৈ ওলাইছে মই যেন দেখিছোঁ চকুৰ আগৰ বিজয়িনী তৃষ্ণাৰ হেজাৰ হাঁহিৰ উল্লাস। মই তৃষ্ণাৰ এই জয়যাত্ৰাক স্বাগত জনাম। তৃষ্ণাৰ অফুৰন্ত হাঁহিয়ে হঁহুৱাব মোক, আমাক, পৃথিৱীক।

— খিড়িকীখন আৰু বহলকৈ খুলি দিলোঁ। এয়া এজাক, মৃদু বতাহে খিৰিকিৰ পৰ্দা ঠেলি আহি নাম নজনা কোনোবা ফুলৰ মিঠা সুবাস মোৰ চৌদিশে বিলাই দিছেহি।

—৪৪৪৪—

# গৰীৱৰ সংসাৰ

শ্ৰী নীলিমা ভূঞা

"এনেকৈনো আৰু কিমান দিন কটাবাহে?" - এই বুলি নৰেনে কয়। নৰেন আৰু হৰেনৰ সৰুকালৰে বন্ধু ভাৱটো গাঢ় হৈ আহিছে। সেই কাৰণেই আজিও সিহঁতে অন্তৰ খুলি কথা পাতে। হৰেনৰ আৰ্থিক অৱস্থা সিমান ভাল নহয়। বৃদ্ধা মাক, ভনীয়েক আৰু সি, এই তিনিটা প্ৰাণীৰেই সিহঁতৰ সংসাৰখন। কালৰ কুটিল গতি। হৰেনৰ বাপেক আজিলৈকে যদি জীয়াই থাকিলেহেঁতেন তেতিয়া তেওঁৰ আলাসৰ লাডু পুতেক-জীয়েকে বিলাসিতাৰে জীৱন কটাব পাৰিলেহেঁতেন।

নৰেন ধনীৰ দুলাল বাপেক কেইবাখনো বাগানৰ মালিক। তদুপৰি তেখেত হেনো চোৰাং ব্যৱসায়তো ওস্তাদ। আধুনিক সমাজত তেখেতৰ স্থান উচ্চ হ'বৰে কথা, কিয়নো বৰ্তমান সংসাৰখন হৈছে ধনীৰ।

পকী দালান, লৰী-মটৰ, চাকৰ-নাকৰ আদিৰে গোটেই ঘৰখন ভৰপূৰ। দেখিলে নৰেন আক হৰেনৰ বন্ধুত্বটো ভ্ৰান্তি যেনহে লাগে; কিন্তু ৰাজভোগ কৰিবলৈ পায়ো নৰেন আৰু মাকৰ মনত শান্তি নাই। বাপেকৰ কিছুমান অস্বাভাৱিক পৰিৱৰ্তনে তাৰ মনটো ব্যতিব্যস্ত কৰি তোলে।

হৰেনে প্ৰৱেশিকা পাছ কৰা দুবছৰ হ'ল। উচ্চ শিক্ষা লাভ কৰাৰ ইচ্ছাটো তাৰ খুব প্ৰৱলেই আছিল। কিন্তু টকা ......? বাপেকৰ জীৱিত অৱস্থাতেই সি আৰ্থিক অৱস্থাৰ বাবে ভাবিবলগা হৈছিল; কিন্তু হঠাতেই বাপেকৰ মৃত্যু হোৱাত অভাৱ-অশান্তিয়ে তাৰ অন্তৰখন আৱৰি ধৰিলে। বাপেকৰ যি সঞ্চিত টকা আছিল সেই টকাখিনিও বেঙ্ক দেৱলীয়া হোৱাত তাৰো ভিকাচন ভাগিল।

আজি হৰেন অকলশৰীয়া। আও-ভাও নুবুজা সংসাৰখন পৰিচালনাৰ

ভাৰ তাৰ ওপৰত পৰেহি। বাধা-বিঘিনিবিলাক অতিক্ৰম কৰি দৃঢ়তাৰে সি সংসাৰ ক্ষেত্ৰত আগুৱাই গৈ থাকে। মুখাপিক্ষা উন্মত্ত সংসাৰখনলৈ তাৰ ভয় লাগে। সিহঁতৰ উপদেশভ সি বহুতোবাৰ ঠেকত পৰিছে। এতিয়া সি কাকো বিশ্বাস নকৰে, আনকি নৱেনৰ উপদেশবোৰ শুনিবলৈও, সি কেতিয়াবা কুণ্ঠিত হয়; কিন্তু সি যেতিয়া তাৰ বন্ধু নৱেনৰ সজ উপদেশবিলাক বুজি উঠে, তেতিয়াই হৰেনে বন্ধুৰ প্ৰতি অজ্ঞাত বাবেই এটি ওলগ জনায়।

টং, টং, টং। ওচৰৰ পুলিচ থানাত ৰাতি দহ বজাৰ ঘণ্টা বাজি উঠে। হৰেনক মাক আৰু ভনীয়েক নীলিয়ে বন্ধা-বঢ়া কাম শেষ কৰি হৰেনৰ অপেক্ষাত জুহালৰ গুৰিতে বহি কালি চাই অহা "কথাছবি"খনৰ বিষয়ে দুই-এবাৰ কথা পাতি আছে। এনেতে পদূলিমুখত মটৰৰ হৰ্ণ শুনি নীলিয়ে খিৰিকীয়েদি জুমি চাই কৈ উঠে, "মা অ' মা, কালি আমাক চিনেমা দেখুৱাবলৈ নিয়া নৱেন দাদাৰ, দেউতাক আহিছে।" মাকে ওৰণিখন টানিলৈ চ'ৰাঘৰলৈ আহি তেখেতক এটি নমস্কাৰ জনাই চকীখন মোহাৰি বহিবলৈ দিয়ে। তেখেত বহিয়েই সহানুভূতিৰ সুৰত সোধে "হৰেন নাই নেকি?" মাকে কয় "হয় নাই, বৰবৰুৱা হাইস্কুলৰ চেক্ৰেটৰীৰ ওচৰলৈ নৱেনৰ লগত চাৰি বজাতেই ওলাই গ'ল। এতিয়ালৈকে আহি পোৱাহি নাই। তাত হেনো শিক্ষকৰ পদ এটি খালী হৈছে। কিবা এটা চাকৰি-বাকৰি নিবিচাৰিলেতো অন্য উপায় নাই। পঢুৱাবলৈতো অৱস্থাই নুকুলাই ........।"

নৱেনৰ বাপেকৰ নাম ধীৰেন। এই পঞ্চাছ বছৰীয়া বুঢ়া ধীৰেনৰ কুঅভিপ্ৰায় কি সেইটো পাঠক-পাঠিকাসকলে লাহে লাহে বুজি পাব।

ঘৰত কোনোবা আছেনে? "অ" আপুনি আহক, আহক, এই বুলি নীলিয়ে চকীখন আগবঢ়াই দিয়ে ধীৰেনক। ধীৰেন তাতে বহি পৰে। ইতিমধ্যে মাক আহি ধীৰেনৰ লগত কথা-বাৰ্তা হয়হি। নীলিয়ে চাহ-তামোল আনি দিয়েছি। কথাৰ লাচতে ধীৰেনে কয় — "সেইদিনা আপুনি হৰেনক পঢ়াব নোৱাৰা বুলি মোৰ আগত মন্তব্য কৰিছিল। অৱশ্যে আপোনালোকৰ পক্ষে তাক কলেজত পঢ়ুৱাটো অসম্ভৱ। আনহাতে বৰ্তমান যুগত নামমাত্ৰ শিক্ষাৰে চলাটো টান হৈ পৰিছে। তাৰ নিচিনা চোকা ল'ৰা এটাই ইমানতে শিক্ষাৰ সামৰণি মৰাটোও

কৈ যায়। ইয়াৰ পিছত নীলিৰ লগত দুআষাৰ কথা পাতি তেওঁ ঘৰমুৱা হ'ল।

সকলো ঠিকঠাক হৈ হৰেনৰ অন্তৰখন কঁপি উঠিল। কলেজত নাম লগোৱা শেষ দিন পালেহি। কালিলৈ সি গুৱাহাটীলৈ যাব লাগে। যোৱাৰ আগতে মাক আৰু নীলিমাৰো কিবা এটা ব্যৱস্থা কৰিব লাগিব। সি ভাবি ভাবি বিমোৰত পৰিল। শেষত নৰেনৰ ওপৰতেই সেই দায়িত্ব দিবলৈ স্থিৰ কৰিলে।

ডিব্ৰুগড় ষ্টেচন। আঠ বাজিবলৈ এতিয়াও আধাঘণ্টা বাকী। "আগবঢ়াবলৈ আহিলা যেতিয়া এই আধাঘণ্টা বৈ ট্ৰেনত তুলি থৈ যোৱা" হৰেনৰ কথাষাৰত নৰেনে "নিশ্চয়" বুলি কৈ দুয়ো "ওৱেটিং ৰূম"লৈ আগবাঢ়ি গৈ বেঞ্চ এখনত বহি পৰিল। কোঠাটোত দহ-বাৰবাৰজনমান মানুহ আগৰপৰা বহি আছে। সকলোৱেই কথাত ব্যস্ত। "নাই নাই, আমাৰ আৰু এইবোৰ দিন উকলিল। ইয়াতকৈ বেয়া নহ'লেই ৰক্ষা।" মোৰ যে ভয়েই লাগিছে। বাৰ হেজাৰ টকাৰ ষ্টক আছে। দিনক দিনে এনেকৈ দাম কমি গ'লে মোৰ বৃহৎ 'লচ' হ'ব। "মঞ্জু ভনীক ইমান ভাললাগে পায়। কালি আমাৰ ঘৰলৈ গৈছিল। অনিতাই গান গাবলৈ কোৱাত তাই এনে ভাল গান এটা গালে মোৰ এতিয়াও মনত পৰি আছে।" "অ" হয় নেকি? তোৰহে ভাল। মোৰ যদি ভনী এজনী থাকিলেহেঁতেন তেতিয়া হলে ময়ো তোৰ দৰে ভাল গান শুনিবলৈ পালোহেঁতেন নহয়?" "পিছে তই আকৌ গান শুনিয়ে মঞ্জুৰ প্ৰেমত পৰলি নেকি?" "ইমান পৰ হৰেন আৰু নৰেন নিমাত আছিল। কণা মগনিয়াক "বাবু দুপইচা" বোলা কথাষাৰে সিহঁতক চক্ খুৱাই দিলে। জেপত হাতভৰাই পইচা চাৰিটা দি নৰেনে তাক বিদায় দিলে। সি আঁতৰি গ'ল।

"বুইছা হৰেন, তুমি বেয়া নোপোৱা যদি কথা এষাৰ সোধো-দেউতাই তোমাক পঢ়ুৱাবলৈ লোৱাত কি স্বাৰ্থ আছে বুজিব পাৰিছানে?" এইবুলি হৰেনে সোধে। "একো স্বাৰ্থ নাই। তোমাৰ লগত বন্ধুত্ব স্থাপন কৰাই মূল উদ্দেশ্য বুইছা।" হৰেনে ক'লে। সিহঁতৰ কথাৰ অন্ত পৰিল। ইতিমধ্যে গাড়ী আহি পালেহি। হৰেনক

গাড়ীত তুলি নৰেন ঘৰলৈ উভতিল।

দিনবোৰ গৈ থাকে। নীলিৰ বয়স এতিয়া যোল বছৰ। দেখাত বয়সতকৈ ডাঙৰ যেনহে লাগে যৌৱনৰ বতাহছাটিয়ে তাইৰ সকলোবিলাক অংগ-প্ৰত্যংগতেই এটা মাদকতা আনি দিছে। তাইক অলংকাৰবোৰে ৰূপত ৰং চৰাইছে। নৰেনৰ দেউতাক প্ৰায়ে নীলিহঁতৰ ঘৰলৈ আহি থাকে আৰু হাতত দুই-এটা ভাল বস্তু লৈ আহে। বুঢ়া ধীৰেণৰ গাত এতিয়া বাৰুকৈয়ে বিশ বছৰীয়া ডেকাৰ যৌৱনৰ বা লাগিছে। অৱশ্যে হৰেন গুৱাহাটীলৈ যোৱাৰপৰা নৰেনে খবৰ-খাতি কৰিয়ে থাকে। কিন্তু কি হ'ব?

নীলিয়ে আজি কিছুদিনৰপৰা স্কুললৈ নোযোৱা হ'ল। লগৰ ছোৱালীবাৰে নানান মন্তব্য দিব ধৰিলে। কিছুমানে কয়! তাইৰ কিবা অসুখ হৈছে। নহ'লে ক'ৰবাত ফুৰিবলৈ গৈছে ইত্যাদি। সিহঁতৰ ভিতৰত অকণী আছিল বৰ দুষ্ট। তাইৰ কথাবিলাক ৰসাল মুখতে এটা হাঁহি মাৰি তাই ক'লে, থোৱাঁ। থোৱাঁ, তোমালোকৰ কথাবোৰহে। তাই কাৰোবাৰ প্ৰেমত পৰিছে। দাদাকো ঘৰত নাই। কি যে সুযোগ।" আটাইকেইজনীয়ে খিল্‌খিল্‌কৈ হাঁহে।

.....নৰেনৰ মাকৰ চিঠিৰ উপৰি চিঠি। মনত শান্তি নাই। মাকৰ মানসিক অশান্তি আৰু বাপেকৰ কাৰ্যকলাপ নৰেনে বাৰুকৈয়ে উপলব্ধি কৰিলে। তাৰ মনটো বিদ্ৰোহী হৈ উঠিল। সি ভাবিব নোৱাৰা হ'ল।

মাকৰ গাতহে দোষ। ল'ৰাটোও ঘৰত নাই যেতিয়া মাকে ছোৱালীজনীৰ তত্ত্বাৱধান ল'ব লাগিছিল। আপুনিনো কিবোৰ কয়। চকু দিলতহে ইমানখিনি পালেগৈ। হাতত সুবিধাটো পালে কোনেনো বাৰু এৰি দিব? ধীৰেন বৰুৱাৰ যদিও বয়স হৈছে তথাপি আৰ্থিক অৱস্থালৈ মন কৰক। বৰ্তমান যুগত ধনৰ আগত সকলো হাৰ মানে। অৱশ্যে হয়। ধীৰেন বৰুৱাই বিয়া কৰালে বুলি ভাবিছে নেকি? কলংক এটাহে চপাই ল'লে। নৰেনে এনেদৰে দেউতাকৰ সমালোচনা গাঁৱৰ মানুহৰপৰা শুনিবলৈ পালে। তেতিয়া সি বহুত কথা ভাবি তাৰ বন্ধু হৰেনলৈ এখন চিঠি দিয়াকে ঠিক কৰিলে।

"মৰমৰ হৰেন,

ভুল-নুবুজিবা। সংসাৰখন বৰ জটিল। মই আৰু নিজৰ কাৰণে

জীয়াই থাকিবলৈ ইচ্ছা কৰা নাই। লোকৰ কাৰণেহে জীয়াই আছো। তোমালৈ বহুত লিখিম বুলি ভাবিছিলোঁ; কিন্তু নিলিখোঁ। তোমাক দেউতাই পঢ়ুওৱাৰ কাৰণ বুজিব নোৱাৰিলোঁ। এতিয়া বুজিবা যে ভনীয়েৰাক দেউতাই পত্নীস্বৰূপে গ্ৰহণ কৰিছে। আৰু যে...।

ইতি

তোমাৰ বন্ধু — নৰেন।

...আই, এ পৰীক্ষালৈ আৰু পাঁচদিন বাকী। সকলো ল'ৰা পঢ়াত ব্যস্ত। হৰেন কেইখনমান কিতাপ আগত লৈ পঢ়িব ধৰিছে। এনেতে পিয়ন এটাই এখন চিঠি দি গ'ল। চিঠিখন পঢ়ি সি মাটিত ধাচ্ কৰে বাগৰি পৰিল। অন্য ল'ৰাবোৰে তাক ধৰি শান্ত্বনা দিলে; কিন্তু নিয়তিৰ কি পৰিহাস ......নিশালৈ তাৰ দেহাটো এজোপা গছত ওলোমা খালে। পিছদিনা ৰাতিপুৱা কলেজৰ ল'ৰাবোৰে গোটেই হুলস্থূল লগাই দিলে। হৰেনৰ আত্মাই এই ধনীৰ অত্যাচাৰৰপৰা মুক্তি পালে। হৰেন ধনীৰ পুতলা হ'ব লগা হ'ল। ফলত তাৰ প্ৰাণপক্ষীয়ে চিৰশান্তি লাভ কৰি উচ্চ শিক্ষাৰ নামত বলি হ'ব লগা হ'ল।

—ঃঃঃঃ—

# নিশাৰ উচুপনি

জিনু কাকতী

গভীৰ নিশাৰ ভয়াবহ নিস্তব্ধতা ভঙ্গ কৰি কাৰোবাৰ উচুপনিবোৰ মোৰ কাণত পৰিছিলহি। তন্দ্ৰালস চকুদুটা মেলি মই কেউপিনে চাইছিলোঁ। তন্দ্ৰাৰ জড়তাৰে বুজিবলৈ চেষ্টা কৰিছিলো কান্দোনৰ উৎস ক'ত...। লাহে লাহে মোৰ চকুৰ আগত ভাঁহি উঠিছিল এখনি কৰুণ কাতৰ মুখ। মালতীৰ।

মালতী! এটা গভীৰ হুমুনিয়াহ মোৰ বুকু ভেদি ওলাই আহিছিল। মালতী মোৰ বাবে এটি বিষাদৰ স্বপ্ন। মোৰ বাবে মালতী বেদনাৰ এটি মূৰ্ত্ত প্ৰতীক। জীয়াই থকাৰ শেষ আশাকণো হেৰুৱাই তাই প্ৰতি নিশা উচুপি উচুপি কান্দে আৰু মালতীৰ গভীৰ হুমুনিয়াহ আৰু উচুপনিবোৰে প্ৰতিনিশা মোৰ টোপনি ভাঙি দিয়েহি। টোপনিৰ জড়তাৰে মই প্ৰথমতে ভাবো কোনে কান্দিছে? তাৰ পিছত মোৰ চকুৰ আগত ভাহি উঠে এখনি অশ্ৰু বিজড়তি মুখ - মালতীৰ।

মালতীৰ বয়সে আঁজুৰি যোৱা মুখখন মই সৰুৰে পৰাই দেখিছোঁ। কিমানদিনৰ পৰা তাই আমাৰ ঘৰত কাম কৰিছে মই নেজানো। মালতীৰ ঘৰ ক'ত, তাইৰ কোনোবা আপোন মানুহ আছেনে নাই তাকো মই নেজানিছিলো। কিন্তু জানিছিলো দিনটোৰ কঠোৰ পৰিশ্ৰমৰ পিছতো তাই আমাৰ ঘৰৰ কাৰোৰে পৰা এষাৰো মিঠা মাত নেপায়। আৰু জানিছিলো সকলো- বিলাক সহ্য কৰি হ'লেও তাই আমাৰ ঘৰতেই কাম কৰিব লাগিব। কিন্তু কিয়, তাক হ'লে নেজানিছিলো। অৰ্থাৎ জনাৰ সুযোগ মই পোৱা নাছিলো। সৰুৰে পৰাই মালতীক মই আমাৰ ঘৰতেই পাইছোঁ যদিও তাইক নিবিড় ভাবে লগ পোৱাৰ সুযোগ মই এদিনো পোৱা নাই। মোৰ মা-দেউতায়েই প্ৰকৃততে মোক সৰুৰে পৰা মালতীৰ পৰা আঁতৰত ৰাখিবলৈ যত্ন কৰিছিল। তাৰ কাৰণ মই নেজানিছিলো। কিন্তু যিমানেই মাহঁতে মোক মালতীৰ পৰা আঁতৰত ৰাখিবলৈ যত্ন কৰিছিল, সিমানেই মালতীক নিবিড়ভাৱে জনাৰ হেঁপাহ মোৰ বাঢ়ি গৈছিল। মালতীক অকলশৰীয়াকৈ লগ পোৱাৰ সুযোগ মই বিচাৰিব ধৰিলো। এদিন সেই সুযোগ, মই পালো। কোনোবা এটা আবেলিত মা-দেউতা দুয়ো ফুৰিবৰ বাবে ওলাই গৈছিল। ঘৰত

কেৱল মালতী আছিল। সেইবাবেই নেকি তেওঁলোকে মোক ঘৰত অকলে এৰি যাবলৈ ইচ্ছা কৰা নাছিল। মোকো তেওঁলোকৰ লগতে নিবলৈ চেষ্টা কৰিছিল। কিন্তু মই নগলো। সৰুৰে পৰাই মই বৰ জেদী আছিলো। একমাত্ৰ সন্তান কাৰণেই নেকি তেওঁলোকেও মোৰ কথা কেতিয়াও পেলাব পৰা নাছিল। তথাপিও ওলাই যোৱাৰ আগমুহূৰ্ত্তত পাৰ্যমানে চেপি ৰাখিবলৈ চেষ্টা কৰা সত্ত্বেও তেওঁলোকৰ চকু-মুখৰ উৎকণ্ঠাখিনি মোৰ চকুত ধৰা পৰি গৈছিল। সি যি কি নহওক, তেওঁলোক যোৱাৰ পিছত মই মালতীৰ লগত অকলশৰীয়াকৈ কথা পতাৰ সুযোগ পাইছিলো। কথাই কথাই তাইৰ পৰা বহুত কথাই উলিয়াই পেলাইছিলো। কিন্তু, তাইৰ ঘৰৰ কথা উলিওৱাত তাই যেন চমক খাই ৰৈ গৈছিল। প্ৰসঙ্গ সলনি কৰি লৰালৰিকৈ কৈছিল- "চাওঁ" সোণপোনা, তুমি বহাচোন! মই গধূলিৰ খোৱাৰ যোগাৰ কৰোঁগৈ। আই-দেউতাও পায়হিহে লাগে। আহি মোক এনেদৰে কাম-বন এৰি তোমাৰ লগত কথা চোবাই থকা দেখিলে খং কৰিব। ......মালতীৰ ভয় কোনখিনিত মই বুজিছিলো। গধূলিৰ খোৱাৰ যোগাৰ কৰিবলৈ তেতিয়াও বহুত সময় বাকী। মা-দেউতাও এতিয়াই নেপায়হি। প্ৰকৃততে মালতীৰ এয়া কথা সলনি কৰাৰ চেষ্টা। নহ'লেনো আবেলি তিনি বজাত কিয় তাই ৰন্ধা, বঢ়াৰ কথা উলিয়াব? মালতীক মই নেৰিলো। উপায়হীন হৈ তাই সেইদিনা কৈ গৈছিল তাইৰ কথা। দূৰৰ গাওঁ এখনত তাইৰ ঘৰ। ঘৰত মোৰ সমবয়সীয়া ল'ৰা এটাও আছে। নাম ৰজনী। সি গাঁৱৰ ডম্বৰু মহাজনৰ ঘৰত থাকি খেতি কৰে, ইত্যাদি। ... মালতীৰ কথা শুনি মই আচৰিত হৈ গৈছিলো। মালতী যে বিবাহিতা তাকো মই নেজানিছি- লো। ......"ৰজনীৰ দেউতাক নাই নেকি" বুলি সুধিবলৈ গৈ মই থমক্ খাই ৰৈ গৈ- ছিলো। লগে লগে চকু গৈছিল মালতীৰ উকা কপাল খনলৈ। এৰা, মালতীকতো মই কোনোদিনেই ফোঁট লোৱা দেখা নাই। তেন্তে.....? মুৰ তুলি দেখিছিলো মালতীয়ে মোলৈকে ৰ' লাগি চাই আছে। চকুত পানী। তাইৰ বুকুখন যেন অবুজ বেদনাত ভাঙি গৈছে। তাইৰ দুখ ক'ত মই বুজিছিলো। হয়তোবা তাইৰ পুতেকলৈ মনত পৰিছে। প্ৰসঙ্গ সলনি কৰিবৰ বাবেই মই তাইক কৈছিলো "বাৰু মালতী, তুমি ৰজনীক এদিনো আমাৰ ঘৰলৈ অনা নাই কিয়? নহ'লেবা এদিন মোকেই লৈ যাবাচোন তোমালোকৰ গাঁওখনলৈ। গাঁৱলৈ যাবলৈ মোৰ

খুউব ইচ্ছা হয় কেতিয়াবা। মোৰ কথা শুনি আচৰিত হৈ মোলৈ চাই ৰৈছিল মালতী। একো নোকোৱাকৈয়েই তাই সেইদিনা মোৰ কাষৰ পৰা লাহে-লাহে আঁতৰি গৈছিল...।

কিয় জানো, সেইদিনা মালতীলৈ মোৰ এটা বেলেগ মৰম সোমাল। তাইৰ যে মোৰ সমান এটা ল'ৰাও আছে সেই কথা মই মাক ক'ম বুলি ভাবিলো। মই ভাবিলো হয়তো বা মায়েও সেই কথা নেজানে। সেয়ে, সেইদিনা গধূলি ভাতৰ টেবুলত মই মালতীৰ কথা উলিয়াইছিলো। মাক কৈছিলো "এটা কথা মা, মালতীৰ গাৱঁৰ ঘৰত মোৰ সমান এটা ল'ৰাও আছে হেনো। মই মালতীৰ পৰা আজি বহুত কথাই উলিয়াই পেলালো। তাই চোন পুতেকক ঘৰলৈকে লৈ আহিব পাৰে...।" কথা শুনি কিয় জানো মা-দেউতা দুয়ো উচপ খাই উঠিছিল। মায়ে মোক ডবিয়াই কৈছিল — 'কি দৰকাৰ আছিল তোৰ সোণপোনা মালতীৰ লগত যা-তা কথা পতাৰ? চাকৰনীক চাকৰনী হিচাবেই থাকিবলৈ নিদিয় কিয়? আৰু কি কথা পাতিছিলি তাইৰ লগত? মাৰ কথা শুনি মই কিন্তু, উৎসাহেৰেই কৈছিলো — "বহুত কথাই পাতিলো মা। মই ৰজনীক আমাৰ ঘৰলৈ লৈ অহাৰ কথা কওঁতে" ......মোৰ কথা শেষ নৌ-হওঁতেই মা দেউতা দুয়ো চিঞৰি, উঠিল। মই ভয় পাই ৰৈ গৈছিলো। মোলৈ গভীৰ দৃষ্টি নিক্ষেপ কৰি আধা খোৱাকৈয়ে দেউতা উঠি গৈছিল। মায়ে মোক সেইদিনাৰ পৰা তাইৰ স'তে কথা পাতিবলৈ মানা কৰিছিল। মালতীকো মাতি আনি সাৱধান কৰি দিছিল। নিৰ্ব্বাক- নিস্তব্ধ হৈ মই সেইদিনা ভাতৰ টেবুলৰ পৰা উঠি গৈছিলো। দুখ আৰু হতাশাত মই শোৱা কোঠাত সোমাইছিলোগৈ। সেইদিনা বহুত ৰাতিলৈকে মোৰ টোপনি অহা নাছিল। বাৰে বাৰে মনলৈ এটা প্ৰশ্নই আহিছিল কিয় এনে হ'ল? মালতীৰ লগত কথা পতাত মোৰ দোষ কি? মালতীৰেই বা দোষ ক'ত? মালতীৰ পৰা মোক আঁতৰাই ৰাখিবলৈ মাহঁতৰ ইমান চেষ্টা কিয়?

ইয়াৰ অন্তৰালত কিবা ৰহস্য লুকাই নাইতো? হঠাতে মোৰ কাণত কিছুমান অস্পষ্ট কথাৰ টুকুৰা। কোঠাটোতেই দেউতা শোৱে। পৰিছিলহি মোৰ কাষৰ তাৰে পৰাই কথাবোৰ ভাহি আহিছিল। স্থিৰ হৈ মই। শুনিবলৈ চেষ্টা কৰিছিলো। বুজিছিলো মোৰ বিষয়েই দেউতাহঁতে কিবা আলোচনা কৰিছে।

দেউতাৰ মাতটো মই বুজিছিলো "তুমি তাক তাইৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিবা। মালতীকো সাৱধান কৰি দিবা যাতে তাৰ লগত মিলা-মিছা নকৰে। তাইৰ কোনো বিশ্বাস নাই। যিকোনো মুহূৰ্ত্ততেই তাক কৈ দিব পাৰে। সি জানিব লাগিলে বৰ দুখ পাব। কি কৰি পেলায় একো ঠিক নাই। মই তাক সোনকালেই গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা কৰিম। মাৰ মাতটোও মই বুজিছিলো— আপুনি একো চিন্তা নকৰিব। মালতীক মই সাৱধান কৰি দিছো। তাকো মানা কৰিছোঁ। সি যদি জানিব পাৰে যে, সি প্ৰকৃততে আমাৰ সন্তান নহয়, উদ্ ভগৱান! সি কিনো হৈ যাব মই ভাবিবই নোৱাৰো। তাক সোনকালে পঠাই দিয়ক। মালতীকতো আঁতৰাই পঠাবই নোৱাৰি। খঙত তাই কথাটো সদৰি কৰি দিব লাগিলে আমাৰ মান-ইজ্জত সকলো যাব।

আৰু মই শুনিব নোৱাৰিলো। মোৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। মোৰ জন্মৰ মাজত যে ইমান এটা ডাঙৰ ৰহস্য আছে মইতো নেজানিছিলো। মই তেন্তে কাৰ সন্তান? মোৰ মা-দেউতা তেন্তে প্ৰকৃততে কোন? এই কথা নিশ্চয় মালতীয়ে জানে। সেয়েহে মালতীৰ পৰা মোক আঁতৰাই ৰখাৰ ইমান চেষ্টা। আৰু মায়ে যে কলে 'মালতীকতো আঁতৰাই পঠাব নোৱাৰি।' ইয়াৰ কাৰণ কি? এইবোৰ প্ৰশ্নই মোক অস্থিৰ কৰি তুলিলে। গোটেই ৰাতি মোৰ টোপনি নাহিল। পাছদিনা কথাটো মালতীক সুধিবলৈকে স্থিৰ কৰিলো।

ৰাতি পুৱাল। আনদিনাৰ দৰে মই মা-দেউতাৰ ওচৰত সহজ হ'বলৈ চেষ্টা কৰিলো। কিন্তু নোৱাৰিলো। কিবা যেন এক বাধাৰ প্ৰাচীৰ আহি আমাৰ মাজত থিয় হ'ল। মালতীক এই বিষয়ে সুধিবলৈকে সুযোগ উলিয়াব নোৱাৰিলো। মা-দেউতায়ে মোক প্ৰতিটো মুহূৰ্ত প্ৰহৰীৰ দৃষ্টিৰে আবদ্ধ কৰি ৰাখিলে। মই মোৰ বাবে চিন্তা কৰা নাছিলো। ভয় আছিল মালতীৰ বাবে।

ইতিমধ্যে মোক গুৱাহাটীলৈ পঠোৱাৰ ব্যৱস্থা কৰা বুলিও শুনিবলৈ পালো। কিন্তু হঠাতে সকলো ওলট-পালট হৈ গ'ল। মায়ে হিয়া ঢাকুৰি কান্দিলে। ময়ো যেন কেউফালে আন্ধাৰ দেখিবলৈ পালো। মালতীয়েও তাইৰ কোঠাৰ দুৱাৰ বন্ধ কৰিৰ কেইবাদিনো উচুপি উচুপি কান্দিলে। মটৰ দুৰ্ঘটনাত দেউতা ঢুকাল। এজাক বা মাৰলীয়ে, যেন আমাৰ ঘৰখনক অৱশিষ্ট সুখ-শান্তিকণো উৰুৱাই লৈ

গ'ল। মা নিৰ্ব্বাক হৈ গ'ল। মালতীও যেন আগতকৈ বহুত বেছি গহীন হৈ গ'ল। মই মাথোঁ ধৈৰ্য্য ধৰিবলৈ চেষ্টা কৰিলো।

দিনবোৰ লাহে লাহে পাৰহৈ গ'ল। মা লাহে লাহে সুস্থিৰ হৈ আহিল। কিন্তু মালতী? মালতীৰহে মই অকণো পৰিবৰ্তন নেদেখিলো। দেউতাৰ মৃত্যুৱে তাইকহে যেন বেছি দুখ দি গ'ল। কোঠাৰ ভিতৰত মই কেইবাদিনো মালতীক গোপনে কন্দাও দেখিলো। ভাবিলো দেউতা তাইৰ আশ্ৰয়- দাতা আছিল বাবেই দেউতাৰ মৃত্যুত তাই ইমান দুখ পাইছে। হ'লেও দিনবোৰ যোৱাৰ লগে লগেই তাইৰ চকুৰ পানীবোৰো শেষ হৈ যাব। কিন্তু মালতীৰ কান্দোন আৰু বন্ধ নহ'ল। দুদিনমানৰ কাৰণে গাঁৱৰ ঘৰলৈ গৈ ঘূৰি আহি আকৌ হিয়া ঢাকুৰি কান্দিলে। দুদিনৰ জ্বৰতে ৰজনী ঢুকাল। মালতীৰ প্ৰতি সদায়েই কঠোৰ ব্যৱহাৰ কথা মায়েও সেইদিনা সান্তনা দি তাইৰ কান্দোন বন্ধ কৰিব নোৱাৰিলে। কেইবাদিনো তাই কোঠাৰ দুবাৰেই নুখুলিলে। যিদিনা তাই বন্ধ কোঠাৰ দুৱাৰ খুলি ওলাই আহিল - সেইদিনা তাইক দেখি মই স্তব্ধ হৈ গৈছিলো। তাই যেন বহুত সলনি হৈ গ'ল। তাইৰ বয়স যেন আৰু ১০ বছৰ আগুৱাই গ'ল। কোঠাৰ পৰা ওলায়েই মোক দেখি সাৱটি ধৰি হুক্- হুকাই কান্দিলে।

সোণপোনা, ৰজনী কলৈ গ'ল সোণপোনা? মোৰ এয়া কি হ'ল? মইযে সকলো হেৰুৱাই পেলালো সোণপোনা, সকলো হেৰুৱাই পেলালো। মই........."মালতীৰ কথা শেষ হ'বলৈ নেপালে। হঠাতে মা আহি সেই ঠাইত উপস্থিত হ'লহি। মালতীয়ে কথা বন্ধ কৰিলে যদিও মোক সাৱটি ধৰি কান্দিয়েই থাকিল। কিছুপৰ নিৰ্ব্বাক নিস্তব্ধ হৈ মায়ে দৃশ্যটো চাই থাকিল। মই ভয় খাইছিলো। কিন্তু, হঠাতে মায়েও মালতীৰ গাত ধৰি হুক্কাই কান্দিবলৈ ধৰিলে। মই আচৰিত হৈ কি কৰিম কি নকৰিম ভাবোঁতেই মায়ে মোক কলে — "তয়ো কান্দ। সোণপোনা তয়ো কান্দ। তইযে তোৰ নিজৰ ককায়েৰক হেৰুৱালি। আৰু মই... ময়ো মোৰ নিজৰ সন্তানকেই হেৰুৱালো। কান্দ সোণপোনা.....।" — মাৰ কথাশুনি মই অবাক বিস্ময়ত চিঞৰি উঠিলো "তুমি এয়া কি কৈছা মা? মইযে এইবোৰ একোকে বুজি পোৱা নাই। মোক সকলোখিনি খুলি কোৱা মা!" — মায়ে কিন্তু সেইদিনা একোকে কোৱা নাছিল মোক। অব্যক্ত বেদনাত মই দিনবোৰ

কিবাকৈ কটাব ধৰিলো। ৰাতি মোৰ টোপনি নাহে। গভীৰ নিশা মালতীৰ উচুপনিবোৰে মোৰ টোপনি ভাঙি দিয়েহি। হয়তো মাৰো। সুধিম সুধিম বুলি ভাবিও মই মাক একোকে সুধিবলৈ সাহ কৰা নাছিলো। কিন্তু এদিন মোৰ ধৈৰ্য্যৰ বান্ধ ছিগি গ'ল। সেইদিনা ৰাতি মালতীয়ে উচুপি উচুপি কৈছিল। "তেখেতৰ আত্মাক শান্তি দিয়া, প্ৰভু! আক ৰজনী......" কথাষাৰ শেষ কৰিব নোৱাৰি মালতীয়ে বেছিকৈ উচুপিছিল। সেইদিনা ৰাতিপুৱাই মই মাক কথাটো সুধিবলৈকে স্থিৰ কৰিলো।

..... মোৰ কথা শুনি মা কিছুপৰ নিস্তব্ধ হৈ ৰ'ল। মই ভাবিছিলো মায়ে কান্দিব। নেকান্দিলে। কিছুসময়ৰ পিছত মায়ে লাহে লাহে কৈ গৈছিল সেই গোপন অভিশপ্ত কথাটো "ৰজনী তোৰেই ককায়েৰ সোণপোনা। আৰু মালতী। মালতীও তোৰ মাৰেই। তোৰ জন্মৰ আগতেই ৰজনীৰ জন্ম হৈছিল। কিন্তু পৰ-চৰ্চ্চাৰ ভয়ত আৰু নীচ- বংশৰ দুখীয়া মালতীক বিয়া কৰাবলৈ কুণ্ঠাবোধ কৰি দেউতাৰে মালতীক গোটেই জীৱন পোহ-পাল দিয়াৰ ভাৰ ল'লে। কিন্তু এটা সৰ্ত্ত। সেই সৰ্ত্ত হ'ল তোকে মালতীয়ে কেতিয়াও ক'ব নোৱাৰিব আৰু ৰজনীক কেতিয়াও কোনোদিন আমাৰ ঘৰলৈ আনিব নোৱাৰিব। তোৰ আৰু ৰজনীৰ চেহেৰাৰ আচৰিত মিল আছে। এইবোৰ কাৰণতেই মালতীক তোৰ পৰা আঁতৰত ৰাখিবলৈ ইমান চেষ্টা কৰিছিলো সোণপোনা। কিন্তু মোৰ ভুল ভাঙি গ'ল। মালতী প্ৰকৃততেই খুব ভাল তিৰোতা। আমাৰ পৰা পোৱা ইমানবোৰ কষ্ট সহ্য কৰিও তোৰ পৰা সকলো কথা লুকুৱাই ৰাখিলে। সেইবাবে দেউতাৰৰ আত্মাই মৰণৰ পিছতো শান্তি পাইছে। কিন্তু, এদিন দেউতাৰে মোক কৈছিল — "মই মৰাৰ পিছত সকলো কথা তাক খুলি ক'বা। সেইদিনা সোণপোনাই মোক অভিশাপ দিয়ে পুতৌ কৰে যি কৰে কৰিব। মোৰ এই ভুলৰ বাবে সোণপোনাক মই কেতিয়াও শান্তি দিব নোখোজো।" আৰু সেইবাবেই মই আজি তোৰ আগত, সকলো কথা খুলি কলো সোণপোনা।

মাৰ কথা শুনি অবাক বিস্ময়ত থৰ হৈ গৈছিলো। কিন্তু প্ৰকৃততে মই কাৰ সন্তান? সেই কথাতো মায়ে মোক নকলে। এই কথা কিন্তু মই মাক সুধিবই লাগিব — "কিন্তু মা, এটা কথা তুমি নকলা। দেউতাৰ ভুলৰ বাবে আজি মোৰ

কোনো আক্ষেপ নাই। মানুহ মাত্রে ভুল হয়েই। কিন্তু -এটা কথা, তুমি মোক কোৱা মা মই প্ৰকৃততে কাৰ সন্তান? মই জানো মই.....। "মোৰ কথা শেষ হ'বলৈ নৌপাওঁতেই মায়ে চিঞৰ মাৰি দিছিল। হয়তোবা মই এই নিষ্ঠুৰ সত্যটো জানো বুলি মায়ে নেজানিছিল। কিবা এটা ভয়ত যেন মা ঠক্ ঠক্কৈ কঁপিছিল। "তই তই এইবোৰ কি কৈছে সোণপোনা? তইতো মোৰেই ল'ৰা। তোক এইবোৰ মিছা কথা কোনে কৈছে? মালতীয়ে? তাই......।" মাৰ কথা শেষ হ'বলৈ নিদি মই বালৰিকৈ কৈ উঠিছিলো— "নহয় নহয় মা, তুমি মিছাতে মালতীক ভুল বুজিছা। মই এইবিলাক কথা তোমালোকৰ পৰাই শুনিছিলো। " মা উচপ খাই উঠিছিল। ইমান পৰে সুস্থিৰ হৈ থাকিবলৈ চেষ্টা কৰা মায়ে এইবাৰ হুকহুককৈ কান্দি নিজৰ কোঠালৈ দৌৰি গ'ল আৰু কোঠাত সোমাই দুৱাৰ বন্ধ কৰি দিলেগৈ। মই লাহে লাহে আঁতৰি আহিছিলো। মূৰটো যেন ঘূৰাইছিল। কোঠাত সোমাই ময়ো দুৱাৰ বন্ধ কৰি দিছিলো। নানাবোৰ চিন্তাই মোৰ মনত খেলি-মেলি লগাইছিল। সকলোবোৰ কথা মায়ে মোক নিসংকোচে কলে, কিন্তু এইষাৰ কথা কিয় লুকালে? নে মায়ে নিজৰ অযোগ্যতাৰ কথা প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰিলে?

দিনবোৰ লাহে লাহে পাৰ হৈ গ'ল। কিন্তু, আমাৰ ঘৰখনৰ পৰিস্থিতিৰ কোনো পৰিবৰ্ত্তন নহ'ল। সুস্থিৰ হৈ আহিব ধৰা মা আকৌ ভাঙি পৰিল। আৰু মালতী? মালতীক দেখিলে মোৰ বুকুখন বিষাই উঠে। দিনত সুস্থিৰ হৈ কামবোৰ কৰি যাবলৈ চেষ্টা কৰা মালতীয়ে প্ৰতি নিশা উজাগৰে উচুপি উচুপি কান্দে। প্ৰতি নিশা মালতীৰ উচুপনিবোৰে মোৰ টোপনি ভাঙি দিয়েহি। গভীৰ নিশাৰ গভীৰ নিস্তব্ধতাখিনি মালতীৰ উচুপনিয়ে থান্-বান্ কৰি দিয়ে।

"হে প্ৰভু!" মালতীৰ অস্ফুট স্বৰত মোৰ চিন্তাৰ আঁতডাল ছিঙি গৈছিল। মোৰ কাষৰ কোঠাটোত তেতিয়াও মালতীয়ে উচুপি উচুপি কান্দি আছিল। ঘড়ীটোলৈ চাই দেখিলো ৰাতি পুৱাবলৈ আৰু আধা ঘণ্টামানহে বাকী। খিৰিকিখন খুলি পূৰ্বৰ ৰঙচুৱা আকাশখনলৈ চাই চাই মই ভগৱানক খাটিছিলো — "মালতী মোৰ যিয়েই নহওক, তাইক অলপ শান্তি দিয়া, প্ৰভু!"□□

# এটি হুমুনিয়াহ অশ্রুসিক্ত বেদনাৰ

মিচ মৃদুলা দত্ত

কি বিকট হাঁহি। হোঁ হোঁ, চেওঁ চেওঁ কৰা, এই ভয়ঙ্কৰ হাঁহিয়ে যেন আকাশ পাতাল কঁপাই তুলিব। প্ৰকৃতিৰ এই ভয়ঙ্কৰ অট্টহাস্য। বতাহৰ গতি ক্ৰমে বাঢ়ি যাব ধৰিছে। কি যে মহা দুৰ্যোগ। ৰে'লৰ প্লেটফৰ্মৰ এটা অৱহেলিত চুকত পৰি আছে ধন। জীৱনৰ যুঁজত সি ভাগৰি পৰিছে। নাই, তাৰ একো নাই। সি সকলো হেৰুৱাইছে। কালৰ নিষ্ঠুৰ বতাহে তাৰ পৰা সকলো কাঢ়ি নিছে। তাৰ মনত আছে। লুইতৰ বলিয়া বানে যেতিয়া তাহাঁতৰ সাতামপুৰুষীয়া জুপুৰিটো উটুৱাই নিছিল, সিহঁতে কলৰ ভূঁৰত পথাৰৰ মাজত থকা ওখ টিলাটোৰ ফালে গৈ থাকোঁতে মাকৰ কোলাৰ পৰা চকুৰ আগতে যেতিয়া তাৰ মৰমৰ জোনালী ভনীজনী পানীত সৰি পৰিছিল। বাপেকে বলিয়াৰ দৰে পানীত জাপ দি লুইতৰ বুকুত নিচিহ্ন হৈ গৈছিল। বাকী ৰ'ল-মাত্ৰ সি আৰু তাৰ দুৰ্ভগীয়া মাক কলীবাই।

কিছুদিনৰ পিছতে ধন আৰু মাক কলীবাই সোণাপুৰ গাঁৱলৈ উঠি গৈছিল। বুঢ়ীয়ে বাৰীতে হোৱা দুই এপদ বস্তু বিক্ৰী কৰি কোনো ৰকমে খাই বৈ জীয়াই আছিল। লাহে লাহে ধন ডাঙৰ হৈ আহিবলৈ ধৰিলে আৰু ওচৰৰ ৰতন, যদু, মদনহঁতৰ লগত স্কুললৈ যাবলৈ ধৰিলে। মাকে সকলো কিতাপ যোগাৰ কৰি দিব নোৱাৰিলেও দুই এখন কিতাপ গোটাই দিছিল। এই দৰে প্ৰত্যেক বছৰে পাছ কৰি এদিন সি পঢ়াশালিৰ শেষ পৰীক্ষা দিলে আৰু সেই স্কুলৰ পৰা প্ৰথম স্থান লৈ চহৰৰ স্কুললৈ যাবলৈ ওলাল।

কিন্তু কলীবাইৰ মনত বহুত চিন্তা হ'ল। তাই এতিয়া ইমানবোৰ পইচা পায় ক'ত। তথাপিও ওচৰৰে তাৰ সম্বন্ধীয় দদায়েক এজনৰ পৰা টকা ধাৰলৈ লৈ হাইস্কুলত নামটো লগাই দিলে। তথাপিও ধনে সদায় স্কুলত থাকিব নোৱাৰে। কাৰণ কেতিয়াবা তাঁহাতৰ এসাজ খাবলৈকো নেথাকে। তেতিয়া ঘৰতে পেট-পেলাই থাকিব লগীয়া হয়। সি প্ৰায়ে প্ৰধান মহাশয়ৰ পৰা নানা কৰ্কথনা শুনিব লগীয়া হৈছিল। প্ৰধান মহাশয়ে ইয়াকো কৈছিল যদি স্কুলত পঢ়িবৰ ক্ষমতা নাই, স্কুললৈ নহাই ভাল। তাৰ মনত সিদিনা খুউব দুখ লাগিছিল।

গাঁৱৰ ৰাইজে 'সোণালী শইচৰে ভৰা পথাৰ দাই নিকা কৰি ঘৰে ঘৰে ন-ধানেৰে ভাত খালে' কিন্তু ন-খোৱা নহ'ল কলীবাই আৰু ধনৰ। পুহ মাহৰ হাড় কঁপোৱা জাৰ মাক পুতেকে এখন ফাটি উৰলি যোৱা কম্বলেৰে পাৰ কৰি দিলে। অৱশ্যে ঠাণ্ডা কি সিহঁতে বহুত আগতেই পাহৰি গৈছিল। লাহে লাহে মাঘ বিহুটোও ওচৰ চাপিলহি গাঁৱৰ ৰাইজে মিলি উৰুকাৰ দিনা মেজি ভোজ খাবলৈ মনস্থ কৰিলে। ভোজত টকা পইচাৰ আৱশ্যক হোৱাত গাঁওবুঢ়াই যেয়ে যি পাৰে দুই চাৰি টকা দিবলৈ কোৱাত ধনহঁতৰ ঘৰ আৰু বাকী দুই এঘৰৰ বাদে সকলোৱে দিলে। বিহুৰ বাবে ডেকা, বুঢ়া, ল'ৰা-ছোৱালী সকলোৰে মনত ফুৰ্তি, কিন্তু নাই ধন আৰু কলীবাইৰ। কাৰণ সিহঁতে চান্দা দিব নোৱাৰিলে। ভোজৰ দিনা আনবোৰৰ দৰে ধনেও বাৰীৰে মূলা কেইটামান লৈ গৈছিল। মূলা কেইটা নিয়া দেখি লগৰ কিছুমানে ফিচিঙা-ফিচিও কৰি ইতিকিং কৰিবলৈ ধৰিলে। ধন যেতিয়া আহি ক্ৰমে মেজিৰ ওচৰ পালেহি, তেতিয়া গাঁৱৰে কেইজন মানে চান্দা নিদিয়াৰ বাবে নানা অকথ্য বাক্যৰে মৰ্মাহত কৰিলে। চান্দা নিদিয়াৰ বাবেই যে তাৰ আৰু মাকৰ স্থান নাই সেই কথা জানি তাৰ অন্তৰত বৰ আঘাত লাগিল আৰু অহা বাটেৰেই ঘূৰি আহিল। সেইদিনা ৰাতি মাক-পুতেকে নিমখ তেলেৰে এমুঠি খাই শোৱা পাটিলৈ গ'ল। কিন্তু ধনৰ টোপনি নাহিল। ইফালে মেজি ঘৰত উখল মাখল লাগিছে। ধনে মনৰ দুখত লগৰীয়াৰ সতে আনন্দ কৰিবলৈ নাপাই চকুৰ লোতকেৰে গোটেই গা তিয়াই দিছিল। পিছদিনা ধনে ৰাতিপুৱা উঠি গা পা ধুই নিয়মমতে মাকৰ পদযুগলত প্ৰণিপাত কৰিলে আৰু মাকেও আৰ্শীবাদ দিলে যাতে সি পঢ়ি শুনি ডাঙৰ মানুহ হয় আৰু সুখ আৰু আনন্দত দিন নিয়াব পাৰে।

এইদৰে দিনবোৰ অতীত হৈ যাবলৈ ধৰিলে। লাহে লাহে ধনৰ বছৰেকীয়া পৰীক্ষা ওচৰ চাপি আহিল কিন্তু সি ভালদৰে পঢ়াই নাই। ৰাতিপুৱাৰ সময়ত দুই এটা কাম মাকক কৰি দিওঁতেই যায়। তাত সি দুমাইল নিলগত থকা চহৰলৈ পঢ়িবলৈ যায়। স্কুলৰ পৰা ভাগৰে জোগৰে আহি টিপ চাকিৰ পোহৰত পঢ়িবলৈ লয়। কিন্তু পঢ়াৰ লগে লগে তাক টোপনিয়ে হেঁচা মাৰি ধৰে। ধনে দেখিলে তাৰ পৰীক্ষালৈ চাৰি দিনহে বাকী আছে। গতিকে সি ভালদৰে পঢ়া-শুনাত মন

দিবলৈ ধৰিলে। এটা দুটাকৈ দিনবোৰ পাৰ হৈ গ'ল ধনৰ পৰীক্ষাও শেষ হ'ল।

দুই এদিনৰ পিছতে ধনৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। ধনৰ লগৰ প্ৰায়েই পৰীক্ষাত উত্তীৰ্ণ হ'ল কিন্তু ধনেহে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে। সি মনত বৰ আঘাত পালে, আৰু সেইদিনাৰ পৰা পঢ়াশুনাও বাদ দিলে। গাঁৱলৈ আকৌ বসন্ত আহিল। বসন্তৰ পৰশত গছ-লতা পাহাৰ ভৈয়াম সকলো আনন্দত উঠলি উঠিল। কুলি কেতেকীৰ মোহনীয় মাতত ভোল গ'ল, গাঁৱৰ ডেকা-বুঢ়া, মনৰ আনন্দত সকলো উত্ৰাবল হৈ পৰিছে। ৰঙালী বিহুৰ আনন্দত মতলীয়া হৈ হাতত ঢোল পেঁপা লৈ গাঁৱৰ ডেকাও ওলাই আহিল। গাঁৱৰ জীয়ৰী বোৱাৰীহঁতে তাঁতত ফুলাম গামোছা সামৰি থলে। উৰুকাৰ দিনা মনোহঁতৰ ঘৰত কলীবাইক ঢেকীত চিৰা খুন্দিবলৈ মাতিলে। কলীবাই গ'ল। নানা আনন্দেৰে হাঁহি ধেমালি কৰি ঢেকী দি থাকোঁতে হঠাৎ এটা চাব কলীবাইৰ হাতত পৰিল আৰু হাতখনৰ অৱস্থা শোচনীয় হ'ল। লগে লগে মনোৰ মাকে বনদৰব এসোপা আনি কলীবাইৰ হাতত বান্ধি দিলে। কিন্তু কলীবায়ে যন্ত্ৰণাৰ একো উপশম নাপালে মনোৰ বাপেকে কলীবাইৰ চিকিৎসাৰ বাবে কুৰিটা টকা দিলে। ধনে এই পইচাৰে প্ৰাথমিক চিকিৎসা কৰালে। কিন্তু কোনো ফল নিদিলে। লাহে লাহে অৱস্থা বেয়াৰ ফালে ঢাল ললে। কলীবাইৰ সেই হাতখনৰ পৰা এটা অন্য অসুখ হৈছে বুলি চিকিৎসকে কলে। ধনৰ মনত নানান চিন্তাই বাঁহ ললে। মনোৰ বাপেকে দিয়া টকা কেইটাও শেষ হল।

এদিন সি দেখিলে মাকৰ জ্বৰ বেছি হৈছে। সি ভয়ত আতুৰ হৈ গাঁৱৰ মানুহক সহায়ৰ বাবে হাত আগবঢ়ালে। কিন্তু কোনেও তাক সহায় নকৰিলে। সি তেতিয়া উপায় বিহীন হৈ মাকৰ ওচৰলৈ ঘূৰি আহিল। গোটেই নিশা সি মাকৰ ওচৰত বহি থাকিল। পুৱতি নিশা মাকৰ জ্বৰ বেছি হ'ল। আৰু সেই জৰৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি মাকৰ মৃত্যু হ'ল।

ধনে কান্দি কাটিও মাকক ঘূৰাই নাপালে। এটি কৰুণ হুমুনিয়াহ তাৰ মুখৰ পৰা ওলাই আহিল। চকুত জিলিকি উঠিল দুটোপাল চকুপানী।

□□□

# স্বপ্ন

পূৰবী ৰাজগুৰু

এক প্ৰলয়নকাৰী ধুমুহা। আকাশখনৰ কোনোবা এটা প্ৰান্তৰৰ নীলা ৰংটো নাইকিয়া হৈ গৈছে। সেই সুদূৰ প্ৰান্তৰৰ পৰা ক্ৰমশঃ আগবাঢ়ি আহিছে কাৰো ইচ্ছা-অনিচ্ছালৈ ভ্ৰূক্ষেপ নকৰি এজাক বৰষুণ। মাজে-মাজে কাণতাল মৰা মেঘৰ গাজনি.....। যেন গোটেই পৃথিবীখন শব্দত কঁপি উঠিছে.....। এক অবৰ্ণনীয় আতংকত।

আলিবাটটোত মানুহবোৰে বিৰাট এক কোলাহল কৰি দৌৰিছে, দৌৰিছে ...... মাথো দৌৰিছে.......। দৌৰোঁতে লক্ষ্য কৰিছিলো মানুহবোৰৰ বহুতো পৰিছে, বহুতেই মানুহৰ গচকত মৰণাতান্তিক যন্ত্ৰণাত আৰ্তনাদ কৰিছে। ....... বৈ কাৰণটো জানিবৰ চেষ্টা কৰিলো.......। এনেতে হঠাৎ ....... কাণত পৰিল এক বিকট শব্দ। "সেইটো গুলি মৰাৰ শব্দ," নিজেই নিজকে ক'লো। তাৰ মানে ময়ো দৌৰিব লাগিব।

মানুহবোৰৰ মাজে মাজে ময়ো দৌৰিবলৈ আৰম্ভ কৰিলো। দৌৰিছো, মাথো দৌৰিছো। কিয়, কলৈ মই নেজানো। অনুভৱ কৰিছিলো চিঞৰ-বাখৰবোৰ যেন ক্ৰমাত কৰি আহিছে....... হয়তো মানুহবোৰে গুলিবোৰ বুকুৰ মাজত সুমুৱাই আলিটোৰ ওপৰতে নিতাল মাৰিছে। মোৰ বুকুখন যেন কঁপিব ধৰিছে ....... আগতকৈও বেগাই দৌৰিছো। দৌৰোতে-দৌৰোতে মোৰ ভাগৰ লাগিছিল। তথাপিও যাবই লাগিব। হঠাৎ লক্ষ্য কৰিলো মোৰ সমস্ত মাংস গাৰ পৰা ক্ৰমাৎ খহি গ'ল। মাথোঁ আছেগৈ হাড়ৰ সমষ্টিৰ জকাটো আৰু মৃতপ্ৰায় প্ৰাণটো.......। বেকা-বেকি, পাহাৰ-ভৈয়াম সকলো ক্ৰমাত অতিক্ৰম কৰি গৈ আছো। কিমান সময়ৰ পাছত নেজানো কিন্তু জানো যে বহু সময় হৈ গ'ল। চকুত পৰিল এটা টিলাৰ ওপৰত বৃহৎ চৌহদেৰে এটা কেইবা খলপোৰা ঘৰ। ঘৰটোৰ গেটখনত লিখা আছে "শান্তি সন্মিলন।" পঢ়ি লৈ ভাবিলো- "ইয়াতেই হয়তো নিৰাপত্তা পাম।" ঘৰটোত প্ৰৱেশ কৰিলো। বাহিৰৰ পৰা একো নেদেখি। সোমাই যোৱা

পদূলীটোত কিছুমান ফুলা- নুফুলা ফুলৰ গছ। বেছ ধুনীয়া। আগবাঢ়ি গ'লো মই।

কিন্তু ই কি? যিমানেই আগবাঢ়ি ঘৰটোৰ খলপাবোৰ অতিক্ৰম কৰিছো 'সিমানেই যেন মোৰ জকাটোৰ বুকুৰ কামিহাড়বোৰৰ উঠা-নমা বাঢ়ি গৈছে। একেবাৰে ওপৰৰ মহলাত উঠাৰ লগে লগে মোৰ চকু দুটা ডাঙৰ হৈ গ'ল। এটা কোঠাত দেখিলো এজন নেতা সদৃশ লোক চকী এখনত বহি কিছুমান নথি পত্ৰত স্বাক্ষৰ কৰিছে। মেজখনৰ সন্মুখত লিখা আছে 'অধ্যক্ষ' আন এটা কোঠাত মনে মনে খিৰিকিৰে ভুমুকিয়াই দেখিলো এজন শিষ্ট-পুষ্ট লোকে বহুতো ব্যক্তিক শিক্ষা দান কৰিছে। বেৰত কাণ পাতি শুনিছো। কিন্তু কি শুনিছো? শিক্ষকে দেখোন ছাত্ৰক, শিলগুটিৰ পৰা চাউল, দাইল বনোৱা, ঔষধৰ বটলত বিশুদ্ধ পানী ভৰোৱা ইত্যাদি ভেজাল ব্যৱসায়ৰ বিষয়েহে কৈছে...। লাহে লাহে মই তাৰ পাছৰ কোঠাটোৰ ওচৰলৈ আগবাঢ়িলো। তাত আৰু আচৰিত হৈ গ'লো। কেইবাজনো ব্যক্তিয়ে হাতত সুৰাৰ পিয়লা লৈ অৰ্ধ-উলংগ হৈ নাচিছে। সন্মুখত বৈ আছে কিছুমান নাৰী...। নাৰী কেইজনীয়ে ব্যক্তি কেইজনৰ ভৰিত পৰি পৰি কান্দিছে.......। লগে লগে এজন মোচাল, শক্ৰত-আৰত, অসুৰাকৃতিৰ মানুহে হাতত চাবুক লৈ নাৰী কেইগৰাকীক প্ৰহাৰ কৰিছে। বুজিবলৈ বাকী নাথাকিল যে এইয়া সতীত্ব হৰণৰ দাবী.......। মই থিৰেৰে থাকিব নোৱাৰিলো। প্ৰতিবাদত চিঞৰি চিঞৰি বন্ধ দুৱাৰখনত ঠেলা মাৰিলো। কিন্তু, কিন্তু মোক সেই চাবুকধাৰী মানুহটোৱে ওপৰৰ পৰা তললৈ পেলাই দিলে। তললৈ চকু যোৱাত দেখিলো কিছুমান 'মেহেদ,' মানে 'কবৰ', সমাধি। যিমানেই তললৈ নামি আহিছো সিমানেই বুকুখন ন্যায়ৰ দাবীত শক্তিশালী হৈ উঠিছে। সেই শক্তি ন্যায়ৰ, প্ৰতিবাদৰ। তলত পৰাৰ লগে লগে মোৰ সমস্ত জকাটো ভাঙি চুৰমাৰ হৈ গ'ল। মই সশব্দে কান্দি উঠিলো। কিন্তু তাৰ মুহূৰ্ততে এজাক জনতাই সেই ঘৰটোলৈ সোমাই আহিল। মই চিনি পালো। মোৰ লগত দৌৰা সেই মানুহবোৰ। লগে লগে ভাগি যোৱা শৰীৰটো পুনৰ লগ হৈ গ'ল। মই অনুভৱ কৰিলো মোৰ হাতৰ মুঠিটো আগতকৈও কঠিন হৈ গ'ল। কবৰটোৰ পৰা কিছুমান জীৱন্ত কংকালে চিঞৰি উঠিল.......। "তোমালোকে আমাক মুক্তি দিয়া।" মই থিয় হ'লো। সোমাই অহা মানুহবোৰৰ

মাজৰ পৰা এগৰাকী বৃদ্ধা আগবাঢ়ি আহিল। মই চিনি পালো, বৃদ্ধাৰ নাম 'অসমী'। বৃদ্ধাগৰাকীয়ে মোক এখন তেজৰ চেকা লগা তৰোৱাল হাতত দি সন্মুখৰ ঘৰটোলৈ আঙুলিয়াই দেখুৱালে। ঘৰটোৰ একেবাৰে ওপৰত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে "ৰাষ্ট্ৰমন্ত্ৰ"। মই পুনৰ দৌৰি ভিতৰলৈ সোমাই গলো। মোৰ পাছে পাছে মানুহবোৰ.......। মই এফালৰ পৰা ঘৰটোৰ সকলো ভাঙি গ'লো। শেষত সোমালোগৈ সেই অধ্যক্ষৰ কোঠাত। মই একা বিকট চিঞৰ মাৰি তৰোৱালখন অধ্যক্ষৰ পেটত সুমুৱাই দিলো.......।

মোৰ চিঞৰত সকলো সাৰ পাই গ'ল। মইয়ো উঠি আহি দুৱাৰ মুখ পালোহি। তেতিয়া মোৰ কাষৰ কাৰাগাৰৰ অধ্যক্ষৰ কোঠাৰ ঘড়ীত নিশা ১ (এক, বজাৰ ঘণ্টা মাৰিছে) আনটো কোঠাৰ লগৰীয়া কয়েদি খৰ্গেশ্বৰে চকু মোহাৰি মোহাৰি সুধিলে.... কিয়? 'কি হ'ল তোৰ দীলিপ'। এনেকৈ চিঞৰিছ

কোনে, মই, .......'অ' এনেয়ে এটা সপোন দেখিছিলো।

যা-যা শুই থাকগৈ।

নাই অ' খৰ্গেশ্বৰ, "যাৰ বাবে এই দীৰ্ঘদিন আমি কাৰাগাৰত বন্দী হৈ আছো, সেই স্বপ্ন আজিও আঁতৰি যোৱা নাই।

কথাষাৰ কৈয়ে মই পুণৰ বিছনা নামৰ পকা টুকুৰালৈ উঠি গ'লো...। বাহিৰত যথেষ্ট ঠাণ্ডা পৰিছিল যদিও, মই ভিতৰি ভিতৰি খুউব ঘামিছিলো।

□□□

# মই গেটৰ বাহিৰত

ৰীতা দত্ত

লুটিয়াই আছিলো ফাইল এটা। হালধীয়া ক'ভাৰটো। ফাইলটো পথালিকৈ বান্ধি থোৱা ৰচীডাল ভৰি দুটাৰ কাষতে পৰি আছিল। ফাইলটো বন্ধ হৈ থকা অৱস্থাত চালে তাত যেন অতি মূল্যবান কাগজ-পত্ৰহে আছে এনে লাগিব। কিন্তু তাত কি আছে- তাক একমাত্ৰ মোৰ বাদে আন কোনেও এই কথা নাজানে। শাওণ,ভাদ মাহ হ'ব। জাকে জাকে চিপ- চিপিয়া বৰষুণ। বাহিৰলৈ ওলোৱাৰ প্ৰশ্নই নুঠে। তাতে ফেৰফেৰীয়া বতাহ। গাত কাপোৰ লৈ শুই থকাৰ বতৰ। পুৱাতেই হ'কাৰটোৱে বাৰাণ্ডাতে পেলাই যোৱা বাতৰি কাকতখন দাদাৰ কোঠাতে আছে নেকি? ফাইলটো থকা ঠাইতে এৰি দাদাৰ কোঠালৈ সোমাই গ'লো। কাষতে সি শুনাকৈ টেপ্‌টোত পাশ্চাত্য সংগীত বজাই নাকেৰে ঘূৰঘূৰাই সিয়োঁ শুই আছে ডানলপৰ উম লৈ। সাৰে আছো মাত্ৰ মই। ইমান বতাহতো যেন মোৰ উশাহ ল'বৰ জোখাৰে বতাহৰ অভাৱ হৈছে। দেউতা আৰু মাৰ দৰে মোৰ তথা দাদাৰ কোঠাও আচুতীয়া। তেখেতসকলক মই নাই দেখা যদিও জানিছো- মায়ে চাগে' বৰুৱানীৰ ঘৰত কথাৰ মহলা মাৰিছেগৈ বা দেউতাই দামী চোফাৰ মাজত কমদামী মনটো সোমোৱাই নিজৰ কোঠাত টকাৰ হিচাপ কৰি আছে। হাতত কিবাকিবি এপদ-দুপদ বস্তু লৈ তেওঁৰ কোঠালৈ অহা মানুহহো জানো গণনা কৰা সহজ?

লুটিয়াই আছিলো ফাইলটো। খিড়িকীৰে ফেৰফেৰীয়া বতাহজাক সোমাই মই আঁৰি ওলোমাই থোৱা ছবি কেইখন কঁপাই তুলিছিল কঁপাই দিছিল মোৰ কপালৰ আগৰ চুলি কেইডাল ইমান 'ঠাণ্ডাতো মই ঘামিছিলো নেকি। বতাহজাক ঘামত যেন লাগি ধৰিছিল, মই কঁপিছিলো কিজানি। ফটো কেইখন লৰোতে মোৰ ফাইলৰ মাজত থকা "পাতবোৰ লুটিয়াওঁতে হোৱা শব্দবোৰৰ দৰেই খৰ্‌মৰ্‌ কৰিছিল। আকাশখন গোমা। ভৰ দুপৰীয়া, তাতে পাৰ চৰাই কেইটাই বান্ধ দি পৰিবেশটো ভাবিব নোৱাৰাকৈ গহীন কৰি দিছিল।

ফাইলটোৰ বাহিৰখন দেখি যি ধাৰণা হয়, ভিতৰখন দেখিলে কেতিয়াও তেনে ধাৰণা নহয়, অৰ্থাৎ কৰিবই নোৱাৰি। এই উপমাটো যেন মোৰ ঘৰখনৰ লগতহে তুলনা কৰিব পাৰি! ৰিজাই চাবৰ মনো গৈছিল। কিন্তু - সেই ভাৱবোৰৰ পৰা মনটো আনি গম আঠাৰ দৰে ফাইলটোত জোৰকৈয়ে লগাই দিলো।

ঘৰখনৰ আটাইবোৰ পঢ়া-শুনা কৰা মানুহ হ'লেও ক'তো ফটা কাগজ এখিলাও পাবলৈ নাই। ঘৰখনত সৰু ল'ৰা ছোৱালী এটাও নাই। মোৰো পঢ়া-সামৰা প্ৰায় এবছৰেই হ'ল। সেয়ে মাজে মাজে বজ্‌লুৱে ডাষ্টবিনৰ পৰা দুই এটুকুৰা কাগজ দিয়ে। বজ্‌লু আমাৰ ঘৰৰ কাম কৰা ল'ৰা। কেতিয়াবা মোৰ চিগাৰেট বান্ধি অনা কাগজেৰেই মোৰ কাম চলি যায়।

ফাইলটো মেলিয়েই চকুত পৰা কাগজখিলা আছিল মোৰ চিগাৰেটৰ বাকলি। তাত লিখা আছিল কেইটামান টুকুৰা কবিতা। কিছুমান সংগ্ৰহ কৰা, কিছুমান স্ব-ৰচিত। কেতিয়া জানো লিখিছিলো। অসম আন্দোলনৰ সময়তে হ'বলা। আজিকালি ভাল নলগা হৈছে এইবিলাক। নিজে চৰকাৰ পাতিলো তেজ পানী কৰি দিলো — কিন্তু আজিলৈকেতো একোৱেই নেপালো? সেইখিলা লুটিয়াই দিলো। দ্বিতীয় খিলাত কোনোবা "নাম নজনা কবিৰ কোনোবা কাবিতাৰ এফাঁকি লিখা আছে ঃ

"জীৱন মানেই আশা,

মৃত্যুৰ চকুতো জ্বলে জিজ্ঞাসা" — আকৌ লুটিয়াই দিলো পাতখিলা। তাত হীৰেন ভট্টৰ কবিতা ফাঁকি আছিল ঃ "দেশ বুলিলে আদেশ নেলাগে"... তৃতীয় পাতখিলাত মোৰ দুফাঁকি মান, সৰু সৰু কবিতা কেইটামান লিখা

আছে ঃ

“মোৰ কাপৰো কামোৰো মূৰ,
নিয়ে বতিয়াই দুখৰ সুৰ;
নিগৰে নীৰবে অভাৱ, অশ্রু, বিপ্লৱ আদি
শব্দ কিছুমান,
মোৰ কাপৰ বুকু ভঙা গান”
এনেদৰেই মগ্ন হৈ আছিলো।

বতাহত চিট্‌কানি নলগোৱা খিড়িকীৰ পাত এটা শব্দ কৰি হঠাৎ বন্ধ হৈ গ'ল। বন্ধ হ'ল মোৰ পাত লুটিওৱা কাম। মনৰ ভাৱবোৰে অন্য কেনিবা ঢাপলি মেলি দিলে। বন্ধ হ'ব খুজিলে মোৰ উশাহ। মই একেকোৰে বাহিৰ পালোহি। মোৰ বৰ খং উঠি গ'ল। কি হ'ব, কি 'হ'ব এই কবিতাবোৰ লিখিলে? কি হ'ব — তৰুন, লাচিত, মণিৰাম, কনক, কুশলৰ ছবি আঁকিলে, কি হব দেশপ্ৰেমৰ গীত গালে, কি হ'ব' সৌ ভোকাতুৰ ল'ৰাটোক লৈ 'গীত লিখিলে, গল্প লিখিলে? “একা লাভ নাই, একো লাভ নাই, জয়ন্ত - মনে যেন চিঞৰি চিঞৰি মোক ক'লে - মই বাৰাণ্ডাৰ পৰাও নামি আহিলো, যেন এইখন ঘৰত মোৰ বিপৰীতে ষড়যন্ত্ৰ চলিছে!”

মনটোৱে যেন বাৰে বাৰে, সকিয়াই দিছে- “জয়ন্ত, বাহিৰৰ পৰা সকলো বস্তুৱেই সুন্দৰ। তাক ওচৰৰ পৰা চাবলৈ শিক। দূৰৈৰ পৰা পাহাৰটো কিমান মিহি, তাক ওচৰৰ পৰা চা, দূৰৈৰ পৰা সেউজীয়া পথাৰখন কেনে মনোৰম, তাক বোকাত অনুভৱ কৰ। অট্টালিকাত থাকি তই ভোকাতুৰ শোকাতুৰ, নিৰাশ্ৰয়জনক বুজিব নোৱাৰ, জয়ন্ত, সাৱধান হ' জয়ন্ত তই নিজকে নিজে ঠগিছ।' - এৰা, মইতো একো কৰা নাই কাৰোৰে বাবে। গাড়ীৰে ফুৰিছো, মাছে-মঙহে খাইছো, ডানলপত শুইছো, নতুন ষ্টাইলত পিন্ধিছো আৰু, আৰু ন্যায়ে-অন্যায়ে ধন ঘটি নিজকে ধনী বুলি গৰ্ব্ব কৰিছো। আৰু সুউচ্চ অট্টালিকাৰ পৰা কবিতা লিখি- কবি হৈছো, সন্মানিত হৈছো, পুৰস্কৃত হৈছো। এয়া, এয়া মোৰ অন্যায়।

মোৰ দেউতা এজন ডাঙৰ ডাক্তৰ। নামী কৰা ডক্তৰ। এই নাম সুকৰ্ম্মৰ বাবে নহয়। তেখেতে ৰোগী চায়। খোঁচ এটা মাৰিয়েই বিশ-ত্ৰিশ টকা ভিজিত

লয়। তেওঁৰ উদ্দেশ্য ৰোগীক চোৰা-চিতা কৰা নহয়, টকা ঘটাহে। ৰাইজৰ সেৱা তেওঁৰ বাবে গৌণ, ধনহে মুখ্য। কিন্তু সেই যে কাৰোবাৰ ঘৰৰ একমাত্ৰ ল'ৰাটো, যিটোৱে দামী পথ্য কিনাৰ অসামৰ্থ্যতাৰ বাবে আজি অতদিন হস্পিটেলত ৰঙা পনীয়া টনিক অকণ খাই জীয়াতু ভুগিব লাগিছে। ইচ্ছা কৰিলে দেউতাই তাক ভাল কৰিব পাৰে, কিন্তু নকৰে। কাৰণ, সিহঁতৰ টকা নাই। গৰু ছাগলী, হাঁহ-পাৰ, বেচি যি টকা পায়, তাৰেই সিহঁতে ঘৰকে চলাবনে পুতেকক দামী পথ্যকে খুৱাব? অথচ তেনে ঔষধ দেউতাৰ ফাৰ্মাচীত অনেক আছে।

মই আজি এবছৰে এইবিলাক লক্ষ্য কৰি আছো। এনেদৰে অন্যায়কৈ ঘটা টকাৰে মোক যে দেউতা-দাদায়ে খুৱাব নোৱাৰে — তাকো তেওঁলোকে বুজি গৈছে। তাৰ বাবেই মই সাহিত্য চৰ্চা কৰি কিতাপ লিখি, উপাৰ্জন কৰো। কিন্তু কাৰ্যতঃ কৰোঁতে দেউতাই কৈছিল —

'দেউতা, আপোনাৰ টকাৰ জানো অভাব আছে? সেই ৰোগীয়া ল'ৰাটোক আপুনি বিনা টকাৰেই চিকিৎসা কৰোৱাব নোৱাৰেনে? মই অনুৰোধ কৰিছো দেউতা — আপোনাৰ আধা কওঁতেই দেউতা গৰ্জি উঠিছিল ঃ'

'তোৰ দৰে অপদাৰ্থ এটাৰ পৰা মই উপদেশ বাণী শুনিব নিবিচাৰোঁ — জয়ন্ত। তই কি কৰিব পাৰিছ অতদিনে? এম, এ টো পাছ কৰি বেকাৰ হৈ থাকিবলৈকে তই ডিগ্ৰী লৈছিলি, তাকে পাবলৈ মই তোক পঢ়াইছিলো?

আৰু দাদাই?

সি ইঞ্জনীয়াৰ। বালিৰ লগত মাটি মিলোৱা ইঞ্জিনীয়াৰ। তাৰ কনট্ৰেক্ট সদায় ঠিকাদাৰৰ লগত। চিমেণ্ট তাকৰকৈ দিয়াই, বাৰে বাৰে, পানীয়ে মঠাউৰী ভাঙিৰ পৰা বেৰ সজাই তাৰ কাম। আৰু টকা? খাবইনে, পিন্ধিব? তাৰ এষাৰ কথা মোৰ আজিও মনত পৰে —

— 'জয়ন্ত, তইতো প্ৰফেচাৰ হ'বি ভাই। আমাকতো। তই ঘিণ কৰ। আমাৰ টকাকতো তই নুচুৱ। তোৰ চাকৰিৰ 'কলিং লেটাৰলৈ' বাট চালো তেন্তে?

বাৰে বাৰে সেইষাৰ কথাকে দাদাৰ কোঠাত সোমোৱাৰ পৰাই মোৰ কাণত বাজি আছে। 'নাই, নাই মই আৰু নোৱাৰিম। এই ঘৰ এৰি মই ৰাজপথলৈ ওলাই যাম।'এৰা জয়ন্ত, তই ইয়াৰ পৰা আঁতৰি যা'— মনটোৱে যেন আকৌ

সাঁকিয়ালে। চকু হাল মুদি দিলো। এটা যেন সপোন বাগৰি গ'ল।

১ নং বাটৰুৱা ঃ —'আপুনিয়েই জানো সেইজন কবি নহয়, যি জনে এইবাৰ সাহিত্য একাডেমী পুৰস্কাৰ'.... ?

— এৰা, এৰা, ময়েই। মই ৰাজপথলৈ ওলাই আহিছো বন্ধু, সঁচা মানুহ বিচাৰি আহিছো।

২ নং বাটৰুৱা ঃ 'কিন্তু এনেদৰে ভিক্ষাৰ সঁজুলি লৈ ?'।

— এৰা বন্ধু, সু-স্বাদু আহাৰে মোক নুশুজে। সেয়ে মই ওলাই আহিছো। মই মাটিৰ মানুহ, প্ৰকৃতিৰ সন্তান মই। মই মাটিত উপজা শস্য খাম। ফল-মূলে খাম, মোক তোমালোকে ভিক্ষা নিদিবা ?

৩ নং বাটৰুৱা ঃ 'কিন্তু আপুনিতো চিত্ৰ আঁকি, সাহিত্য চৰ্চা কৰি, শিক্ষকতা কৰিওতো পেট প্ৰবৰ্ত্তাব পাৰে, আপোনাৰতো আমাৰ দৰে একোৰে অভাৱ নাই, তেন্তে কিয় ? — 'মোৰ সকলো আছে, কিন্তু একো নাই বন্ধু। ডিঙিলৈকে পানীত ডুবিও পানী খাবলৈ পোৱা নাই। মই মাটিৰ কবি, মাটিৰ গীতিকাৰ, মাটিৰ চিত্ৰকৰ হ'ব বিচাৰো। অট্টালিকাত থাকি মই তোমালোকৰ ছবি আঁকিব নোৱাৰোঁ, তোমালোকক নুবুজাকৈ মই গীত ৰচিব নোৱাৰোঁ মই কৃত্ৰিমতাক ঘিণ কৰোঁ। মই সঁচা মানুহৰ মৰম বিচাৰি আহিছো। মোক আৰু তোমালোকে বাধা নিদিবা, মোক এৰি দিয়া— মোক এৰি দিয়া —

চিঞৰি উঠিলো।

— 'জয়ন্ত, তই কাগজ-পত্ৰ মেলি থৈ ক'ত গৈছ, জয়ন্ত? উভতি আহ্। তই কিয় ওলাই গৈছ জয়ন্ত? তই উন্মাদৰ দৰে কিয় কৰিছ? আমাৰ পৰিয়ালৰ এটা সন্মান আছে- তই এনেদৰে ওলাই গ'লে আমাৰ সন্মান নষ্ট হ'ব- তই ঘূৰি আহ।'

দাদাৰ মাতত উভটি চালো পিচলৈ।

নিজৰ গাটোলৈও চালো। কেতিয়াযে চোলা কাপোৰ খুলি ধুতি এখন পিন্ধি মই বাটৰ ফালে খোজ লৈছিলো ক'ব নোৱাৰো।

তাৰ কথা শুনি উভতি চালো।

হাঁহি উঠিল। হাঃ হাঃ হাঃ কৈ হাঁহি থাকিলো অকঁৰাৰ দৰে। সিহঁতৰোঁ

আকৌ সন্মান? মই হাঁহি হাঁহিয়েই ক'লো- "দাদা- তইঁতবো আকৌ সন্মান? বাহ্- মই সাহিত্য একাডেমী বঁটা পাওঁতে যি সন্মান পাইছিলো- তাতকৈও বেছি তইঁতৰ সন্মান? হহুঁৱালি দাদা, হহুঁৱালি। মই আৰু এতিয়া উভতি নাযাওঁ দাদা- মই এতিয়া গেটৰ বাহিৰত- হাঃ হাঃ হাঃ।"

গেটখন ঘটং কৈ শব্দ কৰি বন্ধ কৰি উভতি চালো। মা আগবাঢ়ি আহিছে। ষ্টেপৰ পৰা নামি ময়ো মাৰ ওচৰলৈকে আগবাঢ়ি আহিছিলো। মায়ে কান্দিছিল।

— কি হ'ল মা- কান্দিছা কিয়?

'তই উভতি আহিলি? জয়ন্ত — সচাঁই মোৰ এনে লাগিছিল যেন তই অভিনয় কৰা নাই — সঁচাকৈয়ে ওলাই গৈছিলি..'

মাক আকোঁৱালি লৈ মই হাঁহিলো।।

❑❑❑

# অভিজাত্য

মামনি চেতিয়া

অনিৰুদ্ধ মহাবিদ্যালয়। সকলো ফালৰ পৰা শৃঙ্খলাবদ্ধ ইয়াৰ পৰিবেশ। আহল-বহল চাৰিসীমাটোৰ ভিতৰত অৱস্থিত এই মহাবিদ্যালয়খন। কাষত শাৰী শাৰী দুই এজোপা ওখ গছ। গছবোৰৰ তলে তলে ছাত্ৰ-ছাত্ৰীবোৰে জিৰণি পিৰিয়দত প্ৰায়ে নানা ধৰণৰ কথা পাতে। হাঁহি ধেমালি আলোচনা কৰে। সময়ে সময়ে মহাবিদ্যালয়ৰ চৌহদটোৰ ভিতৰতে থকা পাঠাগাৰটোত অধ্যয়নও কৰে।

স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী কল্যাণী, ইন্দ্ৰাণী, বন্দনা, বিনীতা আৰু মিলি। সিহঁত পাঁচোজনী একগোট হৈ প্ৰায় গছৰ তলত বহি হৰেক ৰকমৰ কথা পাতে। বিভিন্ন বিষয়ৰ আলোচনাও কৰে। আজি সিহঁতৰ আলোচনাৰ বিষয় হ'ল পৰহিলৈ অৰ্থাৎ বুধবাৰে হ'বলগীয়া সৰস্বতী পূজাৰ বিষয়ে। কোনে কেনোধৰণৰ প্ৰদৰ্শনী দেখুৱাব, কেনেকৈ এই পূজাত ফুৰ্তি কৰিব, কেনেকুৱা সাজ-পোচাক পিন্ধিব এনেবোৰ - নানা ধৰণৰ আলোচনা। সাজ-পোচাক পিন্ধাৰ বিষয়ে প্ৰথমে বন্দনাই ক'লে —

"এই, বিনীতা, মই কিন্তু মুগাৰ কাপোৰ এযোৰ পিন্ধিম। পৰহিলৈ দেউতাই যোৱা সোমবাৰে বঙাইগাঁৱলৈ যাওঁতে মোলৈ মুগাৰ চেট এযোৰ আনিছে পৰহিলৈ মই সেইযোৰকে পিন্ধিম।"

লগে লগে বিনীতায়ো ক'লে ময়ো আমাৰ মায়ে নতুনকৈ কিনি অনা মুগা পাটৰ মিহলি কাপোৰযোৰকে পিন্ধিম। কাপোৰযোৰ যে পিন্ধিলে মোক ইমান ধুনীয়া দেখে।

এইবাৰ কল্যাণীয়ে কৈ উঠিল — "মই হ'লে আজিকালি নতুনকৈ ওলোৱা চুমকি লগোৱা পাটৰ কাপোৰ এযোৰহে পিন্ধিম।"

সিহঁত তিনিজনীয়ে কোৱাৰ পাছত ইন্দ্ৰাণীয়ে মাত লগালে। ইন্দ্ৰাণীয়ে ওঁঠত এটা পাতল হাঁহি বিৰিঙাই ক'লে— এই মই হ'লে তোমালোকৰ দৰে পাটৰ কাপোৰ, মুগাৰ কাপোৰ এই বোৰ একো নিপিন্ধো। অৱশ্যে গুণাৰ বুটা বচা কাপোৰ এযোৰ কিনি থৈছো। মই কিন্তু কি পিন্ধিম জানা? লগে লগে তাই

আগৰ পাতল হাঁহিটোৰ ঠাইত এটা উজ্জ্বল হাঁহি জিলিকাই কবলৈ ধৰিল— 'নতুন বছৰ উপলক্ষে এইবাৰ বঞ্চিতদাই মোক এখন 'চাউথ ইণ্ডিয়া' শাৰী উপহাৰ দিছে। ৰংটো পাতল গুলপীয়া। মই সেইখন পিন্ধিলে মোৰ গাৰ সৈতে একেবাৰে মিলি থাকে। ভাবিছো বুধবাৰে সৰস্বতী পূজাত শাৰীখনকে পিন্ধিম।'

তাৰ পিছত সিহঁত চাৰিওজনীয়ে মিলিৰ মুখলৈ চালে, কাৰণ সিহঁত চাৰিওজনীয়ে কোনে কি পিন্ধিব নিজে নিজেই উত্থাপন কৰি গ'ল। বাকী ৰৈ গ'ল মিলি। মিলিয়ে সিহঁত কেইজনীয়ে কি কি সাজপাৰ পিন্ধিব এই সকলোবোৰ শুনি গ'ল। কিন্তু তাই কি পিন্ধিব একো নকলে।

মিলিয়ে জানে, তাই কল্যাণী, ইন্দ্ৰাণীহঁতৰ দৰে ধনী ঘৰৰ ছোৱালী নহয়। সিহঁতৰ নিচিনা, সাজ-পোচাক পৰিধান কৰিবলৈ তাইৰ আজি সামৰ্থই বা ক'ত। সেয়ে মিলিয়ে একো নকৈ মৌন হৈ বহি থাকিল। কিছু সময়.., পাছত মিলিয়ে মৌনতা এৰি ইন্দ্ৰাণীহঁতক সোঁৱৰাই দিয়াৰ দৰে ক'লে — "ক্লাচৰ সময় হ'ল।" এইবুলি কৈ তাই বহাৰ পৰা উঠিল। আৰু কলেজৰ ছয় নম্বৰ কোঠাৰ ফালে ক্লাচ কৰিবৰ কাৰণে আগবাঢ়িল। লগে লগে সিহঁত চাৰিওজনীয়ে খৰখেদাকৈ মিলিৰ পাছে পাছে খোজ দিবলৈ উঠিল।

মিলিহঁতৰ ঘৰত জনসংখ্যা বুলিবলৈ দেউতাক, ৰুগীয়া মাক, ভায়েক এটা আৰু এজনী ভনীয়েক ভায়েক। হেমন্তই এইবাৰ হাইস্কুল শেষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব। ভনীয়েক জুলী নৱম শ্ৰেণীৰ ছাত্ৰী। মিলিয়েই ঘৰখনৰ ডাঙৰ ছোৱালী। কলেজৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ কলা শাখাৰ ছাত্ৰী। সেয়ে তাই এতিয়া সমস্যা বহুল নিজৰ ঘৰখনৰ কথা ভালকৈ উপলব্ধি কৰিব পৰা হৈছে।

ৰাধিকা বৰুৱা প্ৰাইমেৰী স্কুলৰ শিক্ষক। মিলিৰ দেউতাকৰ প্ৰাইমেৰী স্কুলৰ তাকৰীয়া দৰমহা যদিও মিলিহঁতৰ কোনো এটা ল'ৰা- ছোৱালীৰে টকা-পইছাৰ বাবে পঢ়া-শুনা ক্ষেত্ৰত ব্যাঘাত সৃষ্টি হোৱা নাই। ঘৰখনো কোনো আউল নলগাকৈ চলি গৈছে। আৰু বেচ ভালকৈ চলিলহেঁতেন যদিহে মাকৰ অসুখ নহলহেঁতেন। মাকৰ এই অসুখ একেৰাহে প্ৰায় সাত বছৰ ধৰি হৈ আছে। সেয়েহে সিহঁতৰ সকলো উপৰুৱা বিলাসিতা বস্তু বাদ দি মাকৰ কাৰণে দৰবৰ তথ্যপাতি কিনাটো এক প্ৰধান কাম হৈ পৰিছে। মিলিয়ে মনতে কেতিয়াবা ভাবে তাই

দেউতাকৰ দৰমহা পালে দাম দি হলেও ভাল, কাপোৰ এযোৰ কিনাৰ কথা কব। কিন্তু আকৌ মাকৰ অৱস্থা দেখিলেই একো ক'ব নোৱাৰা হয়।

তাই বৰ সহজ সৰল ছোৱালী। আৰু বেছ শিক্ষিতা। সৰুৰে পৰা প্ৰত্যেক শ্ৰেণীতেই সদায় প্ৰথম বা দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। দেউতাকৰ ওপৰিও গাঁৱৰ লোক তথা স্কুল কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে তাইক মৰম কৰে।

আজি বুধবাৰ। স্কুল কলেজত সৰস্বতী পূজা। মিলিয়ে কলেজৰ সৰস্বতী পূজালৈ নাযাওঁ বুলিয়েই মনতে ঠিক কৰিছিল। কিন্তু মাকে আন নহ'লেও তাই পঢ়া শিক্ষানুষ্ঠানখনৰ সৰস্বতী দেৱীৰ আগত ধূপ এগছ জ্বলাই থৈ আহিবলৈ বাৰে বাৰে কোৱাত তাই যাবলৈ বাধ্য হ'ল। অন্যদিনাৰ দৰে কলেজৰ ইউনিফৰ্মযোৰ নিপিন্ধি তাই তাৰ পৰিবৰ্তে এযোৰ কাপোৰ পিন্ধি ল'লে আৰু কলেজলৈ বুলি আগবাঢ়িল। কলেজত গৈ দেখিলে সকলো ছাত্ৰ-ছাত্ৰীয়ে বিচিত্ৰ সাজপাৰ পিন্ধি কলেজ চৌহদত ইফাল-সিফাল কৰি ঘূৰি ফুৰিছে। তাই গৈ প্ৰথমে সৰস্বতীক ধূপ জ্বলাই এটা সেৱা জনালে। তাৰ পাছত লগৰ ছোৱালীবোৰক বিচাৰি ইফালে সিফালে চাবলৈ ধৰিলে। হঠাৎ তাই কল্যাণীহঁতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ ৰাজীৱ, ৰঞ্জন, ভাস্কৰহঁতৰ লগত বহি গছৰ তলত কথা পাতি থকা দেখিলে। মিলি সিহঁতৰ ওচৰলৈ আহিল।

'কল্যাণী, তোমালোক কেতিয়াবাই আহিলা নেকি?'— মিলিয়ে কল্যাণীকে উদ্দেশ্য কৰি প্ৰশ্নটো সিহঁত আটাইকেইজনীকে সুধিলে। কিন্তু তাই উত্তৰ কোনো এজনীৰ পৰা নাপালে। এনেকি তাই আৰু দেখা পালে সিহঁত চাৰিওজনীয়ে তাইৰ ফালে চাই মুখ টিপি হাঁহিছে। তাই ইয়াৰ কাৰণ বুজি পালে। আজি তাই পিন্ধা বোৱা কাপোৰযোৰ। এই কাপোৰযোৰ মিলিৰ বয়স ন বছৰ হওঁতেই বোঁৱা। গাঢ় সেউজীয়া ৰঙৰ। মাজত এটা দুটা সৰু ডাঙৰ বগা ফুল। মাকে অতি কষ্টৰে মিলিৰ বাবে বহল-আহলকৈ ঘৰতে সুন্দৰকৈ বৈছিল। বন্দনা, বিনীতাহঁতে এই কাপোৰযোৰকে লৈ ফিচিঙাফিচিঙ কৰিছে। মিলিৰ বৰ অসহ্য লাগিল। তথাপিও তাই এতিয়া সৰস্বতী পূজাত ফূৰ্তি কৰিবৰ মনেৰে সিহঁতৰ কাষতে বহিল।

কিন্তু কল্যাণী, ইন্দ্ৰাণীহঁতে মিলিৰ লগত কোনো কথা নাপাতি ফটো

তোলাৰহে কথা পাতিবলৈ ধৰিলে। ইন্দ্ৰাণীয়ে এইবাৰ একেবাৰে থিয় হৈয়ে ক'লে— ব'লা আমি চাৰিওজনীয়ে ৰঞ্জনদাহঁতৰ লগত ‘কলেজ ষ্টুডিঅ'ত ফটো তোলোগৈ। এইবুলি ইন্দ্ৰাণীয়ে কোৱাৰ লগে লগে সিহঁত সকলোৱে বহাৰ পৰা উঠিল আৰু মিলিক তাতে এৰি সিহঁত তাৰ পৰা আঁতৰি গুছি গ'ল। কিছু আঁতৰত ৰঞ্জন, ৰাজীৱহঁতৰ লগৰ সমুদ্ৰই সৰস্বতী পূজাৰ কিবা হিচাপ কৰি বহি আছিল। ৰঞ্জনহঁতে তাক লগ নধৰাত সি নগ'ল। সি দেখিলে ৰঞ্জনহঁতৰ লগত থকা ফাইভ ষ্টাৰ দলটোৱে ছোৱালী এজনী সিহঁতে উঠি অহা ঠাইডোখৰতে বিমৰ্ষ মনে বহি আছে। সমুদ্ৰই জানিলে তাইৰ গাত আজি দামী কাপোৰ এযোৰ নাই বাবে নিজৰ দলৰেই তাইৰ প্ৰতি এনে আচৰণ। অন্য দিনাখন কিন্তু সদায় সিহঁত কলেজত পাঁচজনী লগহৈ পঞ্চমী হৈ থাকে, যাক সকলোৱে ‘ফাইভ ষ্টাৰ’ দল বুলিয়েই চিনি পায়। তেতিয়া সিহঁতৰ আটাইৰে গাত থাকে একেই সাজপাৰ। কলেজৰ ইউনিফৰ্ম।

সমুদ্ৰৰ মনত বৰ দুখ লাগিল। সি বহাৰ পৰা উঠিল আৰু মিলিৰ লগত চিনাকি হবৰ বাবে এখোজ দুখোজকৈ আগ- বাঢ়ি আহি মিলিৰ কাষতে ৰ'লহি। সি মিলিৰ লগত চিনাকি হ'ল। প্ৰথম চিনাকিতে মিলিলৈ তাৰ বৰ মৰম লাগিল। সি যেন বহুত দিনৰ মূৰত নিজৰহে ভনীয়েকজনী পালে। তাইৰ লগত কিছু সময় কথা পতাৰ পাছত সি মিলিক কলে — ব'লা মিলি, আমাৰ ঘৰৰ পৰা আহোগৈ। বেছি দূৰ নহয়। পাঁচ মিনিটৰ বাট। মই সদায় কলেজলৈ খোজ কাঢ়িয়ে আহো।

মিলিয়ে কিন্তু জানিছিল এই সমূদ্ৰ তাইৰ প্ৰিয় শিক্ষাগুৰু চৌধাৰীদেৱৰ যিজনে তাইক ক্লাচত প্ৰশ্ন সুধিলে তৎক্ষণাত শুদ্ধ উত্তৰ দিলে খুউব মৰম কৰে আৰু নোৱাৰিলে ভালকৈ বুজাই দিয়ে তেখেতৰ একমাত্ৰ পুত্ৰ। স্নাতক তৃতীয় বাৰ্ষিকৰ বিজ্ঞানৰ ছাত্ৰ।

সমুদ্ৰই বেমাৰত ভুগি মৃত্যু হোৱা তাৰ অতি মৰমৰ ভনীয়েকক হেৰুৱাই আজি মিলিক পাই তাৰ অন্তৰ আনন্দত উথলি উঠিল। সমৃদ্ৰৰ ভনীয়েক জুৰিৰ মৃত্যু হোৱা প্ৰায় দুবছৰ হ'ল। সি জুৰিক চিৰদিনৰ কাৰণে হেৰুৱাই কেতিয়াবা বৰ নিঃসঙ্গ অনুভৱ কৰে। আগতে সি জুৰি কাষত থাকিলে জুৰিৰ লগত খেলে, ক'ৰবাত ফুৰিবলৈ গ'লে জুৰিকো লৈ যায়, পঢ়িবৰ সময়ত কিবা নোৱাৰিলে

শিকাই দিয়ে। এনেকি ৰঙতে সিহঁত দুয়োটাই কাজিয়াও লাগে। কাজিয়াৰ সূত্ৰপাত হ'লে জুৰিয়ে ঠেঁহ পাতে। এই ঠেঁহ ভাঙিবৰ কাৰণে সমুদ্ৰই নানা কষ্ট কৰিবলগীয়া হয়। জুৰিয়ে যি কয় সি তাকে কৰিবলৈ বাধ্য হয়। কেতিয়াবা তাক মাটি চেলেকিবলৈ কয়। সি আঁঠুকাঢ়ি জিভা উলিয়াই মাটি চেলেকিবলৈ লওঁতেই তাই হাঁহি হাঁহি কয়— "হৈছে হৈছে দাদা, তুমি- তুমি আৰু এতিয়া শিশু কৃষ্ণ হ'ব নালাগে। আজি বাৰু তোমাক এৰি দিছো, উঠা।" আকৌ সি তেতিয়া তাইৰ আদেশ মতে মাটি চেলেকিবলৈ এৰি থিয় হ'ব লাগে। কিন্তু এতিয়া নাই। জুৰি একেবাৰে কোনেও বিচাৰি নোপোৱা ঠাইলৈ আঁতৰি গৈছে। সেয়ে জুৰিৰ দৰে একেই শান্ত, নম্ৰ মিলিক তাৰ খুউব ভাল লাগিল। সি মিলিক ঘৰলৈ লৈ আহি মাকৰ লগতো পৰিচয় কৰি দিলে।

মিলিক যেন সমূদ্ৰৰ মাকে বহুদিনৰ পৰাই চিনি পাই। তাই যেতিয়া সমুদ্ৰহঁতৰ ঘৰৰ গেটৰ মুখত উপস্থিত হৈছিল তেতিয়া সমুদ্ৰৰ মাকে আগফালৰ লনখনত অকলশৰে বহি আছিল। সমূদ্ৰৰ লগত তাইক দেখি বহাৰ পৰা উঠি "আঁহা, আঁহা মাজনী" বুলি মিলিক হাতত ধৰি ভিতৰলৈ লৈ গৈছিল। তাৰ পাছতহে মিলিৰ নাম, ক'ত ঘৰ, ঘৰত কোন কোন আছে ইত্যাদিবোৰ সুধিছিল। আকৌ ঈশ্বৰৰ কৃ-পাত সকলোটিৰে ভাল নে? বুলি ঘৰৰ খবৰ লৈছিল। কিছু সময়ৰ পাছত জলপান খাবৰ বাবে খোৱাৰ টেবুললৈ তাইক লৈ গৈছিল। মিলিয়ে নাখাওঁ বুলি কোৱা স্বত্বেও 'খোৱা, মাজনী অলপমান খোৱা, নহ'লে মই বৰ বেয়া পাম। এইবুলি কৈ তাইক খোৱাৰ টেবুলত বহুৱাই দিছিল। সমুদ্ৰৰ মাকৰ সহজ সৰল ব্যৱহাৰত মিলি অভিভূত হৈ পৰিল। তাই অলপ সময় সিহঁতৰ ঘৰত থকাৰ পাছত পুনৰ সমূদ্ৰৰ লগতে কলেজলৈ আহিল। সমৃদ্ৰৰ ঘৰৰ পৰা ওলাই আহিবৰ সময়ত তাই দেখিছিল সমুদ্ৰৰ মাকৰ চকুৰ কোণত দুটোপাল চকুলো। "নিশ্চয় পায়ো হেৰুৱা বেদনাৰ অশ্ৰু।"

কলেজলৈ আহি মিলিয়ে পোনে পোনে ইন্দ্ৰাণীহঁত ঘূৰি আহিলনে নাই চাবলৈ গোটেই চৌহদটো এপাক ঘূৰিলে। সিহঁতৰ কোনো এজনীকে নেদেখি তাই অন্য ছোৱালীবোৰৰ লগতে এঘণ্টামান কটাই ঘৰলৈ গুচি আহিল।

সোনকালে সৰস্বতী পূজাৰ পৰা ঘূৰি অহা দেখি মাকে মিলিক

সুধিলে— 'মিলি, ইমান সোনকালে কিয় আহিলি?' মিলিয়ে মাকৰ কথাৰ একো উত্তৰ নিদি পোনচাটেই ক'লে — 'জানা মা, মই আজি দাদা এজন পালো। দাদাই মোক তেওঁলোকৰ ঘৰলৈ লৈ গৈ একেবাৰে মাকৰ লগত চিনাকি কৰি দিলে। দাদাৰ মাক বৰ ভাল। মোক পাই তেওঁ এৰিয়ে নিদিছিল। মই তোমাৰ অসুখ বুলি কোৱাতহে এৰি দিছে। আৰু কি কৈছে জানা, কাইলৈ হেনো আমাৰ ঘৰলৈ আহিব।' মিলিয়ে কথা কেইটা কৈ কোনোমতে স্বস্তিৰ নিশ্বাস পেলালে। নহলে তাই যদি সঁচাকৈ কৈ দিলেহেঁতেন কিয় সৰস্বতী পূজাৰ পৰা আহিব লগা হ'ল, তেতিয়া ৰুগীয়া মাকে অন্তৰত বহুত আঘাত পালেহেঁতেন।

কিন্তু নিশা মিলিয়ে শুবৰ সময়ত বিচনাত পৰি ভাবিবলৈ ধৰিলে কিয় কল্যাণী, ইন্দ্ৰাণী, বন্দনা, বিনীতাহঁতে তাই বোৱা কাপোৰ পিন্ধাৰ বাবেই তাইৰ কাষৰ পৰা আঁতৰি ফুৰিছিল। কলেজতটো সিহঁতেই তাইৰ লগত ফুৰে, খেলে। এনেকি আকৌ ক্লাচ কৰিবৰ সময়ত সিহঁত চাৰিওজনীয়ে, তাইৰ কাষত বহিবলৈ উথপ- থপ লগায়। তাইৰ ওচৰত থাকিলে সিহঁতে বহুত নজনা কথা জানিব পাৰে। সেয়ে সিহঁত তাইৰ লগত ছাঁৰ দৰে ঘূৰি ফুৰে। আজি হ'লে সিহঁত কেইজনীয়ে তাইৰ পৰা নিজে নিজে আঁতৰি ফুৰিছে। হয়তো আজি সৰস্বতী পূজাত সাজ-পোচাকেৰে আভিজাত্য প্ৰকাশ কৰিব পৰাত সিহঁত আনন্দত আত্মহাৰা হৈ পৰিছে। মিলিৰ বুকুৰ পৰা দুখৰ হুমুনিয়াহ এটা বৈ গ'ল। আভিজাত্যৰ অভাৱত পৰি তাই আজি নিজৰ দলৰ পৰাই বিচ্ছেদ হৈ যাবলগীয়া হ'ল। এই আভিজাত্যৰ চিন্তাই মিলিৰ চকুত ৰাতিৰ ঘন আন্ধাৰতো দুচকুত চকুলো জিলিকাই তুলিল।'

□□□

# নাম তাইৰ অশ্ৰুবন্যা

শ্ৰী অংশুমালা দত্ত

অশ্ৰুবন্যা ৰাতিপুৱা শুই উঠি ফুৰিবলৈ ওলাল। তাই প্ৰতি দিনাই লক্ষ্য নকৰা দুবৰিৰ ওপৰত পৰা ভৰি দুখন যেন আজি অলৰ-অচৰ। তাইতো ভবা নাছিল যে তাইৰ ভৰি দুখনৰ দৰে হাজাৰখন ভৰিৰ গছকতো দুবৰিবোৰতো মৰি নিষ্পত্তি হ'ব নোৱাৰে। এইবোৰ ভাবি থাকোঁতে তাই দেখিলে যে ফুলবোৰত পৰি ভোমোৰাবোৰে গুণ-গুণকৈ ফুলৰ মৌ চুহিছে। কিন্তু বসন্তৰ বতৰত ফুলা ৰঙা ৰঙা ডাল ভৰি থকা মদাৰ জোপাৰ ওচৰলৈ ভোমোৰাবোৰ ঢপলিয়াই যোৱা নাই। এৰা ঠিকেইতো সৌন্দৰ্যৰ আকৰ মদাৰজোপা হ'লেও তাৰ যে গোন্ধ নাই। বহুত পৰ চিন্তাত মগ্ন থকাৰ বাবেই হয়তো তাই বুঢ়ীগৰাকীৰ কৰুণ মাতযাৰ শুনা নাছিল। বুঢ়ীগৰাকীক ভিতৰলৈ মাতি নি চাহৰ বাতিটো আগবঢ়াই নিসঙ্গ মুহূৰ্তৰ সঙ্গী হিচাবে তাইৰ জীৱনৰ সকলোবিলাক কথা কৈ গৈছিল।

তাই তেতিয়া বেংক এটাতে চাকৰি কৰিছিল মাক-দেউতাকৰ তাইক লৈ বৰ চিন্তা। কিয়নো তেওঁলোকৰ প্ৰধান কৰ্ত্তব্য হৈছে ছোৱালীক ভাল পাত্ৰৰ হাতত গটাই দিব পৰাটো। কিন্তু মাক-দেউতাকৰ এটাই চিন্তা, তাইৰ কুৰূপা চেহেৰাটোৰ বাবে তেওঁ লোকৰ সেই চিন্তা সদায় চিন্তা হৈয়ে ৰ'ল। কিন্তু তাইৰ দুখ নালাগে ভনীয়েকৰ কথা ভাবিয়েই। ভনীয়েক অজন্তাই ঘৰখনৰ সকলোকে বিচৰাখিনি দিব পাৰিছে। অজন্তাক তাইৰ বৰ ভাল লাগে। কঠোৰ পৰিশ্ৰমী তাই। অজন্তা কলেজত পঢ়াৰ অলপ দিনৰ পাছতেই দেউতাক ঢুকাইছিল। ককায়েকৰ হাতলৈ আশা নকৰি অশ্ৰুবন্যাই ভনীয়েকৰ সকলো দায়িত্ব লৈছিল। দেউতাক ঢুকোৱাৰ পাছৰ পৰাই মাকৰো বেমাৰ। কোনদিনা কি হয় একো ঠিকনা নাই।

এইদৰে দিন বাগৰাৰ লগে লগে অজন্তাই হায়াৰচেকেণ্ডাৰী ভালকৈ পাছ কৰি গুৱাহাটীলৈ পঢ়িবলৈ গুছি গ'ল অৱশ্যে অশ্ৰুবন্যাৰ বাবেই যাব লগা হ'ল। তাই হোষ্টেলত থকাৰে পৰা আদি কৰি সকলো ব্যৱস্থা অজন্তাৰ বাবে নিজেই গ্ৰহণ কৰিলে। ককায়েককেউটাই কেৱল ফিচিঙা-ফিচিঙ চকুৰে তাইলৈ চাই হাঁহিবহে পাৰে। তাই তেতিয়া ভাবে, সঁচাই সিহঁতৰ ভগ্নী প্ৰেম। ককায়েকহঁত কেৱল বৌ কেইজনীৰ লগত লাগি থাকি মাক-দেউতাকৰ সম্পত্তিৰ অধিকাৰী হবহে খোজে। সিহঁতৰ যেনিবা মাক-দেউতাক আৰু ভনীয়েকহঁতৰ প্ৰতি কোনো দায়িত্বই নাই। এইবোৰ ভাবি ভাবি অশ্ৰুবন্যাৰ দুখ লাগে তাইৰ দৰে নিঠৰুৱা ছোৱালীবোৰলৈ। কিন্তু কঠোৰ নিয়তিয়ে সিহঁতৰ সুখক স্বীকৃতি নিদিয়ে। এদিন অকস্মাতে এজাক বিষাক্ত বতাহ আহি যেন সিহঁতৰ জীৱন যাত্ৰাৰ যতি পেলালে। মাকৰ অৱস্থা যোৱা থোৱা। হঠাতে এদিন তাই হয়তো ঘাটমাউৰা হ'ব লাগিব। মাকৰ অসুখৰ খবৰ তাই ককায়েকহঁত আৰু ভনীয়েকলৈ খবৰ দিলে। কিন্তু নিৰ্দিষ্ট দিনত কোনো আহি নাপালে। তাই মাকৰ বিছনাত বহি মাকৰ মুখলৈ চাই থাকোঁতে মাকৰ নিঠৰ হাত আৰু ক'লা চকুৰ গুৰিকেইটাই যেন কিবাৰ ইঙ্গিত দিলে 'পানী' বুলি। পানী আনিবলৈ ভিতৰলৈ যাওঁতেই মাকে তাইক অকলশৰে ঘৰটোৰ মাজত এৰি থৈ কৰবালৈ গুছি গ'ল। বুকুভাঙি কন্দাৰ পাছত তাই মাথোঁন ভনীয়েকৰ কথাই ভাবিছিল। অজন্তাই তাইৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত। অৱশ্যে মাকৰ মৃত্যুৰ পাছত যাৱতীয় সকলো কাৰ্যভাৰ লৈছিল ককায়েকহঁতেই। মাকেই তাইৰ ওচৰত সদায় ছাঁৰ দৰে আছিল। মাকৰ মৃতুৰ পাছতো বহুত দিনলৈ তাই ভনীয়েক অজন্তাৰ কোনো খা-খবৰ পোৱা নাছিল। কিছুদিনৰ পাছত পাইছিল এখন চিঠি কেইশাৰীমান বাক্য মাত্ৰ। এই শাৰীকেইটাৰ মাজতে তাই হেৰুৱাই পেলাইছিল জীৱনৰ সকলো 'মায়া মোহ।'

মৰমৰ

বাইদেউ,

তই মোক ক্ষমা কৰ। মাৰ লগতে তই সুখেৰে থাক। মই তোক আৰু দুখ নিদিওঁ। মই জানো যে তই মোক গঢ়ি তুলিবলৈ যথেষ্ট কষ্ট কৰিছিলি। কিন্তু মই নিলিখি নোৱাৰিলো যে মই সেইখন ঘৰৰ ছোৱালী আছিলো। কিন্তু আজি

অন্য এখন ঘৰৰ বোৱাৰী হৈ ওলাই আহিছো সাধাৰণ ভুলৰ বাবে; বাইদেউ আজি মোৰ এই অৱস্থা। এইটো মোৰ অতি নিষ্ঠুৰ সত্য। তই বৰ দুখ পাবি। বাইদেউ, তোক মই আৰু জীৱনত কোনো দিন লগ নিদিওঁ। কাৰ কাৰণে, কিয় মোৰ এনে হ'ল মই কব নোৱাৰো।

ইতি
তোৰ
অজন্তা

চিঠিখন পঢ়ি অশ্ৰুবন্যাই কেৱল কান্দিলে আৰু কান্দিলে। চিঠিখন লিখোতে ভনীয়েক অজন্তাৰ চকুপানীৰে সৈতে তাইৰ চকুপানীবোৰ মিলি চিঠিখনৰ আখৰবোৰ অস্পষ্ট কৰি পেলালে। মনিব নোৱাৰাত তাই চাৰিওফালে এবাৰ চালে। তাইৰ যেন কেউটা ককায়েকে দাঁত নিকটাই তাইৰ ফালে চাই হাঁহি আছে।

এই সকলোবোৰ কোৱাৰ পাছত তাই হুকহুককৈ কান্দি উঠিল। বুঢ়ীৰ সোতোৰা সোতোৰ হাতখনে তাইৰ চকুপানীবোৰ মোহাৰি মোহাৰি ক'লে, "নাকান্দিবি আই, তই ধৈৰ্য্য ধৰ। তয়েই এদিন ককায়েৰহঁতক পথ দেখুৱাব পাৰিবি। অশ্ৰুবন্যাই বুঢ়ীৰ কথাত অশ্ৰু মোহাৰি সাহসেৰে সংগ্ৰাম কৰিবলৈ সক্ষম হ'ল।

❑❑❑

# সংকল্প

কৰবী শেনছোৱা

ঘৰখনত পুৱাৰে পৰাই এক ব্যস্ততা- মুখৰ পৰিবেশে গা কৰি উঠিছে। লগে লগে সময়তকৈও অধিক বেগত ব্যস্ত হ'বলগা হৈছে নয়নীৰ লৱণুকোমল হাত দুখনি। পুৱাৰে পৰাই এক মিনিট সময়ো তাই এনেয়ে থাকিবলৈ পোৱা নাই। মিচেচ শইকীয়ানীৰ কঠোৰ বাক্যবাণ, উপদেশ অনবৰতে কৰ্ণগোচৰ কৰি নীৰৱচিত্তে তাই নিজৰ কাম বনবোৰ কৰি গৈছে পৰিপাটীকৈ, অতি যত্নপৰ হৈছে যাতে কামবোৰত ক'তো অকণো খুঁত নাথাকে। নহ'লে মিচেচ শইকীয়ানীৰ লপা থপাবোৰতো আছেই। আজি চহৰৰ অভিজাত্য শইকীয়া দম্পতীৰ একমাত্ৰ আলসুৱা জীয়াৰী টিনাৰ জন্মদিন। সেয়েহে পুৱাৰে পৰা এনে এক ব্যস্ততামুখৰ পৰিবেশ। ৰাতিপুৱা টিনাহঁতে নানা সু-স্বাদু মিঠাই, কণী, গাখীৰ আদিৰে পুৱাৰ জলপান খোৱাৰ সময়তে নয়নীয়েও ৰঙা চাহ এবাটি ভীমকল এটাৰ সৈতে খাই লৈ নিজৰ কামত লাগি গৈছে। কামৰ মাজে মাজে হুমুনিয়াহ একোটাহঁত এৰি তাই পুনৰ নিজৰ কামত ব্যস্ত হয়। হৃদয়ৰ গভীৰতম কোণৰ পৰা ওলাই অহা সেই তপত হুমুনিয়াহ দুখৰ নে আনন্দৰ সেইয়া তাই হয়তো সেইসময়ত উপলব্ধি কৰিব পৰা নাছিল।

নয়নী দহ বছৰীয়া এজনী ঘাটমাউৰী ছোৱালী। তাই নিজৰ সম্পৰ্কে, নিজৰ মাক-দেউতাক বা পৰিয়াল সম্পৰ্কে নিজে একো নাজানে। শইকীয়া দম্পতীৰ মুখৰ পৰা শুনামতে তাই হেনো জন্মৰ এবছৰ পাছতেই মাক-দেউতাকক হেৰুৱাইছিল। সেই ঘাটমাউৰী কণমাণিজনীকে নিঃসন্তান শইকীয়া দম্পতীয়ে লৈ আনি নিজৰ নিসঙ্গতাৰ আৱৰণখন গুচাব খুজিছিল। মনে ঢুকি পোৱা সময়লৈকে তাই শইকীয়া শইকীয়ানীৰ মৰমৰ ছত্ৰছায়াতে ডাঙৰ-দীঘল হৈছিল। মৰমৰ ছত্ৰছায়াৰ পৰা স্বাৰ্থৰ বেশভূষা ওলাই পৰিল সেইদিনা, যিদিনা টিনাৰ জন্ম হৈছিল। তাৰ পাছৰে পৰা নয়নীৰ আৰম্ভ হ'ল এক ভিন্ন জীৱন। সেই জীৱনৰ

বাটত বাট বুলিবলৈ ধৰাৰ লগে লগেই নয়নীয়ে উপলব্ধি কৰিবলৈ শিকিলে জীৱনৰ কঠোৰতাবোৰৰ কথা। বয়সতকৈ অভিজ্ঞতাই তাইক জীৱন যুঁজৰ থলীত অধিক পৰিপক্ক কৰি তুলিলে। অন্তৰতে দুখ-বেদনা, ৰঙা-নীলা মধুৰ সপোনবোৰ বুকুতে মৰহি যাবলৈ দি তাই জীৱনৰ বাটত অগ্ৰসৰ হৈছিল। তাইৰ মনটো সেই সময়ত সপোন ৰাজ্যত ঘুৰি ফুৰাৰ মন, কল্পনাৰ পখিলা খেদি ফুৰাৰ বয়স। কিন্তু তাইৰ কুমলীয়া মনটোৱেও বুজিছিল যে সিহঁতৰ দৰে মানুহৰ সপোনৰ কোনো মূল্য নাই, সিহঁতে সপোনৰ মাধুৰ্যতাহে উপলব্ধি কৰিব পাৰে, তাৰ বাস্তৱতা কল্পনা কৰিব নোৱাৰে।

খং ভাৱত নিমগ্ন হৈ থাকোঁতে হঠাতে তাইৰ হাতৰ পৰা ধুনীয়া ফুল কটা টি-পট এটা পৰি পকা মজিয়াখনত ভঙা টুকুৰাবোৰ সিঁচৰিত হৈ পৰিল। সেই শব্দ শুনি মিচেচ শইকীয়ানী উধাতু খাই দৌৰি আহি সেই অৱস্থা দেখি চিঞৰি বাখৰি নয়নীক বাৰুকৈয়ে দুচৰমান শোধাই দিলে। লগে লগে গালিও পাৰিবলৈ নেৰিলে। মিচেচ শইকীয়ানীৰ মতে নয়নীৰ হেনো অনবৰতে টিনাৰ ওপৰত হিংসা ভাৱ থাকে। সেয়ে টিনাৰ জন্ম দিনৰ উলহ-মালহ দেখি হিংসাৰ জ্বালাতে টি-পটটো ভাঙি পেলালে। নয়নীৰ দুচকুৰ পৰা নিৰবে দুধাৰি তপত চকুলো বাগৰি আহিল। তাইৰ হৃদয়খন দুখত অৱহেলাত জৰ্জড়িত হৈ পৰিল। শইকীয়ানীৰ চৰকেইটা খোৱাৰ বাবে নহয়, তেওঁ তাইৰ ওপৰত জাপি দিয়া মিছা অপবাদৰ বাবেহে। অৱশ্যে নয়নীয়ে জানে যে তাইৰ টিনাৰ প্ৰতি সদায় নিজৰ ভনীৰ দৰে মৰম থাকে, কিন্তু শইকীয়ানীয়েহে যেন তাইক চকু পাৰি দেখিব নোৱাৰে, অনবৰতে তাইৰ ওপৰত হিংসাভাৱ পোষণ কৰি থাকে। ভগৱানে তাইক অইন একো নিদিলেও ৰূপ লাৱণ্য তথা কৰ্মপটুটাখিনি দিয়াত, কৃপণালি কৰা নাই। ক'বলৈ গ'লে টিনাতকৈ নয়নী ৰূপে গুণে বহুখিনি আগবঢ়া। তথাপি আজিৰ ধন প্ৰধান বস্তুবাদী সমাজখনত এইবোৰৰ জানো কিবা মূল্য আছে? ধনেইতো আজি সমাজৰ সকলো। তাই অনুভৱ কৰিলে ভঙা টি-পটটোৰ তুলনাত আজিৰ সমাজত তাইৰ মূল্য যেন তেনেই নগণ্য। হঠাত শইকীয়ানীৰ ধমকত নয়নীৰ ভাৱৰ যতি পৰিল। জীৱনৰ জীয়াযন্ত্ৰণা উপলব্ধি কৰি কৰিয়েই তাই পুনৰ সাৱধানে কামত মনোযোগ দিলে।

আজি নয়নীৰ কামকাজ আনকালতকৈয়ো সোনকালেই শেষ হ'ল। কাৰণ আজিৰ সকলো কাম তাই কৰিব লগা হোৱা নাই। বাহিৰৰ ধোৱা পখলা, সৰা পোছা কামখিনি কৰি উঠি গাটো ধুই তাই নিজৰ কোঠাত সোমাই দুৱাৰখন মাৰি বিছনাখনত এনেয়ে বাগৰ এটা দিলে। দোমোজা আৰু কাম বনৰ ভাগৰে তাইৰ সুকোমল দেহটোক নিদ্ৰাদেৱীৰ কোলাত আলফুলে তুলি দিলে।

বাহিৰত মানুহৰ হাঁহি-ধেমালি, কথা বতৰা, টেপ ৰেকৰ্ডাৰৰ পৰা ভাঁহি অহা নানান সুমধুৰ গীতৰ সুৰে তাইক নিদ্ৰামগ্ন অৱস্থাৰ পৰা জগাই তুলিলে। এইবোৰতকৈও এটি আমোল মোলোৱা মিশ্ৰিত সুগন্ধ আহি নাকত লগাত তাইৰ মনটো উৎফুল্লিত হৈ উঠিল। তেতিয়াহে তাই অনুভৱ কৰিলে তাইৰ পেটটো যেন পুৰিব ধৰিছে। ঠিকেইতো, পুৱাৰ ৰঙা চাহবাতি আৰু ভীমকলটোৰ বাহিৰে তাইৰ পেটত এতিয়ালৈকে খুদকণ এটাও পৰা নাই। সেই মুহূৰ্ত্ততহে যেন তাই তীব্ৰভাৱে পেটত ভোক অনুভৱ কৰিলে। অসহ্য ভোকত তাই পেটটো হেঁচি ধৰিলে। এবাৰ ভাবিলে, ওলাই যাব নেকি! কিজানি জ্বালা শাম কাটেই। কিন্তু পিছমুহূৰ্ত্ততে নিজৰ পিন্ধি থকা ফ্ৰকটোলৈ চাই তাইৰ মনটো কোঁচ খাই আহিল। ফ্ৰকটো ভালেকেইডোখৰ ঠাইত ফটা। এনে অৱস্থাত দেখিলে শইকীয়ানীয়ে অতবোৰ মানুহৰ আগত তাইক কি পুৰস্কাৰ দিব ঠিক নাই। সেয়ে তাই ওলাই নোযোৱাটোকে ঠিক কৰিলে। কোনোবাই নিশ্চয় খোৱাৰ সময়ত খবৰ ল'ব। নয়নীৰ মনত পৰিল কালিৰ দিনটোৰ এটি ঘটনা। তাই বিছনাখনত বহি পৰিল। কালিৰ ঘটনাটো মনলৈ অহাত মনটো এচপৰা কলীয়া ডাৱৰে আৱৰি ধৰা যেন অনুভৱ কৰিলে তাই। শইকীয়ানীয়ে টিনাক লগত লৈ বজাৰলৈ গৈ জন্মদিন উপলক্ষে টিনাক দামী দামী তিনিটা ফ্ৰক কিনি দিছিল। ফ্ৰককেইটা দেখি নয়নীয়ে সকলো পাহৰি গৈ এটা ফ্ৰক নিজৰ গাৰ ওপৰত লৈ জুখি চাইছিল। তাকে দেখি শইকীয়ানীয়ে তাইক চুলি জোকোৰা এটা দি সেইটো কাঢ়ি থৈছিল। সেই কথা ভাবি নয়নীৰ মনটো শইকীয়ানীৰ প্ৰতি বিতৃষ্ণা আৰু ঘৃণাৰে ভৰি পৰিছিল। মনুহৰ মন বিশেষকৈ নাৰীৰ মন ইমান কঠোৰ হ'ব পাৰে বুলি তাই ভাবিবও পৰা নাছিল। তাই মনতে ভাবিছিল জীৱনৰ জীয়া যন্ত্ৰণা তিলতিলকৈ উপভোগ কৰিবলৈকে তাইক নিথৰুৱা কৰি মাক-দেউতাকে এই পৃথিৱীত এৰি গ'ল নেকি?

সেই সময়ত মাক-দেউতাকৰ প্ৰতিও তাইৰ মন অভিমানেৰে উপচি পৰিছিল। কিন্তু কি কৰিব তাই? জীয়াই থকাৰ তাড়নাত মৃত্যু যন্ত্ৰণা উপলব্ধি কৰিও তাই জীয়াই আছে। হঠাতে তাইৰ নিজৰ জীৱনটোলৈ বৰ মায়া উপজিল। তাই সংকল্প ল'লে তাই জীয়াই থাকিব, জীৱনৰ মধুৰতাখিনিক উপভোগ কৰি যাব। হঠাতে ৱাল ক্লকটোৱে চাৰিবজাৰ সংকেত দিলে। নয়নীৰ পেটৰ ভোকটোৱেও পুনৰ উক দি উঠিল। ভোকাতুৰ পেটত তাইৰ লবণুকোমল হাতদুখনিৰে হেঁচি ধৰি তাই দৃঢ় সংকল্প ল'লে, তাই জীয়াই থাকিব। মৰি - মৰিও তাই জীয়াই থাকিব।

□□□

# সেই অনুভূতি

শ্ৰী নন্দিতা গগৈ

প্ৰতিবাৰতে দেউতাৰ পৰা মণিঅৰ্ডাৰৰ টকাকেইটা পাই ভাবো চাৰ্ট-পেণ্ট এযোৰ চিলোৱাম। পিছ মুহূৰ্ততে আকৌ এসোপা গধুৰ চিন্তাই মনটো জুমুৰি দি ধৰেহি। লাইব্ৰেৰীৰ পৰা অনা দুষ্প্ৰাপ্য কিতাপকেইখন জেৰক্স কৰাবলৈ আছে, দুখনমান কিতাপ আনিবলৈ আছে, আনহাতে হোষ্টেলত থকা-খোৱাৰ খৰচ দুই-এদিনতে দিব লাগিব ইত্যাদি নানা সমস্যা। গতিকে নতুন চাৰ্ট- পেণ্ট লোৱাৰ আশা সিমানতে অন্ত পৰে। এম, এ, পঢ়িবলৈ আহি অনুভৱ কৰিছো এটা ল'ৰাক সৰুৰে পৰা পঢ়াই-শুনাই গঢ়ি তুলিবলৈ কিমান অৰ্থৰ প্ৰয়োজন। দেউতাই প্ৰায় প্ৰতিখন চিঠিতে লিখে—"বাপু, অলপ চাই-চিতি চলিবি, ঘৰখনৰ ফালেও চাব লাগে নহয়।" মই নুবুজা নহয়। দেউতাৰ মাষ্টৰী চাকৰিৰে ছয়-সাতটা মানুহক পোহ-পাল দিয়াটো মুখৰ কথা নহয়। গতিকে যিমান পাৰো মিতব্যয়ী হৈ চলিবলৈ চেষ্টা কৰোঁ। কেতিয়াবা মাজে মাজে লগৰ ল'ৰাৰ লগত দুই-এপইচা স্ফূৰ্তি-বাজ কৰোঁতে যায় সঁচা, সেয়া আৰু লেখত লবলগীয়া নহয়। ঘৰৰ পৰা বাহিৰত পঢ়িবলৈ আহিছো যেতিয়া দুই-এপইচা বেচি খৰচ হ'বই। সেইবুলি দেউতাৰ প্ৰাইমেৰী স্কুলৰ মাষ্টৰীৰ দৰ্মহাৰ টকাকেইটাৰ মূল্য মই নুবুজা নহয়।

দেউতাৰ অদম্য স্পৃহা মই এম, এটো পাছ কৰি ঘৰখন চলাবৰ কাৰণে কিবা এটা উপাৰ্জনৰ পথ লওঁ। মোৰ দৰেই দেউতাই এদিন ককাইদেউৰ ওপৰত ভৰসা কৰিছিল। সি ভাল হ'ব, পঢ়ি শুনি দেউতাৰ মুখ উজ্জ্বলাব। তাক গুৱাহাটীত পলিটেকনিক পঢ়িবলৈ পঠাইছিল। পঢ়া-শুনা বুদ্ধি-বৃত্তি সকলোতে সি তীক্ষ্ণ আছিল। কিন্তু ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। দেউতাৰ আশাক জলাঞ্জলি দি সি চহকী লোকৰ ঘৰজোঁৱাই হ'লগৈ। বাৰুকেয়ে আঘাত সানিলে এই কথাই দেউতাৰ সন্মানত। তেতিয়াৰে পৰা ককাইদেউ ঘৰত ভৰি দিবলৈ অহা নাই। দেউতাই ককাইদেউৰ পাছত বাইদেউ মানে মোৰ 'অজুবা'ৰ ওপৰত আশা কৰিছিল। তাইক ভালদৰে পঢ়াই-শুনাই সুপাত্ৰত গটাব। তাইক ঘৰৰ পৰা

দূৰত হোষ্টেলত ৰাখি পঢ়িবলৈ পঠাইছিল। এদিন দেউতাৰ আশাত চেঁচাপানী ঢালি অজুবা এজন মিলিটাৰী অফিচাৰৰ লগত বিবাহ পাশত আবদ্ধ হ'ল। দ্বিতীয় বাৰৰ কাৰণে দেউতাৰ আত্মসন্মানত চৰম আঘাত লাগিল। তেওঁ গেঙেৰি মাৰি উঠিছিল, "উস্ নিজে নাখাই-নবই তহঁতক খুৱাইছিলো, পিন্ধাইছিলো, দেউতাৰৰ মৰ্যদা বুজি নাপালি, "এইখন ঘৰত মই থাকো মানে তহঁতৰ ভৰি পৰিবলৈ নিদিওঁ।" মোৰ দুখ লাগিছিল দেউতাৰ দৰে উদাৰ ঋষি সদৃশ এজন পিতৃৰ সন্তান হৈ তহঁতে এনেহে কৰিলি। গাঁৱৰ মানুহে দেউতাক বুজনি দিলে। কিন্তু দেউতা নিজ মতত অলৰ-অচৰ। এবাৰ 'না' কৰাৰ লগে লগে আনকি মায়েও দেউতাৰ মুখত মাত দিবলৈ সাহ নকৰে। দুটাকৈ সন্তানৰ শোকত জৰ্জৰিত মায়ে সেইকেইদিন শিল পৰা কপৌৰ দৰে আছিল। আৰু দেউতাৰ পৰা লুকাই চুৰকৈ চকুপানী টুকিছিল। ককাইদেউ আৰু বাইদেউৰ প্ৰতি দেউতাই যিমান কঠোৰ দৃষ্টিভঙ্গী নলওক কিয়, "মই সিহঁত দুটাক পাহৰিব পৰা নাছিলো। সদা হাস্যময়ী।" 'অজু বাইদেউ' জনীয়ে যেন দেউতাৰ কঠোৰ শাসনৰ পৰা মুক্ত বিহঙ্গৰ দৰে ফুৰিবলৈকে ঘৰৰ পৰা আঁতৰি গৈছিল মই তেনেদৰেই ভাবিছিলোঁ। দেউতাৰ অজ্ঞাতে মই তাইৰ লগত চিঠিৰ আদান-প্ৰদান কৰিছিলোঁ।

এবাৰ প্ৰিভিয়াচ পৰীক্ষা দি ঘৰলৈ গলোঁ। মা উধাতু খাই ওলাই আহিছিল। মই পলকতে লক্ষ্য কৰিলো মাৰ কপালৰ আগৰ চুলিকেইডালে সোণালী বৰণ লৈছে। দেউতাই শাকনিত ইটো-সিটো খুচৰি আছিল। ভণ্টি নমি আৰু মমিয়ে মোক চাহ-জলপানেৰে বেচ আপ্যায়ন কৰিলে। সিহঁত দুজনীয়েও ফ্ৰকৰ ঠাইত চুৰিদাৰ পিন্ধিবলৈ লৈছে। ভাইটিয়েও হাফ্ পেণ্টৰ সলনি আজিকালি লংপেণ্ট পিন্ধিবলৈ লৈছে। 'অজু বাইদেউ' এইখন ঘৰত থাকোঁতে মই হোষ্টেলৰ পৰা আহিলে ঘৰখনত এক উৎসৱ মুখৰ পৰিবেশ বিৰাজ কৰিছিল কিন্তু আজিকালি যেন ঘৰখনত সেই প্ৰাণচঞ্চলতা নাই। বাইদেউৰ লাৱনী হাতৰ পৰশত ঘৰখনৰ প্ৰতিটো বস্তুৱেই যেন সজীৱতা পাইছিল। বাৰাণ্ডাৰ টাবকেইটাৰ ফুলকেইপাহিয়েও যেন হাঁহি আছিল। দেউতাৰ মলিয়ন ধুতিখন শুভ্ৰ আছিল। ৰাতি ভাত-পানী খাই উঠি দেউতাই মোক কৈছিল—"বাপু, তোৰ ওপৰতে মোৰ সকলো ভৰসা। দুজনী ভনীয়েৰ আৰু সৰু ভায়েৰেও তোলৈ আশাৰে বাট চাই আছে।" কথাবোৰ

কৈ দেউতাই নিৰ্বিকাৰভাৱে শূন্যলৈ চাই ৰৈছিল। দেউতাৰ কথা শুনি মোৰ এনে লাগিছিল যেন দেউতাই এই মুহূৰ্ততে এইখন ঘৰৰ পৰা চিৰদিনৰ কাৰণে আঁতৰি যাব। মনটো কিবা গধূৰ গধুৰ লাগিছিল।

পিছদিনা পুৱাতে দেউতাক কলেজীয়া বন্ধু এজনৰ ঘৰৰ পৰা আহোঁগৈ বুলি কৈ বাইদেউৰ ঘৰলৈ ৰাওনা হ'লো। মই যোৱা দেখি বাইদেউ উধাতু খাই ওলাই আহিছিল। তাইৰ বগা ঢকীয়া কপালখনত ৰঙা সেন্দূৰৰ ফোটটো প্ৰভাতী সুৰুযৰ দৰে দগ্‌মগ্‌কৈ জিলিকি আছিল। 'প্ৰথমতে তাই' মোক দেখি হুকহুককৈ কান্দি উঠিছিল। তাৰ পাছত সুস্থ হৈ ঘৰৰ আটাইৰে খা-খবৰ ল'লে। মই তাইৰ হাতত ধৰি ক'লো 'অজুবা', তই নতুন ঘৰখনত হাঁহি-মাতি থাকিবি, দেউতাৰ ক্ষোভ ভাগিলে এদিন আকোৱালি ল'ব। আহিবৰ সময়ত ভিনিদেৱে কৈছিল — "বাপুকণ, মাজে সময়ে আমাৰ খা-খবৰ কৰি থাকিবা। আমিতো তোমালোকৰ ঘৰলৈ যাব নোৱাৰো।" বাইদেউ, ভিনিদেউক সুখে-দুখে খা-খবৰ লোৱাৰ প্ৰতিশ্ৰুতি দি সেইদিনা ঘৰলৈ উভতিছিলো। মনটো ভাল লাগিছিল অজুবাই নতুন ঘৰখনত হাঁহি- মাতি আছে।

বাইদেউৰ ঘৰৰ পৰা অহাৰ পিছদিনাই হোষ্টেললৈ গুচি আহিছিলো। মনত অনবৰতে এটা গধুৰ বোজা কঢ়িয়াই লৈ ফুৰাৰ দৰে লাগিছিল। তাৰ পাছত পঢ়াশুনাত একান্তমনে লাগিছিলো। তাৰ মাজতে অজুবাৰ পৰা এখন চিঠি পালো- "বাপুকণ, তই চাগৈ ভাবিছ মই এই ঘৰখনত হাঁহি-মাতি আছোঁ।" কিন্তু মানুহৰ হাঁহিবোৰ জানো চিৰযুগমীয়া? ভিনিদেৱৰক লৈ মোৰ চিন্তা। তেওঁ মোলৈ চিঠিত প্ৰায়ে লিখে— 'সৈনিকসকলে যেতিয়াই-তেতিয়াই জীৱনক লৈ সংগ্ৰাম কৰিবলগীয়া হয়। তই পাৰিলে এইবাৰ ঘৰলৈ আহোঁতে মোৰ ওচৰলৈ আহিবিচোন। বাইদেউৰ চিঠিখন পঢ়ি পুনৰ মনটো গধুৰ গধুৰ লাগিল। তাইলৈ অতি চমুকৈ লিখিলো — "অজুবা, তই বেচি চিন্তা কৰি নাথাকিবি। জীৱনটো যি দৰে পাইছ সেইদৰে গ্ৰহণ কৰিবলৈ শিক। তেতিয়া তই হাঁহিব পাৰিবি। এইবাৰ ঘৰলৈ গলে তোৰ ওচৰলৈ যাম।" এইদৰে 'অজু বা'ৰ লগত সকলো প্ৰকাৰৰ যোগাযোগ মই ৰাখিছিলো। দেউতাৰ পৰা হঠাৎ এখন চিঠি আহিল। বাপুকণ, আজি অলপ দিনৰ আগতে নমিক চাবলৈ এজন ল'ৰা আহিছিল। ল'ৰাঘৰৰ

ছোৱালী পচন্দ হৈছে। গতিকে তোৰ লগত মোৰ কিছু কথা পাতিব লগা আছে। পাৰিলে দুই-এদিনতে ঘৰলৈ এবাৰ আহিবি। ঘৰলৈ নাযাওঁ বুলি ভাবিছিলো যদিও দেউতাৰ পৰা চিঠিখন পাই যোৱাটোকে ঠিক কৰিলো। পিচদিনা পুৱাতেই হোষ্টেলৰ পৰা ঘৰলৈ ৰাওনা হ'লো। পদূলিৰ নঙলা খুলি সোমাই গৈ আছো তেনেতে সৰু ভণ্টি মমি আৰু ভাইটিয়ে মোক আগবঢ়াই নিলেহি। গধূৰ এৰিষ্ট্ৰকেটটো হেকেৰ-পেকেৰকৈ ভাইটিয়ে ডাঙি নি ভিতৰ সোমালে। ঘৰৰ বাৰাণ্ডাত ভৰি দিছো ডাঙৰ ভনী নমি ওলাই আহিল। তাই আগৰ চুৰিদাৰবোৰ এৰি মেখেলা চাদৰ পিন্ধিছে। কঁকাললৈকে পৰা দীঘল চুলিটাৰি আৰু লাজুক দৃষ্টিৰে নমিজনীক বৰ মৰম লাগিছিল। নমি আৰু মমিয়ে মোক আগতে কোনোদিন নহা অতিথিৰ দৰে আপ্যায়ন কৰিলে। মায়ে মোৰ ওচৰতে বহি মোৰ খা-খবৰ ল'লে। মাৰ কথা-বতৰাৰ আদব-কায়দা, ভণ্টিহঁতৰ খোজ-কাটলৰ গতি দেখি মোৰ এনে লাগিছিল যেন পূৰ্বৰ মৰিশালিময় ঘৰখনে যেন পুনৰ প্ৰাণ পাই উঠিছে। ৰাতি দেউতাৰ সতে মায়ে মোক একেলগে ভাত বাঢ়ি দিলে।

দেউতাই খোৱাৰ মায়ে মোক ক'লে—"বাপু মোৰ ৰিটায়াৰমেণ্টৰ কথা তইটো গম পাওঁ। কেৱল ছটা মাহ আছে, গতিকে এজনী ভনীয়েৰক উলিয়াই দিব পাৰিলে তোৰেই দায়িত্ব কিছু লাঘৱ হ'ব। তাতে ছোৱালী লহ-পহকৈ বাঢ়ি আহিছে, ঘৰত ৰাখি থব নোৱাৰি। মই কথাটোৰ সিদ্ধান্ত অকলেই ললোঁ। তই কেনে দেখ? দেউতাৰ কথাত বিশেষ 'হা' 'না'একো নকৰিলো। ভাবিলো দেউতাই তেন্তে নমি, মমিৰ দায়িত্ব মোক সঁচাকৈয়ে এদিন দিছিল। দেউতাই পুনৰ ক'লে—"বাপু, তোৰ মতামত মোক জনা। মই চমুকৈ ক'লো — "বেয়া নেদেখো।" দেউতাই এইদৰে নমিৰ বিয়াৰ বিষয়টো লৈ মোক ইমান কথা সোধাত মোৰ নিজকে এজন দায়িত্বশীল অভিভাৱকৰ দৰে লাগিল। মই চোৰৰ দৰে দেউতালৈ চালোঁ-এইকেইদিনত দেউতাৰ মূৰৰ চুলি আৰু ওঁঠৰ ওপৰৰ চুটি চুটি নোমবোৰে সোণালী বৰণ লৈছে। ভাত-পানী খাই উঠি মোৰ ৰুমলৈ বুলি গলো। দৈনিক পেপাৰখনত চকু ফুৰালো। বাতৰি শিৰোনামাত, "দুজনমান সৈনিকক গুলিয়াই হত্যা কৰা হ'ল"। এইবিলাক ঘটনাই মোৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে। সৈনিকক হত্যা কৰাটো কোনো না-ভূত নাশ্ৰুত ঘটনা নহয়। নিত্য-

নৈমিত্তিক ঘটি থকা এটা সাধাৰণ ঘটনা। মোৰ কেতিয়াবা মনত ভাব হয় আমিবোৰ বাৰু সঁচাকৈয়ে বৰ অনুভূতিহীন হৈ পৰিছোঁ নেকি? এবা, নিজকেনো কেনেকৈ কওঁ যে মোকো যুগৰ বতাহে অনুভূতিহীন হৈ পৰিবলৈ বাধ্য কৰা নাই বুলি। তেনেতে মা মোৰ কোঠালৈ সোমাই আহিল। মায়ে মোৰ শিতানৰ মূৰত বহি মুৰটো পিহি দিলে। তাৰ পাছত কোনো ভূমিকা নোহোৱাকৈ আৰম্ভ কৰিলে —"ল'ৰাজন বৰ বেয়া নহয়, বাগানৰ এছিছটেণ্ট মেনেজাৰ। ঘৰখন ভাল, তই নিজেও এবাৰ চাই আহিবিগৈ। তাইক এইবাৰ উলিয়াই দিব পাৰিল তোৰো বহু দায়িত্ব কমি আহিব। হঠাৎ কিবা মনত পৰাৰ দৰে মায়ে ক'লে— 'অ' অজুবাৰ কিবা খবৰ পাইছিলি নেকি?" মই কেৱল মূৰ দুপিয়ালো। এটা সময়ত মা মোৰ ৰূমৰ পৰা ওলাই আহিল। পুহমহীয়া হাড় কপোৱা জাৰত লেপখনৰ তলত কুচিমুটি সোমাই পৰিলো। বাহিৰত কেৱল নিয়ৰ টোপালবোৰে সাৰে থকাৰ উমান দিলে।

পিছদিনা শুই উঠি দেউতাক বন্ধু এজনৰ ঘৰৰ পৰা আহোঁ বুলি কৈ বাইদেউৰ ঘৰলৈ ৰাওনা হ'লো। সমগ্ৰ বাটটোত কেৱল 'অজুবা'ৰ চিৰহাস্যময়ী মুখখন ভাহি উঠিল। মনতে ভাবিলো তাই চাগে এতিয়া হাঁহি আছে। এইদৰে ভাবি আহোঁতে কেতিয়ানো গন্তব্য স্থল পালো গমেই নাপালোঁ। অজুবাহঁতৰ পদূলিৰ নঙলাডাল খুলি মই সোমাই গ'লো। ঘৰখনৰ পৰিবেশটো অস্বাভাবিক ধৰণে গহীন যেন লাগিল। আনদিনৰ দৰে অজুবা হাঁহি-মাতি উধাতু খাই মোৰ ওচৰলৈ অহা নাই। কিবা সমগ্ৰ পৰিবেশটোৱেই বিসংগতিপূৰ্ণ যেন লাগিল। লাখুটিডালত ভৰ দি বুঢ়াজন ওলাই আহিল। মোক ড্ৰইং ৰূমত বহিবলৈ দি তেৰোঁ মূঢ়া এটাত বহিলে আৰু এটা দীঘল হুমুনিয়াহ পেলালে। সেই সময়ত বুঢ়াজনক মোৰ প্ৰাচীন যুগৰ কোনোবা ঋষি যেন লাগিল। 'অজুবা' নাইনেকি বুলি সুধিব খোজোতেই বুঢ়াই আৰম্ভ কৰিলে —"বাপুকণ, প্ৰতিকূল সময়ৰ লগত সংগ্ৰাম কৰি কৰি বহুজন সৈনিকে মৃত্যুক সাৱটিব লগা হয়। এদিন বা দুদিনৰ পিছত সিহঁতৰ মৃত্যুৰ বাতৰিয়ে বাতৰি কাকতৰ শিৰোনামা দখল কৰে। কোনোবা মন্ত্ৰী, এম, এল, এই শোক প্ৰস্তাব আগবঢ়ায়। মানুহৰ মুখত বো-বা চলে। কিন্তু তাৰ পাছত? সেই মৃত সৈনিকহঁতৰো যে একোটা পৰিয়াল থাকিব পাৰে তাৰ খতিয়ান কোনে ৰাখে? মানুহে ভাবে সিহঁত সৈনিক, সিহঁত মানুহ নহয়। স্বাৰ্থপৰ, পৃথিৱীৰ

সকলো মানুহেই স্বাৰ্থপৰ হৈ পৰিছে। কাৰো সুখ-দুখত খবৰ ল'বলৈ কাৰো অৱকাশ নাই। তুমিতো আধুনিক যুগৰ শিক্ষিত ল'ৰা, তোমাৰ মনতো এনে কথাবিলাকে কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰেনে? এই প্ৰশ্নৰ উত্তৰ দিয়া বাপুকণ। বুঢ়াৰ কথাই মোৰ মনত এক ভয়ৰ সঞ্চাৰ কৰিলে। ঘৰখনত যেন কিবা এটা গুৰুতৰ অঘটন ঘটি গ'ল। মোৰ মনটো ৰহস্যময় আৰু উৎসুক হৈ পৰিল। অস্ফুট স্বৰেৰে মোৰ মুখৰ পৰা ওলাই আহিল 'অজু বা' ক'ত? বুঢ়াই কোনো কথা নোকোৱাকৈ মোক হাতেৰে নিৰ্দেশ দি নিজে আগবাঢ়ি গ'ল। পিচফালৰ মুকলি ঘৰটোত সিফাললৈ মূৰ কৰি আউলি বাউলি চুলিৰে অজুবা বহি আছে। কোনো সাৰ-সুৰ শব্দ নোহোৱাকৈ তাই বহি আছে। মই তাইৰ কাষ চাপি গ'লো। গাত ধৰি 'অজুবা' বুলি চিৎকাৰ কৰি উঠিলো। তাই মোৰ চকুলৈ চাই পঠিয়ালে। সেই চাৱনিত যেন জুই বৰষিছে। অজুবা তোৰ কি হৈছে? মই সুধিলো। তাই এক মুহূৰ্ত নিৰ্বিকাৰভাৱে শূন্যলৈ চাই ৰ'ল। তাৰ পাছত কৈ গ'ল — "বাপুকণ, তই আজি কিয় আহিলি? ঘৰখন একেবাৰে উছন্ন হৈ যোৱাৰ পিছতো আহিব পাৰিলিহেতেন। ভিনিদেৱৰ নাই। গুচি গ'ল। মই ভাবিছিলোঁ তয়ো আনবোৰ মানুহৰ দৰে আত্মকেন্দ্ৰিক হৈ পৰিবি। এক সুতীক্ষ্ণচাৱনিৰে তাই মোলৈ চাই ৰ'ল। সেই চাৱনিৰ পৰা যেন বিদ্ৰোহৰ অগ্নি বিস্ফুৰিত হৈ আহিছে। যাগৈ যা, দেউতাই খং কৰিব"— কথাষাৰ কৈ তাই হুকাই কান্দি উঠিল। মই একো ক'ব নোৱাৰিলোঁ। নিজকে বৰ অপৰাধী যেন লাগিল।

সেই মুহূৰ্তত দেউতাৰ কঠোৰ আৰু অনমনীয় মুখখন মোৰ দৃষ্টিত কিম্ভুত-কিমাকাৰৰূপে ভাহি উঠিল।

□□□

# শুধৰণি

শ্ৰী মৈত্ৰী গগৈ

টাউনৰ মাজ মজিয়াতে বাস কৰে নীলিম বৰুৱাৰ পৰিয়ালটো। পৰিয়ালটো মানে তেওঁৰ পত্নী আৰু তিনিটি ল'ৰা-ছোৱালী। দুজনী ছোৱালী, সিহঁত ডাঙৰ আৰু একেবাৰে শেষত হ'ল পেটমুছা মৰমৰ একমাত্ৰ ল'ৰাটো। দুয়োজনী ছোৱালীৰ নাম দুটা নীলিম বৰুৱা আৰু চন্দ্ৰনা বৰুৱাই বেচ মিলাই থলে। সুমনা আৰু নয়না, আৰু একমাত্ৰ পুতেকৰ নাম থলে দীপ। বৰুৱা আৰু বৰুৱানীৰ জীৱনকালৰ একমাত্ৰ ভৰসা দীপ। বৰুৱা এটা চৰকাৰী অফিচৰ উচ্চপদস্থ বিষয়া। সুমনা অলপ শান্ত প্ৰকৃতিৰ, তাতে ঘৰৰ ডাঙৰ যে, সকলোৰে পৰা প্ৰথম মৰম পাই ডাঙৰ হৈছে। সচৰাচৰ ঘৰৰ ডাঙৰ সন্তানটি অলপ শান্ত স্বভাৱৰ হয়। নয়না কিন্তু অলপ চতুৰ, তায়ো শান্ত, তথাপি সুমনাতকৈ কম। দুয়োজনীৰ মাজত হাই- কাজিয়াও নহয়। কিন্তু একমাত্ৰ ভায়েকৰ লগত নয়নাৰ প্ৰায়ে খকা-খুন্দা, চুপতা-চুপতি হৈ থাকে। ইটোৱে সিটোক জোকাই থাকে আৰু পিচত মৰা-মৰি হয়। দীপক বিশেষকৈ মাকে বেছিকৈ মৰম কৰে। হয়তো নয়নাৰ এইটোতে খং উঠাৰ কাৰণ থাকিব পাৰে। কাৰণ তাইক সৰু বুলি কৰি থকা মৰমখিনি এতিয়া দীপে আদায় কৰিছে। সৰুৰে পৰাই নয়না আৰু দীপৰ মাজত কাজিয়া হৈ থাকিলে মাকক আপত্তি দিলে মাকে কিন্তু নয়নাকহে গালি পাৰে। কয় যে —"দীপ এতিয়া সৰু হৈ আছে, সিনো বাৰু কি বুজি পাইছে? তহঁতে ডাঙৰ হৈনো বাৰু কিয় ইয়াৰ সমানে সমানে কাজিয়া কৰ?" — এইষাৰ কথা শুনিলে দীপক আৰু কি লাগিছে, সি চল্ পাই তেনেকৈ সদায় কাজিয়া কৰে। কেতিয়াবা দুয়োজনী বায়েককে মাৰেও, সি মাৰিলে সিহঁতে দুখো পায়। তেতিয়া খঙৰ ভমকত দুয়োজনীয়ে বিশেষকৈ, নয়নাই তাক গালি-শপনি নাপাৰে। একো কৰিব নোৱাৰি মনে মনে ভাবে, আমাৰ মায়ে বাৰু অকল আমাকেই জগৰীয়া কৰি কিয় গালি পাৰে? দেউতাকেও অৱশ্যে এই ক্ষেত্ৰত মাকক কয়। তাই ভাবে — "ভাইটোকোতো গালি দিব পাৰে। তাক ইমান মৰম কৰে"। এদিন এনেকৈ লাগোতেই নয়নাই খঙতে মাকক ক'লে "মা, তুমি যে তাক এদিনো গালি

নিদিয়া, চাবা সি ডাঙৰ হ'লে কাৰোৰেই কথা নুশুনিব, মূৰত উঠিবগৈ। ই বদনামহে আনিব।" হয়তো নয়নাই এই কথা অন্তৰেৰে কৈছিল। কাৰণ ডাঙৰ হ'লত এই কথাযাৰ ফলিয়াইছিল।

সময় আৰু বয়স বৈ নাথকে। এটি-দুটি পল কৰি সময়বোৰ বাগৰিল। বৰুৱাৰ অৱসৰ লবলৈ মাত্ৰ এবছৰ আছেগৈ। সুমনা, নয়না দুয়োজনীয়ে B. A পাছ কৰিলে, আৰু দীপ-সি এতিয়া পঢ়িছে একাদশ শ্ৰেণীত। সিয়ো পঢ়াত অৱশ্যে ভালেই। কিন্তু মাক দেউতাকে ভবাৰ মতে ৰিজাল্ট নহ'ল। বৰুৱানীয়েও ঘৰৰ কাম-কাজ চলাই আছে। সি ডাঙৰ হ'ল যদিও বায়েকৰ লগত কাজিয়া কৰিবলৈ এৰা নাই। মাকৰ পুতেকৰ প্ৰতি মৰম আগৰদৰেই আছে। বাহিৰত কিন্তু দীপ বৰ ভাল। এতিয়া কলেজৰ পৰিবেশ। তাতে ক'তো বাধা নাই। গাত যৌৱনৰ বা বলিছে। মাক দেউতাকে কিন্তু তাক লৈ বহুত সপোন দেখিছে। সি ভালকৈ পঢ়া- শুনা কৰি নাম কৰা চাকৰি কৰিব, বুঢ়াকালত তেওঁলোকৰ একমাত্ৰ ভৰসা হ'ব। কিন্তু, দীপৰ এইবোৰত চিন্তা নাই। সি এতিয়া ডাঙৰ হৈ এইটো বুজি পালে যে মাকে তাক অত্যন্ত মৰম কৰে, তাৰ হৈ আনকি মাকে দেউতাকৰ পৰাও গালি শুনিব পাৰে। ফলত সি যেতিয়াই প্ৰয়োজন হয় মাকৰ পৰা টকা খুজি নি বন্ধুবোৰৰ লগত আনন্দ কৰেগৈ। সি কলেজৰ অফ্ পিৰিয়দত প্ৰায়ে পিঙপিঙাই ফুৰেগৈ। লগৰ বন্ধুবোৰৰ বাইকত ডাবল কৰি ৰাস্তাত যোৱা ছোৱালীবোৰক জোকাই ফুৰে। ঘৰত কিন্তু অলপ গম পাইছিল। বুজিছিল যে দীপ লাহে লাহে বৰ বেয়াৰ ফালে গৈছে। সেয়ে, তেওঁ বৰুৱা আৰু জীয়েকহঁতৰ অজ্ঞাতেই তাক গালি দি ভাল হবলৈ কয়, সেইবোৰ বন্ধুৰ লগত নুফুৰিবলৈ কয়। মাকে বুজায় — "তয়েইতো আমাৰ একমাত্ৰ ল'ৰা। তই এনেকুৱা বেয়া হ'লে কেনেকৈ হ'ব? দেউতাৰ ৰিটায়াৰ হ'বলৈ মাত্ৰ এবছৰহে আছে। তই যদি চাকৰি এটা ল'ব নোৱাৰ তেতিয়া হ'লে কি কৰি খাবিগৈ আগলৈ। ইহঁতকটো বিয়া দিব লাগিব।" কিন্তু দীপৰ এইবোৰৰ প্ৰতি কাণ-সাৰ নাই। কথা এষাৰ আছে যি যেনে কৰে তেনেকুৱাই ফল ভোগে। বৰুৱানীৰ ক্ষেত্ৰতো সেইটোৰেই আজি হৈছে।

সুমনা আৰু নয়নাই দুমাহ মানৰ পৰা টাইপ শিকিছেগৈ ঘৰৰ পৰা এমাইল মান আঁতৰত। বহুত ল'ৰা-ছোৱালী আহে। সিহঁতেও অলপ ঘৰৰ পৰা ওলাই

আহি লগৰ জুৰি, ববিতা, কাকলিহঁতৰ লগ পাই আনন্দ পায়। নয়নাই কিন্তু প্ৰায়ে তাই আৰু... দীপৰ কাজিয়া লগাৰ কথা উলিয়ায়। কিন্তু সিহঁত দুয়োজনী আচৰিত হয় যেতিয়া সিহঁতৰ লগত "জুৰিহঁতেও সেই একেটা কথাই কয়- মাকে সিহঁতৰ ভায়েক হঁতকহে ইহঁততকৈ বেছি মৰম কৰে। তাকহে গুৰুত্ব দিয়ে। তেতিয়া দুয়োজনীয়ে ভাবে পৃথিৱীৰ সকলো মাকেই বাৰু এনেকুৱাই নেকি? পুত্ৰ প্ৰেমত অন্ধ।

নীলিম বৰুৱাই তেওঁ অৱসৰ লোৱাৰ আগতেই সুমনা বা নয়না কোনোবা এজনীক নিজৰ অফিচতেই সোমোৱাবলৈ চেষ্টা কৰি আছে। হয়টো চাকৰি এটা হ'বগৈ নেকি? তেওঁৰ চিন্তা বহুত। ঘৰ চলাব লাগে, ইপিনে ৰিটায়াৰ হ'ব, ছোৱালী ডাঙৰ হ'ল, ইত্যাদি বহুতো। সুমনাৰ বাবে অৱশ্যে মানুহ এঘৰ আগবাঢ়ি আহিছে। বিয়া হবগৈ ছাগে। নয়নাই কেতিয়াবা সেয়ে বায়েকক কয় —"বাইদেউ, তইতো যাবিগৈ, মই বাৰু তেতিয়া অকলে কেনেকৈ থাকিম। দীপৰ লগততো মোৰ অনবৰতে দ্বন্দ্ব লাগিয়েই থাকে। মই বৰ অকলশৰীয়া হৈ যাম।"

দীপ লাহে লাহে অত্যন্ত বেয়া হ'ব ধৰিলে। কলেজৰ ভিতৰৰ বদমাছ ল'ৰাকেইটাৰ লগলৈ আৰু এটা নতুন নাম আহিল—দীপ। সি সঙ্গত পৰি মাজে মাজে মদও খাবলৈ ল'লে। এদিন দেউতাকে অফিচত পুতেকৰ এই খবৰবোৰ পাই অফিচৰ পৰা তেতিয়াই পোনে পোনে ঘৰলৈ গুচি আহিল। তেওঁ একমাত্ৰ পুতেকৰ এই চৰিত্ৰ স্খলনৰ কথা জানিব পাৰি অন্তৰত বৰ দুখ পালে। ইফালে তেওঁৰ বয়সো হৈ আহিছে। বেছি দুখ সহ্য কৰিব নোৱাৰে। সেয়ে তেওঁ অকলে এটা কোঠাত দৰ্জা জপাই সোমাই থাকিল। তেওঁ অহাৰ সময়ত বৰুৱানীয়ে পাকঘৰত কিবা কাম কৰি আছিল। সেয়ে গিৰিয়েক অহাৰ কথা জীয়েকহঁতৰ পৰাহে গম পালে। তেওঁ কিন্তু কাৰণটো ধৰিব নোৱাৰিলে। মাকে সুধিবলৈও সাহস নকৰিলে।

লাহে লাহে দিনটো বাগৰিল। সন্ধ্যা নামিল। তেতিয়া ছয়মান বাজিছিল। দীপ উভতি অহাৰ অলপ সময়ৰ পাছতেই দেউতাক ৰুমৰ পৰা ওলাই আহি তাক বহিবলৈ কৈ নিজেও বহি ল'লে। তেওঁ তাক এফালৰ পৰা সৰু ল'ৰাৰ দৰে

বুজাবলৈ ধৰিলে। তেওঁ ক'লে—"তইয়েই আমাৰ একমাত্ৰ ল'ৰা। তই বাৰু কিয় আমাৰ নাম নুমুৱাবলৈ আহিলি। মই আজি অফিচত তোৰ কাৰণে কিমান লাজ পাইছো তই জান নে?" লাহে লাহে বৰুৱাৰ খংটো উঠিহে আহিল। সুমনা, নয়না দুয়োজনীয়ে তেতিয়াহে বুজিলে, "অ' দেউতাই তেতিয়াহ'লে ইয়াৰ কথাবোৰ কেনেবাকৈ গম পালে। দিয়ক গালি, সিনো এনেকুৱা কিয় হ'ব লাগে?" দীপে মাজে মাজে মাকৰ মুখলৈ চাইছিল। যেন তাক এতিয়া অত্যন্ত সহায়ৰ আৱশ্যক। দেউতাকে সেই সময়ত শোকতে লাহেকৈ কান্দি উঠিছিল। জীৱনত দেউতাকক সিহঁতে আজিয়েই প্ৰথম কন্দা দেখিছে। তেওঁ থুকা-থুকি মাতেৰেই এবাৰ কৈ উঠিল —"তই মোক মাৰ যদি মাৰি পেলা, অন্ততঃ লাজ-অপমান পোৱাৰ পৰা বাচিম। জীয়াই থাকিনো কি লাভ?" তেতিয়া মাকেও কান্দি উঠিছিল। তেওঁ কান্দি কান্দি কৈছিল — "ময়েই এইবোৰৰ বাবে জগৰীয়া ময়েই সৰুৰে পৰাই তাক অত্যন্ত মৰম কৰিলো সৰু বুলি, আৰু আজি সি গুৰু-গোসাঁই নমনা। হ'ল কিবা এটা কাজিয়া লাগিলেও মই ইহঁত দুজনীকহে গালি পাৰো।" সঁচাকৈ নয়নাহঁতে ঠিকেই কৈছিল যে ইয়াক ইমান ছল দিব নালাগে। হঠাতে দীপৰ জানো কি হ'ল? সিয়ো কান্দি উঠিলে আৰু ক'লে—"মোক মাফ কৰি দিয়ক দেউতা। দেউতা, মই বৰ ভুল কৰিছিলো। এতিয়াহে মোৰ অনুশোচনা আহিছে। মই এনেকুৱা হ'ব নালাগিছিল। মোক মাফ কৰি দিয়ক, মই আজিৰ পৰা ভাল হম দেউতা। পুতেকৰ অনুশোচনা দেখি মাক, দেউতাকে মনত বৰ শান্তি পালে।" মাকৰ সেইটো সময়ত এটা কথাই মনত পৰিছিল, নয়নাই কোৱা কথাটো। — ই এদিন কাৰো কথা নুশুনা হ'ব। ...... নয়নাৰো হয়তো একেটা কথাই মনত পৰিছিল। দীপৰ বাবে সেই সন্ধিয়াটোৱেই যেন তাৰ জীৱনৰ গতি সলনি কৰিলে। দীপ পুনৰ আগৰ দৰেই ভাল হৈ পৰিল। সি এতিয়া নিজৰ দায়িত্ব বুজি উঠিল। নতুনকৈ মনত আশা বান্ধি কলেজলৈ যাবলৈ ল'লে। পুতেকৰ এনে পৰিৱৰ্তনত মাক, দেউতাক, বায়েক সকলোৱে ভাল পালে। দীপৰ মনত এতিয়া মাত্ৰ এটাই চিন্তা-কেনেকৈ সি ভালকৈ পঢ়ি-শুনি ভাল চাকৰি কৰি মাক-দেউতাকক সুখত ৰাখিব পাৰে। এতিয়া তাৰ এইটোৱেই একমাত্ৰ চিন্তা।□□

# এইখন সমাজতে

পাপৰী চাংমাই

*(মণিমাই উপলব্ধি কৰিলে এই মদ নামৰ বস্তুটোৰ বাবেই আজি বহুতো ঘৰ ধ্বংসৰ পথলৈ আগবাঢ়ি গৈছে। অকল তাই দেখি থকা এই বৰুৱাৰ ঘৰখনেই নহয় আন বিভিন্নজনৰ বহুতো ঘৰ ভাঙি গৈছে। যাৰ বাবে আজি তেওঁলোকৰ সন্তানসকল পথৰ ভিক্ষাৰী হৈ ওলাই আহিবলগীয়া হৈছে। ৰাষ্টাৰ অলিয়ে- গলিয়ে ঘূৰি ফুৰা সিহঁতৰ নিস্পাপ মুখবোৰৰ কথা ভাবি মণিমাৰ অন্তৰৰ কোনোবাখিনি বিষাই যোৱা যেন লাগিল।)*

ৰাতিপুৱা খিড়িকীখন খুলিয়েই মণিমাৰ ইমান খং উঠি গ'ল যে তাই লগে লগে খিড়িকীখন জোৰেৰে বন্ধ কৰি দিলে। পাকঘৰত চাহ কৰি থকা মাকে জীয়েকৰ খং উঠাৰ কাৰণ ভালদৰে বুজিব পাৰিলে যদিও তেওঁৰ মনত ইয়াৰ বাবে কোনো বিশেষ প্ৰতিক্ৰিয়া নহ'ল। কাৰণ এনেকুৱা ৰাতিপুৱা তেওঁৰ বাবে অপৰিচিত নহয়। মাথোঁন জীয়েক মণিমাই হোষ্টেলত থকা বাবে এনেকুৱা ৰাতিপুৱাৰ লগত আজি দুদিনমানৰ পৰাহে সন্মুখীন হৈছে।

চাহকাপ মুখলৈ নিওঁতেই বাহিৰৰ পৰা ইমান চিঞৰ-বাখৰ, কন্দা-কটাৰ মাত ভাঁহি আহিবলৈ ধৰিলে যে মাক-জীয়েক এজনীৰো চাহ খোৱা নহ'ল। মাকে লৰা-লৰিকৈ চাদৰখন সলাই বৰুৱাৰ ঘৰলৈ দৌৰ মাৰিলে। মণিমায়ো দুৱাৰ মুখলৈ ওলাই গৈ মাক যোৱালৈ চাই ৰ'ল। দুৱাৰ মুখত ৰৈ থাকি মানুহঘৰৰ

পৰা অহা চিঞৰ- বাখৰবোৰ, মাতবোৰ শুনি থাকি মণিমাৰ খঙটো ক্ৰমান্বয়ে বেছি হৈ আহিল। তাইৰ এনেকুৱা লাগিল এতিয়াই গৈ যেন তাই সেই নতুনকৈ সিহঁতৰ ঘৰৰ ওচৰলৈ অহা পদ্ম বৰুৱা নামৰ মানুহজনৰ মুখত দুই চৰ মাৰি থৈ আহিব।

মাক আহি নোপোৱালৈকে মণিমা স্থিৰেৰে থাকিব পৰা নাই। বাৰে বাৰে তাইৰ মনলৈ আহিছে মানুহঘৰৰ অকণমাণি ছোৱালী দুজনীৰ মুখ কেইখন। বেচেৰী এই দুৰ্ভগীয়া ছোৱালী দুজনীয়ে বাৰু এতিয়া কি কৰিছে? মাক-দেউতাকৰ কাজিয়া দেখি সিহঁত কেইজনীয়ে চাগে কৰবাত ভয়ে ভয়ে লুকাই থাকি কান্দি আছে। তাতে দেউতাকক মদ খাই অহা দেখি আৰু ভয় কৰিছে ছাগে! মণিমাৰ মনটোত বৰুৱা মানুহজনৰ প্ৰতি ঘৃণা উপজিবলৈ ধৰিলে। ৰাতিপুৱাতে মদ এগাল গিলি আহি ঘৈণীয়েকৰ লগত অবান্তৰ তৰ্ক কৰি মাৰ-পিট কৰা এই মানুহজনৰ কথা ভাবি মণিমা সঁচাই আচৰিত হ'ল। কাৰণ তেওঁতো কোনো অশিক্ষিত লোক নহয়। এজন শিক্ষিত লোক হৈ তেওঁৰ বাবেই গোটেই চুবুৰীটোৰ শান্তিত ব্যাঘ্যাত জন্মিছে। এই কথা মণিমাই উপলব্ধি কৰিব নোৱাৰা দেখি তেওঁ আৰু আচৰিত হৈছে।

কথাবোৰ ভাবি থাকোঁতে মণিমাৰ মনত নানা চিন্তা কিছুমানে আগুৰি ধৰিলেহি। মণিমাই উপলব্ধি কৰিলে এই মদ নামৰ বস্তুটোৰ বাবেই আজি বহুতো ঘৰ ধ্বংসৰ পথলৈ আগবাঢ়ি গৈছে। অকল তাই দেখি থকা এই বৰুৱাৰ ঘৰখনেই নহয় আন বিভিন্নজনৰ বহুতো ঘৰ ভাঙি গৈছে। যাৰ বাবে আজি তেওঁলোকৰ সন্তানসকল পথৰ ভিক্ষাৰী হৈ ওলাই আহিবলগীয়া হৈছে। ৰাস্তাৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰা সিহঁতৰ নিস্পাপ মুখবোৰৰ কথা ভাবি মণিমাৰ অন্তৰৰ কোনোবাখিনি বিষাই যোৱা যেন লাগিল।

যিবোৰ মাক-দেউতাকে আজি এই শিশুবোৰক ভৱিষ্যতৰ বাবে একোজন নাগৰিক ৰূপে গঢ় দিবলৈ যত্নপৰ হ'ব লাগিছিল; তেওঁলোকেইচোনে সিহঁতক পথৰ ভিক্ষাৰী হ'বলৈ বাধ্য কৰিছে। হঠাৎ মণিমাৰ সমগ্ৰ পুৰুষ জাতিটোৰ ওপৰতে ঘৃণা জন্মিল। আমাৰ এই পুৰুষ প্ৰধান সমাজত আজি এই পুৰুষ জাতিটোৱে এনে এখন শক্তিশালী দেৱাল হৈ থিয় দিছে যে তেওঁলোকে নাৰীক

এক পণ্য সামগ্ৰী ৰূপে ব্যৱহাৰ কৰিছে যাৰ বাবে আজি নাৰী অৱহেলিত হৈছে। ফলত বৈবাহিক জীৱন আৰম্ভ কৰি একোখন সুন্দৰ সংসাৰৰ কল্পনা কৰা নাৰীসকলৰ সেই সপোন আধাতেই ভাঙি থান-বান হৈ গৈছে।

ঘড়ীটোৰ টং টং শব্দত মণিমা ভাৱৰ সাগৰৰ পৰা উলটি আহিল। ইতিমধ্যে মাকো আহি বৰুৱাৰ ঘৰৰ পৰা পালেহি। মাকে আহোঁতে লগত বৰুৱাৰ ছোৱালী দুজনীও লৈ আহিছে। সিহঁতকেইজনীৰ মুখকেইখনত ফুটি উঠা করুণতা দেখি মণিমাৰ সিহঁতলৈ বৰ পুতৌ উপজিল। বেচেৰী এই অকণমানি ছোৱালী দুজনীয়ে বাক কি বুজিছে সিহঁতে কল্পনা কৰা এই ৰঙীন পৃথিৱীখনত আৰু যে কিমান কষ্ট, কিমান সংঘাত সিহঁতৰ বাবে ভৱিষ্যতৰ দুৱাৰদলিত ৰৈ আছে।

দূৰৰ মন্দিৰৰ পৰা ঘণ্টাৰ মাত ভাঁহি আহিছে। মণিমাই প্ৰাৰ্থনা কৰিলে, "হে প্ৰভু, ইহঁতক তুমি অকণমান শান্তি দিয়া। সাহস আৰু ধৈৰ্য দিয়া, যাতে ইহঁতে পৃথিৱীত জীয়াই থাকিব পাৰে। জীৱন সংগ্ৰামৰ এই অবিৰত যাত্ৰাত জয়ী হ'বলৈ সিহঁতক আশীৰ্বাদ দিয়া প্ৰভু।"

❑❑❑

# এটি নতুন পুৱাৰ প্ৰতীক্ষাত

অঞ্জুমণি বড়া

নৱেম্বৰ মাহৰ এটা নিৰিবিলি সন্ধিয়া। পশ্চিম দিগন্তত অস্ত যোৱা সূৰ্য্যৰ লগে লগে হিমৰ টোপালত পৃথিৱীলৈ নামি আহিছে গভীৰ ৰাতিৰ নিস্তব্ধতা। চৰাই চিৰিকতিবোৰেও নিজ বাঁহলৈ গতি কৰিছে। বাৰাণ্ডাত চকী এখনত বহি মামুৰে থৰ লাগি চাই আছে চৰাই-চিৰিকতিবোৰলৈ। আজি চাৰিটা বছৰে তাই এই চকীখনতে বহি কটাই দিছে প্ৰতিটো সন্ধিয়া। জাৰ জহ প্ৰতিটো সন্ধিয়াই তাইৰ বাবে এতিয়া ক্ৰমে ক্ৰমে অসহনীয় হৈ পৰিছে। তাই ক'ব নোৱাৰে আৰু কিমান দিন যাব এনেদৰে। ভনীয়েকে দি যোৱা বাতৰিখনৰ আখৰবোৰ এটা উত্তৰ নোলোৱা অংকৰ দৰে লাগিল। বহুত অংকৰ উত্তৰ উলিয়ালে তাই। কিন্তু জীৱনৰ নিমিলা অংকৰ উত্তৰ তাই উলিয়াব পৰা নাই। চাৰিবছৰৰ আগত তাই যেতিয়া গণিতত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান অধিকাৰ কৰি এম, এছ.ছি, পাছ কৰিছিল তেতিয়া তাই কেতিয়াও ভবা নাছিল এনেদৰে তাই জীৱনৰ পৰীক্ষাত হাৰি যাব লাগিব বুলি। নিজকে তাই ঘৰখনৰ এক বোজাৰ দৰে অনুভৱ হৈছে।

তাইৰ লগতে এজনী ভনীয়েক আৰু এটা ভায়েকৰ সতে মাক দেউতাকৰ পাঁচজনীয়া পৰিয়ালটোত এটা চাকৰিৰ খুবেই প্ৰয়োজন। দেউতাকে কৰা খেতিৰ পৰা পোৱা ধানেৰে ছমাহ খাবলৈকে নোজোৰে। তাইৰ পঢ়াৰ বাবেই অলপ অলপকৈ বেচোতে ৰোৱতী মাটিখিনিৰ আধা শেষ হ'ল। এতিয়া ভনীয়েকৰ কলেজৰ খৰচ আৰু ভায়েকৰ হাইস্কুলৰ খৰচ দিবলৈ যেতিয়া দেউতাকে হাজিৰা কৰিবলৈ ওলাই যায় তেতিয়া তাইৰ নিজকে ধ্বংস কৰি দিবলৈ মন যায়।

ভনীয়েক ৰাজুৱে মামুৰ পৰা বাতৰিখন লৈ ডাঙৰকৈ পঢ়ি শুনাইছিল এটা 'ফেমিলি প্লেনিং অফিচাৰ' পোষ্টৰ বিজ্ঞাপন। মামুৱে একো শব্দই নুশুনি চিঞৰি উঠিল—'আৰু নপঢ়িবি'। এটা শব্দও উচ্চাৰণ নকৰি ভনীয়েক কঁপি উঠিছিল। এন্ধাৰে গোটেই পৃথিৱীখন গ্ৰাস কৰি পেলাইছে। থুকা-থুকি মাতেৰে ভনীয়েকে তাইক কৈ উঠিল ...

ঃ তই এইদৰে বহি থাকিলে কোনেও তোক এটা চাকৰি নিদিয়েহি। অন্ততঃ ঘৰখনৰ কাৰণে তই কিবা এটা কৰিবই লাগিব বাইদেউ।

ভনীয়েকৰ সেমেকা মুখখন দেখি তাইৰ অন্তৰখন হাজাৰ দুখত ভাগি পৰিল। চাকৰি পোৱা নোপোৱাৰ প্ৰশ্নই তাইক ভাৰাক্ৰান্ত কৰি তুলিলে। কাৰণ বহুবাৰ অফিচৰ দুৱাৰে দুৱাৰে তাই ঘূৰিছে।

একমাত্ৰ ৰাজুৰ কথাতহে তাই আকৌ ইণ্টাৰভিউ দিবলৈ সাজু হৈছে। বিজ্ঞাপন অনুসৰি আবেদন পত্ৰ দাখিল কৰিলে। যথাসময়ত তাইক ইণ্টাৰভিউ লবৰ বাবে মতা হ'ল। তাই ইণ্টাৰভিউ দিলে। একেই গতানুগতিক প্ৰক্ৰিয়া। গধূৰ অন্তৰেৰে ঘূৰি আহোঁতে তাই মাত্ৰ ভনীয়েকৰ কথাই ভাবি আহিছে। বৰ আশা কৰিছিল তাই। অৱশ্যে তায়ো আশা নকৰাকৈ থকা নাছিল। সকলো ফালৰ পৰাই উপযুক্ত আছিল তাই। মাত্ৰ ঘোঁচ দিব পৰা ক্ষমতাটোৰ বাহিৰে। এক বুজাব নোৱাৰা দুখত ভাগিপৰা মামুৰ চকুহাল দেখি ভনীয়েকৰ বুজিবলৈ আৰু বাকী নাথাকিল।

ঃ ৬০.০০০ টকা লাগে বুজিছ। তাই চিঞৰি চিঞৰি কৈ উঠিল, চাকৰিত যদি টকাৰেই প্ৰয়োজন তেন্তে প্ৰকৃত শিক্ষাৰ প্ৰয়োজন কি? আৰু একো ক'ব নোৱাৰি স্তব্ধ হৈ গ'ল তাইৰ কণ্ঠ।

শোলেওচোন টোপনি নাহে তাইৰ। লাহে লাহে বেছি অভাৱগ্ৰস্ত হৈ আহিছে সিহঁতৰ সংসাৰখন। ভনীয়েকে পঢ়া-শুনা বাদ দিবলৈ সিদ্ধান্ত কৰিছে। ভনীয়েকৰ সিদ্ধান্ত নিজৰ ওপৰতে ঘৃণা জন্মিল তাইৰ; বিতৃষ্ণাৰে ভৰি পৰিল তাইৰ মন চৰকাৰখন তথা সেই সুবিধাবাদী শ্ৰেণীটোৰ ওপৰত। থিৰেৰে ৰ'ব নোৱাৰি সমাজৰ দুৰ্নীতিবোৰ নিৰ্মূল কৰিবলৈ সংকল্প ল'লে। কিন্তু কেনেকৈ? তাই যে নিৰুপায়। আৱেগক কেতিয়াও তাই আৰু প্ৰশ্ৰয় নিদিয়ে। ব্যৰ্থতাৰ মাজতেই তাইৰ জীৱনৰ ৰঙীন দিনবোৰ উটুৱাই দিলে। হাজাৰটা প্ৰশ্নই মামুক ব্যতিব্যস্ত কৰি তুলিছে। সমাজ ব্যৱস্থাৰ এই দুৰ্নীতিবোৰ পৰিৱৰ্তন কৰি নতুনক প্ৰতিষ্ঠা কৰিবলৈ বাৰে বাৰে আঁচনি প্ৰস্তুত কৰি আছে। উপায় উলিয়াবলৈ চেষ্টা কৰিছে। কিন্তু আছে জানো উপায়? এখন দেশ সংস্কাৰ কৰিবলৈ হ'লে, এখন সমাজ সংস্কাৰ কৰিবলৈ হ'লে সমাজখনৰ প্ৰতিজন ব্যক্তিক সংস্কাৰ কৰিব লাগিব।

তাই জানো নিজকে সংস্কাৰ কৰিব পাৰিছে? বিশ্ববিদ্যালয়ৰ শিক্ষাৰ সৰ্বোচ্চ ডিগ্ৰী লৈ তাই আজি জানো সাধাৰণ মানুহৰ পৰা আঁতৰি অহা নাই? শিক্ষাই যদি মানুহক মানুহৰ পৰা আঁতৰলৈ লৈ যায় তেন্তে সেই শিক্ষাক জানো শিক্ষা বুলিব পাৰি? তাই কিয় মাকৰ দৰে আনৰ ঘৰত হাজিৰালৈ ধান দাব নোৱাৰে, মাটি খন্দ নোৱাৰে, পোহাৰী বাইৰ দৰে তাই কিয় পুখুৰীত থকা মাছ কেইটা বজাৰত বিক্ৰী কৰিব নোৱাৰে, বাৰীৰ তামোল-পান কেইটা বেচাত তাই কিয় বৃদ্ধ দেউতাকক সহায় কৰিব নোৱাৰে? আজিৰ পৰা তাই সকলো কৰিব। মাক-দেউতাকক সহায় কৰিব, ভনীয়েকহতঁৰ পঢ়াৰ খৰচ যোগাৰ কৰিবলৈ, ঘৰ চলাবলৈ। তাই সিহঁতক পঢ়াব। প্ৰয়োজন হ'লে হাতত হাতুৰি লৈ শিলো ভাঙিব। তথাপি ভনীয়েকক তাই পঢ়া এৰিবলৈ নিদেয়ে। তাই চকুহাল জোৰেৰে মুদি ধৰিলে। টোপনি আহক। এটি নতুন পুৱাক আঁদৰিবলৈ টোপনিৰ খুবেই প্ৰয়োজন। যিটো পুৱাই তাইৰ অলেখ উজাগৰি নিশাৰ ওৰ পেলাব।

□□□

# মই পৰাজিত হ'লো

মূল (হিন্দী) ঃ মন্নু ভাণ্ডাৰী
অনুবাদিকা ঃ মৌচুমী চুতীয়া

কবি সন্মিলন শেষ হওঁতে গোটেই হল ঘৰটো হাঁহি খিকিন্দালি আৰু হাতচাপৰিৰে মুখৰিত হৈ আছিল। ময়ে এনে এজনী আছিলো হ'বলা যাৰ সমস্ত শৰীৰ খঙত জ্বলি আছিল। সেই সম্মিলনৰ অন্তিম কবিতাটো আছিল "পুত্ৰৰ ভৱিষ্যত।" কবিতাটোৰ সাৰাংশ আছিল এনেধৰণৰ, "এজন পিতৃয়ে তেওঁৰ পুত্ৰৰ ভৱিষ্যত জনাৰ উদ্দেশ্যে পুতেকৰ কোঠাত এগৰাকী অভিনেত্ৰীৰ ছবি এখন, এটা মদৰ বটল আৰু এখন গীতা থৈ মনে মনে লক্ষ্য কৰি থাকিল। পুতেক আহিল আৰু প্ৰথমে অভিনেত্ৰী গৰাকীৰ ছবিখন হাতত তুলি ল'লে। তাৰ মুখখনত এক অনামী আভা উদ্ভাসিত হৈ উঠিল। বৰ হেঁপাহেৰে সি ফটোখন বুকুত সাৱটি ল'লে, চুম্বন কৰিলে আৰু আকৌ আগৰ দৰে থৈ দিলে। তাৰ পিছত মদৰ বটলটোৰ সাঁফৰখন খুলি দুই চাৰি ঢোক মান গলাৰ্ধকৰণ কৰিলে। অলপ সময় বিৰতিৰ পিছত অত্যন্ত গাম্ভীৰ্যপূৰ্ণ মুখমণ্ডলেৰে কাষলতিৰ চেপাত গীতাখন লৈ বাহিৰলৈ ওলাই আহিল। পিতৃয়ে পুত্ৰৰ কাৰ্যকলাপ নিৰীক্ষণ কৰি ভৱিষ্যদ্বাণী কৰে — "ই বদমাচ আজিৰ যুগৰ নেতাহে হ'বগৈ।"

কবি মহাশয়ে এই শাৰী পঢ়ি উঠিছিলহে, গোটেই প্ৰেক্ষাগৃহটোৰ ইকোণৰ পৰা সিকোণলৈ হাঁহিৰ ঢৌৰে ধুৱাই পেলালে। কিন্তু নেতাৰ এনে অপমান, এনে দুৰ্দশা দেখি ক্ৰোধত মোৰ শৰীৰত যেন জুইহে লাগিল। লগতে অহা বন্ধু এজনে তাচ্ছিল্য কৰি ক'লে —

-"কিয় ? কবিতাটো তোমাৰ নিশ্চয় অলপো ভাল নালাগিল। তোমাৰ দেউতাওতো এজন ডাঙৰ নেতা।

মই খঙতে গুজৰি উঠিলো, "ভাল লাগিব ? মই আজিলৈকে এনে অশ্লীল নীৰস কবিতা শুনা নাই।"

মোৰ বন্ধুৰ তাচ্ছিল্যৰ উদ্দেশ্য মই বৰ ভালদৰে বুজিছিলো। তেওঁৰ খং ভাং খাবলৈ নোপোৱা ভণ্ডুৰাৰ আক্রোশৰ সমান আছিল। তেওঁৰ পিতৃয়ে নির্বাচনত মোৰ দেউতাৰ প্রতিদ্বন্দ্বী হিচাপে থিয় দিছিল কিন্তু তেখেত জিকিব নোৱাৰিলে। আজি এই কবিতাটো শুনি বন্ধুৰ মনৰ ভিতৰত জ্বলি থকা জুইৰ ফিৰিঙতিয়ে বাহিৰলৈ ওলোৱাৰ সুৰুঙা পালে। পিতাকৰ পৰাজয়ৰ কথা তেওঁ আজিলৈকে পাহৰা নাছিল। তেওঁ ভাবিছিল, তেওঁৰ পিতাকৰ পৰাজয়ৰ হোৰ তোলা আজি হৈ গ'ল। কিন্তু মোৰ মন মগজুৱে সেই সময়ত আন এটা চক্রান্তৰহে প্রস্তুতি চলাইছিল।

খঙে বেজাৰে জৰ্জৰিত হৈ গাড়ীত বহিলো। বিশ্বাস কৰক, গোটেই ৰাস্তাটো মই ইয়াকে ভাবি থাকিলো কেনেকৈ কবি মহাশয়ৰ অৱস্থা মুখত চুণ দিয়া জোকটোৰ দৰে কৰিব পাৰো। মোৰ পিতৃৰ ৰাজত্বত নেতাৰ এনে উপলুঙা শুনি চুপচাপ বহি থাকিম, কথা হ'ল ? ভাবিছিলো, কবিতা লিখিয়ে উপযুক্ত উত্তৰ দিওঁ, কিন্তু মই কাহানিও কবিতা লিখি চোৱা নাই। সেয়েহে গল্পত মই এনে এজন সর্বগুণী নেতাৰ প্লট বনালো, যাতে গল্পটো পঢ়ি কবি মহাশয়ে নিজৰ পৰাজয় স্বীকাৰ কৰিবলগাত পৰে।

ইয়াকে ভাবি গুণি নিজৰ কোঠাত সোমালো। সোমায়েই বেৰত ওলোমাই থোৱা মহান নেতাসকলৰ ছবিবোৰলৈ চকু গ'ল। তেখেতসকলৰ প্রতিভাশালী মুখবোৰে মোক উৎসাহ দিবলৈ ধৰিলে। সকলো বৰেণ্য নেতাৰে ব্যক্তিগত গুণসমূহ মই মোৰ নেতাৰ গাত আৰোপ কৰিবলৈ মনস্থ কৰিলো যাতে তেওঁ গাত কোনো গুণৰে হীন-দেঢ়ি নঘটে।

এক সপ্তাহ ধৰি মই ডাঙৰ ডাঙৰ নেতাসকলৰ জীৱনীসমূহ অধ্যয়ন কৰিলো আৰু লগতে মোৰ নেতাৰ পৰিকল্পনাও কৰি থাকিলো। আগতে শুনিছিলো আৰু এতিয়া পঢ়ি উপলব্ধি কৰিলো — যেনেকৈ পদুম ফুল বোকাত

ফুলে ঠিক তেনেকৈ মহাত্মাসকলে দৰিদ্ৰৰ ঘৰতহে জন্ম লয়। বহুতো বিচাৰ বিবেচনাৰ অন্তত এক মাহেন্দ্ৰ ক্ষণত সৰ্বগুণেৰে বিভূষিত কৰি মোৰ নেতাক এখন গাঁৱৰ এজন দুখীয়া কৃষকৰ পঁজাত জন্ম দিয়ালো।

মনৰ আশা আৰু উল্লাস যিদৰে বাঢ়ে, তেনেকৈ মোৰ নেতাও ডাঙৰ হ'বলৈ ধৰিলে। স্কুললৈ যোৱাৰ বয়স হ'লত গাঁৱতে থকা স্কুলখনতে বিদ্যাৰম্ভ কৰিলে। এই বিষয়ত মই বৰ সন্তুষ্ট নাছিলো। কিন্তু নিজেই এনেকুৱা পৰিস্থিতিৰ সৃষ্টি কৰি পেলালো যে ইয়াৰ বাহিৰে আৰু একো উপায়েই নাছিল। লাহে লাহে মোৰ নেতাই মজলীয়া বিদ্যালয় পাছ কৰিলে। এই সময়ছোৱাতে সি পৃথিৱীৰ সকলো মহান ব্যক্তিৰ জীৱনী আৰু উল্লেখযোগ্য বিপ্লৱসমূহৰ ইতিহাস পঢ়ি সাং কৰিলে। চাওক, আপুনি মাজতে মোক এইটো নুসুধিব যে অষ্টমমানৰ ল'ৰা এটাই এইবোৰ কিদৰে বুজি পাব? এইটোতো একেবাৰে অস্বাভাৱিক কথা। এই সময়ত আপোনাৰ একো প্ৰশ্নৰে উত্তৰ দিয়াৰ মানসিক অৱস্থা মোৰ নাই। আপুনি পাহৰি নাযাব যে এই বালকটি এজন মহান ভাবী নেতা।

অঁ, মই কি কৈ আছিলো। এইবিলাক পঢ়ি তাৰ মনত ডাঙৰ ডাঙৰ লক্ষ্যই অগা-ডেৱা কৰিবলৈ ধৰিলে; ডাঙৰ ডাঙৰ আশাই মন মগজুত এঙামুৰি দিবলৈ ধৰিলে। সি য'তে অত্যাচাৰ অনাচাৰ দেখে, হাতৰ মুঠি বন্ধ কৰি সংকল্প কৰে, অত্যাচাৰ দূৰ কৰিবলৈ নানা পৰিকল্পনা বনায় আৰু সেই পৰিকল্পনাবোৰত, সংকল্পবোৰত মই নিজৰ সফলতাক হাঁহি থকা দেখিবলৈ পাওঁ। এবাৰতো মই তাক জমিদাৰৰ টেকেলাৰ লগত তৰ্কাতৰ্কিত নমাই বিপদকে মাতি আনিলো, আৰু তাৰ বিজয়ত মই তাতকৈ অধিক পৰিমাণে সুখী হ'লো।

তেনেতে এটা ডাঙৰ ঘটনা আকস্মিক ভাৱে ঘটিল। মোৰ নেতাৰ পিতৃয়ে চিৰদিনলৈ চকু মুদিলে, কিয়নো দৰব-পাতিৰ কাৰণে ঘৰত এটাও পইচা নাছিল। তাৰ পিতাকে ৰোগত চট্‌ফটাই থাকি প্ৰাণ ত্যাগ কৰিলে আৰু সি বেচেৰাই চাই থকাৰ বাহিৰে একো কৰিব নোৱাৰিলে। তাৰ পিতৃদেৱতাই অসহায় ভাবে বৰণ কৰা মৃত্যুৱে তাক মৰ্মান্তিক আঘাত দিলে। তাৰ বৃদ্ধা মাতৃয়ে কান্দি কান্দি প্ৰাণত্যাগ নকৰিলে কিন্তু দুয়ো চকুৰে দৃষ্টিশক্তি হেৰুৱাই পেলালে। ইফালে ঘৰত তাৰ বিধবা পেহীয়েক আৰু ক্ষয়গ্ৰস্ত ভনীয়েক এজনীও আছিল। পৰিয়ালৰ ভৰণ

পোষণৰ সমস্ত দায়িত্ব তাৰ মূৰৰ ওপৰত পৰিল। উপাৰ্জনৰো একো পথ নাছিল। যি অকণমান খেতিৰ মাটি আছিল তাকে জমিদাৰে ৰাজহ দিবলৈ থকা বুলি কাঢ়ি ল'লে। নেতাৰ পিতৃৰ বিনয়ী মুখখনলৈ চাইহে জমিদাৰ মনে মনে আছিল। এতিয়া কিয় থাকিব বিনয়ী পিতৃৰ বিপ্লৱী পুত্ৰৰ লগত তেওঁ ভালদৰেই পৰিচিত আছিল। সেয়ে সময়ৰ শৰ সময়ত মাৰি প্ৰতিশোধ ল'লে। এতিয়া মোৰ ভাবী নেতাৰ সন্মুখত গম্ভীৰ সমস্যা। পৰামৰ্শ বিচাৰি সি মোৰ ওচৰলৈ আহিল। মই ক'লো, এতিয়া সেই সময় সমাগত। তুমি ঘৰ-বাৰী, দুবেলা দুসাঁজৰ চিন্তা এৰি দেশ সেৱাৰ কামত লাগি যোৱা। তুমি দেশখন নতুনকৈ নিৰ্মাণ কৰিব লাগিব। শোষিত পীড়িত সকলৰ হকে মাত মাতি দেশত শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰিব লাগিব। তুমি সকলো কামেই দক্ষতাৰে সৈতে কৰিব পাৰিবা কিয়নো মই তোমাৰ গাত ইয়াৰ বাবে প্ৰয়োজনীয় সকলো গুণেই আৰোপ কৰিছো।

সি বৰ দুৰ্বল কণ্ঠেৰে ক'লে, "আপুনি বাৰু ঠিকেই কৈছে, কিন্তু মোৰ অন্ধ মাতৃ আৰু ৰুগীয়া ভনীজনীৰ কি অৱস্থা হ'ব? দেশখনক মই ভালপাঁও কিন্তু এওঁলোকো মোৰ কম মৰমৰ নহয়।

মই জাঙুৰ উঠিলো, "তুমি নেতা হ'বলৈ ওলাইছা, ধেমালি পাইছা নেকি? জানানে নেতাসকলে কেতিয়াও নিজৰ পৰিয়ালৰ কথা নাভাবে, তেওঁলোকে দেশখনৰ বিষয়ে ৰাষ্ট্ৰখনৰ বিষয়েহে চিন্তা কৰে। তুমি মোৰ আদৰ্শ অনুসৰি চলিব লাগিব। জানি লোৱা, মই তোমাৰ স্ৰষ্টা, তোমাৰ বিধাতা।"

"কিন্তু সি মোৰ কথালৈ বৰ গুৰুত্ব নিদিলে আৰু ক'লে, 'তুমি বাৰু ঠিকেই কৈছা, কিন্তু মোৰ অন্ধ মাতৃয়ে দুখত পেলোৱা হুমুনিয়াহবোৰৰ উপেক্ষা মই কোনো মূল্যতে কৰিব নোৱাৰো। তুমি বাৰু মোক কৰবাত চাকৰি এটাকে যোগাৰ কৰি নিদিয়া কিয়? উপাৰ্জনৰ বাটটো ওলালে মই বাকী গোটেইখিনি সময় দেশসেৱাত আনন্দ মনেৰে লাগিম। তোমাৰ সপোনক বাস্তৱত ৰূপায়িত কৰিম। কিন্তু প্ৰথমে মোক পেট পুৰণৰ কিবা ব্যৱস্থা কৰি দিয়া।

মই ভাবিলো, মোৰ দেউতাৰ বিভাগতে তাক চাকৰি এটানো নিদিওঁ কিয়। কিন্তু দেউতাৰ উদাৰ নীতিৰ কাৰণে খালী ঠাই নাছিলেই। লক্ষ্য কৰি দেখিলো, পূৰ্ণ নিয়োগ চলি আছে। ক'ৰবাত যদি খুড়াৰ ল'ৰাটো বিৰাজমান,

তেনেহ'লে আন কৰবাত পেহাৰ পুতেক। মানে মই তাৰ কাৰণে একো ব্যৱস্থা কৰিব নোৱাৰিলো। তাক খাবলৈ মুখখন দিলো। কিন্তু খাবলৈ একো উপায়েই বন্দবস্ত কৰি দিব নোৱাৰিলো। হতাশ হৈ দিন হাজিৰা কৰিবলৈ আৰম্ভ কৰিলে। জমিদাৰে নতুনকৈ ঘৰবন্ধা কাম আৰম্ভ কৰিছিল, সি তাতে ইটা ধোৱাৰ কাম কৰিবলৈ ল'লে। ইটাবোৰ সি যিমানে মূৰৰ ওপৰত জাপিবলৈ ধৰে, তাৰ আশা-আকাংক্ষাবোৰ সিমানে তললৈ বহি যাবলৈ ধৰে।

মই বাৰে বাৰে তাক এই কাম কৰিবলৈ মনা কৰিলো। কিন্তু সি নিজৰ মাক -ভনীয়েকৰ অজুহাত দেখুৱাই মোক নিৰুত্তৰ কৰিলে। তাৰ ওপৰত মোৰ অলপো খং উঠা নাছিল। তদুপৰি মই তাৰ ওপৰত ভৰসা কৰিছিলো কিয়নো বিশাল বিশাল প্ৰতিভা আৰু মহৎ গুণক মই তাৰ ব্যক্তিত্বত মিহলাই দিছিলো। যিকোনো পৰিস্থিতিতে সেই গুণসমূহে নিজৰ কাম কৰি যাব। ইয়াকে ভাবি মই তাক তাৰ ভাগ্যৰ হাতত এৰি দিলো আৰু নীৰৱ দৰ্শক হৈ তাৰ গতিবিধি নিৰীক্ষণ কৰিবলৈ ধৰিলো।

তাৰ ৰুগীয়া ভনীয়েকৰ অৱস্থা দিনকদিনে বেয়া হৈ যাবলৈ ধৰিলে। সি তাইক বৰ মৰম কৰিছিল। ভনীয়েকৰ চিকিৎসাৰ কিজানি কিবা সন্ধান পায় সেই উদ্দেশ্যে কামৰ পৰা ছুটি লৈ সি এদিন চহৰলৈ গ'ল। চহৰত ঘুৰা-পকা কৰি সি বুজিলে যে যদিহে যথেষ্ট পৰিমাণৰ টকা খৰচ কৰা হয় তেতিয়া তাৰ ভনীয়েক বাচিব পাৰে। গোটেই ৰাস্তাটো বেমাৰী ভনীয়েকৰ কৰুণ চিৎকাৰে তাৰ হৃদয়ত খুন্দিয়াই থাকিল। বাৰে বাৰে যেন তাৰ ভনীয়েকে চিঞৰি চিঞৰি কৈ আছিল, "দাদা, মোক বচোৱা। যেনেতেনে ক'ৰবাৰ পৰা পইচা যোগাৰ কৰি মোক ভাল কৰি দিয়া। মই মৰিব নিবিচাৰো দাদা, মোক মৰিবলৈ নিদিবা।"

..............আৰু হঠাৎ তাৰ চকুৰ আগত দেউতাকৰ মৃত্যুৰ দৃশ্যটো ভাহিবলৈ ধৰিলে। খঙত তাৰ হাতৰ মুঠি টান হৈ আহিল। সি গাঁৱলৈ ঘূৰি আহি গাঁৱৰ যিমানবিলাক অৱস্থাপন্ন লোক আছিল, সকলোকে সি ধন ধাৰে খুজিলে, হাতযোৰ কৰি মিনতি কৰিলে কিন্তু নিৰাশাৰ বাহিৰে সি আৰু একোকে নাপালে। এই বিফলতাত তাৰ বিদ্ৰোহী মন ভমক্‌কৈ জ্বলি উঠিল। যিকুৰা তুঁহজুই তাৰ বিপ্লৱী মনত উমি উমি জ্বলি আছিল মানুহৰ এনে নিৰ্মম ব্যৱহাৰে সেইকুৰা জুই

দপদপকৈ জ্বলি উঠাত সহায় কৰিলে। দিনটো সি কাকো একো নোকোৱাকৈ মনতে কি কি সঙ্কল্প লৈ থাকিল সিহে জানে। আৰু মাজনিশা মনত পাপক ঠাই দি সি চুৰ কৰিবলৈ অগ্রসৰ হ'ল।

মোৰ সর্বশৰীৰ কঁপি উঠিল। সি চুৰ কৰিবলৈ গৈ আছে। মই সৃষ্টি কৰা নেতাৰ এনে অধঃপতন। সি চুৰ কৰিব। ছিঃ ছিঃ চুৰি কাৰ্যৰ দৰে জঘন্য কাম কৰি তাৰ নৈতিক চৰিত্ৰ হনন হোৱাৰ আগতেই মই তাক হত্যা কৰিলো। মই লিখা গল্পটোৰ তুলাপাতকেইখিলা ফালি চিৰাচিৰ কৰি পেলালো। তাৰ ধ্বংস লগে লগে মোৰ মনত মহান নেতা সৃষ্টিৰ যি উছাহ আছিল সিয়ো যেন লাহে লাহে স্তিমিত হৈ আহিল। মোৰ এনে অনুভৱ হ'ল। কিন্তু ইমান সহজে হাৰ মনা বিধৰ মানুহ মই নহয়। অসীম ধৈৰ্য্যৰে মই মোৰ কাহিনীৰ বিশ্লেষণ কৰিবলৈ ধৰিলো। অৱশেষত কি কাৰণে, সকলো গুণেৰে পৰিপূৰ্ণ মোৰ নেতাই, নেতা নহৈ চোৰ হ'লগৈ? অনুসন্ধান কৰি কৰি মই মোৰ অসফলতাৰ শিপাডাল পালো। দৰিদ্ৰ। হয়, দৰিদ্ৰতাৰ কাৰণেই তাৰ সকলো গুণ দোষলৈ পৰিৱৰ্ত্তিত হ'ল আৰু মোৰ মনোকামনা আধৰুৱা হৈ ৰ'ল। যেতিয়া আচল কাৰণ ধৰিব পাৰিলো তাক নিৰাময় কৰাটোনো কি কঠিন?

এবাৰ পুনৰ মই কলম ধৰিলো আৰু মোৰ নেতাই পৰিবৰ্ত্তিত ৰূপ আৰু পৰিৱৰ্ত্তিত পৰিস্থিতিৰ মাজেৰে আকৌ এবাৰ এই সংসাৰত জন্ম ল'লেহি। এইবাৰ মোৰ নেতাই চহৰৰ কোটিপতি ব্যৱসায়ীৰ ঘৰত জন্ম ল'লে, য'ত তাৰ পেট পূৰোৱা আৰু বেমাৰী ভনীয়েকৰ চিকিৎসাৰ নিচিনা সমস্যাৰ নামোল্লেখেই নাছিল। অসীম মৰম-স্নেহ আৰু ঐশ্বৰ্য্য বিভূতিৰ মাজেৰে সি ডাঙৰ হবলৈ ধৰিলে। ভালৰো ভাল স্কুলত তাক শিক্ষা দিয়া হ'ল। তাৰ অলৌকিক প্ৰতিভা দেখি সকলো হতবাক হয়। অত্যাচাৰ দেখিলে সি খঙত ক'ব নোৱাৰা হয়, ওজস্বী ভাষণ দিয়ে, গাঁৱে গাঁৱে গৈ দুখীয়া ল'ৰা- ছোৱালীক পঢ়ুৱায়। দুখীয়াৰ প্ৰতি তাৰ অন্তৰ দয়া আৰু কৰুণাৰে সদায় ভৰি থাকে। ধনী হৈও - সি অতি সহজ সৰল জীৱন নিৰ্বাহ কৰে। মুঠতে তাৰ গাত মহান নেতা হোৱাৰ সকলো শুভ লক্ষণেই দেখা দিলে। খোজে প্ৰতি সি মোৰ উপদেশ লয় আৰু ময়ো তাৰ আগন্তুক জীৱনৰ নক্সা তাৰ মগজুত সম্পূৰ্ণভাৱে বহুৱাই দিলো যাতে সি কেতিয়াও পথভ্ৰষ্ট

নহয়।

মেট্রিক পাছ কৰি সি কলেজত পঢ়িবলৈ গ'ল। যিখন কলেজত এসময়ত ৰজাসকলৰ পুত্ৰসকলেহে শিক্ষা গ্ৰহণ কৰিছিল আৰু আজিও য'ৰ বতাহত আভিজাত্যৰ গোন্ধ ওপঙি ফুৰিছে, তেনে কলেজতে তাৰ পিতাকে তাৰ নাম লিখাই দিলে। কিন্তু মই সাৱধান কৰা সত্বেও সেই আভিজাত্যৰ বাতাবৰণত ধনীৰ দুলালৰ ধনী স্বভাৱে নিজৰ বং নেদেখুৱাকৈ থাকিব নোৱাৰিলে। সি লাহে লাহে আৰামপ্ৰিয় হৈ উঠিল। মোৰ দিহা -পৰামৰ্শৰ বিষয়ে সি চিন্তা নকৰা হ'ল। ঘণ্টাজুৰি সি কফি হাউচত বহি থাকিবলৈ ধৰিলে। আৰু এদিনতো মই তাক তাচ খেলি থকা দেখিলো। দেখি মোৰ জীৱ চিৰিং কৰি গ'ল। জুৱা। ৰাম ৰাম! এইবোৰ কি হৈছে? মই নিজকে চণ্ডালি চকীখনত পোন হৈ বহিলো আৰু কলমটোক জোৰেৰে খামোচ মাৰি ধৰিলো। কলমটো জোৰেৰে ধৰোঁতে মোৰ এনে লাগিছিল যেন মই তাৰ নাকী জৰীডালতহে খামোচ মাৰি ধৰিছো। কিন্তু সি যেন মোৰ কথা নামানো বুলিয়েই পণ কৰিছিল। জুৱাখেলেই তাৰ নৈতিক পতনৰ চৰম সীমা নাছিল। অলপদিনৰ পিছত মই তাক মদ খাই থকা দেখিলো। মোৰ খঙে সীমা চেৰাই গ'ল। মই তাক মোৰ ওচৰলৈ মাতিলো। নিজৰ খঙক যেনে-তেনে নিয়ন্ত্ৰণ কৰি মই সুধিলো, 'তুমি জানানে মই তোমাক কিয় সৃষ্টি কৰিছো?'

সিয়ো যেন মোৰ মুখামুখি হ'বলৈ সম্পূৰ্ণ প্ৰস্তুত হৈয়ে আহিছিল। সি ক'লে, "তোমাৰ নিজ স্বাৰ্থ পূৰণৰ কাৰণে, নিজৰ ইচ্ছা পূৰণৰ উদ্দেশ্যে তুমি মোক সৃষ্টি কৰিছা। কিন্তু এইটো দৰকাৰী নহয় যে মই তোমাৰ কথা মানি চলিম, মোৰ নিজৰ অস্তিত্ব আছে, নিজৰ বিচাৰ বিবেচনাও আছে।"

মই চিঞৰি উঠিলো। "তুমি জানানে? তুমি কাৰ লগত কথা পাতিছা? মই তোমাৰ স্ৰষ্টা, তোমাৰ নিৰ্ম্মাতা। মোৰ ইচ্ছাৰ অবিহনে তোমাৰ কোনো সুকীয়া অস্তিত্ব নাই।"

সি হাঁহিবলৈ ধৰিলে, "আৰে! তুমিতো মোক তোমাৰ কলমৰ পৰাহে উৎপন্ন কৰিছা, মোৰ এই বন্ধুসকললৈ চোৱাছোন? এওঁলোকৰ মাকহঁতে এওঁলোকক নিজৰ শৰীৰৰ তেজ মঙহৰ পৰা সৃষ্টি কৰিছে। তথাপিতো

তেওঁলোকে ইহঁতৰ ব্যক্তিগত জীৱনত সিমান হস্তক্ষেপ নকৰে, যিমান তুমি মোৰ ক্ষেত্ৰত কৰা। তুমিতো মোৰ জীয়াই থকাই মস্কিল কৰি দিছা। মই যেন মানুহ নহয়েই। এইটো কৰ, সেইটো নকৰ। কাঠৰ ফেঁচা বুলি ভাবিছা নেকি? গতিকে চোৱা, মই এই নেতাগিৰি চলাব নোৱাৰিম। আঃ। এই মতলীয়া বয়স, ৰঙীন পৃথিৱী আৰু ঘৰৰ ধন সম্পত্তি! একো লাভ নোলোৱাকৈ এই যৌৱনৰ দিনকেইটা এনেয়ে কটাম নেকি? বৰং ৰহইচেৰে জীৱনটো উপভোগ কৰি নেতা হ'ব পৰা নাযায় হ'বলা?

মই আৰু কিবা এটা কওঁ বুলি ভাবিছিলো। কিন্তু সি বহুত আগতেই সুহুৰি ন বজাই আঁতৰি গ'ল।

সেই অপমানৰ কল্পনা কৰকছোন, যিখিনি মই সহ্য কৰিবলগা হ'ল। মনত ইচ্ছা হৈছিল, প্ৰথম নেতাটোৰ দৰে ইয়াকো পুৰা চাফা কৰি পেলাওঁ। কিন্তু ইমান গভীৰ আঘাত পাইছিলো যে উৎসাহেই নোহোৱা হ'ল। ইমানবিলাক হৈ যোৱাৰ পিছতো কিয় জানো, মনত ক্ষীণ আশা এটি আছিল কিজানি সি শুদ্ধ পথলৈ ঘূৰি আহেই। গান্ধীজীয়েও শৈশৱত এবাৰ চুৰ কৰিছিল, বেয়া কাম কৰিছিল, পিচতছোন নিজে নিজে শুদ্ধ আৰু সত্য পথলৈ ঘূৰি আহিল। হয়তো, কাহানিবা ইয়াৰ হৃদয়তো অনুতাপৰ জুই জ্বলিব আৰু সি নিজে নিজে শুদ্ধ পথলৈ ঘূৰি আহিব। মই তাক আদেশ দিবলৈ এৰিলো আৰু ধৈৰ্য্য ধৰি সেই দিনটোৰ প্ৰতীক্ষা কৰিবলৈ ধৰিলো যিদিনা আত্মগ্লানিৰ অগ্নিয়ে দহন কৰি তাক মোৰ চৰণত পেলাবহি আৰু সি নিজৰ কৃতকৰ্মৰ বাবে মোৰ ওচৰত ক্ষমা ভিক্ষা কৰিব।

কিন্তু এনে শুভদিন কাহানিও নাহিল। যিটো দিন আহিল, সেইটো দিন মোৰ কল্পনাতীত আছিল। এটা বৰ ধুনীয়া সন্ধিয়াত মই তাক দেখিলো যে সি বৰকৈ সাজ-সজ্জা কৰিছে। আজিৰ পোছাকটোও আনকালতকৈ পৃথক আছিল। চাৰ্কস্কিনৰ চুটৰ সলনি সি পাটৰ কামিজ পিন্ধিছিল। মুখত চিগাৰেটৰ সলনি পাণ ভৰাইছিল। গাত লোৱা সুগন্ধিয়ে চতুৰ্দিশ মলমলাই আছিল। বাহিৰত হৰ্ণ বজাৰ শব্দ হ'ল আৰু সি গুণ-গুণাই গৈ গাড়ীত বহিল। গাড়ী গৈ এখন মদৰ বাৰৰ আগত ৰ'লগৈ আৰু ৰাতিলৈকে সেই চাহাবৰ পুতেকে পেগৰ পিছত পেগ ডিঙিত ঢালিবলৈ ধৰিলে, অশ্লীল বীভৎস ধেমালী কৰি অট্টহাস্য কৰি থাকিল।

ৰাতি ন বাজি যোৱাৰ পিছত সি যেতিয়া মদৰ খোলাৰ পৰা উঠিল তেতিয়া তাৰ ভৰি পাক খাই লটং পটং কৰিছিল। যেনে-তেনে থৰক বৰক খোজেৰে গৈ গাড়ীত বহিল আৰু দোৰোল খোৱা জিভাৰে যি ঠাইলৈ যাবলৈ ক'লে তাৰ নাম লিখোঁতেও মোৰ লাজ লাগিছে।

নিজকে বহুত বাধা দিব বিচাৰিলো। কিন্তু এই ঘোৰ পাপ সহ্য কৰিব নোৱাৰিলো আৰু নিশ্চয় কৰিলো যে আজি যিয়েই নহওক কিবা এটা হেস্ত-নেস্ত কৰি পেলাম। মই খণ্ডত কঁপি থাকিয়েই তাৰ ওচৰ চাপিলো। এই সময়ত তাৰ লগত কথা পাতিবলৈ মোৰ ঘিণ লাগিল। ইফালে খণ্ডত মোৰ গোটেই শৰীৰ জ্বলিছিল। তথাপিতো নিজকে সংযত কৰিলো আৰু মাতটো যিমান সম্ভৱ কোমল কৰি মই তাক ক'লো, "তোমাক অন্তিম বাৰলৈ সাৱধান বাণী শুনাম বুলিয়েই মই তোমাৰ ওচৰলৈ আহিছো। তোমাৰ এই সৰ্বনাশ দেখি, জানানে, মোৰ কিমান দুখ হৈছে? এতিয়াও সময় আছে, নিজকে চম্ভালি লোৱা।

কিন্তু সেই সময়ত তাৰ হয়তো মোৰ লগত কথা পাতিব পৰাকৈ মানসিক সুস্থিৰতা নাছিল। সি পাণ চোবাই চোবাই ক'লে, "সোণজনী! তুমিনো যেতিয়াই তেতিয়াই এই নেতাগিৰিৰ কথাকে কিমান কৈ নাথাকা? ক'ত তোমাৰ নেতাগিৰি আৰু ক'ত নৰ্তকী ৰমণীৰ চকু ছাট মাৰি ধৰা সৌন্দৰ্য্যছটা। এবাৰ ছোৱাছোন, কি গুলাপী মাদকতা।"

মই কাণ দুখন হাতেৰে হেঁচা মাৰি ধৰিলো। সি আৰু কিবা কৈছিল, পিছে মই নুশুনিলো। কিন্তু সি মোলৈ চাই চকু টিপিওৱা স্পষ্টকৈ মোৰ চকুত পৰিল আৰু এনে লাগিল যেন গোটেই পৃথিৱীখনেই ঘূৰিবলৈ লৈছে। "মই চকু দুটা মুদি দিলো আক খণ্ডতে তলৰ ওঁঠটো কামুৰি ধৰিলো। খণ্ডত অৱশেষত বিশেষ একো ক'ব নোৱাৰিলো, মুখৰ পৰা কেবল ইমানকে ওলাল, "দুৰাচাৰী, নিৰ্লজ অসভ্য, নাৰকীয় কীট!"

তাৰ বন্ধুটোৱে কোৱা কথাকেইটা মোৰ কাণত পৰিল। সিহঁত আঁতৰি যাওঁতে সি কৈ গৈছিল। আৰে, এনেকুৱা ঘোৰ শুদ্ধ ভাষাত ফটফটালে ই বুজিও নাপাব। অলপ সৰল ভাষাতে কোৱাছোন।

আৰু অধিক সহ্য কৰাৰ ক্ষমতা মোৰ নাছিল। মই যিটো কলমৰ সহায়ত

তাক উৎপন্ন কৰিছিলো, সেইটো কলমেৰেই তাক খতম কৰি পেলালো। সি গৈ নাচনীৰ ওচৰত বহিবলৈ লৈছিলহে তেনেতে মই তাক ফটা কাগজ পেলোৱা খৰাহীত ঠাই দিলো। যেন কুকুৰ তেন টাঙোন!

সি বাৰু নিজ কৰ্মৰ ফল পালে কিন্তু মই হ'লে মোৰ সমস্যাৰ সমাধান পাব নোৱাৰিলো। এইবাৰৰ বিফলতাই মোক কন্দুৱাই পেলালে। এতিয়া আৰু ইমান সাহসো নাছিল যে পুনৰ এবাৰ মধ্যবিত্তৰ ঘৰত মোৰ নেতাক জন্ম দিয়াৰ প্ৰয়াস কৰোঁ। এই দুটা হত্যাৰ বোজাই সৃষ্টি কৰা বিষে মোৰ গলধন ভাঙো যেন কৰিছিল। স্বাভাৱিকতে দুটা হত্যাৰ পৰা যি পাতক আৰ্জিলো তাৰ প্ৰায়শ্চিত্ত কৰাৰ ইচ্ছাও নাছিল, শক্তিও নাছিল। নিজৰ সমস্ত অহংভাৱক জলাঞ্জলি দি মই মৰ্মে মৰ্মে উপলব্ধি কৰিছো যে কবি মহাশয়ে পৰিপূৰ্ণ সভাত গৌৰৱেৰে সৈতে যি হিলৈ কামানৰ বিস্ফোৰণ ঘটালে মই তাৰ যোগ্য প্ৰত্যুত্তৰ দূৰৰ কথা, সামান্য ফট্‌কা এটাও ফুটাব নোৱাৰিলো। মই হাৰিলো, বৰ বেয়াকৈ হাৰিলো।

❑❑❑

# এটা সিদ্ধান্তৰ শেষত..

লিপি ফুকন

বিছনাত পৰি বন্যাই উদাসমনেৰে ওপৰলৈ চাই ৰ'ল। মনটো অলপো ভাল লাগি থকা নাই। কেৱল ৰাতিপুৱাৰ কথাবোৰকেই ভাবি আছে তাই। আচলতে ভাবো বুলি ভবা নাই, কিন্তু নাভাবিও থাকিব পৰা নাই। কেতিয়াবা কিছুমান কথাই মানুহক সম্পূৰ্ণৰূপে আচ্ছন্ন কৰি ৰাখে। সেই সময়ত আন একো কথাৰে অস্তিত্ব নাথাকে মনৰ মাজত। এটা সৰু কথাই কেতিয়াবা জীৱনলৈ অস্বাভাৱিকতা লৈ আনে। সৰু কথাইতো। এই কথাটোৰ বাবে তাই নিবিড়ক ইমান বেয়াকৈ ক'ব নালাগিছিল। তাইৰ ভুল এটাৰ বিষয়ে মাকে তাক ক'লে সিটো তাইক ক'বই লাগিব। তথাপি বন্যাৰ খং উঠিল। আচলতে কালিৰ পৰা বুকুৰ মাজত বৈ যোৱা অভিমানটোৱেই খেলিমেলি কৰি দিলে সকলো। কালি তাইৰ জন্মদিন আছিল। অন্ততঃ নিবিড়ে এই দিনটো পাহৰিব নালাগিছিল। বস্তুবাদী তাই নহয়। জন্মদিনত উপহাৰ আশা নকৰে তাই। কিন্তু এবাৰ যদি নিবিড়ে মুখেৰেও শুভেচ্ছা জনালেহেঁতেন। আজি ৰাতিপুৱাও তাই আশা কৰিছিল, কলেজৰ দিনবোৰৰ দৰে 'সি তাইৰ পিচে-পিচে লাগি ফুৰিব আৰু ক'ব — "ভুল হ'ল বন্যা, এইবাৰেই। আৰু নহয়। মাৰিলে মাৰা কিন্তু নমতাকৈ নাথাকিবা।" তেনেকুৱাও নহ'ল। নিবিড়ে তাৰ সলনি ক'বলৈ আহিল, কালি দুপৰীয়া তাৰ মাকৰ লগৰ ওচৰৰ মানুহকেইগৰাকী আহোঁতে তাই ওলাই নোযোৱাত মাকৰ লগতে সিয়ো তাইক বেয়া পাইছে। তেতিয়া আৰু ৰ'ব নোৱাৰিলে তাই। তাকেই ওলোটাই বহুত কথা শুনাই দিলে। কিয় আজিকালি তাইৰ এনেকুৱা লাগে তাইৰ আৰু নিবিড়ৰ মাজৰ দূৰত্ব যেন দিনে দিনে বাঢ়ি আহিছে...... বিয়াৰ পাচৰ মাত্ৰ দুটা বছৰতে!

নিবিড়ক ভালপোৱাৰ আগতে তাই ভাবিছিল প্ৰেমৰ পৰিণতি বিবাহ নোহোৱাই হয়তো ভাল। তাইৰ এনেকুৱা লাগিছিল যেন বিয়া নোহোৱাই হয়তো ভাল। তাইৰ এনেকুৱা লাগিছিল যে বিয়াৰ পাচত মানুহৰ মাজত স্বাৰ্থ বাঢ়ি আহে, সমস্যা বাঢ়ি আহে আৰু শেষত বাঢ়ি আহে দূৰত্বও। এজনে আনজনৰ

কথা ভাবিবলৈ সময় নোপোৱাকৈ আঁতৰি যায় পৰস্পৰে পৰস্পৰৰ পৰা। তাইৰ জীৱনতো তেনেকুৱাই হৈছে নেকি বাৰু? কাৰোবাক ভালপাই থকা অৱস্থাত বয়সৰ উত্তেজনাৰে ভবা হয়, প্ৰিয়জনৰ ওচৰত থাকিলে হয়তো সকলো অভাৱ দূৰ হয়, সমগ্ৰ পৃথিবী সুন্দৰ যেন লাগে। সেইবাবেই কেতিয়াবা ঘৰৰ অমততও কোনোবা ছোৱালী বিয়াত বহে, উপাৰ্জন নথকা প্ৰেমিকজনৰ লগতো সুখী হ'ব বুলিয়েই ভাবে। কিন্তু বাস্তৱৰ জটিলতাত সিহঁতৰ মোহভংগ হয়, তেতিয়াই বুজি উঠে সিহঁতে, অভাৱে জুৰুলা কৰা অৱস্থাত কোনেও অন্ততঃ ভালপোৱাৰ কথা ভাবিব নোৱাৰে। বন্যাৰ মোহভঙ্গ হোৱা নাই। নিবিড় আৰু তাইৰ মাজত ভালপোৱাৰ অভাৱও বোধ কৰো নাই তাই, কিন্তু তথাপিও ক'ৰবাত যেন অলপ হেৰফেৰ হৈছে। লাহে লাহে যেন ব্যস্ততাই আৱৰি পেলাইছে সিহঁতৰ সংসাৰ।

কলেজত পঢ়াৰ আগলৈকে বন্যাই ভাবিছিল, তাই কেতিয়াও প্ৰেমত নপৰে। মাক-দেউতাকৰ বাধ্য হৈ বিয়াত বহিব। নতুনকৈ লগ পোৱা এজন মানুহৰ লগত নতুনকৈ আৰম্ভ হ'ব বুজাবুজি আন্তৰিকতা আৰু প্ৰেম। বহুবছৰীয়া প্ৰেমৰ শেষত বিয়াৰ পাছত এজনে আনজনক বুজিবলৈ একো নাথাকে বুলিয়ে তাই ভাবিছিল। অথচ, ক'ব নোৱাৰাকৈয়ে নিবিড় বহি ৰ'ল তাইৰ হৃদয়ত। কলেজত সিহঁতৰ ডিপাৰ্টমেণ্ট দুটা ওচৰা-ওচৰি আছিল। একে বেট্‌ছৰে আছিল দুয়োটা। বেলেগ বেলেগ মেজৰৰ হ'লেও সিহঁতৰ মাজত ভাল বন্ধুত্ব হৈছিল। প্ৰথম অৱস্থাত লগৰ কোনোবাই সিহঁতক জোকালেও তাই ভবা নাছিল একো। কিন্তু সময়ৰ লগে লগে অনুভৱ কৰিলে তাই নিজানত অকলে বহি দুচকু মুদিলে বাৰে বাৰে দুচকুৰ আগত ভাঁহি উঠে নিবিড়ৰ মুখ। তাৰ পাছত নিবিড়ৰ প্ৰভাৱ আৰু পিচলৈ প্ৰেম। ইউনিভাৰচিটিতো সিহঁতৰ সম্বন্ধ থাকি গ'ল। এই কথা গম পোৱাৰ পাচত বন্যাৰ ঘৰৰ মানুহে বহুত আপত্তি কৰিছিল। কিন্তু শেষলৈ এৰাব নোৱাৰি এম. এ. পাছ কৰাৰ দুবছৰ পাচতে সিহঁতৰ বিয়া পাতি দিলে। কথাবোৰ নজনাসকলে হয়তো নুবুজিব, ইমান ভালকৈ বিয়া পাতি দিলেও তলে তলে যে তাইৰ ঘৰৰ মানুহ অসন্তুষ্ট আছিল। এতিয়াও বিয়াৰ আগৰ দিনবোৰৰ দৰে ককায়েকে তাইৰ খবৰ নাৰাখে, মাক - দেউতাকে তাইক সহানুভূতিৰে নাচায়। ইমানখিনি দুখৰ মাজতো বন্যা সুখী হ'বলৈ চেষ্টা কৰে। কাৰণ, নিবিড়ৰ ঘৰখনে তাইক কেতিয়াও

অৱহেলা কৰা নাই। শাহুৱেক-শহুৰেক আৰু দেওৰেকটোৱে তাইক আদৰো কৰে যথেষ্ট।

নিবিড়ৰ মাজত সকলো পাইছে তাই। তাই ভাবিছিল, একে বয়সৰ এটা ল'ৰাৰ পৰা নিৰাপত্তা আৰু সাহস তাই নাপাব চাগে। কিন্তু অকলেই সকলো মূৰ পাতি ল'ব পাৰিছিল নিবিড়ে। তাইক আশ্বাস দিছিল — "চিন্তা নকৰিবা, মই মেনেজ কৰিম নহয়।" সঁচায়ে মেনেজ কৰিছিল সি। শেষত, বন্যাৰ মাকদেউতাকক তাইক তালৈ বিয়া দিবলৈ মনাব পাৰিছিল। বিয়াৰ পাচৰ দিনবোৰত বিছনাত পৰি চিন্তাত অধীৰ হোৱা বন্যাক বুকুৰ মাজলৈ টানি মূৰত হাত বুলাই সাহস দিব পাৰিছিল — "অভাৱ সকলোৰে জীৱনলৈ আহে। হাত দুখনৰ ওপৰত বিশ্বাস ৰাখিবাচোন। কাম কৰি খাম। পাৰিম দিয়া। ভগৱানে ইমানখিনি দিয়াৰ পাচত বাকীখিনি আমাৰ নিজৰ ওপৰত। তথাপি, বিয়াৰ পাচত দুটা বছৰ হৈ যোৱা সত্ত্বেও এতিয়াও সিহঁতে নিজৰ পইছাৰে চলিব পৰাকৈ একো কৰিব পৰা নাই। নিবিড় কলেজ এখনতে সোমাই আছে। পোষ্টটো হয়তো হ'বগৈ। কিন্তু এই দুটা বছৰতে তাই বহুত সমস্যাৰ সন্মুখীন হৈছে। অন্ততঃ নিজৰ পছন্দত বিয়া হৈও ঘৰলৈ গৈ মাক-দেউতাকক এবাৰ নিজৰ টকাৰে বজাৰ সমাৰ কৰি এসাজ খুৱাব পৰা নাই। কাকো বিশেষ একো দিব পৰা নাই। বিভিন্ন অসুবিধা দেখুৱাই তাই আপোন মানুহৰ বিয়া-সবাহ আদিৰ পৰা আঁতৰি থাকে। অপমানিত হয় বন্যা, নিজৰ ওচৰত, নিজৰ ঘৰখনৰ ওচৰত... সুবিধা পালেই মাকে যেতিয়া কয়, তাইক চাবলৈ অহা ডাক্তৰজন অথবা অইলৰ অফিচাৰজনৰ লগত বিয়া হোৱাহ'লে হয়তো তাই আজি সচ্ছলতাৰে চলিব পাৰিলেহেঁতেন। তায়ো বুজে, তাইৰ টিউচনৰ টকাকেইটা বা কলেজত নিবিড়ক দিয়া কম পৰিমাণৰ টকাকেইটা এহাল নতুন দম্পতীৰ খৰচবোৰ, চম্ভালিবলৈ বহুত কম হয়। দেউতাকৰ ওচৰত হাত পাতিবলগীয়া হয়, নিবিড়ে। দেউতাকৰ পৰা খুজিবলগীয়া হ'লে তাইৰ বেয়া নালাগে। কিন্তু সিহঁতৰ ভৱিষ্যতৰ কথা ভাবি তাই চিন্তাত পৰে। এইবোৰ অৱস্থাৰ বাবেই সিহঁতে এতিয়াও সন্তানৰ কথা ভবা নাই। ভয় কৰে সিহঁতে কিজানি সিহঁতৰ শিশুটিয়েও বুজি উঠে, তাক কিবা এটা দিবলৈও তাৰ মাক-দেউতাক আৰ্থিকভাৱে সমৰ্থ নহয়..........।

নিবিড়ে তাইৰ জন্মদিনটো — পাহৰি যোৱাত তাইৰ খং উঠাটোৱেই স্বাভাবিক। সি বাৰু ক্ৰমে ক্ৰমে তাইৰ পৰা আঁতৰি গৈছে নেকি? পঢ়ি থকা অৱস্থাত লিখামেলা কৰিছিল বন্যাই। ক'ত কি গল্প দিব লাগে, কেনেকৈ পঠিয়াব লাগে সেই সকলোবোৰৰ প্ৰতি দৃষ্টি ৰখা নিবিড়ে আজিকালি টেবুলত পৰি থকা তাইৰ কবিতাৰ ডায়েৰীখন দাঙিও নাচায়। বিয়াৰ আগতেও ফোঁট নল'লে আপত্তি কৰা নিবিড়ে আজি-কালি তাই সেন্দূৰ লৈছেনে নাই তালৈ দৃষ্টি নিদিয়ে। কলেজ, ব্যৱসায়ৰ মাজত ব্যস্ত থাকি সি. তাইৰ অভাৱবোৰকে পূৰাবৰ চেষ্টা কৰে সঁচা, কিন্তু সিয়োতো বুজিব লাগে, জীয়াই থাকিবলৈ মানুহক কাৰোবাৰ আত্মীয়তা লাগে, মৰমৰ স্পৰ্শ লাগে। বন্যা এটা স্পৰ্শৰ বাবে কাতৰ হয়, কিন্তু পুৰুষৰ স্পৰ্শৰ বাবে নহয়, হৃদয়ৰ ব্যথাসনা এক স্পৰ্শৰ বাবে। তাই জানে, হৃদয় চিনি নোপোৱাসকলেহে শৰীৰৰ বাবে হাঁহাকাৰ কৰে। তাই নিবিড়ৰ পৰা এক সুহৃদ আত্মীয়তাৰ দৰে মৰম বিচাৰে। আবেগিক আৰু স্পৰ্শকাতৰ মানুহবোৰ কেতিয়াও হেনো সম্পূৰ্ণ সুখী হ'ব নোৱাৰে, তাইৰো তেনে হৈছে নেকি? বন্যাই ভাবিলে আকৌ, কিজানি তায়ো আগৰদৰে হৈ থকা নাই। তায়োতো সলনি হৈছে বহুত। দিনটোৰ দুখ-ভাগৰ লৈ গধূলি ঘৰলৈ ওভতা মানুহটোক মৰেমেৰে আপ্যায়ন কৰিব লাগে। কিয় সি চাৰ্টটো দলিয়াই থোৱাৰ পাচত তাই, এষাৰ নোকোৱাকৈ নোৱাৰে? কিয় জোতাযোৰ য'তে-ত'তে খুলি থৈ — আহিলে তাক দায়িত্বহীন বুলি কব নোৱাৰে? অথচ, সিতো শুনি থাকে সকলো! ৰাতিপুৱা আজি যেতিয়া তাই তাক ক'লে — "তোমাৰ মাৰ লগত কোন আহে নাহে, কেৱল তালৈ লক্ষ্য ৰখাটোৱেই মোৰ কাম নহয়। মোৰ অন্য চিন্তাও থাকে। বিয়াৰ আগতেতো বহুত কথা কৈছিলা, এতিয়া কিয় পুৰুষৰ দৰে এখন ঘৰ চলাব পৰা নাই? যাৰ বাবে সংসাৰৰ চিন্তাই মোকো জুৰুলা কৰিছে।" একো নক'লে নিবিড়ে তেতিয়াও। তাতকৈ তাইচোন সি তাইৰ জন্মদিন পাহৰাৰ বাবে অভিমান হোৱাৰ কথাটোকে ক'ব পাৰিলেহেঁতেন। এতিয়া অনুশোচনাত ভুগিছে তাই। তাইৰ জন্মদিনটো পাহৰি গ'ল বুলিয়ে তাই ইমান নিষ্ঠুৰ হ'ব নালাগিছিল। জন্ম দিনটো বছৰে বছৰে আহিব কিন্তু এখন সংসাৰত আন্তৰিকতা হেৰাই গ'লে অকৌ ঘূৰি অহা কঠিন। সমগ্ৰ জীৱনৰ বাবে স্থায়ী কৰিবলগীয়া এই সম্বন্ধটোৰ বাবে তাইৰও দায়বদ্ধতা

আছে। তায়োতো বুজিব লাগিছিল। কি চিন্তাই নিবিড়ক তাইৰ জন্ম দিনটোও পাহৰাই দিলে। তাই এতিয়া এখন ঘৰৰ বোৱাৰী। মনৰ অনেক ধুমুহা ঢাকি ৰাখিও ঘৰখনৰ বাকী মানুহবোৰক সন্তুষ্ট কৰাৰ ক্ষমতা তাইৰ থাকিব লাগে। আজি সিহঁতৰ মাক-দেউতাক যি ঠাইত আছে, এদিন সিহঁতে সেই ঠাই পূৰাব লাগিব; জীৱনৰ জটিলতাৰ মুখামুখি হ'ব লাগিব। নিজৰ ব্যক্তিগত দুখত কালি শাহুৱেকৰ লগৰ মানুহকেইগৰাকীক মাত নিদিয়াটো: তাইৰ ভুল। বহুত ডাঙৰ ভুল। তাইৰ ককায়েকে এদিন কৈছিল, — "এজনী ছোৱালী নাৰী হিচাবে কিমান সফল সেয়া বিয়াৰ পাছতহে গম পোৱা যায়।" এই কথাটো প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে তাই। দুখ-কষ্ট, অভাব — অনাটন কাৰণো নাথাকে? কিন্তু খং ৰাগবোৰ অলপ এৰা-ধৰা কৰাটো ভাল। জীৱনটো প্ৰকৃততে বহুত চুটি। এই কম সময়খিনিত খং-অভিমানতে গুচি গ'লে মৰম-বুজাবুজিৰ বাবে সময় নাথাকিবইচোন। তাইতো বহুত ভাল ঘৰ এখনেই পাইছে। নিবিড়ক তাই পোৱাৰ বাবে তাইতো তাৰ মাক-দেউতাকৰ ওচৰতো ঋণী। এই ঋণ হয়তো গোটেই জীৱন তেওঁলোকক তাই সেৱা-শুশ্ৰূষা কৰিলেও পৰিশোধ নহ'ব। নিবিড়ক এইসময়ত তাই মানসিক আঘাত দিয়াতকৈ প্ৰেৰণা দিব লাগে। সাহস দিব লাগে। যাতে সি হীনমন্যতাত নোভোগে! এজনী পত্নীৰ সাফল্য সেইখিনিতহে থাকে। তাই এতিয়া কলেজৰ দিনৰ বন্যা নহয়, যি সদায় অভিমানত ওফন্দি থাকে, যাৰ ওচৰত সদায় নিবিড়েই সৰু হৈ চলে। এদিনতো কিবা ভুলৰ বাবে তাই তাক ক্ষমা খোজা নাই। সেইটো নিবিড়ক আজি তাই এনেকৈ ক'ৰ নালাগিছিল। দুচকু পানীৰে ভৰি পৰিল তাইৰ। মনে মনে সিদ্ধান্ত কৰিলে, প্ৰথমবাৰৰ বাবে তাই আজি নিবিড়ক ক্ষমা খুজিব। প্ৰয়োজন হ'লে — হাতযোৰে কৰি আগতে কলেজত সি তাইক কোৱাৰ দৰে ক'ব — "কাণত - ধৰিছো চোৱা, আৰু ভুল নকৰো। বন্যাই ক'ব - "তোমাৰ মা-দেউতাক অৱহেলা কৰাৰ মন মোৰ কেতিয়াও নাই। তেওঁলোকেইতো তোমাৰ ভেটি। তোমাক পাই মই তোমাৰ মূল ভেটিক পাহৰি গ'লেটো নহ'ব।

বুকুৰ দুখৰ বোজাটো পাতল হোৱাৰ দৰে লাগিল তাইৰ। ৰাতিৰ ভাতসাজ সদায় শাহুয়েকে ৰান্ধে। মনে মনে - ভাবিলে তাই, আজি ৰাতি তাই ভাত ৰান্ধিব। ঘৰখনৰ গোমা হৈ থকা পৰিৱেশটো পাতল কৰি তুলিব লাগিব।

নিবিড়ে ক্ষমা কৰি নিদিবনে তাইক ? হয়তো মুখেৰে একো নক'ব, কিন্তু কলেজত আগতে দূৰৰ পৰাই তাইলৈ চাই থকাৰ দৰে মূৰটো অলপ বেঁকা কৰি মৰমলগাকৈ চাব। তাই জানে, নিবিড়ে তাইক ক্ষমা কৰি দিব। তাই এতিয়াৰ পৰা সহনশীল হ'ব লাগিব। সৰু সৰু সমস্যাবোৰক হাঁহিৰে ঢাকি ৰাখিব পাৰিব লাগিব। নহ'লে হয়তো তাই হেৰুৱাই পেলাব তাই ঠিকনা নিবিড়ৰ হৃদয়ৰ মাৰফত তাইৰ স্থায়ী ঠিকনা। নিবিড়ক হেৰুৱাব নোখোজে তাই! আজিৰ পৰা তাই এজনী আদৰ্শ পত্নী আৰু বোৱাৰী হ'বলৈ চেষ্টা কৰিব। তাই এতিয়া কাৰোবাৰ জী, কাৰোবাৰ ভগ্নী বা কাৰোবাৰ প্ৰেমিক নহয়। তাই এতিয়া নাৰী আৰু এজনী নাৰীৰ মাজতে এখন সংসাৰৰ মূল চাবি থাকে; এটা ভৱিষ্যতৰ পথ অংকিত হৈ থাকে। আইনাৰ আগত বৈ চকুলো মুচিলে তাই। শিৰত উজলি থকা সেন্দূৰখিনি দেখি গৌৰৱবোধ কৰিলে এয়া নিবিড়ইতো আছে তাইৰ শিৰৰ সেন্দূৰত; তাইৰ কপাল উজ্জ্বলোৱা ফোঁটত। নিবিড়ৰ দৰে এজন স্বামী পোৱাটো সঁচায়ে গৌৰৱৰ কথা নহয়নে যি তাইক বুজে, তাইৰ সকলো সমস্যা সমাধান কৰে, যি তাইক মাথোঁ মৰম কৰিবহে জানে! নিজৰ সিদ্ধান্তটোৰ কথা ভাবি আকৌ এবাৰ সন্তুষ্টি লাভ কৰিলে বন্যাই....।

□□□

# স্বাধীনতাৰ বিধ্বস্ত গান

মিছ টুটুমণি বেগম

অসহ্য যন্ত্ৰণা মূৰত। আস্ ক'ত আছোঁ মই, ক'ত আছো মই? ওৱা, মই ইয়ালৈ কেনেকৈ আহিলো। সময়টো বা কিমান হ'ল? মইটো পুৱা সাত বজাতে উপস্থিত হোৱাৰ কথা আছিল তাত। "১৫ আগষ্ট" সমগ্ৰ ভাৰতৰ বাবে এই হেঁপাহৰ দিনটোত মই অসমৰ এখন আগশাৰীৰ বাতৰিৰ সাংবাদিক হিচাপে "স্বাধীনতা দিৱস" উদ্‌যাপন স্থলীত উপস্থিত হোৱাৰ কথা আছিল। ক'ৰ পৰা যে কি হৈ গ'ল!

হেল্ল, কেনেকুৱা পাইছে মিষ্টাৰ বৰুৱা?

হঠাতে কাৰোবাৰ মাতত মোৰ তন্ময়তা ভাঙি গ'ল। চকু মেলি দেখিলো মোৰ কাষত হাঁহি মুখে-থিয় দি আছে এজন ডাক্তৰ। তাৰমানে মই এতিয়া হস্পিতেলত।

"মূৰটো বৰ বিষাইছে ডাক্টৰ।"

"একো নহয়। আচলতে এটা ডাঙৰ শ্বক পালেটো কালি। অলপমান চকু মুদি শুই থাকক। ভাল পাব।"

ডাক্টৰৰ কথাৰ পৰা গম পালো আজি ১৬ আগষ্টহে। ডাক্টৰজন ওলাই গ'ল ৰুমৰ পৰা। লাহে লাহে আগদিনাৰ ঘটনাবোৰ মোৰ মনত পৰিল। ৰাজিপুৱাই সংগী ৰীদিপৰ সতে ওলাই গৈছিলো মই। খুওব ধুনীয়াকৈ সজাই থোৱা আছিল ঠাইখন য'ত স্বাধীনতা দিৱস উদ্‌যাপন কৰিবলৈ লোৱা হৈছিল। ব্যস্ত সকলো আছিল। আমিও ব্যস্ত হৈ পৰিছিলো। কণ কণ শিশুহঁত আহিছিল স্বাধীনতাৰ এই গৌৰৱময় দিনটোত দেশৰ প্ৰতি সন্মান জনাই স্বাধীনতাৰ আনন্দ উপভোগ কৰিবলে। নিৰাপত্তাৰ ব্যৱস্থাও অতি কটকটীয়া আছিল। সময়ত আমন্ত্ৰিত অতিথিসকলো আহিল। যথাসময়ত পতাকা উত্তোলন কৰিবলৈ লোৱা হ'ল। উত্তোলক মহোদয় আগবাঢ়ি গ'ল পতাকাৰ ফালে। কণমানিহঁত সাজু হ'ল জনগনমন গাৱৰ বাবে। কিন্তু —

ধুম................ধু...ম......ম............। এটা প্ৰচণ্ড শব্দত সকলো খেলি মেলি হৈ গ'ল। ছিন্ন ভিন্ন হৈ গ'ল কণ-কণ শিশুৰ সোণালী শৈশৱৰ সপোন। অ'ত ত'ত সিঁচৰিত হৈ পৰিল মানুহৰ দেহৰ পৰা আঁতৰি যোৱা মাংসৰ টুকুৰাবোৰ। তেজ, ধোঁৱা, ধূলি আৰু মাংসৰ কি বীভৎস ৰূপ। মানুহৰ বৰ্বৰতাৰ কি জঘন্য স্বাক্ষৰ। মোৰ কি হ'ল মই ক'ব নোৱাৰিলো। মানুহৰ আৰ্তনাদ, চকুৰ পানী, হঠাতে মাংসপিণ্ডত পৰিণত হোৱা শিশুবোৰ এই সকলো মিলি গঢ়ি উঠা পৰিৱেশত মই থিৰেৰে থাকিব নোৱাৰিলো। স্নেপ ল'বলৈ সাজুকৰি ৰখা হাতৰ কেমেৰাটো খহি পৰিল আৰু মই সংজ্ঞাহীন হৈ পৰিলো। তাৰ পাছত এতিয়া মই ইয়াত।

"কি দোষ আছিল সেইকেইটা শিশুৰ যাৰ অভিধানত কেতিয়াও সংযোজিত হোৱা নাছিল হিংসা নামৰ শব্দটো? কি দোষ আছিল সেই কেইগৰাকী মাতৃৰ যাৰ বুকুৰ পৰা আজুৰি অনা হ'ল তেওঁলোকৰ সন্তান বোৰক। কিয় মানুহ এনেকুৱা হয়? কিয় মানুহে মানুহৰ তেজেৰে ফাকু খেলিব খোজে? ধ্বংসৰ মত্ততাত কিয় মানুহে জীৱন নিঃশেষ কৰিব খোজে? আমি কিমান সভ্য হৈছোঁ বাৰু সময়ৰ সতে? মানুহৰ স্বাভাৱিক আবেগ অনুভূতিবোৰৰ পৰা আঁতৰি যোৱাকে কি সভ্য হোৱা বোলে?

"মিঃ বৰুৱা, আপোনাৰ দৰৱ খোৱাৰ সময় হ'ল।" নাৰ্চগৰাকীৰ মাতত পুনৰ মই বাস্তৱৰ বুকুলৈ উভতি আহিলো।"

লাভ নাই, এতিয়া আৰু হেৰাই যোৱাবোৰৰ কথা ভাবি লাভ নাই। সিহঁতৰ বাবে কৰিব পৰা এতিয়া আৰু আমাৰ একো নাই। স্বাধীনতাৰ নামত সিহঁত আমাৰ পৰা গুচি গ'ল, আমাৰ বিবেকৰ ক্লীৱতাক তাচ্ছিল্য কৰি এতিয়া আমি ভাবিব লাগিব সিহঁতৰ বাবে যিবোৰ কালিলৈ আমাৰ দৰে দেশৰ নাগৰিক হ'ব। সিহঁতৰ ভালৰ বাবে আমি চেষ্টা কৰিব লাগিব। সিহঁতৰ নিষ্কলুষতাৰ বুকুত আমাৰ বিবেক যাতে পুনৰ সচেষ্ট হ'ব লাগিব।

ইতিমধ্যে মোক দৰৱ খুৱাই নাৰ্চ গৰাকী ওলাই গৈছে। মই লাহেকৈ-টেবুলৰ পৰা কলমটো আৰু কাগজ এখিলা টানি আনিলো আৰু লালে লাহে লিখিলো —

সিহঁতক নুচুব, আপুনি চুলেই এতিয়া সাৰ নাপায় সিহঁতে
স্বাধীনতাৰ বিধ্বস্ত গানটোৰে সতে এতিয়া সিহঁত শুই আছে
বগা কাপোৰকেইখনৰ তলত।
কাপোৰকেইখন উদঙাই সিহঁতৰ মুখকেইখন চোৱাৰ হেঁপাহ নকৰিব।
তাৰ পৰিৱৰ্তে ফুল কেইপাহমান লৈ আহিব হাতত
ছটিয়াই দিব সেইখিনি কাপোৰ কেইখনৰ ওপৰতে আৰু
এতিয়াও যদি আপোনাৰ চকুৰ কোনোকোণত বাচি আছে
অলপমান চকুপানী
কেইটোপালমান খৰচ কৰিব সিহঁতৰ বাবে
আৰু প্ৰাৰ্থনা কৰিব জানে যদি অকণমান প্ৰাৰ্থনা
কৰিব সিহঁতৰ আত্মাৰ শান্তিৰ বাবে।
তাৰ পাছত, পাৰে যদি বিদ্ৰোহী হ'ব সিহঁতৰ বাবে
যি সকল এতিয়াও সাৰে আছে, সিহঁতৰ নিষ্কলুষ সপোনবোৰৰ সতে।
কিন্তু আপোনালৈ মোৰ এটা অনুৰোধ
বিদ্ৰোহী হ'বলৈ গৈ আপুনি কিন্তু হৃদয় নেহেৰুৱাব।"

লিখি উঠি এবাৰ পঢ়ি-চালো কবিতাটো। এনে লাগিল যেন "জনগন মন...." গানটো টুকুৰা টুকুৰ হৈ এচাৰ খাই পৰিছে মোৰ মুখৰ ওপৰত। চকু দুটা মুদি দিলো। বাহিৰত তেতিয়া লাহে লাহে আন্ধাৰ নামিছে। মো চকুৰ আগত ভাঁহি উঠিল হঠাতে টুকুৰা-টুকুৰ হৈ দূৰলৈ ছিটিকি যোৱা শৰীৰবোৰ। কাণত ভাঁহি উঠিল মানুহ বৰ্বৰতাত বিধ্বস্ত হোৱা স্বাধীনতাৰ গানটো। মই একো ভাৱিব নোৱাৰা হৈ পৰিলো।

❑❑❑

# সোঁৱৰণি নিদিবি আমনি

## ত্ৰিবেনী দত্ত

গা-ধুই আহি কুকিয়ে নিজৰ ৰুমত সোমাই ড্ৰেচিং টেবুলখনত বহি ল'লে। অলপ সময় তাই নিজৰ শুকাই যোৱা চেহেৰাটোলৈ চাই থাকি হঠাৎ উঠি গৈ পৰ্দাখন ভালকৈ টানি ইফালে সিফালে চাই পুনৰ বহিলহি আৰু লৰালৰিকৈ লুকুৱাই ৰখা টেমাটোৰ পৰা অকণমান সেন্দুৰ অনামিকা আঙুলিত লগাই চুলিৰ মাজৰ সেওঁতাটোত পাতলকৈ লগাই ল'লে যাতে সহজে কোনেও ধৰিব নোৱাৰে। সেই কামটো কৰিব পাৰিলেই যেন তাই পাব এক বুজাব নোৱাৰা শক্তি। অনামিকা আঙুলিত লগাই লোৱা সেন্দুৰকণ চুলিৰ মাজত ঘঁহি তাই অলপ সময় দুচকু মুদি বহি থাকে আৰু লগে লগে দুটোপাল চকুলো বৈ পৰে তাইৰ শুকান ৰুক্ষ হৈ যোৱা দুগালেদি। চকুপানীখিনি সঁচাকৈয়ে তাই উঠি যায় গোঁসাই ঘৰলৈ আৰু এগচি বন্তি। দুডাল ধূপ জ্বলাই পৰি থাকে বহুসময়। মনৰ সকলো ক্ষোভ আৰু বেদনা উজাৰি দিয়ে ভগৱানৰ চৰণত। এয়া কৰিলে তাইৰ মনটো পাতল হয় আৰু তেতিয়া তাই পুনৰ সেৱা কৰে "হে প্ৰভু কু-কুশলে ৰাখা যেন।" কিমান সময় তাই গোঁসাই ঘৰত সোমাই থাকে তাই নাজানে আৰু কোনো দিন সেইকথা ভাবিও চোৱা নাই। কাৰণ তাই আজিকালি ঘৰখনৰ বাবে হৈ পৰিছে এক অদৰকাৰী মানুহ। কোনো কথাতে কোনো কামতে তাইৰ মতামত বা উপস্থিতি কামনা নকৰে, মাথোঁ খাবৰ সময়ত মাকে ভাত খাবলৈ মাতে। সেয়ে তাই আজিকালি নিৰ্জনতা বিচাৰি ঘূৰি ফুৰে। বৰ্তমান তাইৰ বাবে গোঁসাই ঘৰ আৰু পুখুৰী পাৰটোৱেই বেছি আপোন হৈ পৰিছে।

অৱশ্যে আজি দিনটো তাইৰ বাবে কিছু সুকীয়া। কাৰণ তাই আজি গুৱাহাটীলৈ যাব এক নতুন আশাৰ চানেকি বুকুত বান্ধি। জীৱনটো আকৌ এবাৰ নকৈ সজোৱাৰ এক প্ৰয়াসেৰে। আজি ছমাহে কুকিৰ যন্ত্ৰণাদগ্ধ পল অনুপলবোৰ আনে সহ্য কৰিব পাৰিলেও বায়েক সুমনে কেতিয়াও সহ্য কৰিব পৰা নাছিল। বায়েক-ভিনিয়েকৰ একান্ত অনুৰোধ পেলাব নোৱাৰি শেষত তাই গুৱাহাটীলৈ যোৱাটো ঠিক হৈছেগৈ। কিন্তু বায়েক ভিনিয়েকৰ অনুৰোধতকৈ তাইৰ একমাত্ৰ

# সোঁৱৰণি নিদিবি আমনি

ত্ৰিবেনী দত্ত

গা-ধুই আহি কুকিয়ে নিজৰ ৰুমত সোমাই ড্ৰেচিং টেবুলখনত বহি ল'লে। অলপ সময় তাই নিজৰ শুকাই যোৱা চেহেৰাটোলৈ চাই থাকি হঠাৎ উঠি গৈ পৰ্দাখন ভালকৈ টানি ইফালে সিফালে চাই পুনৰ বহিলহি আৰু লৰালৰিকৈ লুকুৱাই ৰখা টেমাটোৰ পৰা অকণমান সেন্দূৰ অনামিকা আঙুলিত লগাই চুলিৰ মাজৰ সেওঁতাটোত পাতলকৈ লগাই ল'লে যাতে সহজে কোনেও ধৰিব নোৱাৰে। সেই কামটো কৰিব পাৰিলেই যেন তাই পাব এক বুজাব নোৱাৰা শক্তি। অনামিকা আঙুলিত লগাই লোৱা সেন্দূৰকণ চুলিৰ মাজত ঘঁহি তাই অলপ সময় দুচকু মুদি বহি থাকে আৰু লগে লগে দুটোপাল চকুলো বৈ পৰে তাইৰ শুকান ৰুক্ষ হৈ যোৱা দুগালেদি। চকুপানীখিনি সঁচাকৈয়ে তাই উঠি যায় গোঁসাই ঘৰলৈ আৰু এগচি বন্তি। দুডাল ধূপ জ্বলাই পৰি থাকে বহুসময়। মনৰ সকলো ক্ষোভ আৰু বেদনা উজাৰি দিয়ে ভগৱানৰ চৰণত। এয়া কৰিলে তাইৰ মনটো পাতল হয় আৰু তেতিয়া তাই পুনৰ সেৱা কৰে "হে প্ৰভু কু-কুশলে ৰাখা যেন।" কিমান সময় তাই গোঁসাই ঘৰত সোমাই থাকে তাই নাজানে আৰু কোনো দিন সেইকথা ভাবিও চোৱা নাই। কাৰণ তাই আজিকালি ঘৰখনৰ বাবে হৈ পৰিছে এক অদৰকাৰী মানুহ। কোনো কথাতে কোনো কামতে তাইৰ মতামত বা উপস্থিতি কামনা নকৰে, মাথোঁ খাবৰ সময়ত মাকে ভাত খাবলৈ মাতে। সেয়ে তাই আজিকালি নিৰ্জনতা বিচাৰি ঘুৰি ফুৰে। বৰ্তমান তাইৰ বাবে গোঁসাই ঘৰ আৰু পুখুৰী পাৰটোৱেই বেছি আপোন হৈ পৰিছে।

অৱশ্যে আজি দিনটো তাইৰ বাবে কিছু সুকীয়া। কাৰণ তাই আজি গুৱাহাটীলৈ যাব এক নতুন আশাৰ চানেকি বুকুত বান্ধি। জীৱনটো আকৌ এবাৰ নকৈ সজোৱাৰ এক প্ৰয়াসেৰে। আজি ছমাহে কুকিৰ যন্ত্ৰণাদগ্ধ পল অনুপলবোৰ আনে সহ্য কৰিব পাৰিলেও বায়েক সুমনে কেতিয়াও সহ্য কৰিব পৰা নাছিল। বায়েক-ভিনিয়েকৰ একান্ত অনুৰোধ পেলাব নোৱাৰি শেষত তাই গুৱাহাটীলৈ যোৱাটো ঠিক হৈছেগৈ। কিন্তু বায়েক ভিনিয়েকৰ অনুৰোধতকৈ তাইৰ একমাত্ৰ

ভাগিন গুণগুণৰ কথাতহে তাই যোৱাটো খাটাং কৰিবলৈ বাধ্য হৈছিল। তাই সকলোৰে কথা অগ্ৰাহ্য কৰিলেও গুণগুণৰ প্ৰতিটো কথা মানিছিল যাতে তাইৰ কোমল মনটোত আঘাত নালাগে। সেয়ে আজি পুৱাৰ পৰা ঘৰৰ সকলো বৰ ব্যস্ত হৈ আছে।

বহুদিনৰ মূৰত ঘৰখন লৈ এক জীৱন্ত পৰিৱেশ ঘূৰি অহা যেন লাগিছে। তাতে গুণগুণৰ সৰু সৰু দুষ্টালিবোৰে সকলোকে মুহি পেলাইছে। সেয়ে আজি কুকিয়ে গোঁসাই ঘৰত বেছি সময় সোমাই থাকিব নোৱাৰিলে কাৰণ মাকহঁত নামঘৰলৈ যাবলৈ ৰৈ আছিল। নামঘৰত আজি কুকিৰ হৈ মাকে এখন শৰাই দিছে। ছমাহে চিন্তাত শুকাই যোৱা মানুহজনী আজি এক নতুন আশাত বন্দী হৈ পৰিছে। কিন্তু গোঁসাই ঘৰৰ পৰা ওলাই আহি কুকিয়ে মাকক ক'লে যে নামঘৰলৈ তাই নাযায়। মাক গ'লেই হ'ব কাৰণ তাইৰ অলপ বস্তু সামৰিবলৈ আছে। সেয়ে মাকক তাই বায়েক আৰু বৌৱেকৰ লগত জোৰ কৰি পঠাই দিলে। আৰু লগতে গুণগুণকো পঠাই দিলে কাৰণ তাই থাকিলে কুকিয়ে ভালদৰে কামবোৰ কৰিব নোৱাৰিব। শেষত কুকিৰ কথাকে মানি মাকহঁত যাবলৈ ওলাল আৰু সোনকালে আজৰি হৈ থাকিবলৈ কুকিক সকিয়াই থৈ গ'ল। যাতে মাকঁহত আহি ভাত খাবলৈ তাইৰ বাবে ৰৈ থাকিব নালাগে। মাকহঁত যোৱাৰ লগে লগে তাই নিজৰ ৰুমত সোমাই দৰ্জাখন জপাই দিলে। আজি দুদিনে চেপি ৰখা কান্দোনখিনি তাই আৰু ধৰি ৰাখিব নোৱাৰিলে। বায়েকে বহু আশাৰে আহিছে তাইক গুৱাহাটীলৈ নিবলৈ যাতে তাই ব্যস্ত হৈ থাকি পুৰণি কথাবোৰ পাহৰি থাকে। তায়ো ঘৰখনৰ কথা চিন্তা কৰি হাঁহিবলৈ শিকিছে আৰু গুৱাহাটীলৈ গৈ বিউটিচিয়ান কৰ্চ কৰিবলৈ কাপোৰৰ টোপোলা বান্ধি সাজু হৈছে। কিন্তু তাই জানো সঁচাকৈ পাৰিব পাহৰিব সেই ভয়ংকৰ অথচ প্ৰেমাস্পদৰ সান্নিধ্যত গঢ়ি উঠা স্মৃতিবোৰ। কান্দি কান্দিয়েই তাই বহি ল'লে এখন চিঠি লিখিবলৈ .......
অভি

মোৰ অতি মৰমৰ,

কেনে আছা? এতিয়া ক'ত আছা বাৰু তুমি? ভালে আছানে বাৰু? নিজৰ যত্ন লৈছা নে ভালকৈ? । বেয়া নাপাবা আক' তোমাৰ একান্তই নিজৰ

কথাবোৰ সোধাৰ বাবে। তোমাৰ একান্তই নিজৰবোৰ মোৰ বাবে যোৱা ছবছৰ ধৰি যেনে আছিল আজি ছমাহেও সেই একেই আছে। সলনি হৈছে সময় আৰু তুমি। কিন্তু তোমাৰ তাহানিৰ কুকিজনী আজিও সেই একেই আছে। মাথোঁ আগৰ সেই হাঁহিবোৰ হেৰালে ক'ববাত, বিচৰাও নাই। অৱশ্যে আগতে তুমি বেয়া পোৱা চকুপানীবোৰ মোৰ লগত সদায়েই থাকে আজিকালি। চকুপানীকণ নোহোৱাহেঁতেন যে মোৰ কি অৱস্থা হ'লহেঁতেন। এই খং কৰিছা নেকি? নকৰিবা আক' তোমাৰ খং উঠিলে মোৰ ভয় লাগে। কান্দিলে তুমি বেয়া পোৱা যদি নাকান্দো বাৰু কিন্তু নাকান্দিলেয়ে মোৰ ৰঙা কলিজাটো কলা পৰি যাব। অৱশ্যে আজি দুদিন কন্দা নাছিলো সেয়ে আজি বুকুখনত বৰ বিষ এটা হৈছে হয়তো কলিজাটো শুকাই গৈছে চাগৈ। (বাৰু বাদ দিয়া সেইবোৰ)।

আচলতে কি জানা আজিকালি তোমাৰ বিষয়ে সকলোৱে ইমান বেয়াকৈ কয়। মোৰ বৰ খং উঠে সিহঁতলৈ। কি অধিকাৰত সিহঁতে তোমাক বেয়া বুলি ক'ব। আচলতে তুমি যে মোক বিয়া কৰাই খেদি দিলা সেই বাবে সিহঁতৰ খং উঠেহেনো। অ' তুমি যে নতুনকৈ ছোৱালী এজনীৰ প্ৰেমত পৰিছা সেই খবৰ মই পালো। তুমি সেইকাৰণে মোক খেদি দিলা নেকি বাৰু? মোক কথাটো কোৱা হ'লে তোমাক বেয়া নাপালোহেঁতেন নহয়। তুমি তাইক ভালপোৱা বাবেই মোক ৰাতি বিছনাৰ পৰা খেদি দিয়া নহয়? ধেৎ অকৰাটো তেতিয়া তুমি মোক কিয় নক'লা। তুমি কথা ক'ব নোৱাৰা খোলোচাকৈ সেয়ে মোক ইমান মাৰিলা নহয়? তুমি মোক মৰা ঠাইবোৰ আজিকালি বৰ বিষ হয়। পেটৰ বিষত মই আজিকালি থাকিব নোৱৰা হৈছো। অৱশ্যে কথাটো মই ঘৰত কাকো কোৱা নাই। নহলে সকলো আকৌ চিন্তাত পৰিব। এই শুনা, তুমি বাৰু তাইকও মানে প্ৰীতিকও মোৰ নিচিনাকৈ মাৰিবা নেকি? প্লিজ তাইক নামাৰিবা দেই। তুমি মাৰিলে ইমান বিষায়। আজি ছমাহৰ আগতে তুমি মোক মাৰিছিলা অথচ আজিলৈকে বিষাই আছে। কি যে আচৰিত তুমি, বিয়াৰ আগতে মোক ইমান সপোন দেখুৱালা আৰু বিয়াৰ পাছত? তুমি কিন্তু বৰ বদমাচ দেই, মোৰ চুলিকোচাকলৈ আগতে তুমি কবিতা ৰচিছিলা আৰু বিয়াৰ পাচত সেইখিনি চুলিতে ধৰি ইমান মাৰিলা জানা, মোৰ আজিকালি মূৰটো ভীষণ বিষায়। গাটো

যিমান বিষায় মূৰটো তাৰ তিনিগুণ বেছিকৈ বিষায়। কেতিয়াবা অসহ্য হৈ মই ক'ব নোৱাৰা হৈ যাওঁ। এয়া চোৱা আকৌ বিষাইছে। আৰু নিলিখো দেই। তুমি সুখী হোৱা মনে বিচৰা ধৰণেৰে। ময়ো সুখ বিচাৰি ওলাইছো, নহয় নহয় সোঁৱৰণিৰ আমনি সহ্য কৰিবলৈ নোৱাৰা হৈছো সেয়ে আজি যামগৈ বহু দূৰলৈ। তোমাৰ লগত কটোৱা ছটা বছৰৰ প্ৰেমৰ স্মৃতিয়ে মোক খাব শুব নোৱাৰা কৰিছে। আজি ভাল লাগিছে মনটো বহুদিনৰ মূৰত। কিবা যেন মুক্তিৰ বাট আজি বিচাৰি পাইছো।

সামৰাৰ আগতে আৰু অকণমান লিখো দেই। তুমি মোক খেদি দিয়াৰ পাছতো মই তোমাৰ দীৰ্ঘায়ু কামনা কৰি সেন্দুৰ লৈয়েই আছো সদায়। ঘৰত কোনেও নজনাকৈ। আজি মাঁহতে ভাবিছে মই গুৱাহাটীলৈ যাম এটা নতুন জীৱন সজাবলৈ। কিন্তু তেওঁলোকেতো নাজানে তেওঁলোকৰ মৰমৰ কুকিজনীয়ে আজি সকলো পাহৰি সকলো এৰি থৈ যাবগৈ কোনোবা এক অজান পুৰীলৈ। বিচাৰি এমুঠি প্ৰশান্তিৰ গান। এই চোৱাচোন মোৰ উশাহবোৰ ইমান চুটি হৈ গৈছে, বুকুখনো বিষাইছে ৰ'বা দেই শেষ বাৰৰ বাবে আৰু অলপ সৰহকৈ সেন্দুৰ আঁকি লওঁ সকলোৰে দেখাকৈ তোমাৰ দীৰ্ঘায়ুৰ বাবে।

শেষত

বহু মৰমেৰে তোমাৰ মৰমৰ কুকি

চিঠিখন সামৰিয়েই বিষাই থকা বুকুখন লৈয়েই কুকিয়ে এবাৰ আকাশলৈ চাই পি দিলে যতনাই থোৱা এগিলাচ মুক্তিৰ জল। যিয়ে দিব আজি কুকিক চিৰ নিদ্ৰাৰ এখন কোমল বিছনা। হয়তো আৰু অলপ সময় পাছতে আহিব নামঘৰৰ পৰা কুকিৰ মাক, বায়েক সুমন, বৌৱেক আৰু কণমানি গুণগুণজনী। নীলিম আকাশত উৰি ফুৰা মুক্ত বিহংগিনীৰ ৰূপত কল্পনা কৰা কুকিজনীক পাবহি সেন্দুৰৰ ফোঁট লৈ প্ৰাণহীন হৈ পৰি থকা মৃত শৰীৰ ৰূপত। ।

□□□

# ভাৱনাৰ সিপাৰত মই

আকাশজ্যোতি দাস

বিশাল হেৰাই গ'ল। এই সুবিশাল পৃথিৱীত বিশাল বিহীন হৈ ৰৈ গ'লো মই। নিৰ্বিকাৰ হ'বৰ চেষ্টা কৰিলো, অন্তৰ্দাহী যন্ত্ৰণাবোৰ পাহৰি যাবলৈ নিজকে বুজাবলৈ চেষ্টা কৰিলো। যি নিজৰাই পাহাৰৰ মৰম বুজি নাপালে, সেই নিজৰা যদি সমতলত উৎপত্তি হ'বলৈ গুচি যায় তাৰ বাবে আক্ষেপ কৰিবলগীয়া থাকেনে? অবুজ মনটোৱে চিৎকাৰ কৰি উঠিল। ... মূৰৰ ওপৰৰ আকাশ আৰু ভৰিৰ তলৰ পৃথিৱী হেৰাল যেন লাগিল। সৰ্বস্ব হেৰুওৱাৰ তৃপ্তিৰ পৰা তাই বঞ্চিত হৈ আছে। আত্মাটোৱে ক'লে সৰ্বস্ব হেৰুওৱাৰ কি যে সীমাহীন তৃপ্তি। সেই সময়লৈ আৰু বহু বাকী।

আত্মাটোৰ লগত বহুদিন কথা হোৱা নাছিল। বিশালৰ লগত থকাৰ সময়খিনিত তাৰ বাহিৰে আন কাকো সময় দিব নোৱাৰে ভৈৰবীয়ে। পশ্চিম বেলিতে বুঢ়া পাহাৰৰ গাতে লাগি থকা জুৰিটোৰ পাৰৰ শিলৰ চৰ্তা বিলাকত বহি থাকোঁতে সি দুহাতৰ তৰ্জনী আঙুলিটোৱে আকাশলৈ দেখুৱাই কয় "সৌৱা চা তৰংগান্বিত মেঘ মল্লাৰৰ কি যে দুৰ্বাৰ বাসনা আদিম স্পৃহা পূৰণৰ।" কেতিয়াবা তৰা ভৰা আকাশক লৈ সুন্দৰ মন্তব্য দিয়ে, "চা চা দেউতাৰৰ জ্যোতিয়ে গোটেই নভোমণ্ডলৰ জ্যোতিকে ম্লান পেলাইছে।" হয়তো গিলি পেলাব ৰাৱণৰ শ খন হাতৰ দৰে তাৰ পাহিয়ে তাৰকা মণ্ডলীক। তাৰকা মণ্ডলীৰ ভিতৰত তাৰ ভোটা তৰাই আটাইতকৈ প্ৰিয়। কিন্তু তাৰকা মণ্ডলীৰ প্ৰত্যেকটো জ্যোতিষ্কৰ নিজা স্বকীয় বৈশিষ্ট্যতাত সি কিন্তু উদাসীন নহয়।

কেতিয়াবা পঞ্চমুখ হৈ পৰে নেজাল তৰাৰ জন্ম যাতনাত। কি যে স্থিতি নেজাল তৰাৰ ঘপহকৈ জ্বলি খপহকৈ তললৈ সৰি পৰে। কিন্তু সেই ক্ষন্তেকীয়া সময়তে কিযে কৌতূহল দি যায় ভৈৰবীৰ মনত। ভৈৰবীয়ে কেৱল ও বুলিয়েই শলাগ লয়। কিয়নো তাৰ ভাৱনাৰ পথাৰত ভৈৰবীৰ প্ৰৱেশ তৰ্কৰ বাহিৰে আন একো নহ'ব।

বিশাল সৃষ্টি প্ৰক্ৰিয়াৰ অৱস্থিতিবাদৰ ওপৰত প্ৰতিষ্ঠিত। সি লয়ৰো পূৰ্ণ বিকাশৰ ওপৰত বিশ্বাসী। সৃষ্টিৰ মৰ্যাদা তাৰ ওচৰত যিধৰণৰ, লয়ৰ মৰ্যাদাও তাৰ ওচৰত একেই। সি কয় আমি বাৰু লয়ক মানি লবলৈ ভয় কৰোঁ কিয়? কিয়নো লয়তেই আছে সৃষ্টিৰ মাদকতা। ভুঁইকপে যিদৰে সোণৰ নগৰী ৰসাতললৈ নিব পাৰে। সিদৰে গঢ়িব পাৰে আন এক নগৰী, আন এক লহমাও।

জীৱন মৃত্যুৰ চেতন অৱচেতনৰ প্ৰতিটো কথাকে সহজভাবেই লবলৈ শিকা ভৈৰবীয়ে বিশাল হেৰাই যোৱা ঘটনাটো সহজ ভাৱে ল'ব পৰা নাই কিয়?

এসময়ত, বিশাল কক্ষ হৈ গৈছিল। তাৰ দুচকুৰে কেৱল পিৰিকাবহে পাৰিছিল। ইংগিত দিব পৰা নাছিল। তাৰ জীৱ বুলি কেৱল দেহটোহে আছিল। জড় যেন জীৱ? পাৰেনে থাকিব জীয়াই?

পাৰে ভৈৰৱী, থাকিব পাৰে, আত্মাটোৱে পুনৰ কৈ উঠিল। আত্মাটোৰ উত্তৰত ভৈৰবীয়ে ভাৱনাৰ পৃথিৱীৰ পৰা সাৰ পালে।

বিশাল তাইৰ যৌৱনৰ চিন্তা জগতৰ লগৰী, তাইৰ সপোনৰ বিশাল, দিঠকৰ বিশাল। তাইৰ হেঁপাহৰ বিশাল।

ভৈৰৱী বিশালক লৈ বেলকনিৰ পৰা ৰুমলৈ সোমাল। অদূৰত এজাক পখী চোঁ-চোঁৱাই উৰি গ'ল।

□□□

# পাৰ্থিৱ বিভীষিকাৰ অন্তত...

কৃপাক্ষী চাৰুকীয়া

দুৰ্বাৰৰ জীৱনটো জটিলৰ পৰা জটিলতাৰ মাজলৈ সোমাই গৈ আছে। এনে লাগে কেতিয়াবা তাইৰ, মানুহৰ অন্তৰৰ পৰা মৰম, সহানুভূতি, প্ৰেম আদি অনুভূতিবোৰ হেৰাই গ'ল নেকি? ব্যস্ত পৃথিৱীত যান্ত্ৰিকতাৰ লগত খোজ মিলাবলৈ গৈ মানুহবোৰো যন্ত্ৰলৈ পৰিণত হ'ল নেকি? আশা থাকে বাবেইটো জীৱনটোৰ দুখ কষ্টৰ মাজেৰে হ'লেও মানুহৰ জীয়াই থকাৰ বাসনা জাগে। কিন্তু আজি মানুহে কিয় নিজে নিজৰ আত্মঘাতী হ'ব ধৰিছে। হেৰাই গৈছে নেকি সকলো মানুহৰে আশা আকাংক্ষাবোৰ? ৰাতিপুৱা হকাৰে দি যোৱা বাতৰিখন পঢ়িবলৈ লৈ যেতিয়া দুৰ্বৰিয়ে প্ৰথম পৃষ্ঠাতে পঢ়িবলৈ পালে 'যৌতুকৰ হেঁচাত আত্মহত্যা কৰিবলৈ বাধ্য হ'ল ন-কইনা' শীৰ্ষক বাতৰি, তেতিয়া এক মুহূৰ্তৰ বাবে হ'লেও তেওঁ অন্তৰত এই কথা অনুভৱ কৰিলে। সঁচায়ে আজিৰ যুগত সকলো মানুহে টকা-পইচাৰ কাৰণে কাৰোবাক হিংসা নালাগে হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰা হ'ল। দুৰ্বৰিয়ে এনেধৰণৰ বাতৰিবোৰ পঢ়িলে তাইৰ প্ৰতিবাদী মনটো উগ্ৰ হৈ উঠে। আজি কিয় নাৰী জাতিক সকলোৰে ইমান নিম্নখাপলৈ নিব বিচাৰে? ইমান শিক্ষিত, ভদ্ৰ সমাজখনত কি স্বাৰ্থত নাৰীক ইমান ৰক্ষণশীল দৃষ্টিভংগীৰে চায়। সঁচায়ে দুৰ্বৰিৰ এনেধৰণৰ নাৰী সংক্ৰান্তীৰ কিবা বেয়া বাতৰি পঢ়িলে খুউব ক্ষোভিত হয়। দুৰ্বৰিৰ আগতে এনেধৰণৰ চিন্তা-ধাৰণাবোৰ মনলৈ নাহিছিল, কিন্তু যেতিয়া তাই নিজে এনে কাৰ্যৰ বাবে লাঞ্ছনা ভুগিছিল তেতিয়াৰ পৰাই তাই মনটো বিদ্ৰোহী হৈ উঠিছিল। তাই সঁচায়ে বহুত প্ৰতিবাদ কৰিব খোজে। তাই কেতিয়াও নিবিচাৰে তাইৰ দৰে লাঞ্চিত হওক নাৰীবোৰ। সঁচায়ে দুৰ্বৰিৰ আজিও ভাবিবলৈ ভয় লাগে কি অৱস্থাৰ মাজত তাই থাকিব লগা হৈছিল। কেতিয়াও ভবা নাছিল আজি এই অৱস্থা পাবহি। যেন নৰকৰ পৰাহে উভতি আহিছিল। কিমান যে চৰ ভুকু খোৱা নাছিল শহুৰেকৰ ঘৰত। এৰা মাক দেউতাকৰ পছন্দ মতেই দুৰ্বৰিৰ দূৰ সম্পৰ্কীয় পেহীয়েক এজনীয়ে দেখুওৱা বিজিতৰ লগত বিয়া হৈছিল। প্ৰথম যেতিয়া তাই বিজিতক দেখিছিল, তাই একে মুখেই না

কৰিছিল। কাৰণ তাই আৰু বিজিতৰ বয়সৰ ব্যৱধান নাই কমেও বিশ বছৰমান আছিল। কিন্তু দুবৰিৰ মাক দেউতাক, যিয়ে কোনো কথা বহল দৃষ্টিভংগীৰে চাব নাজানে, সংকীৰ্ণ মনোভাৱেৰে পৰিপূৰ্ণ তেওঁলোকে বিজিতৰ আৰ্থিক অবস্থা অলপ উন্নত বাবে বয়সৰ ব্যৱধানলৈ নাচায় তাইক জোৰ জবৰদস্তি বিয়া দি দিলে। পৰম সন্তুষ্টি লাভ কৰিছিল তেওঁলোকে কাৰণ নিজৰ জীয়েকক ধনী মানুহলৈ বিয়া দিছে। তেওঁলোকে, এবাৰলৈ হ'লেও দুৰৱিৰ মনৰ কথা বুজ নল'লে।

দুৰৱিৰ নিজৰ মাক দেউতাকে যেতিয়া জোৰ কৰি বিয়া দিলে তাই চিঞৰি চিঞৰি কন্দাৰ বাদে আন উপায় নাছিল। তথাপি তাই বিয়া হৈ ভালদৰে ঘৰখন চলাম বুলি মনতে ভাবি ল'লে। কিন্তু বিধিৰ বিপাক ভবা কথা সফল নহ'ল। তাই বিয়াৰ পাছত লাহে লাহে দেখিবলৈ পালে বিজিত তথা বিজিতৰ ঘৰখনৰ মানুহবোৰৰ আচল ৰূপ। কেৱল টকা-পইচা চিনি পোৱা বিজিতৰ ঘৰৰ মানুহখিনিৰ যেন কোনো মানৱীয় গুণ নাই এনে লাগিল দুৱৰিৰ। বিজিতৰ মাক আৰু বায়েকে যেতিয়া দুৱৰিক দিনৰ দিনটো গাধৰ দৰে খটুৱাই চাকৰণী যেন ব্যৱহাৰ কৰে তেতিয়া দুৱৰিৰ নিজৰ জীৱনটোৰ ওপৰতে খং উঠে। তথাপিও তাই নিজৰ ঘৰ বুলিয়ে ভাবি সকলো সন্তৰ্পণে কৰি গৈছিল। কিন্তু লাহে লাহে দিন বাঢ়ি যোৱাৰ লগে লগে বিজিত, তথা তাৰ মাক আৰু বায়েকে লগ লাগি যেতিয়া তাইক যৌতুক ননাৰ বাবে অত্যাচাৰ কৰিবলৈ ল'লে তেতিয়া তাইৰ আত্মহত্যা কৰিবলৈ মন গৈছিল। তাই কান্দি কান্দি তেওঁলোকক কৈছিল, "আপোনালোকে মোক কিয় এনে কৰিছে, মোৰ আই বোপাইৰ আছে কি? কি যৌতুক দিব তেওঁলোকে? পাঁচটাকৈ ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰোঁতেই তেওঁলোকৰ জীৱনটো গ'ল।

কিন্তু তাই যিমানেই কৈছিল তাইৰ কথা। কোনেও শুনা নাছিল, বৰঞ্চ তাইক বেছি অত্যাচাৰ কৰিবলৈ ধৰিলে। তাইক চুলিত ধৰি চুচুৰাইছিল, চৰিয়াইছিল, দিনৰ দিনটো লঘোণে ৰাখিছিল আৰু তাইৰ গিৰিয়েক বিজিতে গিলাছে গিলাছে মদ খাই মাতাল হৈ তাইক গুৰিয়াইছিল। ইমানতো সন্তুষ্ট নহৈ আনকি তাইক ডিঙি চেপি মাৰিবলৈ চেষ্টা কৰিছিল। দুৱৰিয়ে বহুত সহ্য কৰিলে। অৱশেষত

তাই মৰো যেন হ'ল। তাইৰ মাক দেউতাকৰ ওপৰত বহুত খং উঠিছিল। তেওঁলোকেতো নাজানে তেওঁলোকৰ জীয়েকৰ কি অৱস্থা কৰিছে, ভাবিছে চাগে ধনী মানুহৰ ঘৰত খাইছে, সুখত আছে। এইবোৰ অত্যাচাৰৰ কথা ক'লে তেওঁলোকে চাগে মিছা বুলিয়ে ভাবিব। দুৰৰিৰ সঁচায়ে বৰ দুৰ্ভগীয়া যেন লাগিল নিজকে। তাই জীয়াই থকাৰ মন আৰু এক মুহূৰ্তও নাথাকিল। তাই সেয়ে নিজকে শেষ কৰি পেলোৱাৰ মানসেৰে বিজিতৰ ঘৰৰ পৰা গুছি আহি ওচৰতে থকা নদীখনত জাপ দিব বিচাৰিছিল। কিন্তু তাইৰ কপালত চাগে আয়ুসূৰ চাউল, আছিল। সেই গাঁৱৰে এখন হাইস্কুলৰ প্ৰধান শিক্ষক হৰেণ ডেকাই তাইক সেই মুহূৰ্তৰ পৰা ৰক্ষা কৰিলে আৰু ঘটনাটো কি সুধিলে।

তাই তেতিয়া হৰেণ ডেকাকে সবিশেষ বৰ্ণনা দিলে আৰু তাইৰ কথা শুনি হৰেণ ডেকাই ক'লে - চোৱা দুৰৰি, তুমি আজি যি পৰিস্থিতিৰ সন্মুখীন হ'লা তেনে পৰিস্থিতিৰ আৰু বহুত নাৰী সন্মুখীন হৈছে। এইধৰণৰ পৰিস্থিতিত পৰি যদি তোমালোকে আত্মহত্যাৰ চেষ্টা কৰা তেতিয়া এই সমস্যা সমাধান হ'বনে? তোমাৰ দৰে আজি যদি প্ৰত্যেকজনী লাঞ্চিতা মহিলাই আত্মহত্যাৰ পথহে বাছি লয় তেন্তে এই যৌতুকৰ দাবী হেন অমানৱীয় কাৰ্য অন্ত পৰিবনে? তাৰ সলনি যদি তোমালোকে ইয়াৰ প্ৰতিবাদৰ ব্যৱস্থা কৰা তেতিয়াহে তোমালোকে সফল নাৰী হিচাপে চিনাকি দিব পাৰিবা। কি নাই তোমালোকৰ? আইনৰ সহায় লোৱা। লাগিলে এই ক্ষেত্ৰতত মই সহায় কৰিম।

হৰেণ ডেকাই এইক্ষেত্ৰত দুৰৰিক বহুত সহায়. কৰিলে। তাইৰ বাবে তাইৰ যোগ্যতা অনুসৰি স্কুলৰ কেৰাণীৰ চাকৰি এটাও যোগাৰ কৰি দিলে। দুৰৰিয়ে তাইৰ নিজৰ দুৰ্বল মনটোক সবল কৰি তুলিলে আৰু হৰেণ ডেকাৰ কথামতে তাইৰ প্ৰতি কৰা অন্যায়ৰ বাবে আইনৰ ওচৰত গোচৰ তৰিলে। তাই কেতিয়াও এনে হিংসুক মানুহৰ ওচৰত থাকিব নোখোজে। সেয়েহে তাই আদালতৰ জৰিয়তে বিজিত আৰু তাইৰ বিবাহ বিচ্ছেদ কৰালে।

সেই তাহানিৰ দুৰৰি আজি সুখী। হৰেণ ডেকাই যোগাৰ কৰি দিয়া কেৰাণী চাকৰিটোৱেই তাইৰ আজি আৰ্থিক সম্বল। তাই তেতিয়াৰে পৰাই ভাড়াঘৰত থাকিবলৈ ললে আক এনেধৰণৰ অমানবীয় কাৰ্য্যবোৰৰ প্ৰতিবাদৰ

বাবে আগবাঢ়ি আহিবলৈ ধৰিলে। আনকি তাই মাক-দেউতাকৰ ওচৰলৈও নাযায়। তাইৰ অকলশৰে ভাল লাগে।

সেয়ে তাই আজি পেপাৰত পোৱা বাতৰিটো পঢ়ি এনেকুৱা দিনে দিনে বাঢ়ি অহা যৌতুক তথা অমানবীয় কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ নিজকে প্ৰস্তুত কৰিলে। লগতে তাই সকলো মহিলাকে সচেতন কৰি দিব বুলি ভাবিলে। লাগিলে তেওঁলোকে মিলি এটা মহিলা গোট সৃষ্টি কৰি ল'ব। দুৰৰিয়ে এটা স্থিৰ সিদ্ধান্ত ল'লে যাতে ভৱিষ্যতে এনেদৰে কোনো নাৰীয়ে যদি আত্মবলিদানৰ সন্মুখীন হয়, পিছ নুহকি আগবাঢ়ি আহে। নিশ্চয় এদিন সফল হ'ব তেওঁলোক। আজি দুৰৰি বহুত সুখী, আজি তাই নিসঙ্গ নহয়।

❑❑❑

# অনুভৱ

শ্ৰীমতী ৰিতুমণি দুৱৰী

ৰাতিপুৱাৰ বাতৰি কাকতখন চায়েই বিৰক্তিত মন ভৰি পৰিল নিভাৰ। আজিকালি বাতৰি কাকত মেলিবই নোৱাৰি। কেৱল হত্যা, লুণ্ঠন, ধৰ্ষণ ইত্যাদি কথাৰে পৃষ্ঠা ভৰি থাকে। তাৰ ওপৰতে আজি এটা সংস্থাৰ, কাইলৈ আন এটা সংস্থাৰ অসম বন্ধৰ আহ্বান। প্ৰতিটো কথাৰ প্ৰতিবাদ যেন বন্ধৰ জৰিয়তেই কৰিব। এদিন ৰাজ্য বন্ধ কৰি দিলেই যেন দুনীৰ্তিও বন্ধ হৈ যাব। বন্ধ দিয়াসকলে এবাৰো ভাবি নাচায় তেওঁলোকে দিন হাজিৰা কৰি খোৱা লোকসকলৰ যে কিমান অনিষ্ট কৰে। তেওঁলোকে বন্ধ দিব আৰু জনসাধাৰণে মানিবই লাগিব আৰু ইয়াৰ বিপৰীতটো হ'লেই দুনীৰ্তিৰ প্ৰতিবাদত বন্ধ দিয়াসকলেই জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰিব। ভাবিলে কিবা বিকৃচিনা লাগি যায়।

ঃ নিভা অ' নিভা — মাকৰ মাতত উচপ খাই উঠিল নিভা।

ঃ কি হ'ল মা?

ঃ প্ৰাৰ্থনা ঘৰলৈ আহিছে, তই খবৰ এটা কৰি নাহ জানো। মাকে কথাষাৰ কৈ কৈ ধোৱা কাপোৰবোৰ চোতালত থকা ৰছীডালত মেলিবলৈ ধৰিলে।

প্ৰাৰ্থনা ঘৰলৈ অহা কথাটো শুনি মনটো ভাল লাগি গ'ল নিভাৰ। কিন্তু তাৰ লগে লগে এক দুখ মিশ্ৰিত আবেগেও ক্ৰিয়া কৰি গ'ল তাইৰ মনত। এই দুখ তাই নিজৰ অক্ষমতাৰ। তাই যে প্ৰাৰ্থনাৰ বাবে একোৱে কৰিব নোৱাৰিলে। যোৱা ন-মাহৰ আগেয়ে প্ৰাৰ্থনাৰ বিয়া হৈ গৈছে। কিন্তু এয়া জানো বিয়া? বিয়া বুলিলে এজনী ছোৱালীৰ হৃদয়ত কিমান যে ৰঙীন সপোনে ভূমুকি মাৰে। বিয়াই এজনী ছোৱালীক দায়িত্বশীল নাৰীলৈ ৰূপান্তৰিত কৰে। বিয়াৰ পাছত কিমান যে দিশত গুৰুত্ব দিবলগীয়া হয়। কিন্তু প্ৰাৰ্থনা। তাই যে বিবাহৰ প্ৰকৃত অৰ্থ হৃদয়ংগম কৰাৰ আগতেই মাল্যদান কৰিবলগা হ'ল। বয়সেই বা কিমান হৈছে তাইৰ, মাত্ৰ ষোল্ল বছৰ। বিয়াৰ আগেয়ে তাই যে নিভাৰ ওচৰত ইমান কান্দিছিল। বহুত সপোন দেখিছিল তাই নিজৰ জীৱনক লৈ। কিন্তু প্ৰতিটো সপোন তাই নিজৰ ভিতৰতে কবৰ দিবলগীয়া হ'ল। কাৰণ তাইক বুজিবলৈ নিজৰ জন্মদাত্ৰী

মাতৃয়েও চেষ্টা নকৰিলে। তেওঁ মাত্ৰ চাকৰিয়াল দৰালৈ নিজৰ কন্যাক বিয়া দি দায়িত্বৰ পৰা হাত সাৰিব বিচাৰিলে। কিন্তু তাইৰ মনটোক বুজিবলৈ অকনোৱে চেষ্টা নকৰিলে।

ঃ যদি বিয়া সোমোৱাৰ ইচ্ছাই নাই তেন্তে বিয়াৰ প্ৰতিবাদ নকৰা কিয়? এদিন নিভাই প্ৰাৰ্থনাক সুধিছিল।

ঃ তেতিয়া যে মা-দেউতাই গালি দিব।

ঃ কিয় গালি দিব? বিয়াতো এটা সাধাৰণ কথা নহয়। সমগ্ৰ জীৱন তুমি.............।

ঃ তেওঁলোকে একো নুবুজে নিভা বা। তেওঁলোকে মাত্ৰ বিয়া দি নিজৰ দায়িত্ব পালন কৰিবলৈ বিচাৰে। তেওঁলোকে মোৰ ইচ্ছা-অনিচ্ছাক তিলমানো গুৰুত্ব নিদিয়ে। মই যদি নিজেই কিবা এটা কৰিলোহেঁতেন তেন্তে কেতিয়াও এনেদৰে......। বাক্যষাৰ সম্পূৰ্ণ নকৰাকৈ ৰৈ গৈছিল প্ৰাৰ্থনা। ধীৰে ধীৰে তাই আকৌ কৈছিল, কি কৰিবা, নিভা বা, তুমি, মই আমিবোৰ যে আৰ্থিকভাৱে সম্পূৰ্ণৰূপে মা- দেউতাৰ ওপৰত নিৰ্ভৰশীল। গতিকে মা-দেউতাৰ ৰায় মানি লোৱাৰ বাহিৰে আন একো উপায় নাথাকে। অৱশ্যে তোমাৰ মা-দেউতা বহুত ভাল। তেওঁলোকে তোমাৰ ইচ্ছা অনিচ্ছাৰ খবৰ ৰাখে। কিন্তু মোৰ। এক হুমুনিয়াহ হৈ ওলাই আহিছিল প্ৰাৰ্থনাৰ কথাবোৰ। ।

ঃ জানা নিভা বা, সেইদিনা মানুহবোৰে মোক এনেকৈ খুটিয়াই খুটিয়াই চাইছিল যেন মই বজাৰত সজাই থোৱা এটা সামগ্ৰীহে। মোৰ মা-দেউতাই বাৰু মোৰ ক্ষেত্ৰত এনেকুৱা কিয় কৰিছে। মইতো তেওঁলোকৰ নিজৰ ছোৱালী। নে ছোৱালী হোৱাটোৱেই মোৰ অপৰাধ নেকি? কৈ কৈ কান্দোনত ভাগি পৰিছিল প্ৰাৰ্থনা।

নিভাৰো দুচকু সেমেকি উঠিছিল। প্ৰাৰ্থনাক সান্ত্বনা দিবলৈ নিভাৰ ওচৰত একো ভাষা নাছিল। প্ৰাৰ্থনাৰ মাক-দেউতাকলৈও ভীষণ খং উঠিছিল নিভাৰ। ছোৱালী এজনীক বিয়া দিয়াটোৱেই যে মাক- দেউতাৰ একমাত্ৰ কৰ্তব্য নহয় এইকথা কোনে বুজাব তেওঁলোকক। বিশ বছৰৰ ডাঙৰ এজন ল'ৰাৰ লগত যোল্ল বছৰীয়া ছোৱালীজনীয়ে কেনেকৈ এড্জাষ্ট কৰিব সেই বিষয়েও

তেওঁলোকে এবাবো ভবা নাই। গাঁৱৰে শৈলেন খুৰাই এইবিষয়ে ক'বলৈ যাওঁতে ক'লে বোলে- "আমাৰ ছোৱালীক আমি দিবলৈ লৈছো তাত আনৰ মাত মাতিবলৈ কি হ'ল? অ' আমাৰ ছোৱালীক ধনী মানুহলৈ দিবলৈ লোৱাৰ বাবে মানুহবোৰৰ হ'বলা গা জ্বলিছে। সেয়েহে এনেবোৰ কথা উলিয়াইছে।" এইযাৰ কথা শুনাৰ পাছত সকলোৱে তাপ মাৰিলে। কাৰণ নিজৰ সন্তানৰ ওপৰত মাক-দেউতাকতকৈ বেছি অধিকাৰ কাৰোৱেই নাথাকে। তথাপি প্ৰাৰ্থনাৰ চকুপানী সহিব নোৱাৰি নিভাৰ মাকে প্ৰাৰ্থনাৰ মাক-দেউতাকক আকৌ এবাৰ ভাবি চাবলৈ কৈছিল। কিন্তু তেওঁলোক নিজৰ সিদ্ধান্তত অটল থাকিল।

প্ৰাৰ্থনাৰ বিয়ালৈ নিভা গৈছিল। ইমানদিনে নিভাই ভাবি আহিছিল এজনী ছোৱালীয়ে বহুতো ৰঙীন সপোন বুকুত লৈ নিজৰ জীৱনটোৰ পাতনি মেলে। কিন্তু সেইদিনা প্ৰাৰ্থনাক দেখি নতুনকৈ উপলব্ধি কৰিছিল নিভাই, প্ৰাৰ্থনাৰ দৰেই বহুতেই হয়তো নিজৰ জীৱনক লৈ দেখা সুন্দৰ সপোনবোৰক কবৰ দিহে বিয়াত বহে। আৰু তাই এনে এখন ঘৰলৈ বিয়া হ'বলৈ ওলাইছে য'ত নাৰীৰ অস্তিত্ব পাকঘৰতেই সীমাবদ্ধ।

ঃ এনে এখন ঘৰৰ পৰা আমাৰ ঘৰৰ বোৱাৰী হ'বলৈ ওলাইছে, ছোৱালীৰ ভাগ্যহে বুলিছো। প্ৰাৰ্থনাহঁতৰ মাটিৰে লিপা বাঁহৰ বেৰখনলৈ চাই কোনোবা এগৰাকীয়ে কৈছিল।

নিভাই তেওঁলোকলৈ চাই ভাবিছিল কেৱল ধন-সম্পত্তিকে অধিক গুৰুত্ব দিয়া এই মানুহঘৰৰ লগত সংবেদনশীল প্ৰাৰ্থনাই কেনেদৰে যে দিন কটাব। নিভাই সেইদিনা ঘৰত আহিও ছট্‌ফটাই আছিলহি। দুখ লাগিছিল নিভাৰ, ভনীসম জ্ঞান কৰা প্ৰাৰ্থনাৰ বাবে যে তাই একোৱে কৰিব নোৱাৰিলে। প্ৰাৰ্থনাৰ দৰেই তাই ভাবিছিল যদি তাই স্বাৱলম্বী হ'লহেঁতেন কেতিয়াও এনে অন্যায় চাই নাথাকিলহেঁতেন। প্ৰাৰ্থনাৰ মাক-দেউতাকক যোগ্য প্ৰত্যুত্তৰ দিলেহেঁতন। কিন্তু কি কৰিব! তাই যে কেৱল শিক্ষাৰ্থী আৰু...........

নিভা বা', কি কৰি আছা? — কাৰোবাৰ চিঞৰত ঘূৰি চালে নিভাই। তাইৰ পাছফালে হাঁহি হাঁহি বৈ আছে প্ৰাৰ্থনা।

ঃ প্ৰাৰ্থনা তুমি? কেতিয়া আহিলা আমাৰ ঘৰলৈ- আশ্চৰ্যত চিঞৰি

দিলে নিভাই।

ঃ তুমি যেতিয়া বাতৰি কাকতখনলৈ ভাবত নিমগ্ন হৈ আছিলা। কি ভাবিছিলা ইমানকৈ হাঁ!

তোমাৰ কথাই ভাবিছিলো প্ৰাৰ্থনা- মনতে ক'লে নিভাই। কিন্তু মুখফুটাই সেই কথা নক'লে। তাৰ পৰিৱৰ্তে হাতত ধৰি নিজৰ ৰুমলৈ লৈ গ'ল প্ৰাৰ্থনাক।

ঃ এতিয়া কোৱা কেনে আছা তুমি। বিছনাখনত মুখামুখিকৈ বহি লৈ প্ৰাৰ্থনাক সুধিলে নিভাই।

ঃ কেনেদৰে থাকিব পাৰোঁ বুলি ভাবা নিভা বা'।

প্ৰাৰ্থনাৰ কথাত ভীষণ অসহায়বোধ কৰিলে নিভাই। কিন্তু নিভাৰ মুখলৈ লক্ষ্য নকৰি প্ৰাৰ্থনাই আপোনমনেৰে কৈ গ'ল —

ঃ নিভা বা' মই এতিয়া বুজি উঠিছো জীৱন মানেই যে সংঘাত আৰু এই সংঘাতক জয় কৰিবই লাগিব। নোপোৱাবোৰক লৈ হা-হুতাশ কৰি থাকিলে জানো হ'ব।

ঃ বিয়াৰ পাছত মই ভাগি পৰিছিলো। মোৰ মা- দেউতাই মোক নুবুজাৰ বাবে, মোৰ সপোনবোৰ ভাগি যোৱাৰ বাবে। কেৱল টকা-পইচাকে সৰ্বস্ব বুলি ভবা ঘৰখন আৰু নাৰীৰ শৰীৰৰ উৰ্দ্ধলৈ যাব নোৱাৰা মানুহজনৰ সৈতে থাকি ভাৱ হৈছিল মোৰ যেন একো অস্তিত্বই নাই। মই নিজকে পাহৰি গৈছিলো। যন্ত্ৰ মানৱৰ দৰেই দিন কটাইছিলো, মোৰ জীয়াই থকা হেঁপাহো নিঃশেষ হ'বলৈ আৰম্ভ কৰিছিল। কিন্তু যোৱা মাহত গম পালো যে মই মা হ'বলৈ ওলাইছো। প্ৰথমে একো ভবা নাছিলো যদিও লাহে লাহে উপলব্ধি কৰিলো যে মই মোৰ সন্তানৰ বাবেই নিজকে পাহৰিলে নহ'ব। কাৰণ মই মোৰ মাৰ দৰে মা' হ'ব নিবিচাৰো। মই মোৰ সন্তানৰ প্ৰতিটো প্ৰয়োজন, প্ৰতিটো সপোন, প্ৰতিটো আশা পূৰণ কৰিব বিচাৰো। আৰু তাৰবাবে মই নিজকে খোলাৰ ভিতৰৰ পৰা বাহিৰলৈ আনিব লাগিব। মই নিজেই সাহসী হ'ব লাগিব। সেয়ে মই এতিয়া পুনৰ পঢ়াৰ সিদ্ধান্ত লৈছো আৰু লিখা-মেলাৰ কামো পুনৰ আৰম্ভ কৰিছো।

জীৱনক নতুন দৃষ্টিভংগীৰে চাবলৈ লোৱা প্ৰাৰ্থনাৰ কথাবোৰ নীৰৱে শুনি গ'ল নিভাই।

ঃ মই মোৰ কোষত থিতাপি লোৱা ভ্ৰূণটোৰ বাবেই মৰি মৰি জী উঠিছো নিভা বা'। সাহস পাইছো জীয়াই থাকিবৰ বাবে। মোৰ সপোনবোৰ আকৌ আৰম্ভ হৈছে। এইবাৰ মই যুঁজিম নিভা বা'। যেনেকৈয়ে নহওক কিয়। প্ৰতিটো প্ৰতিকূলতাৰ বিৰুদ্ধে সাহসেৰে থিয় দিম। এইবাৰ আৰু কোনো অন্যায়ৰ ওচৰত শিৰ নত নকৰো।

গভীৰ প্ৰত্যয়েৰে কোৱা প্ৰাৰ্থনাৰ কথাবোৰ শুনি নিভাই প্ৰথমবাৰলৈ গভীৰভাৱে অনুভৱ কৰিলে সঁচাই মানুহক আশাই জীয়াই ৰাখে। মানুহক জীয়াই থাকিবলৈ এটা আশা, এটা সপোনৰ বৰ প্ৰয়োজন। আৰু ভৱিষ্যত সুন্দৰ হোৱাৰ আশাই মানুহৰ বৰ্তমানটোক সুন্দৰ কৰি তোলে।

আশা,<br>
এটি মাথোঁ সেউজীয়া শব্দ<br>
জীৱনৰ প্ৰতিটো কোঁহে কোঁহে<br>
গুঞ্জৰিত হৈ থকা এটি মাথোঁ গুঞ্জন

ঃঃঃঃঃঃঃঃঃ

নিস্বাৰ্থ ভাৱনা আৰু মাদকতাৰ সৃষ্টিত<br>
উদ্ভাসিত হোৱা প্ৰাঞ্জল শব্দ।<br>
(- বিনীতা কুজুৰ)

ঃঃঃঃঃঃঃঃঃ

□□□

# আশ্ৰয়

শ্ৰীমতী ৰিজু বৰগোহাঁই

বিজুলী ঢেৰেকণিয়ে গোটেই পৃথিৱী উন্মাদ কৰি তুলিছিল। গুৰুম; গুৰুম, মেঘৰ গাজনিয়ে চঞ্চল কৰি তুলিছিল আকাশ-পাতাল। চাৰিওফালে বিজুলী ঢেৰেকণিয়ে পোহৰাই তুলিছি চকা-মকাকৈ। প্ৰকৃতি সেই উন্মাদিনা ৰূপত সঁচাকৈয়ে ভয় খাইছিল বহুতে। কিহবাৰ আনন্দৰ আতিশয্যত নে........বিষাদৰ বন্যাত বেছিকৈ প্ৰকৃতিৰ চঞ্চলতা দেখা গৈছিল নেকি বাৰু............ এনে এটা সয়তে আটোম-টোকাৰিকৈ বন্ধা ঘৰৰ পৰা পৃথিৱীৰ চঞ্চল উজ্জলতা ফালি ভাঁহি উঠিছিল এষাৰ মাত। কোনে মাতিছিল বাৰু সেই ৰাতিৰ নিস্তৱতা ভাঙি........... কোনে............ ?

ঃ পোনাকণ, অ'পোনাকণ শুনিছনে..........পো.........না............... বোৱাৰীৰ গাটো বৰ বেয়া হৈছে অ' বেছিকৈয়ে বেয়া হৈছে সোনকালে হস্পিতেললৈ............। .........পৃথিৱীৰ চঞ্চলতা ভেদ কৰা সেই মাতষাৰ মোৰ আইতাৰ আছিল। মনত সংশয় আৰু সাহস মিশ্ৰিত মন একোটালৈ সেই কালিকা লগা, মায়াবিনী ৰাতিয়েই দেউতাৰ সৈতে আমি হস্পিতেল অভিমুখে গাড়ীত বহিলোহি। আমি....... আমি মানে মা, দেউতা, আইতা........আৰু........আৰু কোনেও নেদেখা স্থানত লুকাই গাড়ীত উঠিছিলো আৰু নিৰ্দিষ্ট ঠাই পাইছিলোগৈ। তেতিয়াই মই লুকাই চুৰকৈয়ে মায়া- মোহৰ বান্ধোনত বান্ধ খাইছিলো....... বিচাৰিছিলো সংসাৰৰ পোহৰ.......য'ত মই আজীৱন কটাবলৈ ইচ্ছুক আছিলো। মোৰ ইচ্ছানুসৰিয়ে মই সংসাৰ বান্ধোনত সোমাবলৈ পোহৰ পাইছিলো........মাত্ৰ কেইটামান ক্ষণৰ পাচতেই।

পৃথিৱীত প্ৰথম আগমণৰ দিন আছিল........মোৰ আগমণ ঘটিছিল পৃথিৱীলৈ............মোৰ আগমণ.....তেতিয়ালৈ চঞ্চল পৃথিৱী শান্ত হৈ পৰিছিল, উন্মাদিনী ধৰাই সৌম্য ৰূপ ধাৰণ কৰিছিল। মোৰ প্ৰতীক্ষাতেই আছিল নেকি চঞ্চল ৰূপ লৈ ? প্ৰথম কান্দিছিলো চিঞৰি চিঞৰি সুখতেইনে দুখতেই.........ওহো এতিয়া একো ক'ব নোৱাৰিম। তেতিয়ায়ে দেউতাৰ মুখত আনন্দত হাঁহি থূপ

খাইছিল। সেই কথাত কোনো সন্দেহ নাই। কিন্তু................আইতাৰ সৰল সহজ মুখমণ্ডলত বিৰিঙিছিল নে অনাকাংক্ষিত আলহী আগমণৰ এমোকোৰা হাঁহি.......... নাই নাছিল সেই দেউতাৰ দৰে আনন্দৰ হাঁহি মোৰ আইতাৰ মুখত, সেইয়া মই জানো কাৰণ মোৰ আগমণতে তেওঁৰ হৃদয়ত বিষাদে খোপনি পুতিলে। আৰু মোৰ চেনেহী মাৰ মুখত সেই একেই সলাজ তৃপ্তিৰ হাঁহি........ ঠিক বাইদেউ পৃথিৱীত প্ৰথম আগমণৰ দিনৰ দৰে। তথাপিও মই নজনা নহয় সেই হাঁহিতো বিষাদ মিহলি হৈ আছিল। ..........এনেদৰে মই মায়া-মোহৰ বান্ধোনত সোমাই পৰিছিলো। ....এয়া মোৰ জনমৰ আদিম পুৱাৰ সময় আছিল........ পোহৰৰ সৈতে প্ৰথম চিনাকি হোৱাৰ সময়............।

তা তা...... আইমণি চাও উঠা উঠা তা তা কৰা আকৌ...... ইচ ৰাম পৰি দিছা কেলেই ঃ............। কেৱল কোচতে থাকিব খোজা মইজনীক মায়ে এনেদৰে খোজকঢ়াৰ আদি পাঠ শিকায়....... শিকাবলৈ লয়। কিন্তু দেউতাই মাটিৰ পৰা মোক কোঁচত তুলি মাৰ ফালে ঘোপাকৈ চায় উচ্চ স্বৰে কয়.........

ঃ তুমিও যে আৰু এই খোজ কাঢ়িব নোখোজা, বয়স নোহোৱা ছোৱালীজনী কিয় জোৰকৈ তা তা কৰাইছা। আইমণি মোৰ লগতে কোচতে থাকিব........ চাওঁ চাওঁ অকণমানি ভৰি দুখন তেনেই লেতেৰা কৰিলা দেখোন; যোৱাচোন কাপোৰ এডোখৰ আনি মচি দিয়া......... নহ'লে ময়ে মোহাৰি দিওঁ লৈ আনা। এনেদৰে মাক আদেশ দি থেনথেনাই থকা মইজনীক ফুচুলাই ৰং বিৰংৰ পুতলা দি কয় ঃ তৰা লাগিব নেকি....? বাহিৰলৈ আনি জোনবাই দেখুৱাই.....ওহো তেতিয়াতো মই নাজানোৱে জোনবাই কি তৰা কি.......... মাথো মূৰ জোকাৰিছিলো। তাতেই দেউতা মায়ে হাঁহিছিল........ কিন্তু মায়ে অন্তৰৰ পৰা হাঁহিছিল নে........ আইতাৰ দৰে তেওঁৰো হয়তো মোৰ আগমণতে অন্তৰত বিষাদে খোপনি পুতিছিল।........সেইয়া মোৰ থুপুক-থাপাকৈ খোজ পেলোৱাৰ সময়, চকু পতা বহলকৈ মেলি অচিনাকি চৌপাশক চোৱাৰ সময়।

ঢপলিয়াই ঢপলিয়াই ধূলি মাকতি লৈ........ খেলি ঘূৰি ফুৰাৰ সময়, ধেমেলিয়া খন্তেকীয়া সোণালী শৈশৱৰ দিন আছিল তেতিয়া.........

আইতা, মাৰ নিৰ্দেশকো, আদেশকো আওকান কৰি খেল-ধেমালি

কৰিয়েই বহু সময় সমনীয়াৰ সৈতে কটাইছিলো। কাণত যে বহুতো কথাই উফৰি পৰিছিল........এইটো নকৰিবি সেইটো নকৰিবি। এনেকৈ নাপায় তেনেকৈ নাপায়, কেইদিনমানৰ পাছত গাভৰুৱে হ'বি.....। অকল হকা- বাধা.....। চাৰিওফালে অদৃশ্য লক্ষ্মণ ৰেখা আঁকি মোক বান্ধোনে বান্ধি ছোৱালী হোৱাৰ কথা প্ৰতি মুহূৰ্ততে সোঁৱৰাই দিছিল। মাৰ, আইতাৰ কথা নুশুনি ল'ৰা সমনীয়াৰ সৈতে এদিন গছত বগোৱাৰ অপৰাধত জোখত কৈ কমেই শাস্তি পাইছিলো, তথাপিও ওলাইছিল শোকৰ চকুলো। চকুলো মচি দি অভিমানত থকা মইজনীক দেউতাই এটেপা-দুটেপাকৈ খুৱাইছিল ভোকৰ ভাত গৰাহ। দেউতাৰ মৰমতে মাৰ ফালে পিঠি দি উচুপিছিলো দেউতাৰ বহল বুকুৰ মাজত সোমাই। য'ত আছিল নিৰাপত্তা মৰমৰ আৱেষ্টনী, য'ত হয়তো ক্ষমা আছিল ছোৱালী হৈ জন্ম লোৱাৰ দোষৰ।

এদিন ধৰা পৰিছিলো বৰ দুখলগাকৈ। মই হেনো গাভৰু হ'লো সূৰ্য্যৰ পোহৰ নপৰা, পুৰুষ মুখ নেদেখা, কোঠাৰ চুক এটাত আন্ধাৰে-মুগ্ধাৰে খেপিয়ালো কৈশোৰৰ এৰি অহা বাট............কিন্তু তাৰ পৰিবৰ্ত্তে যৌৱনৰ জোনাকী বাটেহে ৰিঙিয়াই মাতিলে। সেই আলি দোমোজাত দেউতাৰ চিনাকি মুখখনো সাত দিন মানলৈকে নেদেখিলো। বহুদিনৰলৈকে খংত নে অভিমানত দেউতাৰ লগত সহজ হ'ব নোৱাৰিলো........ কাৰণ এটাই, দেউতাই নো কিয় বাৰু মোক অকলশৰে আওঁহতীয়া চুকত বন্দী কৰিবলৈ দিলে। তেওঁ জানো মৰমৰ আইমণিক কাষত নোলোৱাকৈ শুব পাৰিছে। ........ওহো উত্তৰবোৰ বহু দিনলৈকে নাপালোৱেই। বুজিলো জোনাকী যৌৱনৰ, দুৱাৰডলিত ভৰি দিলোহি আন্ধাৰ বাটেৰে, কিছু ভয়, সংকোচ আৰু অনামী লাজ লৈ............ আয়তীৰ ওৰুলীয়ে মনটোত হাহাকাৰ লগালে। কিবা হেৰুৱাৰ আশংকাত। সাজ ভাঙিছিল, নানা ধৰণৰ বাধা নিষেধেৰে মোক গাভৰু হোৱা অলিখিত চিনাকী পত্ৰ দিছি । ........কিমান দিনৰনো কথা ৰূপালী। কৈশোৰ শেষৰ কথা........ যৌৱনৰ আগমণৰ কথা।

চিনাকি সমনীয়াবোৰ, যিবোৰৰ সৈতে ৰজা, দৌল, ৰাণী দৌল বনাইছিলো; যাৰ সৈতে ওমলি জামলি দৰা-কইনা সাজিছিলো........ মাষ্টৰণী বাইদেউ, মাষ্টৰণী বাইদেউ খেলিছিলো সেই সমনীয়াবোৰ প্ৰায়ভাগেই হেৰাই গৈছিল.......... খেলিবলৈ এৰাৰ অজুহাতত। মনটোৱে হাহাকাৰ কৰিছিল ৰিকু,

মাইনা, ধন, অকণি, জীমনৰ সৈতে আকৌ খেলাৰ দিনবোৰ ওভতাই পাবলৈ.............। তেতিয়াটো ল'ৰা সমনীয়াৰ সৈতে কথা পাতি বং বহইছ কৰাটো অপৰাধ হিচাপে স্বীকৃতি দিলেই। কাৰণ................ কাৰণ মই গাভৰু হ'লো........। কেনেকৈনো মই ভৰি দিলো যৌৱনৰ বাটত, য'ত মোৰ প্ৰিয়বোৰ হেৰুৱাই পেলালো........। পাহৰিয়েই গ'লো টাং গুটি, হেতালি, খো খো কাবাডি আদি খেলা মোৰ প্ৰিয় সমনীয়াবোৰও যে বহু আঁতৰি গৈছেগৈ লাহে লাহে...। একমাত্ৰ এটা অপৰাধেই মোক সকলোৰে পৰা নিলগাই ৰাখিলে সেয়া হ'ল মোৰ জন্ম........... ছোৱালী হৈ জন্ম হোৱাৰ অপৰাধৰ শাস্তি পাইছো। জন্মও যে কাৰোবাৰ বাবে দুখৰ কাৰণ হ'ব পাৰে সেইয়া প্ৰথম বুজিলো। মা-আইতা বাইদেউৰ দৰে একে বাটেৰে মই যাব খোজা নাছিলো........ ব্যতিক্ৰম হ'ব খুজিছিলো তেতিয়াৰ পৰাই এটা প্ৰকাণ্ড জেদ ভাৱ আহিছিল মনলৈ, কিমান যে বাধা-নিষেধ তথাপিও স্কুলত ল'ৰাৰ ........ সৈতে সমানে প্ৰতিযোগিতাবোৰ অংশ গ্ৰহণ কৰিছিলো। বহুতো কৃতিত্ব লুকাই চুৰকৈ লাভ কৰিলেও ছোৱালী হোৱা দুখটো সোঁৰৰাই দিছিল........ চাৰিওফালৰ পৰিৱেশে। কিয় ?........ কিয় প্ৰভেদ ল'ৰা- ছোৱালীৰ মাজত আনি দিলা বুলি চিঞৰি চিঞৰি সুধিবৰ মন যায় ভগৱান বোলা সেই অদৃশ্যময় ৰহস্যময় শক্তিক। ওহো নোসোধো কাৰণ উত্তৰ যে কোনো দিনেই তেওঁৰ পৰা নাপাওঁ। অৱশ্যে উত্তৰ পাইছিলো। তথাপিও মনে নামানে, এনে প্ৰভেদক..........।

আইতাই দেউতাকে শুনাইছিল ঃ তয়েটো ছোৱালীজনীক মূৰত তুলিলি.......... গোটেই জনী ল'ৰামতীয়া হ'ল। এদিন দেখিবি কলংক সানি ক'ৰবালৈ গুছি যাব। দেখা নাই এতিয়াই গুৰু গোসাঁই নমনা হ'ল.............।

........এনেকৈনো মৰমসনা আইতাই গালি বৰষিব পাৰে বুলি মই ভবা নাছিলো। মইতো আক ইমান উদ্ভণ্ডালি কৰা নাছিলো। কিয় মোক লৈ ইমান দুচিন্তা...........? মইতো ভাল ছোৱালী হ'বলৈ যত্ন নকৰা নহয়। ভাল ছোৱালীৰ, ঠিক মা, আইতা বাইদেউৰ দৰে গাত লম্ভা ৰোগটোৱে মোৰ অন্তৰতো বিয়পিছিল। সেয়ে নিজৰ বিবেকৰ বিৰুদ্ধে যুঁজ কৰো, বিবেকৰ বিপৰীতে কাম কৰিবলৈ লওঁ তথাপিতো কিয় হাৰি যাওঁ কিয়..........? এই প্ৰশ্নবোৰ লৈয়ে লুকাই চুৰকৈ

কিবা কৰিলেও তাতো যে শান্তি নাই, কিয় মানসিক শান্তিত ব্যাঘাত জন্মাব বিচাৰে। এই কিয় বোৰৰ উত্তৰ বিচাৰি পঢ়াৰ টেবুলত বহী বোৰৰ আখৰবোৰ বিয়পি পৰে। জানো...বুজো সেয়া ছোৱালীহোৱা দোষৰ শাস্তিৰ প্ৰতীক বিয়পে। মনটোৱে দেউতাৰ বহল বুকুত মূৰ গুজি কান্দিবলৈ হাহাকাৰ কৰি উঠে হেঁপাহ পলোৱাই এবাৰ উচুপিবলৈ........, সোধাৰ হেপাহ জন্মিছিল ঃ দেউতা আছেনে এতিয়াও তোমাৰ ওচৰত মোৰ ছোৱালী হৈ জন্ম লোৱা দোষৰ ক্ষমা ? একোৱেই ক'ব নোৱাৰো দেউতা কাষত আহি ৰ'লহি, দেউতা আহে মোৰ কাষলৈ, একো যেন নাই হোৱা এনে ভাৱ লৈ। তথাপিও মই জানো ডাঠ চছমাৰ সিপাৰৰ দুচকুত দুখৰ চকুপানী দেখা নগ'লেও তাৰ যে অলপ হ'লেও ৰেখ থাকে এটি মিঠা হাঁহিৰ মাজতো। মূৰত সেই পুৰণি সাহস দি থকা হাতখন বুলাই কৈ যায় ভালদৰে পঢ়......... ভালদৰে.........।

ছোৱালী হোৱাৰ দুখে আৱৰি থাকিলেও দেউতাৰ বুলনিতেই সাহস পাওঁ। নকৈ সপোন দেখো যাতে দেউতাই মোক লৈ আইতা আৰু মাৰ দৰে কেতিয়াও হীনমত্যতাত নুভোগে। জীৱনৰ প্ৰয়োজনীয় সকলো বিলাক দিশতে ক্ৰমে ক্ৰমে কৃতকাৰ্য্যতা লাভ কৰিছিলো........ কৰিবলৈ আৰম্ভ কৰিছিলো। বহুখিনি দুখ পাহৰিছিলো আঁতৰি গৈছিল শোকৰ চকুলোবোৰ। মোৰ দুহাতৰ কৰ্মৰ দ্বাৰা কৃতিত্বৰে উজলি উঠা মইজনী হতাশাত ভুগিব লগা নহৈছিল লাহে লাহে........।

ঃঃঃঃঃঃঃঃঃ

মেট্ৰিকৰ দেওনাত ভৰি দি কৃতকাৰ্য হ'বলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাছিলো। সুফলাফল আশা কৰাতকৈ বহুত ভাল হৈছিল। আইতাৰ মুখত এই প্ৰথম বিষাদৰ আবিৰ নথকা হাঁতিহ দেখা পাইছিলো..... সৌভাগ্য ঘটিছিল বুলিলেয়েই ক'ব পাৰি। তথাপিও অলপ দুখ কৰি নিজৰ সহজ স্বীকাৰোক্তি দাঙি ধৰিছিল।

ঃ ছোৱালী মানুহ যিমান পঢ়া- শুনা কৰিলেও লোকৰ ঘৰত গৈ গেবাৰি খাটিব লাগিব। ........ বুজিলো আইতাৰ মুখত অত' দিনৰ থকা বিষাদৰ আবিৰৰ কাৰণ। হয়তো তেওঁৰো আছিল মোৰ দৰে এটা......।

আকৌ পুৰণি ভাল ছোৱালী নাম পোৱাৰ ৰোগটোৱে হেঁচা মাৰিলেহি...... মায়ে মোৰ সফলতাত চকুলো টুকিছিলনে নাই নাজানো কিন্তু তাত আনন্দ যে আছিল........ কোনো সন্দেহ নাই। হয়তো তেওঁ ভবাই নাছিল ছাগে তেওঁৰ সৃষ্টিৰেও যে পোহৰাব পাৰে বহুতৰ বিযাদ সনা মন........।

মোৰ চেনেহৰ দেউতাই সেই পুৰণি মৰমেৰে বুকুত আকোঁৱালি লৈছিল, এনে লাগিছিল যেন দেউতাৰ বুকুখন গৰ্বত ফুলি উঠিছিল। তেওঁৰ বিশাল বুকুত মূৰ গুজি শুনিছিলো তেওঁ কোৱা অস্পষ্ট কথাকেইযাৰ ঃ আইমণি তই পাৰিবি আৰু আগুৱাই যা আই........। ঠিকেই দেউতাৰ ওচৰত ছোৱালী হৈ জন্ম হৈ লোৱাৰ ক্ষমা থকাৰ বাবেই মই আগুৱাই যোৱাৰ সাহস পাইছো। ........এয়া বকুলপুৰ নামৰ শুৱনি গাওঁখন এৰি অহাৰ সময়ৰ কথা আছিল, আঁতৰি অহাৰ সময় আছিল নাৰী হোৱা সুখ-দুখত চকুলো টোকা ঘৰখনক........ মৰমৰ। এৰি অহা সময় আছিল.....।

ঃঃঃঃঃঃঃঃঃঃ

দেউতাৰ কথা মতে বহু উচ্চাকাংক্ষা, সপোন লৈ প্ৰথমবাৰৰ বাবে ঘৰখনৰ বহু দূৰৈত পঢ়িবলৈ আহিছিলো। মোক চিনি পাবলৈ আইতা মাৰ বহুতো সময় লাগিল। কিন্তু মোৰ দেউতাই...........। সেয়ে গাঁৱত এৰাৰ পৰত দেউতাই বিদায় দিবলৈ নিজৰ মনতে সাহস গোটাইছিল, সেই কথা মই জানো। মূৰত হাত বুলাই আগৰ দৰে সাহস দিছিল, সপোনবোৰৰ কথা কৈছিল কেৰিয়াৰ জখলাত বগাই গৈ আকাশৰ গভীৰতা চোৱাৰ কথা কৈছিল। বৰষুণ পৰিছিল এটুপি দুটুপিকৈ ........ নাজানো আকাশে কান্দিছিল নেকি মোৰ বিদায় বেলাত ঠিক মা আইতা, বাইদেউৰ দৰে লুকাই চুৰকৈ। তথাপি ধৰা পৰিছিল নে উপহাৰ যাচিছিল আকাশে প্ৰিয় বান্ধৱীৰ বিদায় বেলাত এজাক বৰষুণ ........ হেঁপাহৰ প্ৰিয় বৰষুণ। এনেদৰে আহিলো সকলোৰে পৰা বিদায় লৈ অচিনাকি এক পৰিৱেশলৈ; য'ত মোৰ বাবে ৰৈ আছিল বহু বিস্ময়, য'ত বোকা কেঁচা মাটিৰ গোন্ধ নাছিল; আছিল ব্যস্ততাৰ অবুজ ভাষাৰ গোন্ধবোৰ অপেক্ষাৰ ক্ষণ গতি গণি। তেতিয়ালৈকে............. অজান দুখবোৰ বিদায় মাগিছিল। ....... সেইয়া প্ৰথম কলেজত প্ৰৱেশ কৰাৰ সময়। তেতিয়াটো পুৰণি সাহসকণ বৈছিকৈহে বাঢ়িছিল।

এনেদৰে দেউতাৰ সাহসত যোগ হৈছিল বহুতো সপোন। যিয়ে মোক আগুৱাবলৈ উৎসাহ যোগাইছিও। সমাজৰ ব্যতিক্ৰম হৈ নিদৰ্শন হোৱাৰ সাহস আৰু সমাজক পৰিপূৰ্ণকৈ সজাব পৰাকৈ পদক্ষেক লোৱাৰ সাহস প্ৰদান কৰিছিল। এনেদৰে আগবাঢ়ি গৈ আছো মই........ এয়া আগবাঢ়ি লক্ষ্য স্থানত উপনীত হোৱাৰ সময়..........।

মোৰ দৰে নিসংগতাৰে একাকিত্বত ভুগি থকা ৰোগীক যি সংগ নামৰ মহৌষধ বিধ দিয়ে। সি ভালপাই মই ভালপোৱাৰ দৰে বৰষুণ, আকাশ, বিশাল সাগৰৰ ৰূপ; জোনাকে ধোৱা গধূলি আৰু মিঠা সুবাস, মিঠা সুৰবোৰ আৰু.......আৰু বহুতে........ সি কেণ্টিনৰ টেবুলত ছিংৰাৰ সোৱাদ এৰি আৱতৰীয়া বৰষুণ জাকত তিতে; ছাদৰ ওপৰত বহি বিশাল নীল আকাশখন চায় কোমল, মিঠা সুৰবোৰ সৃষ্টি কৰি শুনাই, কবিতা কবিতা লগা কথাবোৰ কয় তথাপি বৰিং নহওঁ। কাৰোবাৰ দুখত সমভাগী হৈ কান্দিব জানে সি, সুখত হাঁহিৰে খলকনি তোলে। ফুটপাথৰ অনাথ শিশুক নিজৰ ভাগৰে আহাৰ যাচে আৰু কি কি যে নকৰে। সি.......। সি কৈ যায় মই শুনি যাওঁ তাৰ কথা...... সিয়ো ব্যতিক্ৰম হ'ব খোজে উচ্ছৃংখল যুৱক-যুৱতীতকৈ নিদৰ্শন হ'ব খোজে সমাজৰ এক জ্বলন্ত নিদৰ্শন। সস্তীয়া জনপ্ৰিয়তা তাৰ কাম্য নহয়, সি মাথোঁ সমাজখন নিকা হোৱাটো বিচাৰে, সুন্দৰ ভাৱমূৰ্তি গঢ়ি উঠাতো বিচাৰে। সেয়ে সি সাধ্যনুযায়ী মানুহবোৰৰ হকে কাম কৰে; শিকাবলৈ বিচাৰে উচ্ছৃংখল মানুহবোৰক শান্তিৰ পৃথিৱীত কিদৰে সুৰ আৰু কবিতা হৈ নিজকে বিলীন কৰিব পাৰি। য'ত পক্ষীৰ কাকলিত সাৰ পায় প্ৰতিটো পুৱাই, য'ত গছে বনে কথা পাতে কাণে কাণে। নিৰ্ভয়ে জীৱ জন্তুয়ে যাতে সপোন ৰচিব পাৰে অৰণ্যত, সি এনেকুৱাই............ বহুতো অমিলৰ পিছতো বহুতো মিলে আমাৰ। কিন্তু তাৰ সেই সহজ মনোভাৱবোৰে ব্যক্ত কৰি দুখ প্ৰকাশ কৰে সাৰি যোৱাৰ ভয়ত............। যিজনী ময়ে অষ্টমতে লিখি সামৰি থৈ দিয়া কবিতা, লেখা, গীতবোৰ আজিলৈকে এবাৰো মেলি চোৱা নাই সপোন হেৰুৱাৰ ভয়ত...... পাহৰিয়েই গৈছিলো। জোনাকত তিতা আমেজকণ, মিঠা সুবাসবোৰ হেঁপাহ পলুৱাই ল'বলৈ। এটা ভয় লাগি আছিল, হয়তো ভাল ছোৱালী নামটো মোৰ পৰা খহি পৰা ভয়। এতিয়া মোৰ পৰাই

বেলেগ এজনী "মই" সৃষ্টি হ'ল য'ত বিবেকবোৰ দংশন নহয় কেতিয়াও হীনমন্যতাও নাই.......। সিয়েইটো আনি দিলে বহুতো নোপোৱা আনন্দ, সুখ আৰু বহুতো কিবাকিবি। যিবোৰ প্ৰকাশৰ বাট বিচাৰিয়েই আছিল অতদিনৰে পৰা। চকুপানীবোৰ শুকাই গৈছিল তাক লগ পোৱাৰ পিছৰে পৰা। সিটো আন অচিনাকি কোনো নহয়, মোৰ শৈশৱ, কৈশোৰ আদি ভাগৰ সমনীয়া.... বন্ধু জীমন, আকাশ। সেই বিঝাল আকাশৰ বিশালতাৰে মন বহলাই চাবলৈ শিকালে চৌপাশৰ জগতখন এতিয়া বিশালতা মোৰ প্ৰতিটো পদক্ষেপতে প্ৰেৰণা... দেউতাৰ পাছতেই য'ত মোৰ নিৰাপত্তাৰ আশ্ৰয় স্থল আছে, য'ৰ পৰা সাহস পাওঁ ছোৱালী হৈ জন্ম লোৱাৰ.............।

এনেদৰেই সপোন বোৰ শিপাব ধৰে ক্ৰমে
যন্ত্ৰণাবোৰে বিদায় মাগে............
..........দুখবোৰ পাহৰিবলৈ যেতিয়াই দুচকু মুদো
তেতিয়া তোমাকে দেখো.............

□□□

# আতংকবাদ আৰু বিপ্লৱ

অংকিতা গগৈ

"ৰিঙা ৰিঙা অ' হৌ ৰিঙা ৰিঙা উদং পথাৰ একা বেকা আলি" গীত ফাঁকি মুখত ভোনভোনাই গাই এচাৰি জোকাবি দীপকে গৰু কেইটা খেদি আনিছে। গৰুৰ খোজত চ'ত মাহৰ আলিবাট ধূলিয়ে নেদেখা হৈ আহিছে। ৰঙা সাজ পিন্ধি বেলিটিয়েও বিদায় মাগিছে। আকাশত শাৰী শাৰী পাতি ডেউ ৰাজহাঁহবোৰ নিজৰ সজালৈ ঘূৰি আহিছে দিগ্ দিগন্ত ঘূৰি। দীপকে সোনকালেই গৈছিল গৰু আনিবলৈ। যিহে আজিকালি সমস্যা আন্ধাৰ হোৱাৰ লগে লগে মিলিটেৰীয়ে পিয়াপি দিয়ে। গৰু সোনকালে আনিবলৈ গ'লে কি হ'ব, লগৰ বিকাশক পাই কথাৰ মহলা মাৰি থাকোঁতেই পাহৰিলেই। ডেকা ল'ৰা ক'ৰ যে কিমান কথা ওলাই কি পাত্তা। ঘৰ পাই দেখে বুঢ়া বাপেকে মুঢ়া এটা লৈ বাৰাণ্ডাতে বহি আছে। ভনীয়েক পিকুৱে চোতাল সাৰি জাৱৰখিনি গোবৰ খৰাহিটোতে ভৰাইছে। দীপকে খৰধৰকৈ গৰু কেইটা গোহালিত বান্ধি ভিতৰলৈ যাবলৈ লওঁতে পিছফালৰ পৰা বাপেকৰ মাত শুনি উভতি চালে। "দীপক, কালি বোলে গোহাঁই গাঁৱত মিলিটেৰীয়ে ল'ৰা ধৰি নিছে; জা- ন' নেকি কিবা?

"ওঁ, শুনিছো ৰাতি আঠমান বজাত আহি গাঁৱৰ ল'ৰাবোৰক উলিয়াই লৈ গ'ল হেনো। কিছুমানক বৰ বেয়াকৈ পিতিলে। আজি কেইটামান ওলাইছেহি। কিছুমানক এৰি দিয়াই নাই। আজি আলফা ল'ৰা কেইটামান বোলে আমাৰ গাঁৱত সোমাইছে।"

—হয় নেকি?

— সেই কেইটাক বিচাৰিয়েতো আহিছে।

পিকুৱে জাৱৰখিনি পেলাই বাঢ়নীকোচা খুটা এটাৰ চুকত থৈ আহি কথা কেইষাৰ শুনিলেহি।

"অ' ৰাতিপুৱা চোতাল সাৰি থাকোঁতে ল'ৰা কেইটামান এইফালে যোৱা দেখিছিলো। মিলিটেৰীগাল আকৌ আমাৰ গাঁৱলৈ আহিলেহে জোখা লাগিব। যিহে সেইগালৰ তেলেকা চকু দেখিলেই ভয় লাগে।

— "ঐ, পিকু, সেইবোৰ কথা বাদ দে। চাকি-লেম্পবোৰ জ্বলাগৈ। দেউতা ভিতৰলৈ আহক। এইবুলি কৈ দীপকে ঘৰৰ দাঁতিয়েদি পিছফালৰ পুখুৰীটোলৈ ভৰি ধুবলৈ গ'ল। হুমুনিয়াহ এটা কাঢ়ি হাততে মুঢ়াটো লৈ বাপেক ভিতৰলৈ গ'ল। আজি অলপ দিনৰ পৰা মানুহবোৰে ভয়ে ভয়ে দিন কটাবলগীয়া হৈছে। কেতিয়া মিলেটেৰী আহি কাক লৈ যায়, কাৰ পিঠিত ঔ তোলে তাৰ কোনো ওৰাদিহ নাই। গধূলি হোৱাৰ লগে লগে আলিবাটবোৰ শ্মশানৰ নিচিনা নীৰৱ হয়। ডেকা ল'ৰাৰ লেকচাৰ মৰা বৰগছজোপাৰ তলত নবন্ধা গৰু, ছাগলী কেইটাৰ বাদে একো দেখা নাযায়। ৰাতি গহীন হ'লে কেতিয়াবা মিলিটেৰীৰ বুট জোতাৰ মাতত কিছুমানে চক্ খাই সাৰ পাই, কিছুমানে ভয়তে কোঁচ-মোচ খাই শুই থাকে। এইখন গাঁৱত পিছে আজিলৈকে সোমোৱা নাই। ৰাতি গ'লেও কাৰো ঘৰত সোমোৱা নাই। কিন্তু, কোনেও নাভাবিছিল যে সেইদিনাই সেই কাল নিশাটো আহি উপস্থিত হ'ব।

"ৰাতি 'ন' মান বাজিছে ছাগৈ। দীপকে কিতাপৰ টেবুলৰ পৰা Political Scienceৰ কিতাপখন পঢ়িবলৈ লৈছিল। ভাত সোনকালে হোৱাৰ বাবে বাপেক শুবলৈ গ'ল। পিকুৱেও - কাঁহী-বাতি চপাই থৈ পঢ়িবলৈ কিতাপখন মেলি চাইছে। মেট্ৰিক দিব এইবাৰ। টেষ্টত Regular কেই পাছ কৰিছে। দুয়োটাই পঢ়াত লাগিল। ৰাতি চিৰ-চিৰণিবোৰৰ বাদে একো শব্দ নাই। হঠাতে দীপকে হুলস্থূল শুনিবলৈ পালে। কুকুৰবোৰে বৰকৈ ভুকিছে। আহ্...সেইটো কাৰ চিঞৰ? সি পঢ়াৰ পৰা উঠি দুৱাৰৰ ওচৰ পালেহি। সি কাণ থিয় কৰি শুনাত লাগিল। কোনোবাই সিহঁতৰ পদূলিমুখত কিবা কথা পাতি আছে। সি দুৱাৰখন খুলিবলৈ লৈয়ো বৈ গ'ল। বুট জোতাৰ গৰপ গৰপ মাত শুনি সি গম পালে সেইবোৰ মিলিটেৰী। সি গৈ ভনীয়েকক ক'লেগৈ। বাপেককো জগাই দিলে। ইফালে হুলস্থূলৰ শাম কটাই নাই। বাৰাণ্ডাত বহি থকা সিহঁতৰ ফফৰা কুকুৰটোৱে খুব ভুকিছে। তিনিওটাৰ ভয়তে মুখবোৰ এবাৰ ৰঙা এবাৰ ক'লা হৈছে। "দীপক" সিহঁত সোমাই আহিব পাৰে। তই পিছফালে ইখন গাঁৱলৈ যাগৈ যা। তোক ধৰি নিলে মই কি কৰিম বোপাই!

"হয়, দাদা তই বিকাশদাহঁতৰ ঘৰলৈকে যাগৈ। ইহঁতৰ কি বিশ্বাস আছে।"

দীপকে কি কৰো কি নকৰোকে ইফালে- সিফালে চাই তাৰপাছত সি লাহে লাহে পিছ দুৱাৰেদি ওলাই গ'ল। অলপ সময় নিস্তব্ধ হৈ থাকি ভতোৱাটোৱে বেছিকৈ ভুকিবলৈ ধৰিলে। কেইযোৰমান বুট সিহঁতৰ ঘৰলৈ সোমাই অহাৰ দৰে উমান পালে। বুট কেইযোৰ ওচৰ চাপি আহিল, বাৰাণ্ডাত ভৰি দিছে। ঘোৰুম....... দৰজাত কাৰোবাৰ ভৰিৰ গোৰ পৰিল।

"দৰজা খোলক" বাপেকে পিকুক ভিতৰলৈ যাবলৈ ক'লে। তাই ভিতৰলৈ যোৱাত বুঢ়াই দৰজা খুলি দিলে।

"ইয়হা কোয়ী আলফা হায়? বুঢ়াক ঠেলা মাৰি মিলিটেৰী তিনিটা ভিতৰলৈ সোমাই আহিল। বুঢ়া লুটি খাই পৰিল। বুঢ়া পৰাৰ পৰা উঠিবলৈ লওঁতেই এটাই পেটত গোৰ মাৰি দিলে। আঃ ইঃ বাপেকৰ মাত শুনি পিকু ৰূমৰ পৰা ওলাই আহিলে। বাপেকৰ অৱস্থা দেখি তাই দৌৰি গৈ সাৱতি ধৰিলেহি। মিলিটেৰী কেইটাই ভিতৰত কোনোবা আছে নেকি চাবলৈ গৈ গোটেইখন গুৰিয়াই শেষ কৰিলে। পাছত তিনিওটা ওলাই আহিল। সিহঁতে ফুচফুচাই কিবা কথা পাতিলে।

— "বৰী খুবচুৰত লড়কী হায়" এটা আগবাঢ়ি আহি পিকুক টানি নিলে। তাই ভয়তে এৰি দিবলৈ কৈ টনা আজোৰা কৰি থাকিল।

"মোৰ ছোৱালীজনীক এৰি দে বোপাইহঁত। তাই তহঁতক একো কৰা নাই।" এনেতে এটাই বাপেকৰ গাত গোৰ মাৰি দিলে। "দেউতা" বুলি কৈ তাই বাপেকৰ তাতে ওফাল খাই পৰিলগৈ। তাহাঁতৰ অৱস্থা দেখি তিনিওটাই হাঁহিবলৈ ধৰিলে। তাৰ পাছত দুটাই পিকুক বাপেকৰ ওচৰৰ পৰা টানি লৈ তাৰ পাছত টনা আজোৰা কৰি তাই গাৰ কাপোৰবোৰ ফালি-ছিৰি দলিয়াই দিলে। পিকুৰ অৱস্থা ক্ষুধাতুৰ তিনিটা কুকুৰৰ আগৰ এটুকুৰা ৰুটিৰ দৰে হ'ল। যোল্লটা বছৰ দেহৰ অমূল্য সতীত্বকনো এই কাল নিশাতে শেষ হ'ল। সাক্ষী হিচাপে মাথোঁ চাকিটোৱে নীৰৱে চাই থাকিল। ইফালে দীপকে পিছফালৰ বাঁহনি পাই অলপ ৰওঁতেই সিহঁতৰ ঘৰৰ ওচৰৰ মনোজ দৌৰি আহি লগ লাগিল।

"ঐ সেই গাল গ'ল নে"?

তহঁতৰ ঘৰত সোমাইছে নেকি? দুৱাৰত গুৰিওৱা যেন পাওঁ। ঘোৰুম

কৰি উঠিছিল। সি কাণ পাতি অলপ ৰ'ল। ঘৰৰ পৰা দূৰ হোৱাৰ বাবে একো শুনা নাপালে। হঠাতে পিকুৰ চিঞৰ শুনি সি ঘৰলৈ দৌৰিবলৈ ধৰিলে। ঘৰৰ ওচৰ পাই সি আকৌ কাণ পাতি শুনিলে। একো মাত নাই। পিছ দুৱাৰেদি আন্ধাৰে আন্ধাৰে কোঠাটোলৈ জুমি চালে। সি দেখিলে যে বাপেক মাটিত পৰি আছে। মিলিটেৰী কেইটা থিয় হৈ আছে। হাতত ৰাইফল নাই। সিহঁতৰ অলপ আঁতৰত পিকু উলঙ্গ দেহাৰে মাটিত পৰি আছে। সি আৰু ৰ'ব নোৱাৰিলে। বহি থকা চুকটোতে কুঠাৰখন পাই বলিয়াৰ দৰে মিলিটেৰী কেইটাৰ ওপৰত জঁপিয়াই পৰিল। সিহঁত সাজু হবলৈকে নাপালে। সি ভনীয়েকৰ ওচৰলৈ গৈ "পিকু" বুলি চিঞৰিলে। কিন্তু কোনো সাৰসুৰ নাই। তাইৰ গোটেই দেহতে নৰপশুৰ অত্যাচাৰৰ চিন। বাপেকৰো সাৰসুৰ নাই। সি গম পালে তাৰ আৰু একো নাই। সকলো কাঢ়ি নিলে এই কালনিশাটোৱে। সি বাহিৰত অসংখ্য বুটৰ মাত শুনিবলৈ পালে। সি কুঠাৰখন পেলাই পিছ দুৱাৰেদি বাহিৰলৈ দৌৰিবলৈ ধৰিলে। দৌৰিছে মাথোঁ দৌৰিছে। মনত লৈ বহুতো ক্ষোভ আৰু বিদ্ৰোহৰ অগ্নি কি দোষ কৰিছিল তাৰ বুঢ়া বাপেকে, কি দোষ কৰিছিল তাৰ এই মৰমৰ ভনীয়েকে; সি প্ৰতিশোধৰ অগনিকুৰা লৈ মাথোঁ দৌৰিছে আকাশত তেতিয়া কিছুমান কলীয়া ডাৱৰে আৱৰি ধৰিছে। সেইবোৰ আঁতৰাব লাগিবই। কাইলৈ বাতৰি কাকতত হয়তো প্ৰথম পৃষ্ঠাতে ওলাব তিনিজন মিলিটেৰীক মাৰি দুৰ্ধৰ্ষ উগ্ৰপন্থী দীপক বৰুৱাৰ পলায়ন। কিন্তু কেনেদৰে, কি পৰিস্থিতিত সিহঁত মৰিল নিলিখে, লিখিব দীপকলৈ গুলিয়াওঁতে তাৰ দেউতাক আৰু ভনীয়েক নিহত হ'ল। উপায়হীন হৈ দীপক হৈ পৰিল উগ্ৰপন্থী। মানুহৰ চকুতেই হওক বা সঁচাকেই হওঁক। ক'ৰবাৰ গুলিয়াগুলিত দীপক মৰিও যাব পাৰে। তথাপি মনত এটা সন্তুষ্টি ভাৱ লৈয়েই সি মৰি যাব। সি এতিয়া বিপ্লৱী। সি বিপ্লৱ কৰিছে দেশৰ কাৰণে, দহৰ কাৰণে আৰু তাৰ মনৰ কাৰণে, তাৰ দেউতাক-ভনীয়েকৰ হত্যাৰ চকুত জিলিকি থকা প্ৰতিশোধৰ কাৰণে।

❑❑❑

# নিয়তিৰ পৰিহাস

মিছ চিমী আহমেদ

"আৰে, পংকজ দেখোন! কেতিয়া পালাহি? খবৰ কেনেকুৰা....... আৰু তোমাৰ পঢ়া-শুনা?" কাষৰ ঘৰৰ বৰমাজনীৰ মুখখনত আখৈ ফুটাদি ফুটা প্ৰশ্নকেইটা শুনি পংকজে হাঁহি দিলে। বৰমাই কৌতূহলী চকুৰে তালৈ চাই ভেবা লাগিল, কি বা হ'ল! "আপুনিও যে বৰমা, কোনটোৰ উত্তৰ আগতে দিম, পঢ়া-শুনাৰ খবৰ নে মোৰ Arrival?" কৈ কৈ পংকজ বাৰাণ্ডাৰ পৰা দুৱাৰমুখ পালেগৈ। মিনতি বৰমাই আথে-বেথে তাক বহুৱাই থৈ চাহ কৰাত লাগিলগৈ আৰু ষষ্ঠশ্ৰেণীত পঢ়া নিজৰ সৰুপুতেক মিণ্টুক পংকজৰ লগত কথা পাতিবলৈ পঠিয়াই দিলে।

পংকজ এজন স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ, হোষ্টেলত থাকি পঢ়ে। মাহেকৰ মূৰত সময় পালে ঘৰলৈ আহে, মাক-দেউতাকৰ লগত থাকি, খবৰ খাতি লৈ একমাত্ৰ সন্তানৰ দায়িত্ব পালন কৰি যায়হি। চুবুৰীটোৰ প্ৰায় সকলো ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ পৰা পংকজৰ দৰে হ'ব নোৱাৰাৰ বাবে গালি খায়। শিক্ষক পিতৃৰ ল'ৰা, কিতাপৰ পোক, সকলোৰে প্ৰিয়পাত্ৰ নহ'বই বা কিয়? তাতে যিহে মৰমিয়াল, ঘৰলৈ আহিলে ওচৰ-চুবুৰীয়াক মাতযাৰ নামাতালৈকে ঘৰতেই নোসোমায়। তাৰ কাৰণে সাদৰী মাকজনীৰ কিমান অভিমান, খং! এতিয়াও মিনতি বৰমাই চাহ কৰি থাকোঁতেই পংকজ গৈ সৰু মইনাহঁতৰ ঘৰ পালেগৈ, নহ'লে যে সময়েই নাপাব। কাইলৈকে সি আকৌ যাবগৈ লাগিব।

পিছদিনা ৮ বজাৰ বাছখন ধৰি পংকজ হোষ্টেল পালেহি। কোঠাত

সোমায়েই তাৰ মূৰ গৰম উঠি গ'ল। তাৰ বিছনা-পত্ৰ, টেবুলৰ কিতাপ-পত্ৰ, ড্ৰয়াৰ সকলোতে বেমেজালি। ইমান পৰিপাটিকৈ থৈ যোৱা স্বত্বেও এনে হ'ল কেনেকৈ; মনোজৰে কাম নিশ্চয়, নহ'লেতো কাৰ ইমান সাহ নাই। মনোজ পংকজতকৈ চিনিয়ৰ। আৰু তাৰ এই জ্যেষ্ঠতা সি প্ৰতিটো ক্ষেত্ৰতে পংকজৰ ওপৰত জাপি দি লাভ উঠায়। পংকজ নিৰুপায়, পঢ়িবলৈ আহিছে যেতিয়া এইবোৰ কথাক তুচ্ছ জ্ঞান কৰি পঢ়ি যাব সি। তাৰ লগৰ সৌৰভ, মিতুলহঁতে তাক সাৱধান কৰি দিয়ে মনোজৰপৰা আঁতৰি থাকিবলৈ, কাৰণ মনোজ ড্ৰাগছ এডিক্ট, কলেজৰ মস্ত গুণ্ডা। পংকজেও চেষ্টা নকৰা নহয়, দুবাৰকৈ দৰ্খাস্ত কৰিছিল ৰূম সলনিৰ বাবে। কিন্তু কোনো লাভ নহ'ল। আৰু তিনিমাহ কেনেকৈ যে যাব.......... এইবোৰ ভাবি পংকজে বস্তুবোৰ চিজিল লগাই থাকোঁতেই হুৰমূৰাই মনোজ সোমাই আহিল আৰু তাক গলগলীয়া মাতেৰে টকা ৫০০০ বিচাৰিলে। পংকজ একেবাৰে হতভম্ব হ'ল। সি আহিবৰ পৰত মাকে টকা ১০০০ তাৰ হাতত গুজি দিছিল। কিন্তু এতিয়া মনোজক কথাটো কোৱাত সি কোনোপধ্যে সৈমান নহ'ল। শেষত ভোৰভোৰাই পংকজক গালি পাৰি সেই এহাজাৰ টকাকে লৈ গ'লগৈ। পংকজে জানে, এই এহাজাৰ টকা ঘূৰাই পোৱাটো মিছা। তাৰ কিতাপ-পত্ৰ, বিছনা খোঁচৰাৰ কাৰণো এইটোৱেই। বিষণ্ণ মনেৰে সি কলেজলৈ ওলাই গ'ল।

দিনটোৰ মূৰত সকলোবোৰ হোষ্টেলত গোট খালেহি। সকলোৱে প্ৰাৰ্থনা, চাহ পৰ্বৰ পাছত নিজ নিজ পঢ়া টেবুলত বহি কিতাপত মনোনিৱেশ কৰাৰ চেষ্টা কৰিবলৈ ধৰিলে। পংকজে কোঠাৰ দুৱাৰখন খোলা ৰাখি কিতাপ এখন লৈ বিছনাত বাগৰ দিলে। সি একাগ্ৰ হৈ যোৱাৰ মুহূৰ্ততে দুৱাৰখন থেলা মাৰি মনোজ সোমাই আহিল আৰু বিছনাত লাণ্ড খাই পৰি দিলে। এক অসহ্য গোন্ধে কোঠাটো মেৰাই ধৰিলে। পংকজৰ একমুহূৰ্তও থাকিবলৈ মন নগ'ল তাত, একেজাপে উঠি সি হোষ্টেলৰ ছাদ পালেগৈ। তাৰ একাগ্ৰতা ছাদৰ আন্ধাৰত বিলীন হৈ গ'ল। সি লাহে লাহে মনোজৰ আন এটা বদগুণৰ আভাস পাইছে। মনোজ নিজে ড্ৰাগছ্‌- আসক্ত হোৱাৰ উপৰিও কলেজৰ বহুতো ল'ৰাই এই ভয়ংকৰ পথত খোজ দিবলৈ বাধ্য কৰাইছে। তাৰ নিজৰ প্ৰয়োজনীয়খিনিৰ মূল্য পৰিশোধ

কৰিবলৈ সি এনে এক জঘন্য আৰু নিকৃষ্ট ব্যৱসায়ত নামি পৰিছে, সেইটোও পংকজে বুজি পায়। কিন্তু তাৰ প্ৰতিবাদ কৰাৰ সাহস নাই। কাকো খোলাখুলিকৈ ক'ব নোৱাৰে সি এইবোৰ কথা। তাৰ দৰে নিমাখিত ল'ৰা এজনৰ মনটো মনোজৰ প্ৰতিহিংসাৰ বলি হ'বলৈ সন্মত নহয়।

হঠাতে, সেইদিনা আবেলি মনোজক গ্ৰেপ্তাৰ কৰি নিলে পুলিচে। সকলোৱে স্বস্তিৰ উশাহ ল'লে। পিছদিনাখন ধলপুৱাতে পুনৰ পুলিচ আহি হোষ্টেলৰ গেটত দণ্ডায়মান। মনোজৰ বিস্ফোৰক স্বীকাৰোক্তি.............. এই কেলেংকাৰীৰ প্ৰধান নায়ক তাৰ ৰুমমেট পংকজ। কলেজৰ সকলোৱেই বাক্‌ৰুদ্ধ। কিন্তু পুলিচৰ হাতত সাক্ষী আছে, প্ৰমাণ দিছে মনোজে। পংকজৰ বাকীকেইটা দিন এতিয়া কাৰাগাৰৰ অন্ধকাৰত নিমজ্জিত হোৱাৰ পথত।

❑❑❑

# অন্তহীন অপেক্ষা

ৰ'দালি চেতিয়া

"আমাক হিংসা নহয়, শান্তি লাগে"... "নিৰীহৰ ওপৰত হত্যা-যজ্ঞ বন্ধ কৰক"... শ্লগানেৰে হাতত ডাঙৰ ডাঙৰ প্লে'কাৰ্ড লৈ শতাধিক পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰীৰে এক বিৰাট সমদল। প্ৰতিবাদী মানুহবোৰৰ উদাত্ত চিঞৰত বিছনাৰ পৰা উঠি আহি খিৰিকিৰ মুখতে ৰ'ল নন্দিতা।

"হায়। শান্তিকামী জনতা"...... এটি দীঘল হুমুনিয়াহ কাঢ়িলে তাই। নিজকে প্ৰশ্ন কৰিলে, এনেকৈ বাৰু শান্তি আহিবনে......? পাহৰিব খুজিলেও পাহৰিব নোৱাৰা স্মৃতিবোৰে খুন্দিয়াই থৈ গ'ল তাইৰ বুকুৰ ভিতৰখন আকৌ এবাৰ....

৩০ অক্টোবৰ। বাবুৰ জন্মদিন। কিমান যে স্ফূৰ্ত্তি তাৰ সেইদিনা। বাৰে বাৰে গেটলৈকে চাই আছে সি। কেতিয়ানো আহি পাবহি দেউতাকটো অফিছৰ পৰা। ইতিমধ্যে তাৰ চুবুৰীৰ লগৰীয়াবোৰ আহি পালেহিয়েই। সকলো খেলাতে ব্যস্ত। মাক নন্দিতাও পাকঘৰত। তাৰ 'ফৰ্মাইছ'ত বিবিধ খাদ্য সম্ভাৰৰ আয়োজন। কিন্তু বাবুৰ মনটোহে অস্থিৰ। কাৰণ এতিয়ালৈকে যে তাৰ 'কে'ক্'টো আনিবলৈ বাকী। দেউতাক আহিলেই আনিবগৈ পাৰিব এসপ্তাহ আগতে অৰ্ডাৰ দি থৈ অহা তাৰ ধুনীয়া কে'কটো। আমনিয়েই লাগিছে তাৰ বৈ বৈ।

নন্দিতায়ো কামৰ ফাঁকে ফাঁকে ঘড়ীটোলৈ চাইছে। অনুৰাগৰ বাৰু আজিহে পলম হ'বলৈ পায়নে? হঠাতে গেটৰ মুখত স্কুটাৰৰ মাত শুনি তাই লৰি আহিল দুৱাৰমুখলৈ। ইতিমধ্যে বাবু গৈ স্কুটাৰত উঠিলেই। অনুৰাগক ঘৰত ভৰি

দিবলৈকে নিদিলে। নন্দিতায়ো পিচে একো নক'লে। এনেও বহু পলমেই হৈছে। হাত জোকাৰি তাই মাথোঁ চিঞৰিলে, "সোনকালে আহিবা"।

নন্দিতা আকৌ কামত ব্যস্ত হ'ল। খোৱা-বোৱাৰ সকলো যা-যোগাৰ কৰি গোঁসাই ঘৰত চাকি-বন্তি জ্বলাই তাই অনুৰাগ আৰু বাবু অহালৈ অপেক্ষা কৰি থাকিল।

সন্ধিয়া নামিলেই। তাই বাৰে বাৰে ঘড়ীটোলৈ চাইছে। ইহঁততো ইমান সময় আহি পাবহি লাগিছিল। বাবুটোৰো বৰ উৎপাত নহয়। ইটো লাগে সিটো লাগে। অনুৰাগো জানো কম! বাপেক-পুতেক লগ হ'লে দুনীয়াৰ কথা ক'ত মনত ৰাখে সিহঁতে?

সময়বোৰ যে নাযায় নুপুৰায় লাগিল নন্দিতাৰ। ল'ৰা-ছোৱালীকেইটাৰো চাগে আমনিয়ে লাগিছে! আজিৰ দিনটো যে তাইৰ অপেক্ষা কৰোঁতেই গ'ল.........।

সাত বাজিলেই দেখোন!! ইমানপৰ.....

হঠাৎ গেট খোলাৰ শব্দ শুনি তাইৰ মনটো ভাল লাগি গ'ল। কিন্তু ওলাই আহি দেখে, সেয়াচোন অনুৰাগহঁত নহয়। সিহঁতৰে চিনাকি ল'ৰা বকুলহে।

"বৌ, বজাৰৰ ফালে বোমা ফুটিছে, গম পাইছেনে? দাদাক লগ কৰি যাওঁ বুলি আহিলো। ঘৰত আছেনে বাৰু?"

"অনুৰাগ......বাবু.......নাই হ'বই নোৱাৰে। এক অজান আশংকাত কঁপি উঠিল নন্দিতাৰ বুকুখন। সিহঁত বাৰু ঠিকে-ঠাকে ঘৰলৈ উভতিছেনে?" হাজাৰটা চিন্তাই অস্থিৰ কৰি তুলিলে তাইক।

.......হঠাৎ জানো কি হ'ল নন্দিতাৰ বকুলৰ উত্তৰ দিবলৈ নৰৈ তাই ৰাস্তাৰ ফালে লৰ মাৰিলে।

"বৌ, ক'লৈ যায় এই সন্ধিয়াখন?" বকুলে চিঞৰিলে। নাই, তাইৰ কোনো ভ্ৰূক্ষেপ নাই। তাই মাথোঁ দৌৰিছে........তাইৰ মৰমৰ বাবু আৰু অনুৰাগক নিৰাপদে ঘূৰাই আনিবলে...... "মই গৈ আছো বাবু... তোমালোকৰ একো হ'ব নোৱাৰে' উন্মাদৰ দৰে দৌৰিছে তাই....... বাবু আৰু অনুৰাগৰ সন্ধানত।

ক'লা ধোঁৱাই ছানি ধৰিছে চৌপাশ। কেঁচা তেজ আৰু পোৱা নৰ-

মণ্ডহৰ গোন্ধ মিহলি ধোঁৱাবোৰ ফালি ফালি আগবাঢ়ি গৈছে নন্দিতা..........চৌপাশে কান্দোনৰ ৰোল........ হঠাৎ থমকি ৰ'ল তাই। ............. এয়া অনুৰাগ....... বাবু.......তাইৰ ভুল হোৱা নাই। এয়া তাইৰে অনুৰাগ আৰু সৌৱা অলপ দূৰৈত তাইৰে কলিজাৰ এফালে কণমাণি বাবুৰ অৰ্দ্ধদগ্ধ নিথৰ মৃতদেহ........।

ৰাউচি জুৰি কান্দিলে তাই। কিন্তু কোনে শুনিব তাই কান্দোন? তাইৰ আৰ্তনাদ লীন হৈ গ'ল চৌপাশৰ কোলাহলৰ মাজত........ তেজৰ ডোঙাবোৰত মিলি গ'ল তাইৰ চকুপানী....... সকলো শেষ হৈ গ'ল তাইৰ..... স্বামী আৰু পুত্ৰক হেৰুৱাই নিথৰুৱা হ'ল এগৰাকী নাৰী......... কিয় জীয়াই আছে তাই....... কিয়?

ঃ মা, কিয় কান্দিছা?

ঃ বাবু! উচপ খাই উঠিল নন্দিতা। কিন্তু সেয়া যে বাবু নহয়। খৰধৰকৈ চকুপানী মচি তাই কোলাত তুলি ল'লে সপোনক।

সপোন!! হয়, এতিয়া যে এই সপোনেই হৈ পৰিছে! তাইৰ সৰ্বস্বান্ত জীৱনটোৰ একমাত্ৰ সপোন। জীয়াই থকাৰ একমাত্ৰ উৎস। তাইৰ বুকু সুদা কৰি অনুৰাগ আৰু বাবু গুচি যোৱাৰ দৰে সপোন নামৰ কণমাণিটোক অনাথ কৰি গুচি গৈছিল তাৰ মাক-দেউতাক। জ্বলি ছাই হৈ যোৱা তাৰ মাক-দেউতাকৰ বিচাৰি নাপায় প্ৰস্তমূৰ্ত্তিৰ দৰেই অসহায়ভাৱে থিয় হৈ আছিল সপোন...... নন্দিতাৰ চাদৰৰ আঁচলত ধৰি।

কান্দি কান্দি ভাগৰি পৰা নন্দিতাই সেইদিনা অনুৰাগ আৰু বাবুৰ মৃতদেহ সাৱতি চিঞৰি চিঞৰি সুধিছিল ভগৱানক.......... "কেনেকৈ জীয়াই থাকিম মই অকলশৰে এইখন পৃথিৱীত..... কেনেকৈ........??" তাৰেই উত্তৰ হিচাপে হয়তো নিজেই আহি ধৰা দিছিল সৰগৰ দেৱদূত স্বৰূপ এই শিশু। সপোন। এটা সপোনৰ সমাধিত যেন জন্ম হ'ল আন এটি নতুন সপোনৰ। সেই সপোনক আলফুলে সাৱতিয়েই জীয়াই আছে নন্দিতা....... সেইদিন ধৰি। এৰা, পাঁচ বছৰটো পাৰ হ'ল এনেদৰে.......।

প্ৰতিবাদী সমদলটো হয়তো ইতিমধ্যে বহুদূৰ পাইছিলগৈ তথাপি তাই

এনেয়ে চাই পঠিয়ালে বাহিৰলৈ। শান্তি বিচাৰি ৰ'দে ৰ'দে ঘুৰি ফুৰা মানুহবোৰলৈ তাইৰ পুতৌ লাগিল। শান্তি আহিব জানো কেতিয়াবা? নাজানে তাই। নাজানে কোনেও। আৰু.......... কোনোবাই জানো ভাৰি চাইছে কেতিয়াবা এই কথা, মৃতক পৰিয়ালক চৰকাৰে দিয়া লাখটকীয়া ক্ষতিপূৰণে পূৰ কৰিব পাৰেনে আপোনজনৰ মৃত্যুত শূন্য হৈ ৰোৱা হৃদয়খন? হয়তো নোৱাৰে।। আৰু সেই বাবেইতো সপোনকে বুকুত বান্ধি নন্দিতাই আজিও সেই কাল সন্ধিয়াটোৰ দৰেই অপেক্ষা কৰি আছে কাহানিও উভতি নহাৰ শপতেৰে গুচি যোৱা অনুৰাগ আৰু বাবুলৈ আজীৱন ৰৈ থকাৰ প্ৰতিশ্ৰুতিৰে!!!

(২০০৮ ৰ ৩০ অক্টোবৰত অসমৰ ভিন ভিন ঠাইত হোৱা ধাৰাবাহিক বোমা-বিস্ফোৰণত নিহতসকলৰ স্মৃতিত)

❑❑❑

# স্বপ্নৰ সমাধি

বৰ্ণালী বৰগোহাঁই

"জুলুপ, জুলুপ" বঠা মাৰি মাৰি নাওখন আগুৱাই লৈ গৈ থাকিল অভিনৱে। চৌপাশে পানী আৰু পানী। আজি এসপ্তাহমান ধৰি অভিনৱৰ গাঁওখন বানৰ কবলত। ঘৰখনত সি আৰু ৰুগীয়া মাক দেউতাকৰ সৈতে এটি সৰু পৰিয়াল। দেউতাক এজন নামজ্বলা কৃষক আছিল। সেয়ে সৰুৰে পৰাই তাৰ সেউজীয়া পথাৰৰ লগতেই সম্পৰ্ক। পথাৰত ধানবোৱা, হালবোৱা এই কামবোৰ খুবেই প্ৰিয় তাৰ। সেয়ে সি সপোন দেখে ভৱিষ্যতে দেউতাকৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এজন আদৰ্শ কৃষক হোৱাৰ। অৱশ্যে মাক- দেউতাকৰ ইচ্ছা পুত্ৰক ডাক্তৰ, ইঞ্জিনীয়াৰ কৰাৰ। কিন্তু তাৰ মতে ডাক্তৰ, ইঞ্জিনীয়াৰ হ'লেই সফল ব্যক্তিৰূপে থিয় দিব নোৱাৰি। জীৱনবোধ শিক্ষাহে আচল শিক্ষা। সি সপোন দেখে পথাৰত খেতি কৰাৰ, উন্নতমানৰ বীজ সিঁচি ধানৰ উৎপন্ন কৰাৰ। তাৰ এই শিক্ষা শুনি বহুজনে হাঁহে, অৱশ্যে সি সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰে, মাটিৰ মানুহৰূপে চিনাকি দিয়াৰ গৌৰৱেই বেলেগ। সি সেয়ে কৃষকৰ আঁচনিবোৰত প্ৰায়েই যোগদান কৰে। গাঁৱতে সি যুৱকসকলৰ লগলাগি 'কৃষক সমিতি' বুলি এটা গোটো খুলিছে।

সঁচাই সোণোৱালী পথাৰখনৰ প্ৰেমত সি মচগুল। কি সুন্দৰ পৰিৱেশ! তাৰ সপোনবোৰো পথাৰৰ মাজতে লহপহকৈ বাঢ়ে.......... তাৰ দেউতাকেও যথেষ্ট কষ্ট কৰে। কপালৰ ঘাম মাটিত পেলাই কাম কৰে। পিছে সময়ৰ গতি সলাই দিয়ে জীৱনৰ......। তাৰ এজনী মৰমলগা বায়েক আছিল। এজনী সৰল অন্তৰৰ ছোৱালী। কিন্তু তাই কেন্সাৰৰ দৰে এটা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈছিল। তাইৰ ৰোগ নিৰ্মূল কৰিবৰ বাবে দেউতাকে যে কি কি কৰা নাছিল! উচ্চমানৰ চিকিৎসাৰ বাবে মাটি বন্ধকত দিবলগা পৰ্যন্ত হৈছিল। অভিনৱৰ দদায়েক এজন আছে। তেওঁ এখন কলেজৰ অধ্যাপক। দেউতাকে পথাৰৰ সকলোবোৰ মাটি ভায়েকৰ ওচৰতে বন্ধকত দিব লগা হৈছিল। অসমৰ বাহিৰত কেন্সাৰৰ উচ্চমান চিকিৎসা আছে কিন্তু টকাৰ বাবে দেউতাকে দদায়েকৰ পৰা আদি কৰি বিভিন্নজনৰ ওচৰত হাত পাতিলে কিন্তু কোনেও সহায়ৰ হাত আগনবঢ়ালে। হাঁহি-ধেমালি

কৰি থকা ছোৱালীজনী এদিন হঠাতে জ্বৰ-কাঁহ হ'ল। হস্পিটাললৈ নিয়াৰ বাটতে তাই শেষ নিশ্বাস ত্যাগ কৰে। সেইদিন ধৰি মাক- দেউতাকৰ মুখত হাঁহিৰ অভাৱ। আৰু অভিনৱ?? জীৱনত কাৰোবাক হেৰুওৱাৰ বেদনা কিমান সেইদিনা বুজি উঠিল। সেইদিন ধৰি অকল তাৰ বায়েককে নহয় সি হেৰুৱালে তাৰ বঙিয়াল মাক-দেউতাককো। সঁচাকৈ নদীৰ দৰে বৈ থাকে জীৱন। দদায়েকক যিবোৰ মাটি বন্ধকত দিছিল টকা সময়ত দিব নোৱাৰাত তাকো হেৰুৱালে। তাৰ পথাৰত খেতি কৰাৰ সপোন, মাটিৰ মানুহ বুলি পৰিচয় দিয়াৰ সপোন তথাপি সি পুহি ৰাখিছিল তাৰ যন্ত্ৰণা তথা দুখেৰে উপচি থকা হৃদয়ৰ মাজত। আগবাঢ়ি গৈছিল তাৰ দিনবোৰ। কেতিয়াবা আন্ধাৰ, কেতিয়াবা পোহৰ। তেনেকৈয়ে সি এদিন গঢ়ি সৰুকৈ তাৰ সপোনৰ পথাৰখন। বৰ কষ্টৰে, দেউতাকৰ আদৰ্শ সাৰোগত কৰি সিঁচিছিল তাৰ আশাবোৰ। সেউজীয়া ধান সোণোৱালী হৈছিল। কিন্তু বিধাতাৰ কি যে নিষ্ঠুৰ খেল। বানপানীয়ে তাৰ সপোনৰ পথাৰখন উটুৱাই নিলে। উটুৱাই নিলে তাৰ ৰঙীণ স্বপ্নবোৰ.........।

উস্ বুকুখনৰ মাজতে সি এটা বিষ অনুভৱ কৰিলে যেতিয়া এই সকলোবোৰ তাৰ মনৰ দাপোণত ধৰা দিলে পুনৰবাৰ, সঁচাই চৰকাৰৰ ওপৰত তাৰ উঠিছে, খং উঠিছে টকা টকা কৈ চিঞৰি ফুৰা মানুহবোৰৰ ওপৰত। যি চৰকাৰে বানাক্ৰান্ত পৰিয়ালবোৰলৈ সাহাৰ্য আগবঢ়াইয়ে সকলো কাৰ্য সম্পন্ন হ'ল ভাৱে, তেনে চৰকাৰৰ পৰা কি আশা কৰিব পাৰি? মথাউৰি বান্ধিব এই সকলোবোৰ কথা তেওঁলোকেতো নেজানে কোনোদিন। কিয়, কিয় এনেকুৱা হয় তাৰ মানুহবোৰৰ? সি প্ৰশ্ন কৰিব বা কাক? তাৰ মানুহবোৰৰ স্বপ্নবোৰ সমাধি দিয়াৰ বাদে একোৱেই নেকি? বঠা মাৰি মাৰি মাক-দেউতাকক লগতলৈ নাঁওখন মাথোঁ আগবাঢ়ি গ'ল আশ্ৰয় স্থান বিচাৰি।।

□□□

# বোৱাৰী হোৱাৰ দিনা..

যামিনী মহন্ত

সেউজীয়া পাহাৰৰ মাজে মাজে বৈ অহা নদীখনে গাঁওখনৰ যিটো অংশতে ভাঁজ এটা লৈ পূৱলৈ বৈ গৈছে থিক সেই ঠাই ডোখৰতে মই মোৰ জীয়াৰী সত্বাটো এৰি থৈ আহিছিলো। বোৱাৰী সাজযোৰ পিন্ধাৰ পাছত... উকা কপালখনত সেন্দূৰীয়া বেলিটোৱে টগবগাই উঠাৰ আগ মুহূৰ্তলৈকে মইজনীয়ে তাতেই লৰি ঢাপৰি ফুৰিছিলো, আপোন মনে ঘূৰি ফুৰিছিলো শুকুলা কহুঁৱাবোৰৰ আঁৰে আঁৰে... হালধীয়া সৰিয়হতলিৰ মাজে মাজে... কেতিয়াবা কোনোবাটো চিনাকি সুহুৰিত ময়ো বিচলিত হৈ পৰিছিলো থিক নদীখনে ভাঁজ লোৱা ঠাইডোখৰতে ...। পানী নিবলে যোৱা জাকৰুৱা গাভৰুজাকৰ খিল-খিলনিত এদিন ময়ো যোগ দিছিলো। বিহু নাচি সন্ধিয়াপৰত গাঁৱৰে ডেকাহঁতৰ চাইকেলৰ কেৰিয়াত উঠি ময়ো এদিন ঘৰলৈ আহিছিলো... থিক তেনেকুৱা এটা দিনৰে কথা... কপৌ ফুলিছে, ভাটো ফুলিছে... ইফালে সুৰুযে ধল্‌ফাত দিয়াৰ পৰাই কুলি-কেতেকীয়ে মাতিবলৈ ধৰিছে... ৰাতিপুৱাতে লগৰীহঁতৰ লগত কপৌ ফুল বিচাৰি যোৱাৰ কথা — সন্ধিয়ালৈ হুঁচৰি নাচিবলৈ যাব লাগিব দুলীয়াজানৰ কোনোবা এজন ব্যৱসায়ীৰ ঘৰলৈ... দিনটো উথপ্‌থপ লগাই বেলি লহিওৱাৰ সময়তে আমি গাঁওখন এৰি ওলাই আহিছিলো আধুনিকতাৰ প্ৰলেপ সনা কংক্ৰীটৰ নগৰীখনলৈ...

কোনোদিনে সপোন দেখা নাছিলো মই এদিন এনে এখন নগৰীলৈ বোৱাৰী হৈ অহাৰ... মোৰ হাঁহিবোৰ জলাঞ্জলি দি ইয়ালৈ গুচি অহাৰ হেঁপাহো মোৰ মনত কেতিয়াও জাগি উঠা নাছিল। চঞ্চল নাছিলো যদিও খৰস্ৰোতা নদীখনক মই ভাল পাইছিলো। ইয়াৰ বাবে পাৰে থকা বিশাল শিলবোৰৰ সৈতে কথাপাতি মোৰ সুখ-দুখবোৰ ভগাই লৈছিলো... পখিলা খেদি খেদি সৰিয়হ তলিত কিমান সময় পাৰ কৰিছিলো হিচাপ ৰখা নাছিলো। পানী অনা ঘাটৰ বাঁহৰ দলংখনত বহি ভৰি নচুৱাই নচুৱাই সূৰ্যোদয় আৰু সূৰ্য্যাস্ত চোৱাৰ অনুভৱখিনি মই কাৰোবে সতে কেতিয়াও ভগাই ল'ব পৰা নাছিলো...

মিঠাতেলৰ চাকিৰ টিমিক ঢামাক পোহৰতে আছিলো যদিও নগৰৰ বিজুলী বাতিৰ সপোন দেখি উচ্পিচাই থকা নাছিলো... নিজে বৈ কাটি পিন্ধা কাপোৰ সাজেৰেই নিজকে ধুনীয়া কৰি ৰাখিবলৈ যত্ন কৰিছিলো....... মাটিৰ চাকিত মিঠাতেলৰ প্ৰলেপ দি তৈয়াৰ কৰা কাজলেৰে দুচকু পূৰ কৰি যেতিয়া নিজকে চাওঁ কোনো ঠাইতে কেতিয়াও অভিযোগ বা আপত্তি বা অসন্তুষ্টিৰে মন ভৰি পৰা নাছিল... সহজ অৰ্থত মই সহজ- সৰল মোৰ জীয়াৰী জীৱনটোতেই সুখী আছিলো মনে বিচৰা ধৰণেৰে... চিক্মিকীয়া এখন সমাজৰ এটা সপোন মই সঁচাকৈয়ে দেখা নাছিলো।

নভৱা কথাবোৰেইচোন জীৱনৰ প্ৰতিটো খোজতে আগভেটি ধৰেহি... হঠাৎ এটা সন্ধিয়াত ঘোষণা কৰা হ'ল যে মোৰ জীয়াৰী কালচোৱাৰ যৱনিকা পৰিবৰ হ'ল। গাত মা- হালধিৰে এসাঁজ নতুন কাপোৰ পিন্ধিবৰ হ'ল। মোৰ উকা কপালখন বিশেষ এজনৰ নামেৰে ৰাঙলী কৰিবৰ হ'ল... সেইটো সন্ধিয়া মোৰ জীৱনৰ এটা বিশেষ সন্ধ্যা... বুকুত বুজাব নোৱাৰা অনুভৱৰ চট্ফটনি.......... মনত অলেখ ভাৱনাৰ ভেটা-ভেটি। কেনেকুৱা হ'ব আহিবলগীয়া মোৰ নতুন সাজেৰে নতুন দিনবোৰ। কপালত আঁকি লোৱা সেন্দূৰৰ নতুন সাজেৰে নতুন দিনবোৰ। কপালত আঁকি লোৱা সেন্দূৰৰ গৰাকীজনে বাৰু ল'বনে আঁকোৱালি মোক? কেনেকুৱা হ'ব সেই ঠাইখন? মোৰ গাঁওখনৰ দৰে থাকিবনে তাত এখন ভাঁজ লোৱা নদী আৰু তাৰ আশে- পাশে মোৰ সুখ-দুখৰ সমভাগী বিশাল শিলবোৰ...। বোৱাৰী সাজেৰে মই নতুন মানুহজনীক বাৰু বুজি পাবনে জাক-জমকতাৰ সেইসকল মানুহে। ক্ৰমশঃ যেন মোৰ হাঁহিবোৰ স্তিমিত হৈ আহিছে... এবুকু ভাৱনাৰে বুকুখন গধুৰ কৰি তুলিছে... আপোন আপোন ছবিবোৰ এৰি থৈ যোৱাৰ বেদনাই খুন্দা মাৰি ধৰিছে মোক। জনা-নজনাৰ খু-দুৱনিয়ে মনত পাৰা পাৰহীন ঢৌ তুলিছে... এজাক ধুমুহা যেন বলিবলৈ ধৰিছে ক্ৰমশঃ মোৰ মনত...

নাচনী সাজেৰেই চকুত পৰা মই জনীক কইনা কৰি নিবৰ মন সেইখন ব্যৱসায়ী পৰিয়ালৰ একমাত্ৰ উত্তৰাধিকাৰীলৈ। বুজা নুবুজাৰ সন্ধিক্ষণত মই থক্-থক্কৈ কঁপিছিলো ভয়ত নে অন্য কিবা কাৰণত নাজানো। মাথোঁ দুৰু দুৰুকৈ কঁপি থকা হিয়াখনিৰ কঁপি থকা মাতষাৰ মই শুনা পাইছিলো কৰুণভাৱে। মোৰ

জীৱনৰ প্ৰতিটো বসন্তই বৰ ধুনীয়া আছিল। এজনী ছোৱালী হিচাপে এইটো বসন্ত মোৰ বাবে সবাতোকৈ ধুনীয়া হ'ব লাগিছিল কিন্তু কিছুমান অজান ভাৱনাই যেন মোৰ পৰা ভাল লগাবোৰ আঁতৰাই ৰাখিছিল।

এদিন হঠাৎ আমাৰ ঘৰৰ দীঘল পদুলিৰ মূৰত এখন গাড়ী ৰখোৱাৰ শব্দ শুনিছিলো... আৰু সেই শব্দটোৱেই মোৰ নতুন সাজযোৰ পিন্ধাৰ সময় হ'ল বুলি সোঁৱৰাই দিছিলহি... কেইবাটোপোলা মিঠাইৰ সৈতে ব্যৱসায়ী পৰিয়ালটো আমাৰ ঘৰৰ চোতালত থিয় দিছিলহি - ভিতৰত বহিবলৈ দিবলৈ ঠাই নাই দেখিয়ে চোতালতে বেঞ্চ পাৰি দিছিল তেওঁলোকৰ বহাৰ সুবিধাৰ বাবে। আমাৰ ঘৰৰ অশিক্ষিত লোকসকলৰ তেওঁলোকৰ লগত কথা পতাৰ সাহস হোৱা নাছিল। সেয়ে কাঁহ পৰি জীন যোৱা এটা পৰিৱেশে বাৰুকৈয়ে আমনি কৰিছিল মোক। অৱশেষত তেওঁলোকেই অলপ সহজ হৈ আমাৰ চহা পৰিয়ালটোক অতিথি আপ্যায়ন কৰাত সুবিধা কৰি দিছিল। কথাবোৰ মই ভবাৰ ধৰণে একো হোৱা নাছিল... চহৰীয়া যদিও তেওঁলোক ভদ্ৰ অমায়িক আছিল। মোৰ অবুজন পৰিয়ালটোকো তেওঁলোকে আদৰ কৰিছিল। শুনিবলৈ পাইছিলো কইনাৰ লগত যৌতুক দাবী কৰা নাছিল তেওঁলোকে... আৰু প্ৰয়োজন সাপেক্ষে শিক্ষা- দীক্ষাৰে মোকো হেনো উপযুক্ত কৰি তুলিব বৰ্তমানৰ সৈতে খাপ খাবৰ বাবে। মোৰ ভাৱনাত যতি পৰিছিল, নভবাকৈয়ে ভাল লগা কথাবোৰ নিজ কাণেৰে শুনিবলৈ পাইছিলো। এটা সময় আহিল মই কাঁহৰ থালখনত গিলাচ কেইটা লৈ তেওঁলোকক চাহ দিবৰ বাবে ওলাই যাব লগীয়া হ'ল ... ভাল লগা, ভয় লগা, লাজ লগা আৰু অনেক অনুভৱৰে শিহঁৰিত মোৰ সত্বাটোৱে বাঁহ পাতখিলাৰ দৰে কঁপিছিলো থক্-থক্কৈ, গিলাচবোৰে ইটোৰ সিটোৰ গাত খুন্দা মাৰি শব্দ কৰি উঠিছিল ঠন্ ঠন্কৈ... মই তলমূৰ ওপৰ নকৰাকৈ তেওঁলোকৰ মাজত চাহৰ কাঁহীখন থৈ সেৱা এটা জনাই কাষতে থিয় হৈ আছিলো। মোৰ নামটো শুনা পাইছিলো আদহীয়া মহিলা গৰাকীৰ কণ্ঠত খুউব মৰম লগাকৈ। আপোন আপোন লাগিবলৈ আৰম্ভ কৰিছিল সকলোবোৰ... তেখেতৰ চৰণ চুই সেৱা কৰিছিলো। মোৰ খবৰ সুধিছিল তেওঁ — বিহু নাচৰ কথা কৈছিলে সুন্দৰকৈ নাচিব পাৰো বুলি। হঠাতে সেই অচিন পুৰুষৰ কণ্ঠস্বৰে বাধা দিছিল মহিলাগৰাকীৰ

কথাত... গহীন পুৰুষ সুলভ মাতষাৰে কিন্তু ভাল লগা কথা কিছুমানেই কৈ পেলাইছিল সেই সময়ত... আৰু তেতিয়াই লাজে সেন্দূৰীয়া কৰা মুখখন তুলি কণ্ঠস্বৰৰ গৰাকীলৈ চাইছিলো নিৰ্লজভাৱে যৌৱনৰ সীমনাত এজন কোমল মুখৰ পুৰুষ, মিহি গোঁফেৰে এখন কমনীয় মুখ... আয়তাকৃতিৰ গভীৰ দুচকুৰে যেন ক'ব বিচাৰে অলেখ কথা... দুই কোৱাৰিত ফুটো নুফুটোকৈ থকা হাঁহি। পঢ়ি পেলাইছিলো ক্ষন্তেকৰ চাৱনিতে সেই অচিন পুৰুষৰ মুখৰ ভাষা... তেওঁৰ চাৱনি হঠাৎ মৰম হৈ গলি সোমাই গৈছিল বুকুৰ ভিতৰলৈ - সেন্দূৰীয়া মুখখন টিক্- টিকীয়া বেলিটোৰ দৰে হোৱাৰ উপক্ৰম হৈছিল। হাবু-ডাবু খাইছিলে মুখৰ ভাষা বিচাৰি, কোনোবাই যেন মোৰ কথাবোৰ কাঢ়ি লৈ গৈছিল- বিচাৰি পোৱা নাছিলো কি ক'ব লাগিব কি নালাগিব? হঠাত খৰধৰকৈ সোমাই গুচি গৈছিলো পাকঘৰলৈ। আকৌ ওলাই আহিব পৰা নাছিলো আলহীৰ সন্মুখলৈ। কিবা এটা অস্থিৰতাই গ্ৰাস কৰি পেলাইছিল মোক। ভৰিৰ তলুৱাত তপত তেজৰ পিৰ্ পিৰণি মই অনুভৱ কৰিছিলো সঘনাই নিজৰ মুখেৰে নিজেই আওঁৰাইছিলো — 'আজি মোক চাবলৈ আলহী আহিছে'... আকৌ তপত তেজ এসোঁতা পোনছাতেই উঠি আহিছিল মোৰ মাগুৰ বৰণীয়া মুখখনলৈ... বেলি লহিওৱাৰ পৰত তেওঁলোক গুছি গৈছিল আকৌ সোনকালেই লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে... বাঁহৰ বেৰৰ জলঙাইদি জুমি জুমি চাইছিলো আয়তাকৃতিৰ গভীৰ চকুযুৰিৰ গৰাকীলৈ তেৰোঁ যেন সকলোৰে আঁৰে আঁৰে সন্ধান লৈছিল বিশেষ কাৰোবাৰ ব্যাকুল হৈ... মনটো ভৰি পৰিছিল ভাল লগাৰে তেওঁলোক পদূলি পোৱাৰ সময়তে বাৰাণ্ডালৈ ওলাই আহিছিলো মই সেই বিশেষজনৰ আকৰ্ষণত। তেৰোঁ হয়তো উভতি চাই দেখিছিল মোক। সেয়ে এখিনি শান্তিৰ নিশ্বাস মোৰ পদূলিত এৰি থৈ গুছি গৈছিল বাটৰ ধূলি উৰুৱাই চহৰৰ দিশে...

আজি তেওঁলোক গুছি যোৱাৰ প্ৰায় দুমাহ হ'বৰ হ'ল... সেই যি গুছি গৈছিল— আজিলৈকে একো বা-বাতৰিয়েই পঠিওৱা নাছিল - মোৰ বাবে এটা এটা মুহূৰ্ত একোটা যুগ যেন লাগিছিল। প্ৰতিটো নতুন পুৱাতেই এখিনি নতুন আশা, নতুন হেঁপাহ বুকুত সাৱটি লৈছিলো... নতুন উদ্যমেৰে চোতাল সাৰিছিলো, ঘৰ মচিছিলো, কাঠৰ বেঞ্চখনকে দিনটোত পাঁচ- ছবাৰ কৈ ফটা কাপোৰেৰে

মচি-কাচি ৰাখিছিলো। কি ঠিক, চহৰীয়া আলহী হঠাতে ওলাবহিও পাৰে। ঘৰৰ গিলাচ বাতিবোৰ ধুৰাকে ধুই আছিলো... চৰকাৰী সূতাৰে গামোছা বৈ উলিয়াইছিলো- আলহীক দিবৰ বাবে, এখন ফুলাম গামোছাও সাঁচি ৰাখিছিলো বিশেষ জনৰ বাবে। সেয়ে প্ৰতিটো পুৱা মোৰ বাবে গভীৰ অপেক্ষাৰে আৰম্ভ হৈছিল আৰু প্ৰতিটো নিশা এবুকু হুমুনিয়াহেৰে শেষ হৈছিল।

আশাবোৰৰ ৰং হেৰাই যাওঁ যাওঁ হোৱা অৱস্থাতেই হঠাৎ মোৰ সপোনবোৰে আকৌ কিৰিলি পাৰি হাঁহি উঠিছিল তেওঁলোকৰ আগমনত... আগৰবাৰৰ দৰে হঠাতে ঘোষণা কৰিছিল তেওঁলোকে মোক আঙুঠি পিন্ধোৱাৰ কথা... মইজনী এইবাৰ নতুন হোৱাৰ আশাৰে শিহঁৰিত হৈ পৰিছিলো। বহু অপেক্ষাৰ অন্তত এই ভাল লগাৰ অনুভৱবোৰে আকোঁৱালি লৈছিল মোক। নতুন সাজেৰে নতুন হোৱাৰ হেঁপাহত ঘৰখন এৰি থৈ যোৱাৰ বেদনা তল পৰি ৰৈছিল। কপালত টগবগীয়া বেলিটো আঁকিবৰ বাবে হঠাৎ মই উদগ্ৰীৱ হৈ পৰিছিলো। মোৰ যে অন্য কিবা সপোন আছিল মই পাহৰি পেলাইছিলো। মই যে মোৰ জীয়াৰী সত্বাক সমাধিস্থ কৰিম পাহৰি পেলাইছিলো একেবাৰেই। মোৰ মৰমৰ নদীখন আৰু সুখ-দুখৰ সমভাগী হোৱা শিলবোৰৰ স্মৃতিয়েও আমনি নকৰা হৈছিল। দুচকুত ভাঁহি আছিল কেৱল এখনি পুৰুষ সুলভ মুখৰ প্ৰতিচ্ছবি আৰু এখিনি মৰম ভালপোৱাৰে এখন আটোমটোকাৰি সমাজ।

মোৰ চৌপাশৰ সেউজীয়াখিনি মই এৰি থৈ আহিছিলো মোৰ বিয়াৰ নিশা নদীখনৰ বুকুত। দুৱাৰে দুৱাৰে আমডালি লগাৰ দিনাৰ পৰা ঘৰখনত চাৰিটা চুকত চাৰিটা হাৰিকেন লেম্প অনবৰতে জ্বলি থাকিছিল। গাঁৱৰ সকলোৱে ওৰেটো নিশা উজাগৰে থাকি মোক বিদায় দিয়াৰ আয়োজন কৰিছিল। মোৰ ভাল লাগিছিল, খুউব ভাল লাগিছিল সকলোৰে উথপথপবোৰ দেখি। মনলৈ ভাঁহি অহা নাছিল এবাৰলেও যে মোক একেবাৰে পঠিয়াই দিবৰ বাবেহে ইমানবোৰ আয়োজন। ভাল লগাৰ অনুভৱেৰে আন্দোলিত হৈ আছিলো প্ৰতি মুহূৰ্তে মুহূৰ্তে... উৰুলি মংগল ধ্বনিৰে বিয়াৰ আগনিশা মূৰত তেল দি নিয়ম কৰা হৈছিল। মোৰ, মোৰ আত্মীয় সকলৰ চকুত চকুলো দেখি ক্ষন্তেকৰ বাবে মই হতভম্ভ হৈ পৰিছিলো। ইমান আনন্দৰ ক্ষণত চকুলোৰ ঠাই কোন ডোখৰত বুজি পোৱা নাছিলো। দুখৰ

লোতকৰ ৰহস্য মোৰ বাবে দুৰ্ভেদ্য হৈ পৰিছিল। সঁচা অৰ্থত সিমানখিনি বুজিব পৰাকৈ মই পৰিপক্ক হোৱাই নাছিলো। অলেখ ভাৱনাই আকৌ খেলা কৰি থাকিল মোৰ মনত। সেই নিশা আয়তী সকলে বিয়ানাম গাই গাই মোক প্ৰায় ওৰেটো নিশাই পহৰা দি থাকিলে... আস্ কি যে বেদনাদায়ক আছিল সেই বিয়ানামবোৰ... তেতিয়া প্ৰথমবাৰৰ বাবে মই অনুভৱ কৰিছিলো জীয়াৰী সাজেৰে আজি মোৰ শেষ নিশা... কাইলৈৰ পৰা মই বেলেগ এখন সম্ৰান্ত ঘৰৰ একমাত্ৰ বোৱাৰী। বুকুখন কিহবাই হেঁচা মাৰি ধৰা যেন অনুভৱ হৈছিল, শোকে খুন্দা মাৰি ধৰিছিল। মই গম নোপোৱাকেই দুচকু সেমেকি উঠিছিল। ক্ষন্তেকৰ বাবে এনে লাগিছিল বন্ধ কৰা যাওক এইবোৰৰ আয়োজন। মই মোৰ জীয়াৰী কালটো হেৰুৱাব বিচৰা নাছিলো... মোৰ ঘৰখনৰ পৰা আঁতৰি কোনোবা অচিন চহৰলৈ যাব বিচৰা নাছিলো... মোৰ মৰমৰ নদীখনক এৰি যোৱাৰ বেদনাই মোক দহিছিল বাৰুকৈয়ে। পলকতে কি হৈ গ'ল একো ত'তেই ধৰিব পৰা নাছিলো... মই কেনেকৈ এইবোৰ কথা পাহৰি আছিলো ভাৱি ওৰ পোৱা নাছিলো। নতুনক পোৱাৰ আশাই পুৰণিক ঢাকি ৰাখিছিল সম্পূৰ্ণৰূপে... বিয়ানামৰ কথাই মোক খুলি খুলি খাইছিল সেই ওৰেটো নিশা- দুচকু উষ্ম লোতকেৰে উপচি পৰিছিল, চিঞৰি চিঞৰি কান্দিবৰ মন গৈছিল... আইৰ কোলাত মূৰ থৈ আইক সাৱতি ধৰিবৰ মন গৈছিল... ঘৰখনৰ প্ৰতিটো বস্তু হেঁপাহ পলুৱাই চাবৰ মন গৈছিল। পিছফালৰ পুখুৰীটোত মনে মনে গা-ধুৱৰ মন গৈছিল... কিন্তু মন যোৱাবোৰ একোৱে কৰিব পৰা নাছিলো মই। মাথো ইফালে সিফালে চাই ফেকুঁৰি ফেকুঁৰি কান্দি চাদৰৰ আঁচলেৰে চকুপানী মচি আছিলো। সেইদৰেই পাটীতেই কেতিয়ানো শুই পৰিছিলো নাজানিছিলো। পুৱা আয়তীহঁতে আমডালি ৰভাঘৰত লগাওঁতে দিয়া উৰুলিৰ শব্দতহে সাৰ পাইছিলো। কান্দি থকাৰ বাবে চকু দুটা ওখহি ৰঙা পৰি আছিল... দেখিছিলো শোৱনী কোঠাৰ চুক এটাত বহি আয়ে চকুপানী মচি আছে খিৰিকিৰে বাহিৰলৈ চাই চাই। পিতায়ে কামৰ ব্যস্ততাত হয়তো দুখ কৰিবৰ বাবে আজৰিয়ে পোৱা নাই!

দিনটোৰ সময়বোৰ আগবাঢ়ি গৈ আছে... মোৰো বুকুখনত খুউব জোৰেৰে শব্দ হৈ আছে। আলহী অতিথি ভোজ ভাতেৰে গোটেই ৰভাতলি

খদ্‌মদম লাগি আছে। আয়তীহঁতে জাত জাত নাম জুৰিছে, যোৰা নাম গাইছে... আৰু মই... সময় গণনা কৰিছো প্ৰতিটো মুহূৰ্তৰ। প্ৰতিটো প্ৰহৰত এনে অনুভৱ হৈছে যেন মোৰ দেহৰ এটা অংগ সৰি পৰিছে... মই যেন ক্ৰমশঃ দুৰ্বল হৈ পৰিছো মানসিক ভাৱে। বেলি লহিওৱাৰ পৰত ৰঙাকৈ আকাশখন দেখি মোৰ কলিজাখন ফাটো যেন হৈছিল। জাকৰুৱা বগলীৰ জাকটো উৰা মাৰি যাওঁতে মোক যেন ৰিঙিয়াই কৈ গ'ল— আজিৰ পৰা আৰু আমাক নেদেখ তই...। সন্ধিয়া নামি আহিছে — ইমান গৰমৰ দিনটো মই থক্‌থক্‌কৈ কঁপিছো জাৰৰ নিশাৰ দৰে। আলহী-অতিথিৰ ভিৰো কমিছে লাহে লাহে.... এতিয়া ৰভাতলিত কেৱল আত্মীয়সকলহে আছেগৈ- এতিয়া অপেক্ষা মাথোঁ সেই বিশেষ জনৰ— যিয়ে আহি হোম জুইক সাক্ষী কৰি মোক লৈ যাব নিজৰ কৰি তেওঁৰ কাষলৈ... এখন অচিন দেশলৈ... দুখৰ মাজতো এচেৰেঙা হাঁহিয়ে তলবল কৰিছিল মোৰ মুখত তেওঁৰ ভাৱনাত। দিনটোৰ ভাগৰে হেঁচা মাৰি ধৰিছিল মোক — সেয়ে বিশেষজনৰ অপেক্ষাত মই ঢলি পৰিছিলো আয়তী এগৰাকীৰ কোলাতেই। গভীৰ নিশা হঠাতে হুলস্থূল লাগিছিল ৰভাতলিত। গাড়ী ৰখোৱাৰ শব্দ, উৰুলিৰ শব্দই ঝংকাৰ তুলিছিল সকলোতে। অপেক্ষাৰ অন্ত পৰিছিল। মোক লৈ যাবৰ বাবে তেওঁলোক আহি উপস্থিত হৈছিলহি বৰযাত্ৰী হিচাপে। আদৰ-সাদৰেৰে বৰযাত্ৰীৰ আপ্যায়ন কৰা হৈছিল। যৎপৰোনাস্তি চেষ্টা কৰিছিল মোৰ পৰিয়ালে তেওঁলোকৰ আপ্যায়নত। তেওঁলোকে সন্তুষ্ট হৈছিল। এসময়ত হোম জুইৰ আহুতিৰ ধোঁৱাই কুণ্ডলী পকাই ধৰিছিল ৰভাঘৰ, হোমাগ্নিত ঘী ঢালি মন্ত্ৰ পাঠ কৰি যজ্ঞ কৰা হৈছিল। মোৰ আইৰ ঘৰৰ লগত সাতোটা জন্মৰ বাবে সম্পৰ্ক শেষ কৰি পিতায়ে আহুতি দিছিল অগ্নিত। মোৰ একমাত্ৰ ভাইটোৱে যজ্ঞৰ হোমাগ্নিত আখৈ ঢালি মোৰ লগত বাই-ভাইৰ সম্পৰ্ক ছেদ কৰিছিল, তাৰ বিনিময়ত সি পাইছিল উপহাৰৰ এটা বিৰাট ৰং চঙীয়া টোপোলা... চকুপানী টুকি টুকি সি দুহাত মেলি উপহাৰ গ্ৰহণ কৰিছিল আৰু মই... মই তলমুৰ ওপৰ কৰিব পৰা নাছিলো। কাৰো মুখলৈ চাব পৰা নাছিলো। অবিৰত মোৰ লোতক দুধাৰিয়ে সামৰি পেলাইছিল মোক। আৰু মোৰ আই? আইক সন্ধিয়াতে দেখিছিলো এবাৰ চকামকাকৈ, এবাৰত খৰখেদাকৈ আহি জোৰ কৰি গাখীৰ এগিলাচ মোক খুৱাই থৈ গৈছিলহি। সেই

তেতিয়াই লগ পোৱা... তাৰ পিছত আৰু এতিয়ালৈকে এবাৰো দেখা নাই... মোৰ ভিতৰলৈ দৌৰ মাৰি গুছি যাবৰ মন গৈছিল কিন্তু মোক তেওঁৰ সৈতে লগুন গাঁঠিৰে বান্ধি ৰখা হৈছিল। পিছ নিশালৈ যজ্ঞ শেষ হৈছিল... এইবাৰ সময় আহিল মোক তেওঁৰ সৈতে পঠিয়াই দিয়াৰ... ভিতৰলৈ লৈ গৈছিল আমাক ধৰি ধৰি। মই যেন কথা কোৱাৰ শক্তিও হেৰুৱাই পেলাইছিলো। কোনোবা এগৰাকীয়ে মোৰ আইক ঘৰৰ দুৱাৰ ডলিত এখন কাপোৰ দুহাতেৰে ধৰি থিয় কৰাই ৰাখিছে আৰু মোক পিছফালে নোচোৱাকৈ কাপোৰখনৰ তলেৰে সৰকি আহিবলৈ কৈছে। কোৱামতেই মই কৰি গৈছো... কান্দোনত ভাগি পৰিছো মই... কোনোবাই মোক এমুঠি এমুঠি চাউল ওলোটাকৈ চটিয়াই দিবলৈ ক'লে, মোৰ এনে লাগিছিল যেন মই মোৰ শৈশৱটো মোৰ কৈশোৰ কাল আৰু চঞ্চল যৌৱনৰ হাঁহি-ধেমালিবোৰহে চটিয়াই চটিয়াই মোৰ পৰা আঁতৰাই থৈ আহিলো। ভাইটিয়ে হঠাতে দৌৰি আহি সাৱটি ধৰি মোক নাযাবলৈ চিঞৰি চিঞৰি কান্দিছে... আৰু মই উপায়হীন হৈ তাৰ কান্ধত মূৰ থৈ কান্দিছো মাথোঁ... কান্দিছো। অনুভৱ হৈছে মোৰ এসাঁজ নতুন কাপোৰ, এটা নতুন ৰূপেও কিমান যন্ত্ৰণা দিয়ে। বোৱাৰী হোৱাৰ প্ৰথম পদক্ষেপ বৰ যাতনাদায়ক। বহু সপোন, বহু আশা-আকাংক্ষা বুকুত সামৰি এজনী গাভৰু ঘৰখন এৰি থৈ গুছি অচিন এজনৰ সৈতে বোৱাৰী হ'বলৈ তেওঁৰ পত্নী হ'বলৈ, তেওঁৰ সুখ-দুখৰ সমভাগী হ'বলৈ। দুচকুত অযুত সপোন আঁকি ছোৱালীজনী এখোজ দুখোজকৈ আঁতৰি যায় জন্মদাতৃ পিতৃ-মাতৃৰ বুকুৰ উমৰ পৰা- অনিশ্চয়তাৰ দোমোজাত অচিনাকি এখন ঘৰলৈ। যাৰ বাবে এৰি থৈ যায় প্ৰাণৰ সকলোকে। তেঁৱেই যদি বিশ্বাস দিব নোৱাৰে, মৰম দিব নোৱাৰে তেনে এজনী ছোৱালীৰ জীৱনটো বিহময় হৈ পৰিব তেনেই...।

বেলি ওলোৱাৰ পৰত নতুন ঘৰৰ পদূলি গছকি ভিতৰ চ'ৰালৈ সোমাই গ'লো লাজুকীয়া চাৱনি, বুকুত অনাহকৰ ভয়, শংকা একোটা লৈ... এখন কঠিন হাতৰ গভীৰ পৰশে আশ্বাস দিছিল মোক মোৰ অনাগত জীৱনটোৰ বাবে... সেইজনাৰ গভীৰ চাৱনিত মই বিচাৰি পাইছিলো এখন সুখ-দুখৰ সমভাগী হ'ব পৰা বিশাল হৃদয়... থিক সেই সময়তে মোৰ গাঁৱৰ মাজেৰে বৈ যোৱা নদীখনৰ ভাঁজটো আৰু শিলবোৰে বাৰুকৈয়ে আমনি কৰিছিল... এনেদৰে নভবা কৈয়ে

এদিন মই মোৰ সেউজীয়া অনুভৱখিনি সেই নৈখনৰ ভাঁজটোত সপি থৈ আহিছিলো চিৰদিনৰ বাবে... কপাঁলত আঁকি লোৱা ৰঙা বেলিটো আৰু শিৰৰ ৰঙচুৰা আলিটোৱে আজিও মোক সোঁৱৰাই দিয়ে মোৰ গাঁৱখন আৰু নৈ খনৰ বিশেষ ভাঁজটো। সেইখন সৰিয়হ তলিত আজিও মোৰ লৰি ফুৰিবৰ মন যায় সেই তেতিয়াৰ দৰেই... এখিনি কহুঁৱাৰ মাজে মাজে এতিয়াও হালি জালি গান গাই ফুৰিবৰ মন যায় সেই তেতিয়াৰ মইজনীৰ দৰেই... কিন্তু এতিয়া আৰু তেনে এটা দিন ঘুৰি নাহে কেতিয়াও ... মোৰ মূৰৰ চুলিয়ে হয়তো অলপ দিনতে সেই কহুঁৱাৰ দৰে ৰং ধৰিব... মই বিচাৰিলেও আৰু সেই সেউজীয়া অনুভৱবোৰ ঘূৰাই নাপাওঁ। আজি মোৰ মৰমৰ নদীখন আছে যদিও সেই ভাঁজটো আৰু জীয়াই থকা নাই... গাঁওখনৰ অৱশিষ্ট বুলিবলৈ তাত এতিয়া সুউচ্চ অট্টালিকাবোৰৰ বাহিৰে একো নাই। মোৰ সেউজীয়া অনুভৱখিনি সেই ভাঁজটোৰ লগে লগেই হেৰাই গ'লে সোঁৱৰণিৰ গৰ্ভত... মাথোঁ কাণত বাজি থাকে এতিয়াও বাঁহৰ দলঙত বহি পানীৰ সৈতে খেলা কৰাৰ কুলু কুলু শব্দ... প্ৰতিশব্দ!

❑❑❑

# হেৰাই যোৱা সপোন

ৰাণীমা বৰপাত্ৰ গোহাঁই

বতৰটো ভাৱৰীয়া কৰিছে। পাছবেলালৈ বৰষুণ অহাৰ সম্ভাৱনা দেখি ৰত্নই লৰা-লৰিকৈ মাল-বস্তুবোৰ সামৰিবলৈ ধৰিলে। আজি বিক্ৰীও বৰ এটা ভাল নহয়। বস্তুৰ দাম শুনি মানুহবোৰ দূৰতে দৌৰ মাৰিব খোজে। আজি ১০ বছৰে ৰত্নই শাক-পাচলি দোকানখনতে সৰু তিনিজনীয়া পৰিয়ালটো সুকলমে চলাই আহিছে। পত্নী পূৰ্ণিমা আৰু জীয়েক নয়নাৰ সৈতে ৰত্নৰ এখন সুখৰ সংসাৰ বুলিয়েই ক'ব পাৰি। ঘৰখনৰ প্ৰত্যেকটো দিশটো পত্নীৰ পৰা সম্পূৰ্ণ সহায়- সহযোগিতা পোৱা ৰত্ন সাংসাৰিক জীৱনৰ সুখী মানুহ।

গধূলি দোকানৰ পৰা আহি মুখ হাত ধুই জুইশালত বহাটো ৰত্নৰ বহুদিনৰ অভ্যাস। জীয়েক নয়নাই চিএৰি চিএৰি পঢ়ি আছিল। জীয়েকৰ পঢ়াৰ প্ৰতি থকা ধাউতি দেখি ৰত্নৰ মনত এক অজান ভাল লগাই বিৰাজ কৰে। পঢ়া-শুনাত নয়না বহুত ভাল। জীয়েকৰ প্ৰত্যেকটো অভাৱ পুৰণৰ বাবে ৰত্নই বহুত কষ্ট কৰিছে। যাতে জীয়েকে ভালদৰে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হৈ অঞ্চলটোৰ লগতে মাক-দেউতাকৰো গৌৰৱ বৃদ্ধি কৰে। এয়া ৰত্নৰ বহুদিনীয়া আশা। 'চাহ লওক' – ঘৈণীয়েক পূৰ্ণিমাই বিস্কুট দুখনেৰে সৈতে চাহৰ বাতিটো ৰত্নৰ ফালে আগবঢ়াই দিলে। 'হেৰা, আমাৰ এইক চোৱাচোন কিমান মন দি পঢ়া-শুনা কৰিছে। তাই পঢ়ি শুনি ডাঙৰ মানুহ হ'লে আমাৰ যে কিমান ভাল লাগিব।' - ৰত্নই মুখত এটা মিচিকিয়া হাঁহিয়ে ঘৈণীয়েকলৈ চাই ক'লে। 'হয় দিয়ক, আমাৰটো তাইয়েই একমাত্ৰ আশা।' ঘৈণীয়েক পূৰ্ণিমাৰ সেই একে গতানুগতিক কথা। ৰত্নই

ঘৈণীয়েকৰ সন্মুখত জীয়েকৰ কথা ক'লে পুৰ্ণিমাই সেই একেটা কথাকে কয়।

মাক-দেউতাকৰ একমাত্ৰ আশাৰ স্থল নয়নাইও আজিলৈকে মাক-দেউতাকক বিমুখ কৰা নাই। ভালদৰে পঢ়া-শুনা কৰাৰ লগতে মাকক ঘৰুৱা দুই এখন কামতো সহায় কৰিছে। তাই এতিয়া নৱম শ্ৰেণীত পঢ়ি আছে। মেধাৱী হোৱাৰ কাৰণে শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰশংসাৰ পাত্ৰী।

ৰাতিপুৱা সোনকালে শুই উঠাটো ৰত্নৰ সৰুকালৰে অভ্যাস। শুই উঠিয়েই দোকানলৈ যোৱাৰ লগতে তাৰ দৈনন্দিন কামবোৰ কৰে। গোহালিটো চাফা কৰি থাকোঁতে তিনি আলিৰ মূৰৰ হৰি দাইটিয়ে মাত লগালে — "কি অ' ৰত্ন গোহালি চাফা কৰিছ।" হৰি দাইটি অঞ্চলটোৰ ভিতৰতে ধনী মানুহ। মাটি-বাৰী থকা মানুহ। কিন্তু মানুহটোৰ চৰিত্ৰটো বৰ এটা ভাল নহয়। প্ৰথম ঘৈণীয়েকে আন কাৰোবাৰ লগত দাইটিৰ হলি-গলি থকাৰ কথা গম পাই মাকৰ ঘৰলৈ গুচি গ'ল। তাৰ পাছত দাইটিয়ে দ্বিতীয় বিবাহ কৰায়। ডাঙৰজনীৰ ফালৰ দুজনী ছোৱালীৰ লগতে দ্বিতীয়জনীৰ ফালৰ তিনিটা ল'ৰাৰে দাইটিৰ বৰ্তমানৰ সংসাৰ। ধন দেখি দাইটিক অঞ্চলটোৰ মানুহে সমীহ কৰি চলে। 'অ' হৰি দাইটি, ক'ৰবালৈ যায়?'- ইচ্ছা অনিচ্ছাৰ মাজেৰে ৰত্নই সুধিলে।

"তোৰ ওচৰলৈকে আহিছিলো। দোকানী মানুহ ৰাতিপুৱাতে লগ নাপালে দিনটোলৈ লগেই নাপাওঁ।" — মুখৰ ভিতৰত চোবাই থকা তামোলৰ পিক্‌খিনি পেলাই হৰি দাইটিয়ে ক'লে। "হয় নেকি? আহক তেতিয়া হ'লে।" — ৰত্নই হৰি দাইটিক তাৰ তিনি কোঠীয়া ঘৰটোলৈ লৈ গ'ল। "দাইটি ইয়াতে বহক। আমিবোৰ দুখীয়া মানুহ বহিবলৈ দিবলৈ ভাল চকী এখনো নাই" চকীখন মোহাৰি মোহাৰি ৰত্নই ক'লে। "হ'ব দে, ইয়াতে বহিম" - দাইটিয়ে চকীত বহি ক'লে। ৰত্নই ঘৈণীয়েকক-ভিতৰৰ পিনে মুখ কৰি চাহৰ কাৰণে চিঞৰিলে। "হ'ব দে, মই চাহ খাইয়ে আহিছো। তই ইয়াতে বহ চোন। তোৰ লগত মোৰ এটা জৰুৰী কথা আছে।"—ওচৰৰ মূঢ়াটোলৈ দেখুৱাই দাইটিয়ে ৰত্নক ক'লে।

"কি কথা আছেনো দাইটি"— ৰত্নই গম্ভীৰ মুখেৰে ক'লে।

"তই মোৰ মাজু ল'ৰাটোৰ বিষয়ে সকলো কথাই জান। এইবাৰ সি নিজাববীয়াকৈ এটা ব্যৱসায়ও হাতত লৈছে।" "ভাল কথা দাইটি, সি কিবা কাম

কৰিবলৈ লৈছে বুলি শুনি পৰম সুখ পালো।" — ৰত্নই সৰল ভাবেই কথাযাৰ ক'লে।

হৰি দাইটিৰ মাজু ল'ৰাটো অঞ্চলটোৰ ভিতৰতে অভদ্ৰ, বেয়া স্বভাৱৰ ল'ৰাৰূপে জনাজাত। ওচৰৰ গাঁৱৰ ছোৱালী এজনী বলাৎকাৰ কৰি জে'লৰ ভাতৰ সোৱাদো লৈ থৈছে। পিছে দাইটিয়ে এই পুৱাই পুৱাই সেইটোৰ কথা ৰত্নক কিয় কৈছে। ৰত্নই একো বুজিব নোৱাৰি দাইটিৰ মুখলৈ চাই ৰ'ল। "এতিয়া কথা হ'ল মোৰ ল'ৰাই তোৰ ছোৱালীজনী পচন্দ কৰিছে" —

দাইটিয়ে ক'লে — "কি ক'লে দাইটি, আপোনাৰ ল'ৰালৈ মই মোৰ একমাত্ৰ ছোৱালীজনী দিম।" — ৰত্নই অলপ খঙেৰে ক'লে। "নহয় মানে, মোৰ ল'ৰাই পচন্দ কৰিছে আৰু তই তোৰ ছোৱালীজনী দিয়াৰ বিনিময়ত যি বিচাৰ তাকে পাবি।" কথাষাৰ শুনাৰ লগে লগে ৰত্নৰ খঙ দুগুনে চৰিব ধৰিলে। গোটেই মানুহটো খঙত কঁপিবলৈ ধৰিলে। "আপুনি কি মোৰ ছোৱালীজনী বজাৰৰ বস্তু পাইছে। বিনিময় দিবলৈ আহিছে। আপুনি এতিয়াই ইয়াৰ পৰা উঠি যাওঁক"- ৰত্নই উচ্চ শব্দৰে চিঞৰি উঠিল। শব্দ শুনি ভিতৰত চাহ বনাই থকা পূৰ্ণিমা দৌৰি ওলাই আহিল। "নহয় তই এবাৰ কথাটো ভাবি চা। এনেকুৱা সুযোগ... দাইটিয়ে কথাষাৰ সম্পূৰ্ণ কৰিবলৈ নাপালে। ৰত্নই উগ্ৰ মূৰ্তি ধাৰণ কৰাত দাইটি খৰ খোজেৰে ওলাই গ'ল। "বাৰু তোকে দেখা যাব" — বুলি দাইটি খঙত গুছি গ'ল।

একমাত্ৰ জীয়েকজনীৰ সপোনবোৰ ভাঙি এটা অভদ্ৰ ল'ৰালৈ বিয়া দিয়া কথাটো ৰত্নই সপোনতো ভাবিব নোৱাৰে। গোটেই ৰাতিটো ৰত্নই বকি বকিয়েই পাৰ কৰিলে। পূৰ্ণিমাই জীয়েকক গোটেই ৰাতি জোৰেৰে সাবটি থাকিল। ৰাতিপুৱা শুই উঠি ৰত্ন দোকানলৈ ওলাই গ'ল। আগদিনাৰ শুই উঠি ৰত্ন দোকানলৈ ওলাই গ'ল। আগদিনাৰ খঙটো ভালকৈ মাৰ যোৱাই নাছিল। জীয়েক স্কুললৈ যোৱাৰ সময়ত মুকলি মনে গৈ থকা ছোৱালীজনীক কিয় সাৱধানেৰে যাবলৈ ক'লে নয়নাই একো বুজি নাপালে। মাথোঁ হ'ব বুলি কৈ স্কুললৈ বুলি ৰাওনা হ'ল। সন্ধিয়া পৰত ৰত্নৰ ঘৰত এটা আচৰিত ধৰণৰ পৰিবেশে বিৰাজ কৰিলে। সদায় ২ বজাত আহি পোৱা ছোৱালীজনী সন্ধিয়া ৬ বজালৈকে ঘূৰি নহাত মাক

পূৰ্ণিমা কান্দি কাটি পাগলী হ'ল। কোনেও পূৰ্ণিমাক সান্ত্বনা দিবলৈ ভাষা বিচাৰি চলাথ কৰিছে। কিন্তু জীয়েকৰ কোনো খবৰেই নাই। পুলিচ মেলেটাৰীয়ে ঘৰৰ পদুলিমুখ ভৰি পৰিছে। হঠাৎ ৰাতি ১১ মান বজাত ৰত্নক এজন পুলিচে লৈ গ'লহি। পূৰ্ণিমাই ৰত্নক লৈ যোৱা দেখি ৰত্নৰ পাছে পাছে যাবলৈ ল'লে। কিন্তু গাঁৱৰ মানুহৰ বাধাত পূৰ্ণিমা ঘৰতে থাকিব লগা হ'ল।

পুলিচজনে ৰত্নক এটা গেলা, আচুতীয়া পুখুৰীৰ ফালে লৈ গ'ল। গোটেই পুখুৰী পাৰটো মানুহে ভৰ্তি। বাট বিচাৰি নোপোৱা অৱস্থা। ৰত্নই একো বুজি নাপালে। পুলিচজনক অনুসৰণ কৰি গৈ থাকিল। পুখুৰীটোৰ এটা পাৰৰ চুক এটালৈ মন কৰাত ৰত্নৰ ভৰিৰ তলত মাটিখিনি আঁতৰি যোৱাৰ দৰে অনুভৱ হ'ল। গাটো থক্‌থক্‌কৈ কঁপিবলৈ ধৰিলে। এয়া কি দেখিছে সি। নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে সি। মূৰটো ঘূৰোৱা যেন অনুভৱ হ'ল। জিলমিল চকুৰ মাজেৰে দেখিলে কেইজনমান মানুহে তাৰ সপোনবোৰ পাৰলৈ তুমি অনাৰ চেষ্টা কৰিছে। কিন্তু তাৰ সপোনবোৰ পাৰলৈ উঠি নাহিল। তাৰ সপোনবোৰ পানীৰ তলৰ গভীৰতাত হেৰাই গ'ল।

❑❑❑

# সম্বন্ধ

চিমি কোঁৱৰ

দেউতাকৰ ড্ৰয়াৰত পোৱা সেই বিশেষ ডায়েৰীখনে বিষ্ণুপ্ৰিয়াৰ জীৱনৰ এটা ডাঙৰ অথচ গোপন সত্য উন্মোচন কৰিলে। তাই বুজিলে এইজন দেৱতা সদৃশ মানুহক তাই বহুত দুখ দিছে। তাইৰ দুগালেদি চকুলো ববলৈ ধৰিলে।

ঃ মামুন, গা বেয়া নেকি তোৰ? চাঁও চকুহালচোন ফুলা লুচীৰ দৰে হৈ আছে। গা বেয়া লাগিছে যদি আৰাম কৰগৈ যা। শৰীৰক এনেকৈ কষ্ট দিব নাপায়। মানুহৰ জীৱনততো বহুত কিবা কিবিয়ে ঘটে। কেৱল তই বা ময়েতো এই পৃথিৱীৰ দুখী মানুহ নহয়।

এৰা, ঠিকেই কৈছে দেউতাকে। ভগবান শ্ৰীকৃষ্ণইও গীতাত কৈছে যি হ'বলৈ আছে সেয়াই হ'ব, যি হৈছে ভালেই হৈছে, যি হৈছিল সেয়াও ভাল আৰু যি হ'ব সেয়াও ভালেই হ'ব।

তাইৰ জীৱনত অতীত আৰু বৰ্তমানৰ মাজত যে ইমান ডাঙৰ পাৰ্থক্য। বৰ কষ্ট হয় অতীতক বাদ দি নিজক ভাবিবলৈ। এসময়ৰ বুকু ভৰি থকা প্ৰেমেও যে কেতিয়াবা তাইক কাঁইটে বিন্ধা দি বিন্ধিব পাৰে সেয়া হয়তো তাই কল্পনাও কৰিব পৰা নাছিল। প্ৰেমৰ বাবে আকৌ কিহৰ জাত পাত? কিহৰ উচ্চ-নীচ? অন্তৰৰ মিলন যদি পবিত্ৰ হয়, সমাজক ভয় কৰাৰ কিবা কাৰণ আছেনে?

— 'উস্ ৰাজনীল! ওলাই যোৱা মোৰ সত্ত্বাৰ পৰা। মই দেখোন তোমাক ঘৃণা কৰিবলৈ আৰম্ভ কৰিছোঁ। কোনোদিনে উত্তৰ নোহোৱা প্ৰশ্নবোৰ তুমি কিয় আমাৰ মাজলৈ টানি আনিলা? তুমিতো আজিৰ মানুহ! এই একৈশ শতিকাৰ মানুহ।'

বিষ্ণুপ্ৰিয়াই নিজৰ মাজতে ভোৰভোৰালে। কেৱল নিজৰ মাজতে তাই বহুত কথাই পাতে আজিকালি ছাঁদৰ ওপৰত অকলশৰে নিজানত। পাঁচ বছৰ! এৰা, কম সময় নাছিল সিহঁতৰ বাবে, এজনে আনজনক বুজিবৰ বাবে। কিন্তু শেষত গৈ হ'লগৈ সেইখন। উচ্চ-নীচৰ ৰাহিজোৰা নিমিলে বুলি ৰাজনীলৰ মাক-ককায়েকহঁতে দেউতাকক ঘৰত আহি অপমান কৰি গ'ল। ইমান অপমান সহ্য

কৰা যায়নে কেতিয়াবা?

বিষ্ণুপ্ৰিয়াই এটা দীঘল হুমুনিয়াহ এৰিলে। আৰু ৰাজনীল? তাৰ জীৱনত যেন একোৱেই ঘটা নাছিল। কোনো কথাৰ আৰম্ভণি নোহোৱাকৈয়ে সি সলনি কৰিছিল তাৰ মোবাইল নম্বৰ। কিন্তু তাইৰ বাবেতো ইমান সাধাৰণ নহয় পাঁচটা বছৰৰ স্মৃতি পাহৰিবলৈ। হৃদয়খনততো আৰু গেলামালৰ দোকান সজাব পৰা নাযায় যে ইচ্ছা কৰিলেই কোনোবাই বস্তাই বস্তাই মৰম-ভালপোৱা কিনিব পাৰে!

তাই প্ৰতিবাদ কৰিবলৈ লৈছিল নিজৰ মনৰ মাজতেই। ফোন লগাইছিল ৰাজনীললৈ। খহটা মাত এটাৰে কোনোবাই ফোনটো উঠাইছিল।

ঃ মই বিষ্ণুপ্ৰিয়া।

ঃ কি হ'ল পিছে? আঙুঠি পিন্ধিবলৈ সাজু হৈ আছা যেন পাওঁ। কিন্তু আমাৰ ৰাজনীল তোমাক এতিয়া আদৰিবলৈ নাযায়।

তাই ফোনটো থেকেচ মাৰি থৈছিল। খঙত, অভিমানত সৰ্‌সৰকৈ বাগৰিছিল চকুপানী।

অন্য এদিনৰ কথা। তাই নিলাজৰ দৰে আকৌ ফোন লগাইছিল সিহঁতৰ ঘৰলৈ।

ঃ লাজ চৰম নাই নেকি তোমাৰ হাঁ? ইমানবোৰ অপমান পোৱাৰ পাছতো! ল'ৰা পাগল ক'ৰবাৰ।

ঃ ফোনটো ৰাজনীলক দিলে মই বেছি ভাল পাম।

ঃ অ' এইবাৰ তেনেহ'লে আকৌ নতুন কৌশল তাক প্ৰেমৰ জালত বন্দী কৰিবলৈ। শুনা তাৰ সৈতে মোৰ তেজৰ সম্বন্ধ আছে। মই তাৰ বায়েক হয়। তাৰ ওপৰত মোৰ অধিকাৰ আছে। তুমি কি অধিকাৰত তালৈ ফোন লগাইছা?

ঃ হৃদয়ৰ দাবী!

কণ্ঠ নহয় যেন আত্মাৰ পৰাহে ওলাইছিল এই কথা। তাই কৈছিল—

ঃ আজি পাঁচটা বছৰে আপোনাৰ সৈতে তেজৰ সম্বন্ধ থকা ভায়েকেহে মোৰ সৈতে প্ৰেমৰ নাটক কৰিলে। এতিয়া নাটকৰ আঁৰ কাপোৰ পৰিলতো। খেলা খতম্। মই কেতিয়াও এনে হ'বলৈ নিদিওঁ।

ঃ কি... কি... ক'লা তুমি? আকৌ এবাৰ কোৱাচোন।

ঃ মোৰ সৈতে তুমি তৰ্ক কৰিবলৈ আহিছা?

ঃ তৰ্ক নহয়... যুক্তিৰ খাটিৰত কথাবোৰ এবাৰ জুকিয়াই চোৱা ভাল। এগৰাকী শিক্ষিতা তিৰোতা হৈ ঘৰৰ মানুহবোৰক আপুনি এবাৰো কিয় নুবুজালে যে আজিৰ সমাজত এইবোৰ উচ্চ-নীচ ভাব নাই? আগতে মানুহবোৰে নাজানিছিল, সমাজে যি আজ্ঞা দিয়ে তাকে আইনৰ দৰে মানিছিল। কিন্তু সমাজৰ এই ভুল নীতি-নিয়মবোৰৰ বাবে যে আজিও কিমানজনে বিচ্ছেদৰ যন্ত্ৰণাত ভুগিছে তাৰ কিবা খবৰ আছেনে? হিন্দু, মুছলিম, শিখ বা অন্যান্য সম্প্ৰদায়ৰ কথাটো ক'বই নোৱাৰি, নিজৰ সাম্প্ৰদায়িক গোটবোৰৰ মাজতে দেখোন মতভেদ। যেনে ধৰক আপোনালোক ব্ৰাহ্মণ, আমি শূদ্ৰ। কিন্তু আমিতো হিন্দু ধৰ্মৰে মানুহ নহয় জানো?

ঃ চুপ থাকা, চুপ থাকা। অভদ্ৰ ছোৱালী। শিষ্টাচাৰৰ সাধাৰণ জ্ঞানকনো তোমাৰ নাই। ডাঙৰৰ মুখে মুখে যুক্তি দিবলৈ আহিছা?

ঃ মনে মনে থাকক। আপোনাৰ বাবে শিক্ষা ড্ৰয়িং ৰুমত সজোৱা আহিলা হ'ব পাৰে; মোৰ বাবে কিন্তু নহয়। কাৰণ জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে আমি সকলো ভাৰতীয় নাগৰিক। আমাৰ সংবিধানে, আমাৰ পাঠ্যপুথিয়ে আমাক ইয়াকে শিকাইছে। আজি ইমান বছৰৰ শিক্ষাৰ ফচল কি এয়াই নেকি? আপোনাৰ শিক্ষাই সমাজলৈ কি নতুনত্ব আনিলে? ভাৱি চাওক।

ঃ তুমি মোক শিক্ষা দিব নালাগে বিষ্ণুপ্ৰিয়া। এটা কথা জানি থবা যে প্ৰাপ্তিয়ে জীৱনৰ শেষ কথা নহয় আৰু প্ৰেম মানেও বিবাহ নহয়।

ঃ কিন্তু মানুহেতো প্ৰাপ্তিৰ বাবেই জীয়াই থাকে। প্ৰাপ্তিৰ বাবেই মানুহে সংগ্ৰাম নকৰে জানো? আৰু ... আপুনি প্ৰেমৰ কথা কৈছে আপুনি। মোৰ হাঁহি উঠি গৈছে মিছ ৰাজসূয়া দেৱী। সকলো যুক্তি তৰ্কৰ পৰা আঁতৰি আপুনি হঠাতে কিয় এনেকৈ ক'লে? শুনক তেনেহ'লে যি প্ৰেমৰ বাবে (একপক্ষীয় বা ক্ষন্তেকীয়া প্ৰেমৰ বাবে নহয়) এজনে আনজনৰ অবিহনে জীয়াই থাকিব নোৱাৰে, সেই প্ৰেমৰ পৰিণতিতো বিবাহ হ'বই লাগিব। মোৰে এজন সম্বন্ধীয় খুড়াই এই প্ৰেমৰ বাবেই ঘৰ সংসাৰৰ প্ৰতি উদাসীন হৈ এতিয়াও বিৰহী জীৱন কটাই আছে। জীৱনত অন্য নাৰীৰ কথা তেখেতে দেখোন ভাবিবই নোৱাৰিলে। প্ৰেম এপাত

শক্তিশালী অস্ত্র জানেনে? গতিকে আপুনি মোক নীতিশিক্ষা নিদিলেও হ'ব।

বিষ্ণুপ্ৰিয়াই খঙতে ফোপাইছিল। ৰাজসূয়া দেৱীয়ে ফোনটো ৰাখিছিল। সৰ্বসৰাই বিষ্ণুপ্ৰিয়াৰ দুগালেদি চকুলো সৰিছিল।

কিয় এনে হ'ল তাইৰ জীৱনত? কিয়....? চনকা কাঁচৰ দৰে এনেকৈয়ে ভাগেনে সপোন? সপোন হেৰুওৱাৰ যন্ত্ৰণাত তাই উজাগৰে ৰৈছিল। খোৱা-বোৱা কৰাটো দূৰৰে কথা। খোৱা বস্তুৰ গোন্ধ পালেই তাইৰ ওকালি আহিব খুজিছিল। ৰাজনীলৰ অবিহনে যেন তাই হৈ পৰিছিল মৰি মৰি জীয়াই থকা এজনী অসহায় নাৰী।

ঃ পাহৰি যোৱা মামুন। পাহৰি যোৱা। অলপ হ'লেও মোৰ কথা ভাবাচোন তুমি।

কপালত হাত বুলাইছিল দেউতাকে।

ঃ তোমাৰ মাৰাৰ অবিহনেই জানো মই তোমাক ডাঙৰ কৰা নাই? এনেদৰে মন মাৰি থাকি মোক কষ্ট নিদিবা মামুন।

কিন্তু আজি হঠাতে দেউতাকৰ ড্ৰয়াৰত পোৱা আলপিনেৰে খুচি শৰবিদ্ধ কৰি পেলোৱা ডায়েৰীখনৰ কেইটা মান পৃষ্ঠাই তাইৰ জীৱনৰ এটা ডাঙৰ ৰহস্য উন্মোচন কৰিলে। দেউতাকৰ সৈতে তাইৰ কোনো তেজৰ সম্বন্ধ নাই? আচৰিত! ইমান আদৰেৰে যিজন মানুহে তাইক ডাঙৰ কৰিছে, সেইজন মানুহৰ সৈতে তাইৰ তেজৰ কোনো ধৰণৰ সম্বন্ধ নাই? বিষ্ণুপ্ৰিয়াৰ বুকুখন উকা উকা লাগিল।

কিন্তু তাতোতকৈ ডাঙৰ কথা হ'ল যে সুব্ৰত বৰুৱা মানে তাইৰ দেউতাক এজন অবিবাহিত ব্যক্তি। ডায়েৰীখনৰ অন্য এক পৃষ্ঠাত তাইৰ দৃষ্টি থৰ হৈ ৰ'ল।

'সাধাৰণ এটা জ্বৰত ভুগি নয়নাৰ মৃত্যু হোৱাৰ পাছত মই বৰ অকলশৰীয়া হৈ পৰিছিলো। তেনেতে এদিন অফিচৰ পৰা ৰাতি উভতি আহোঁতে ৰাজপথৰ সোঁ মাজত কণমানি শিশু এটা পৰি থকা দেখিলো। কোনোবাই পেলাই থৈ গৈছিল কিজানি কাৰোবাৰ অবৈধ সন্তান আছিল। ৰঙচুৱা কেঁচুৱাটো ঠাণ্ডাত কোঁচমোচ খাই পৰি আছিল। মই আৰু স্থিৰেৰে থাকিব নোৱাৰিলো। মোৰ বিবেকে যেন চিঁয়ৰিছিল এনেকৈ থাকিলে কেঁচুৱাটো মৰি থাকিব, কাউৰী কুকুৰে ভক্ষণ কৰিব। মই অন্তৰাত্মাৰ আহ্বান মানি কেঁচুৱাটো ঘৰলৈ আনি তাৰ প্ৰতিপালন

কৰিছিলো। তাই ছোৱালী আছিল। তাইৰ নাম থ'লো বিষ্ণুপ্ৰিয়া মোৰ হ'বলগীয়া পত্নী নয়নাৰ আকস্মিক মৃত্যুৱে মোক জীৱন প্ৰতি উদাসীন কৰি তুলিছিল। কিন্তু এই অকণমানিজনীয়ে মোক আজি জীয়াই থাকিবলৈ শিকাইছে। এতিয়া তাইয়ে মোন বুকুৰ মাণিকস্বৰূপ। তাইয়ে মোৰ সপোন, মোৰ আশা-ভৰসাৰ একমাত্ৰ স্থল।

কান্দিছিল বিষ্ণুপ্ৰিয়াই। জীৱনৰ প্ৰকৃত ৰহস্য জানি তাই ৰুমৰ পৰা দুৱাৰ বন্ধ কৰি কান্দিছিল। এজন দেৱতুল্য মানুহৰ বাবে তাই কান্দিছিল। শ্ৰদ্ধাত মূৰ দোৱাইছিল তাই সুব্ৰত বৰুৱাৰ প্ৰতি।

অৱশেষত তাই সিদ্ধান্তটো লৈ পেলালে। ৰাজনীল তাইৰ জীৱনলৈ উভতি আহে নে নাহে তাই নাজানে। কিন্তু তাই দেউতাকক কেতিয়াও কষ্ট দিব নোৱাৰে। ইমান এজন উদাৰ মনৰ মানুহক তাই কেতিয়াও অকলশৰীয়াকৈ এৰি ক'তো যাব নোৱাৰে। বিষ্ণুপ্ৰিয়াই মনটো দৃঢ় কৰিলে...।

❑❑❑

# বাঁহীৰ মাত

সংগীতা দাস বৰুৱা

এখন সৰু নৈ। সৰু-ডাঙৰ যিয়েই নহওঁক লাগে নৈয়ে বুকুত স্মৃতিৰ দুৰ্লভ মুকুতা লৈ নীৰৱে প্ৰৱাহিত হৈ থাকে দুৰ্বাৰ গতিৰে। নৈৰ কাযত সুন্দৰ সেউজীয়া পৰিৱেশ। তাৰ ওপৰতে সৰু বাঁহৰ দলং এখন। বাৰিষা নৈখন পানীৰে উপচি পৰে। খৰালি বহুত বালি ওলায়। নৈৰ এইপাৰে বহুত বহুত মানুহে বাস কৰে যদিও সিটো পাৰে জনবসতি সেৰেঙা। নাই বুলিবই পাৰি। দুই-চাৰি ঘৰ অলপ খেতি-বাতিৰে সবল লোক।

এইপাৰে থকাখিনি বিত্তৱান, শিক্ষিত, প্ৰভাৱশালী লোক। কেইবা ঘৰৰ পৰা ডাক্তৰ, উকীল, শিক্ষকেই ঠাইখনৰ নাম উজ্জ্বল কৰিছে। বিদেশত গৈ তাৰ নাগৰিকত্বও লৈছেগৈ। প্ৰত্যেক ঘৰে নিজৰ ল'ৰা-ছোৱালীক উজ্জ্বল ভৱিষ্যত দেখুৱাবলৈ বহুত কষ্ট কৰি আহিছে আৰু সেইমতে সফলো হৈছে।

বাৰিষা নৈখন উফন্দি আহে যদিও সকলোৱে তাৰপৰাই নিজৰ প্ৰয়োজনীয় পানী আনি ঘৰুৱা কাম-কাজ কৰি আহিছে বিজুলী-বাতি হৈছে যদিও পানীকল, পানী-মটৰ আদিৰ ব্যৱস্থা এতিয়াও হোৱা নাই। পানী অবিহনে জীৱন অসম্ভৱ। বাৰিষা পানী অনা ঘাট পিচল হ'লেও কষ্ট কৰিয়েই সকলো চলি থাকে।

নৈৰ সিপাৰত ঘাটতে বহি ডেকাল'ৰা এজনে কৰুণ সুৰত বাঁহী বজায় সদায় ৰাতিপুৱা-গধূলি। এইপাৰৰ পৰা তাৰ মুখখন ভালদৰে মনিব নোৱাৰি যদিও ঠাইখন নিজান বাবে বাঁহীৰ মাতটো সৰুকৈ হ'লেও শুনা যায়। শুনি কিবা বৰ ভাললাগে। বাঁহীৰ সুৰে যি কোনো মানুহকে মাতাল কৰিব পাৰে। বাঁহীৰ সুৰত মতলীয়াহৈ কবিতাৰ আৰু গানৰ সৃষ্টি হয়। বাঁহীৰ কোমল মাতত জোনাক সৰি পৰে। তাতে যদি চিপ্ চিপ্ বৰষুণ দিয়ে, তেতিয়াতো নৈৰপাৰত বাঁহীৰ মাতে আৰু বেলেগ ৰূপ লয়। বগা ধূতি, বগা হাতদীঘল গেঞ্জী আৰু মূৰত-কঁকালত গামোচা এখনেৰে বাঁহী বজাই থকা ল'ৰাটোক ভগৱান শ্ৰীকৃষ্ণৰ লগতহে যেন মিলাব পাৰি।নিৰ্জনতাত বাঁহীৰ সুৰৰ ছন্দই কোনোবা বেলেগ জগতলৈ

যেন টানি লৈ যায়। য'ত অকল শ্ৰীকৃষ্ণই বাঁহী বজাই আৰু ৰাধাই একান্তমনে শ্ৰীকৃষ্ণলৈ চাই-চাই শুনি শুনি মাজে মাজে নাচি থাকে তেনেকুৱা যেন লাগে। — অন্যান্য সকলৰ লগতে এইপাৰৰ পৰা মণিকাও যায় পানী আনিবলৈ ৰাতিপুৱা-গধূলি। কলহ-বাল্টি যিহকে পায় তাতে পানী ভৰায়। কিন্তু পানী নিবলৈ অহা লগৰীবোৰৰ কথা-বতৰাতকৈ তাইক যেন অইন কিহবাইহে বেছি আকৰ্ষণ কৰে। পানী নিবলৈ অহা ছোৱালীবিলাকৰ মাজত বয়সৰ পাৰ্থক্য থাকিলেও সকলোখিনিয়েই যৌৱনমতী গাভৰু। যৌৱন মানুহৰ জীৱনৰ এটা বিশাল অধ্যায়। মানুহৰ জীৱনৰ সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি এই সকলোবোৰ মূলতঃ নিৰ্ভৰ কৰে যৌৱনৰ অমৃতময় সময়খিনি তুমি কোন বাটেৰে আহৰণ কৰিবা। সিদ্ধান্ত ভুল হ'লেই ভুল বাটত ভৰি থব লগা হয়। পিছত পস্তাই থাকিলেও সেইসময় ঘূৰাই পাব নোৱাৰি। এই সময়খিনিতে ঠিক হয় তুমি কেনে মানুহ হ'বা সমাজৰ বাবে নিজৰ বাবে।

পানী আনিবলৈ গৈ সময় কেনি পাৰহৈ যায় মণিকাই ধৰিবই নোৱাৰে, লগৰখিনি কেতিয়াবাই ঘৰ পায়গৈ। তাইৰ মগজুত সেইসময়ত এইটো নেখেলায় যে অকলে অকলে নৈৰ ঘাটত বহি থকাটো কিমান বিপদজনক এজনী পাটগাভৰু ছোৱালীৰ বাবে। তাই মাটিতে কলহটো থৈ তাৰ ওপৰতে কিলাকুটিতো থৈ মন্ত্ৰমুগ্ধ দৃষ্টিৰে নৈৰ সিপাৰৰ বাঁহী বজোৱা ল'ৰাটোলৈ চাই চাই ক'ব নোৱাৰাকৈ কিবা চিন্তাত বিভোৰ হৈ থাকে। পুৱা-গধূলি পানী নিবলৈ আহি বহুত সময় তাই ঘাটতে কটায়। লগৰখিনিয়ে জোকাই কিবা কিবি কয় যদিও তাইৰ সেইফালে মন কাণ নাই। আন্ধাৰ হোৱাৰ আগে আগে ল'ৰাটো যায়গৈ। সদায় একে সময়তে আহে আৰু যায়ো সেই একে সময়তে। সন্ধ্যা হোৱাৰ আগে আগে ল'ৰাটোৰে লৰচৰ কৰিলেহে তাইৰ যেন মোহভংগ হয়। তাই নজানে সি কোন, কি কথা বতৰা একো নাজানে, মাথো তাই তাক দূৰৰ পৰা বাঁহীৰ সুৰৰ সৈতেহে চিনি পায়। তাই মাথো তাইলৈকেহে চাই ৰয় সদায়। মাজত নৈ খনে যদিও বাধাৰ সৃষ্টি কৰে তথাপি সি যেন তাইৰ বহু পুৰণি চিনাকি কোনোবা, তেনেভাৱ হয় তাইৰ মনত।

তাই যৌথ পৰিয়ালত ডাঙৰ হোৱা ছোৱালী। তাইকে ধৰি ঘৰখনত

কেইবাটাও ল'ৰা-ছোৱালী, বৰদেউতা, ককাদেউতা, আইতা, বৰমা, খুৰীদেউ আদি সকলো একেলগে থাকে। ঘৰখনত এটা হুলস্থুলীয়া পৰিৱেশ যদিও ৰাতিপুৱা সন্ধ্যা ককাদেউতাকৰ খৰমৰ শব্দ শুনাৰ লগে লগে সকলো তাপ মাৰে। ল'ৰা-ছোৱালীবিলাককে যতে পাৰে ততে বহি পঢ়া-শুনা কৰিবলৈ লাগি যায়। ৰাতিপুৱা সকলোৱে ল'ৰালৰিকৈ ভাত খাই স্কুল কলেজলৈ কামলৈ ওলায় যায়। আবেলি ঘূৰি আহি ভাত খাই খেলিবলৈ, আম, কঠাল, ৰবাবটেঙা পাৰিবলৈ, খৰি ফালিবলৈ, পানী আনিবলৈ লাগি যায় ভাগে ভাগে। মণিকাই পঢ়া-শুনাতকৈ ঘৰুৱা কামতহে বেছি মন দিয়ে। যেনে - পিঠা- পনা, কাপোৰ ধোৱা, ভাত-পানী বনোৱা, গোসাই ঘৰ পৰিষ্কাৰ কৰা, সন্ধ্যা ধূপ-ধূণা জ্বলোৱা, পানী ইত্যাদি। পৰীক্ষাত বাকীবিলাকতকৈ কম নম্বৰ পাই বাবে তাই গালিও খাই বহুত। পঢ়া-শুনাৰ ক্ষেত্ৰত ককাক বৰদেউতাক মিলিটেৰী অফিচাৰৰ দৰে কাঢ়া। বাকী ল'ৰা-ছোৱালীবিলাকে যি বিচাৰে কিতাপ পত্ৰ, অইন বস্তু তাকে পায়, তাইক যদি কিবা দৰকাৰী বস্তু লাগে বা কিবা খাব খোজে ককাকহঁতে তাইক ওলোটাই প্ৰশ্ন সোধে ভালবস্তু যে খাব খুজিছ আৰু নতুন বস্তু লাগেয়ে তই পৰীক্ষাৰ অংকত কিমান নম্বৰ পাইছিলি কম নম্বৰ পালে একো ভাল বস্তু নাপাবি। তাই সেইফালে পাৰমাৰে। মণিকাই বহুত বস্তু নোহোৱাকৈয়ে চলি চলি আহি ডাঙৰ হ'লহি। তাইতকৈ ডাঙৰ ঘৰৰ বাকীবোৰ ল'ৰা-ছোৱালীবোৰ উন্নত শিক্ষালৈ বেলেগ বেলেগ ঠিকনাত সিঁচৰতি হ'লগৈ। তায়ো যেনে তেনে মহাবিদ্যালয়ৰ দেওনাখন পাৰ হ'লহি যিমান ডাঙৰ হ'লহি যদিও বাঁহী বজোৱা ল'ৰাটোক চাবলৈ যাবলৈ নেৰিলে। যেনে তাইহে পানী আনিবলৈ, কাপোৰ ধুবলৈ নৈলৈ গৈ থাকে। নৈলৈ পানী আনিবলৈ যোৱা তাইৰ লগৰীবোৰো সলনি হ'ল। লাহে লাহে অহুকাণে-পহুকাণে মণিকাই বাঁহী বজোৱা ল'ৰাটোক চাই থকা কথাটো ঘৰৰ মানুহৰ কাণত পৰিলহি। তেওঁলোকে তাইলৈ দৰা বিচাৰিবলৈ আৰম্ভ কৰিলে তলে তলে। ঘৰৰ সৰু আছিল বাবে তাই ইমান দিনে বিয়াত নবহাকৈ চলি আছিল। তাই কাকো একো নক'লে সকলো কথা গম পায়ো। এদিন তাই দেখিলে নৈৰ সিপাৰে চাঙী এখনত মৃতদেহ এটা লৈ এজাক মানুহে খৰি দিছেহি। সেইয়া কোন তাই গম নাপালে আৰু কাকো নুসুধিলে। ঘৰৰ কোনেও এইবিলাক কথাত বৰ মূৰ নঘমায়

সিটো পাৰে কাৰ কি হৈছে বুলি।

কিন্তু তাৰ পাছৰে পৰাই সেই বাঁহী বজোৱা ল'ৰাটো ঘাটলৈ নহা হ'ল। কি হ'ল তাৰ? তাইৰ চট্‌ফটনি বাঢ়ি গ'ল, সি নে সেই মৃতদেহটো তাৰ আছিল নেকি? কাক ক'ব কাক সুধিব তাই...? পানী আনিবলৈ গৈ গৈ তাই দুৰ্বল হৈ পৰিল মানসিক ভাৱে। ইটোপাৰ আৰু এইটো পাৰৰ মাজত যদিও নৈখন হেঙাৰ আছিল আৰু বাঁহৰ দলংখন এখন আছিল যদিও তাকতো আৰু বিচাৰি যাব নোৱাৰি। মনৰ দুখ বাঢ়ি গ'ল দিন যোৱাৰ লগে লগে। তাই ভাগৰি গ'ল চিন্তা কৰি কৰি। তাক নাজানি নুবুজিমাত্ৰ দূৰৰ পৰাই তাক একো সম্পৰ্ক নোহোৱাকৈ অন্তৰত ঠাই দিছিল। তাই আৰু কিমান অপেক্ষা কৰিব। অপেক্ষা কৰাটোও এক ধৰণৰ যন্ত্ৰণাই তাৰ — ওৰ পোলোৱা উচিত। তাইৰ মৰি যাবৰ মন গ'ল, পাৰিলে এতিয়াই — সঁচাকৈয়ে মনৰ দুখতে তাই এদিন কোনেও নেদেখাকৈ সন্ধ্যা সেই নৈখনতে জঁপিয়াই আত্মহত্যা কৰিলে। তাই যে এনেকুৱা ঘটনা ঘটালে ঘৰৰ কোনেও গম নেপালে আৰু নেভাবিলেও তাইনাইকিয়া হোৱাৰ বাবেহে ঘৰত হুলস্থূল লাগিল। তাই ঠাণ্ড প্ৰকৃতিৰ বাবে আত্মহত্যা কৰাৰ কথা কাৰো মনলৈ নাহিল।

পিছদিনা ঢলপুৱাতে অলপ দুৰৈত নৈৰ ঘাটৰ সিটোপাৰে ল'ৰা এজনে ঘাটত গা ধুই থাকোঁতে ছোৱালী এজনী নৈৰ গৰাত লাগি থকা দেখি পানীৰ পৰা দাঙি নি তাৰ নিজৰ ঘৰ পোৱালেগৈ। তাৰ ঘৰৰ মানুহে যিমান পাৰে সেক পোতক দি পেটৰ পানী উলিয়াই তাইক জীয়াই তুলিলে। ভগৱানক প্ৰাৰ্থনা জনালে তাই বাছি যোৱাৰ বাবে। তাইক খোৱা-বোৱা কৰালে, এফালৰ পৰা তাইৰ সকলো কথা মনত পৰিল তাই যে সিটো পাৰৰ ছোৱালী মানুহঘৰে গম পাই তাইক তাই ঘৰলৈ লৈ যাবলৈ ওলাল। ঘৰৰ বয়সস্থ মানুহ গৰাকীয়ে তাইক সকলোৰে লগত চিনাকি কৰা দিলে। শেষত, বৰমইনা বুলি কাৰোবাক নাম ধৰি মতাত বগা ধূতি আৰু হাত দীঘল গেঞ্জী পিন্ধা গামোচা মৰা ল'ৰা এজন ওলালহি। সিহে হেনো তাইক পানীৰ পৰা তুলি নি সিহঁতৰ ঘৰ পোৱাইছিলগৈ। (তাই তাক দেখাৰ লগে লগে চিনি পালে মহূৰ্ততে দেহৰ তেজবোৰ যেন গোটমাৰি মূৰত উঠিলগৈ, ভিতৰি ভিতৰি তাই যেন ঘামি উঠিল।) বয়সস্থ মানুহগৰাকীয়ে লগতে ক'লে যে সি কলা আৰু বোবা, সৰুৰে পৰা সি অকল বাঁহীহে বজায়

থাকে নদীৰ ঘাটত বহি বহি। অলপ দিনৰ আগতে তাৰ মাক ঢুকাইছিল আৰু সি মনৰ বেজাৰতে ঘাটলৈ যোৱা নাই কাৰণ সেই ঘাটতে অন্যান্যসকলৰ লগত গৈ সি মাকক তাতে খৰি দি আহিছিল। তাই অবাক হ'ল ইমান বছৰজোৰা অপেক্ষাৰ পিছত দুচকুৰ মিলন এনেকৈয়ে হয়নে? শুনা কথাবোৰ যেন বিশ্বাস কৰিবই নোৱাৰি তাই শিল এছটাৰ দৰে থৰ লাগিল অবাক হ'ল ওচৰত তাক পাইও মাথোঁ তালৈ চাই ৰ'ল বহুত সময়। ইমান সুন্দৰ তেওঁ যেন ভগৱানৰ আন এটা ৰূপহে কিয় তেওঁ কলা বোবা হ'ল ইমান দিনটো মনটোৱে তেওঁকে বিচাৰি আছিল ক'বলৈ দুয়োৰে বহুত কথাই আছিল কিন্তু কোৱাৰ শক্তি যেন তায়ো হেৰুৱাই পেলাইছিল। কথাখিনি শুনি তাইৰ যেন আশাৰ বন্তিনুমাই গ'ল দেহ মন কলা মেঘে ধৰিলে, মনটো দুখ আৰু বিষাদেৰে উপচি পৰিল। ঈশ্বৰৰ ই কি লীলা, প্ৰভু।

সেই মানুহগৰাকীৰ লগতে আৰু ঘৰৰ দুজনমানে আহি তাইক ঘৰত থৈ গ'ল। আহোঁতে তাই সিহঁতৰ চোতালখন চুই সেৱা এটা কৰি আহিল, সেইঘৰখনতে তাই মুহূৰ্ততে প্ৰাণটোৰ লগতে আৰু বহুত কিবা পাই গ'ল যেন ....। সকলো কথা তেওঁলোকে ককাক বৰদেউতাকক বুজাই ক'লে আৰু তেওঁলোক গ'লগৈ, কিন্তু উদ্ধাৰ কৰিলে যদিও সেই মানুঘৰেও নাজানিলে তাই কেনেকৈনো পানীত পৰিল। বছৰদিয়েকৰ পিচত তাইৰ বিয়াহে গ'ল ঘৰৰ পৰা অলপ দূৰৈত। মাজে মাজে ঘৰলৈ আহে ল'ৰা-ছোৱালী কেইটাৰ সৈতে তাই আজিও নৈৰ ঘাটলৈ যায় কিজানি সি নৈৰ সিপাৰে ঘাটত বহি বহি বাঁহী বজাই আছেহি সেই আশাত কিন্তু নাই তাত সি ঘাটত বহি আজি আৰু কোনেও বাঁহী নবজায়। তাই নিজৰ মনতে সেই সি বহি বহি বাঁহী বজাই থকা ছবিখন কল্পনা কৰি কৰি অলগ সময় ঘাটতে সিপাৰলৈ চাই চাই গুচি আহে। যদিও তাই সাংসাৰিক জঞ্জালত সোমাল, ল'ৰা-ছোৱালীৰ মাক হ'ল কিন্তু কৰবাত কিবা এটা বৰ বেয়াকৈ হেৰাল বুলি আজিও তাই অনুভৱ কৰে। সি ঘাটত বহি বহি বাঁহী বজোৱা ছবিখন আৰু সেই যে সিহঁতৰ ঘৰততাক চিনাকি দিওঁতে সি আহি দুৱাৰৰ দুয়োফালে হাত থৈ তাইৰ মুখামুখিকৈ ৰৈ তাইলৈ যে চাই আছিল (সি ফুটাই ক'ব নোৱাৰিলেও তাই তাৰ চাৱনিতে ঠিকেই বুজি পাইছিল) তাইলৈ সি কিবা এটা অবুজ চাৱনিৰে চাই থকাৰ সময়খিনিৰ কথাটো বাৰে বাৰে তাইৰ মনলৈ আহে। আচলতে কিছুমান

প্ৰতিচ্ছবি ক'ব নোৱাৰাকৈ হৃদয়ত খোদিত হৈ যায় আৰু ছবিখন সদায় তেনেকৈয়ে থাকি যায়। সময় বাগৰিলে যদিও সেই স্মৃতিয়ে আজিও দ্ৰুতগতিত মনত ধৰা দিয়েহি তাইৰ। তাই সদায় ভগৱানক প্ৰাৰ্থনা কৰে — মই তেওঁক একো নাজানি নুবুজি অন্তৰত ঠাই দিছিলো, আজি তেওঁ যে কলা বোবা সেই সত্যটো জানিও তেওঁৰ প্ৰতি আজিও অসন্তুষ্ট হ'ব নোৱাৰিলো, বহুত চেষ্টা কৰিলো তেওঁৰ ছবিখন মনৰপৰা মচিবলৈ কিন্তু তেতিয়াই যেন হৃদয় ভাঙি চুৰমাৰ হৈ যায়, ধাৰাসাৰ চকুপানীহে বয়। সঁচা কথাটো জানিও তেওঁৰ প্ৰতি আজিও অসন্তুষ্ট হ'ব নোৱাৰিলো, বহুত চেষ্টা কৰিলো তেওঁৰ ছবিখন মনৰ পৰা মচিবলৈ কিন্তু তেতিয়াই যেন হৃদয় ভাঙি চুৰমাৰ হৈ যায়। ধাৰাসাৰ চকুপানীহে বয়। সঁচা কথাটো জানিও তেওঁক বেয়া পাব নোৱাৰিলো, যদিও মই সাংসাৰিক হ'লো তথাপিও মই তেওঁৰ ছবি মচিব নোৱাৰিলো, জানো এইটোও হয়তো অপৰাধ, সংসাৰত সোমাই আনৰ কথা ভবাটো উচিত নহয়। জানো মই তেওঁক আজি আৰু নিজৰ কৰি নাপাওঁ যদি মই বিয়া কৰিলোহেঁতেন মোৰ সংসাৰৰ ভৱিষ্যত কি হ'লহেঁতেন? তেওঁ প্ৰতিবন্ধি, অশিক্ষিত, কৰ্মহীন, তেওঁৰ বাঁহী বজোৱা ৰূপটোৰ বাহিৰে অইন একো নাই। কথাটো স্বাৰ্থপৰ যেন লাগিলেও একেবাৰে সঁচা। সংসাৰ চলাবলৈ বহুত বস্তুৰ প্ৰয়োজন শিক্ষা-দীক্ষা, টকা-পইচা, ঘৰ-দুৱাৰ মান-সন্মান, খাদ্য, বস্ত্ৰ, সমাজ এইবোৰৰ কিনো দিব পাৰিলেহেঁতেন সি? তথাপি একো নাজানি দূৰৰ পৰা বাঁহীৰ মাত শুনি শুনি মোৰ তেওঁক ভাল লাগিছিল। নৈখনে নহ'লেও অদৃশ্যই আমাৰ দুয়োকে দুফালে জীৱনকালৰ বাবে বেলেগে ৰাখি থ'লে। আজি মোৰ সকলো আছে — তাক নোপোৱাৰ বাবে কোনো আক্ষেপ নাই এতিয়া। কিন্তু তেতিয়াৰ পৰা আজিলৈকে এবাৰ মাথোঁ এবাৰ তাক যদি মই বাঁহী বজোৱা ৰূপতে এবাৰ দেখিলোহেঁতেন প্ৰভু! তেওঁ যেন সদায় ভালে থাকে, যেনে তেনে এসাঁজ সুখৰ ভাত খাই জীয়াই থাকে (কাৰণ মই নিজেই দেখি আহিছো। সিহঁতৰ আৰ্থিক অৱস্থাটো) মইটো প্ৰভু মোৰ সংসাৰলৈ গুচি যাম তেওঁৰ স্মৃতি লৈয়ে জীয়াই থাকিম নিঃসংগতাৰ সময়খিনিত প্ৰভু তেওঁক ভালে ৰাখিবা, ভগৱানক সেৱা জনাবলৈ গৈ তাইৰ দীঘল হুমুনিয়াহ এটাহে ওলায় আহে আজিকালি...... ।□□

# অৰ্দ্ধাংগিনী

প্ৰতীক্ষা ফুকন

আজি ৰাতিপুৱাৰে পৰা ব্ৰজেন বৰুৱাৰ আনন্দৰ সীমা নাই। পৰিবাৰ জেউতি বৰুৱাক ইটো সিটো কামৰ দিহা দিয়াৰ পৰা আৰম্ভ কৰি কাম কৰা ল'ৰা ৰমেনক কিবাকিবি সৰুসুৰা বস্তু আনিবৰ বাবে ইতিমধ্যে কেইবাবাৰো বজাৰলৈ পঠাইছে। আচলতে যোৱা এসপ্তাহে সেই বিশেষ খবৰটোৱে বৰুৱাক ইমানেই সুখী কৰি ৰাখিছে যে আমনি পালেও জেউতি বৰুৱা আৰু ৰমেন কোনেও তেওঁক একো কথাতে বাধা দিয়া নাই। বহুদিনৰ মূৰত যেন ঘৰখনে প্ৰাণ পাই উঠিছে। আৰু ইয়াৰ একমাত্ৰ কাৰণ হ'ল ব্ৰজেন বৰুৱাই পোৱা সেই বিশেষ খবৰটো।

চাহ দুকাপ হাতত লৈ জেউতি আহি তেওঁৰ কাষত বহিলহি। চাহ খোৱাৰ মাজতে আঁৰ চকুৰে তেওঁ গিৰিয়েকলৈ চালে। সদায় খোৱাৰ দৰে আজিও ব্ৰজেন বৰুৱাই একান্ত মনেৰে চাহ খোৱাত লাগিল। ব্ৰজেন বৰুৱাৰ বহু বেছি বয়স নহলেও তেওঁক বহুত বয়সীয়াল যেন লাগিল তেওঁৰ। দুই-এষাৰ কথা পাতি জেউতি বৰুৱা ভিতৰলৈ গুচি আহিল। ব্ৰজেন বৰুৱাক সুখী দেখি জেউতিৰো মনটো ভাল লাগিল। কিন্তু মুহূৰ্ত্তৰ ভিতৰতে এক অনামী আৱেগে মনৰ ভিতৰখন তোলপাৰ লগালে জেউতি বৰুৱাৰ। কিন্তু তেওঁৰ এই আবেগ-অনুভূতি, মনৰ ভিতৰত জমা হৈ থকা অজস্ৰ ক্ষোভ উজাৰি তেওঁ কেতিয়াও কাকো একোকে ক'ব নোৱাৰে, এই কথা স্বয়ং জেউতিয়ে জানে। চল্লিশ বছৰীয়া সাংসাৰিক জীৱনত বৰুৱাৰ বিষয়ে নাজানিবলগীয়া একো কথা বাকী নাই, বৰুৱাই নিজক যিমান বুজি পায়, বৰুৱানীয়ে চাগে তেওঁক তাতকৈ বেছিকৈহে বুজি পায়। সৰু সৰু কথাতে সুখী হোৱা মানুহ ব্ৰজেন বৰুৱা, নিজে নাখাই আনক যঁচা মানুহ। সকলোৰে লগত মিলি থাকি ভালপোৱা মানুহ তেওঁ। বৰুৱাৰ সুখী সুখী লগা মুখখন দেখি বৰুৱানীৰো ভাল লাগিল। বৰুৱাৰ সেই বিশেষ খবৰটোৱে বৰুৱাক কিমান সুখী কৰিছে, সেয়া জেউতিয়ে ব্ৰজেন বৰুৱাৰ মুখলৈ চাইয়ে গম পালে। সেই বিশেষ খবৰটো হ'ল বৰুৱাৰ একমাত্ৰ পুত্ৰ সিদ্ধাৰ্থ কৰ্মসূত্ৰে বিদেশত থাকে,

এসপ্তাহ আগেয়ে সি ঘৰলৈ আহিব বুলি খবৰ পঠাইছে, লগত বোৱাৰীয়েক ইচ্ছা আৰু নাতিনীয়েক জিৰী আহিব, কণমানি জিৰী ককাকৰ আলাসৰ লাড়ু। জিৰীহঁত আহিব বুলিয়ে ব্ৰজেন বৰুৱাৰ উৎসাহৰ অন্ত নাই। পুত্ৰ-বোৱাৰীৰ কাৰণে বিধে বিধে পিঠা-পনা খোৱা-বোৱাকে ধৰি ক'ত কি আয়োজন নিজে নোৱাৰিলেও ৰমেনৰ হতুৱাই বস্তু গোটাইছে। আৰু জিৰীৰ কাৰণেটো ভালৰ ভালটো বিচাৰি বিচাৰি আনিছে। কিমান হেঁপাহ তেওঁৰ নাতিনীয়েকলৈ, একমাত্ৰ বৰুৱানীয়ে বুজে এইষাৰ কথা। মুহূৰ্ত্তৰ ভিতৰতে পুনৰ মনটো গধুৰ হৈ গ'ল জেউতি বৰুৱাৰ তাকেইটো পুত্ৰ-বোৱাৰীয়ে যদি বুজি পালেহেঁতেন ব্ৰজেন বৰুৱাৰ নাতিনীয়েকলৈ থকা মৰম-চেনেহবোৰ। খং উঠে জেউতিৰ সিদ্ধাৰ্থলৈ, এইবাৰ সম্পূৰ্ণ ২ বছৰৰ বিৰতিৰ মূৰত আহিবলৈ লৈছে সিদ্ধাৰ্থহঁত। ইয়াৰ আগৰবাৰ আহোঁতে বোৱাৰীয়েক ইচ্ছাক কাণ চোৰাইছিল অসমলৈ একেবাৰে গুচি অহাবৰ কথা। ইচ্ছা আজিৰ যুগৰ শিক্ষিতা ছোৱালী, তাই তেতিয়া সিদ্ধাৰ্থৰ চাকৰিৰ দায়িত্ব-সফলতা, তাৰ পদবীৰ গুৰুত্বৰ কথা কয়। তাৰ দৰমহাৰ খতিয়ান দাঙি ধৰে, জিৰীৰ ভৱিষ্যতৰ কথা কয়। ইচ্ছাক বুজি পায় জেউতি বৰুৱাই। একো ক'ব নোৱাৰা হৈ যায় তেওঁ। পুত্ৰক কাষত নোপোৱাৰ দুখে তেওঁকো দহি নিয়ে কিন্তু নিশ্চুপ হৈ ৰয় তেওঁ, ব্ৰজেন বৰুৱাৰ মুখলৈ চাই নীৰৱে সকলো সহ্য কৰে তেওঁ, ব্ৰজেন বৰুৱাৰ আগত সেয়ে পৰাপক্ষত একোৱে নকয় তেওঁ।

জেউতিয়ে জানে ব্ৰজেন বৰুৱাইও আশা কৰে, তেওঁৰ সমবয়সীয়া কাকতি, শৰ্মাহঁতৰ দৰে তেওঁলোকৰ ঘৰখনো পূৰ্ণ হৈ থাকক। কণমানি জিৰীৰ কথাৰে মুখৰিত হৈ ৰওঁক প্ৰতিটো পুৱা-গধূলি।

জেউতিৰ মনত পৰে সিদ্ধাৰ্থ সৰু হৈ থাকোঁতে, বাৰীত বিধে বিধে ফলমূল ৰুইছিল তেওঁ, উঠি অহা ল'ৰা-ছোৱালীয়ে বতৰৰ ফলকেইটা খাবলৈ পাব সেইটো হেঁপাহতে বহুতো ফলৰ পুলি আনিছিল। শিক্ষকতা কৰা ব্ৰজেন বৰুৱাই স্কুলখন আৰু আজৰি সময়ত বাৰীখনৰ মাজত ব্যস্ত হৈ থাকি ভাল পাইছিল। আৰু এতিয়া সেইজন মানুহ আগফালৰ সৰু বাৰাণ্ডাখনত থকা বেতৰ চকীখনৰ ওপৰত বহি বাতৰি কাগজ পঢ়ে, অৱসৰ লোৱা কিছু বছৰ হ'ল তেওঁৰ, সেয়ে একো ব্যস্ততাও নাই। জেউতিয়ে যি দিব তাকেই একো বাক্য নকৰাকৈ

গ্ৰহণ কৰিব আৰু একো নহ'লে আগফালৰ বাটেৰে যোৱা মানুহ চাব। জেউতিয়ে বুজে তেওঁক, তেওঁৰ ভিতৰৰ মানুহজনক, মুখ ফুটাই একো নকলেও জেউতিয়ে জানে, ব্ৰজেন বৰুৱা জেউতিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল, তেখেতে কেতিয়াও নকয় জেউতিক, কিন্তু জেউতি নহ'লে পুৱাৰ চাহ কাপো নাখায় তেওঁ, জেউতি অবিহনে যে তেওঁৰ পৃথিৱীখন আধৰুৱা, আন্ধাৰ সকলো বুজে। জেউতিয়ে সেয়ে তেওঁক এৰি থৈ থকাকৈ কলৈকো নাযায় জেউতি বৰুৱা।

জেউতিৰ মনত পৰে ইচ্ছা সিদ্ধাৰ্থৰ আহিব লগা সন্তানৰ কথা শুনি তেওঁৰ মুখত এক প্ৰশান্তিৰ ছবি দেখিছিল জেউতিয়ে, নাতিনীয়েকক প্ৰথমবাৰৰ বাবে কোলাত লৈ তেওঁৰে নাম দিছিল জিৰী, জিৰীমা, সেই সময়ত তেওঁ যি অনুভৱ কৰিছিল সেয়া নক'লেও বুজিছিল জেউতিয়ে।

কিন্তু এতিয়া সেইবোৰ মাথোঁ অতীত, অতীতৰ এক পৃষ্ঠা। এতিয়া বহুদিনৰ মূৰতহে ব্ৰজেন বৰুৱাৰ মুখত হাঁহি দেখা পায় জেউতিয়ে সিদ্ধাৰ্থ সৰু হৈ থাকোঁতে লগোৱা ফলমূলৰ গছসমূহ পিছলৈ যেন মাথোঁ ব্ৰজেন বৰুৱাৰ স্নেহৰ স্বাক্ষৰ বহন কৰি থিয় দি আছিল। ৰমেনক কৈ কেতিয়াবা জেউতিয়ে গোটাই আনি থ'লেও খাওঁতা কোনো নাছিল। গছৰ ফল কেতিয়াবা চুবুৰীয়াই নিছিল নহ'লে গছতে পকি সৰি গৈছিল।

আগেয়ে সকলোৰে মাজত সোমাই থকা সকলোকে মৰম কৰা ব্ৰজেন বৰুৱা এতিয়া যেন নিসংগ। বাৰাণ্ডাত বহি আলিবাটৰ মানুহ চাই থকা ব্ৰজেন বৰুৱা যেন এজন অন্য যুগৰ মানুহ, যেন এক প্ৰস্তৰ মূৰ্তি। জেউতিয়েও চেষ্টা নকৰা নহয়, ঘৰখনৰ এই নিমাওমাও পৰিৱেশৰ সলনি কৰিবলৈ। কিন্তু একো পৰিৱৰ্তন নঘটে। ব্ৰজেন বৰুৱা আগৰ দৰেই বৈ থাকে, যেন এক শিলাখণ্ড। সকলো চিন্তা-ভাবনা যেন হেৰাই গ'ল - তেওঁৰ। একেখন ঘৰত থাকিও যেন এক দূৰত্বত অৱস্থান কৰে তেওঁ। আপ্ৰাণ চেষ্টা কৰে জেউতিয়ে ব্ৰজেন বৰুৱাক আগৰ দৰে চাবলৈ। পত্নী হিচাপে, সকলো দায়িত্ব আৰু কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰে তেওঁ, তথাপি ব্ৰজেন বৰুৱা নিমাত। ঘৰখনত বিৰাজ কৰে মাথোঁ শূন্যতা। আৰু সেইজন বৰুৱাই আজি এসপ্তাহে পুত্ৰ-বোৱাৰী-নাতিনী অহাৰ আনন্দত জেউতি আৰু ৰমেনক ব্যস্ত কৰি ৰাখিছে। ঘৰখনলৈ যেন প্ৰাণ ঘূৰি

আহিছে, সেয়ে আমনি পালেও ৰমেনে একো কোৱা নাই, কষ্ট পালেও জেউতিয়ে পাৰে মানে সকলো ব্ৰজেন বৰুৱাৰ মতে কৰিছে, নিজৰ ককাঁলৰ বিষ আওকাণ কৰি হ'লেও টাকুৰী ঘূৰাদি ঘূৰিছে জেউতি কাৰণ যিদিনা ব্ৰজেন বৰুৱাই জেউতিক সমাজৰ আগত অগ্নিক সাক্ষী কৰি পত্নীৰ মৰ্যাদা দিছিল, সেই নিশা জেউতিয়ে তেখেতৰ ভৰি চুই সেৱা কৰিব লওঁতে তেওঁ কৈছিল, "মই তোমাৰ স্বামী, দেৱতা নহয় আৰু তুমি মোৰ পত্নী, মোৰ অৰ্ধাংগিনী।" সেই দিন ধৰি জেউতিয়ে নিজকে ব্ৰজেন বৰুৱাৰ আধা অংশ হিচাপে মানি আহিছে, স্বামী-শহুৰ- শাহু কাকো কোনো কথাতে কেতিয়াও অসন্তোষে হ'বলৈ সুবিধা নিদিলে জেউতিয়ে। ব্ৰজেন বৰুৱাৰ লগত সম্পৰ্কিত সকলোকে নিজৰ কৰি ল'লে খুব সোনকালেই। কাৰণ জেউতি ব্ৰজেন বৰুৱাৰ পত্নী, তেখেতৰ সুখ-দুখৰ সংগী। সেয়ে তেখেতৰ মৌনতা সহ্য নহয় জেউতিৰ, তেখেতৰ অন্তৰৰ বেদনাক আঁতৰ কৰিবলৈ সেয়ে যিকোনো কাম কৰিবলৈ সদা প্ৰস্তুত জেউতি বৰুৱা। জেউতিয়ে জানে, এয়া সিদ্ধাৰ্থৰ দোষ নহয়, ইচ্ছাৰো নহয়, এয়া দোষ সময়ৰ, বৰ্তমানৰ পৃথিৱীত সকলো ব্যস্ত, সকলো আগবাঢ়ি গৈছে আৰু তাৰ মাজতে লগত থাকিও পাছ পৰি ৰৈছে, ব্ৰজেন বৰুৱাৰ দৰে মানুহবোৰ। তেওঁ ঠিক কৰিলে এইবাৰ সিদ্ধাৰ্থ বা ইচ্ছা কাকো তেওঁ অসমলৈ একেবাৰে অহাৰ কথা নকয়। ব্ৰজেন বৰুৱাৰ নিৰৱতা আৰু তেওঁ সহিব নোৱাৰে, এইবাৰৰ পৰা তেওঁ অলপো চেষ্টাৰ ত্ৰুটী নকৰে, ব্ৰজেন বৰুৱাক সুখী কৰিবলৈ। কাৰণ জেউতি ব্ৰজেন বৰুৱাৰ পত্নী, তেওঁৰ আধা অংশ, তেওঁৰ অৰ্ধাংগিনী।

□□□

# হেৰুৱা ছন্দ বিচাৰি

উপাসনা নাথ

*পাখি পাখি এই মন*
*পাখি লগা মোৰ মন*
*পাখি মেলি যা উৰি....।*

দূৰৈৰ পৰা ভাঁহি অহা গানৰ অস্পষ্ট শব্দবোৰত ক্ষন্তেক সময় স্তম্ভিত হৈ ৰৈ গ'ল ৰাজনন্দিনী। হয় কোনোবাই গীটাৰৰ ষ্ট্ৰীঙত আঙুলি বুলাইছে। দৰাচলতে অহা সপ্তাহৰ পৰা নন্দিনীহঁতৰ কলেজৰ বাৰ্ষিক সপ্তাহ হ'ব। সেয়েহে চাৰিওফালে এক কৰ্মোৎসৱৰ পৰিবেশ। ৰাজনন্দিনীয়ে নিজেও এই সকলোবোৰৰ মাদকতা উপভোগ কৰিছে কিন্তু নিজাকৈহে একোতে অংশগ্ৰহণ কৰা নাই। যোৰহাটৰ এখন নামজ্বলা কলেজৰ ছাত্ৰী ৰাজনন্দিনী বৰুৱা। ঘৰৰ পৰা কলেজখন কিছু দূৰ হোৱাৰ বাবে তাই হোষ্টেলত থাকি পঢ়িছে আৰু খুব কম সময়তে হোষ্টেলৰ আটাইতকৈ 'ঠাণ্ডা ছোৱালী' বুলি জনাজাত হৈ পৰিছে।

আজি কেমেষ্ট্ৰী মেজৰৰ প্ৰথম পেপাৰ অৰগেনিকৰ ক্লাছটো শেষ কৰি কলেজ বিল্ডিঙৰ লগতে থকা হোষ্টেললৈ ৰাওনা হৈছিল। কিন্তু এচুকৰ পৰা ভাঁহি অহা গানৰ শব্দবোৰে তাইক ৰৈ যাবলৈ বাধ্য কৰোৱালে। দৌৰি যোৱাদি গৈ তাই ক্লাছটোৰ কাষ পাই চাবলৈ চেষ্টা কৰিলে কোনে সেই গীটাৰ বজাইছে! সেই একেই সুৰ, একোটা ধ্বনিতে.. অনুৰাগ ছাৰ নহয়তো ? তাই ভালকৈ চাবলৈ ধৰে, নহয় সেয়া অনুৰাগ ছাৰ। মনৰ মাজত যেন তেতিয়ালৈ এক যুদ্ধ চলি শেষ হৈছিল। হোষ্টেললৈ আহি ফ্ৰেছ হৈ লৈ হাতত চাহৰ কাপটো লৈ খিৰিকীৰ কাষত থিয় হৈ ৰ'ল। ক্ৰমাশঃ চকুৰ আগত ভাঁহি - উঠিবলৈ ল'লে এটা সৰু স্কুলঘৰ, কেইটামান সৰু ল'ৰা- ছোৱালী আৰু দুকুৰি বয়সে গৰকা এজন মানুহ। হয় সেই মানুহজন অনুৰাগ ছাৰ আছিল। নন্দিনীহঁতৰ অঞ্চলৰ আটাইতকৈ শ্ৰদ্ধাভাজন মানুহজন আছিল তেওঁ। নন্দিনীৰ লগতে আন বহুত ল'ৰা-ছোৱালীক যি ছবি আঁকিবলৈ শিকাইছিল, গীটাৰত সুৰ সৃষ্টি কৰিবলৈ হয়তো যন্ত্ৰই দিয়া

যান্ত্ৰণাবোৰৰ লগত সেই বয়সৰে পৰা মিলা-মিছা কৰিবলৈ। কিন্তু সিহঁত ডাঙৰ হোৱাৰ লগে লগে ব্যস্ততাৰ মাজতে কোনোবাদিনা হেৰাই গৈছিল সেই মানুহজন।

আবেলি ৰূমমেট ৰূপালীয়ে তাইক মনে মনে থকা দেখি ফুৰিবলৈ তাইক লগ ধৰিলে কিন্তু তাই তেতিয়াও সেই অতীততে ডুব গৈ আছিল। এইজনী চঞ্চল ৰূপালীয়ে সদায় তাইক কয় এই যে লাইফটো নহয় যেন কেমেষ্ট্ৰী প্ৰেক্টিকেলহে। চাচোন প্ৰেক্টিকেলবোৰত ৰেডিকেল উলিয়াব দিয়ে সবফালে মাইণ্ডটো এক্টিভ কৰি থ'ব লাগিব তই, নৈফেক্ট কেতিয়া কিটো দিব লাগিব সেইটোও মনত ৰাখিব লাগিব। লাইফৰো প্ৰব্লেম এনেকুৱাই। সৱধানে একেসময়তে মন দিব লাগিব। নহ'লে ফুচ। ৰাজনন্দিনীৰ এইজনীয়েই একমাত্ৰ বান্ধৱী যাৰ আগত তাই নিৰ্বিঘ্নে সকলো ক'ব পাৰে। যেনেদৰে কেইবছৰমান আগতে লোপামুদ্ৰা শইকীয়া নামৰ তাইতকৈ ছটা বছৰে ডাঙৰ ছোৱালীজনীৰ আগত পাৰিছিল।

লোপামুদ্ৰা শইকীয়া, সেই অঞ্চলৰ মেধাবী ছোৱালীজনী যি সকলো সময়তে প্ৰাণৱন্ত হৈ জীৱন অংকৰ সকলো হিচাব নিকাচ কৰিছিল।

সেই সময়ত ৰাজনন্দিনী ব্যস্ত হৈ পৰিছিল নিজৰ কেৰিয়াৰ গঢ়িবলৈ অৰ্থাৎ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে। ছবি আঁকি, গান গাবলৈ ভালপোৱা ছোৱালীজনীৰ জীৱন পৰিচালিত হৈছিল Archimedes Principal অথবা Periodic Table ৰ জৰিয়তে। উপন্যাস পঢ়ি ভাল ছোৱালীজনীয়ে মুখ গুজি ৰৈছিল Mendelian Law and Darwin Origin ত। আৰু সেই সময়তে লোপা মুদ্ৰা শইকীয়াই তাইক সংগ দিছিল। কেতিয়াবা ম'ম' হাউচত ম'ম্ৰ' নাইবা চাৰিআলিৰ কৰ্ণাৰৰ দোকানত ফুচকা খুৱাইছিলগৈ তাইক আৰু ম'বাইলেৰে নিৰ্ৰবিছিন্ন ভাবে ফটো তুলিছিল সন্ধ্যা সময়ৰ বেলিটোৰ, উভতি অহা গৰুৰ জাকটোৰ। সেই লোপামুদ্ৰা শইকীয়াৰ হোষ্টেলৰ পাঁচ নম্বৰ মহলাৰ পৰা পৰি মৃত্যু হৈছিল। কিছুমানে কৈছিল সেয়া আত্মহত্যা আৰু আন কোনোবাই কৈছিল সেয়া এক প্লেনড মাৰ্ডাৰ। তাই একো শুনা নাছিল। কেৱল এম বি পাৰফিউমৰ সুগন্ধ বিয়পাই থকা ছোৱালীজনীৰ পৰা উফৰি অহা বিভৎস গোন্ধটো তাই সহ্য কৰিব পৰা নাছিল। কাষতে শইকীয়ানী বৰমাকক এজুম মহিলাই ধৰি ৰাখিবৰ

চেষ্টা কৰিছিল আৰু আনটো কাষে তাইৰ লোপামুদ্ৰাৰ বাৰ বিশেষ বন্ধু অৰুণাভ দাদাকক। গুণ-গুণনিবোৰে তাইৰ কাষত যেন তীব্ৰ শব্দৰ সৃষ্টি কৰিছিলে আৰু চিঞৰি উঠিছিল লোপামুদ্ৰা বাই আত্মহত্যা কৰিব নোৱাৰে, কেতিয়াও নোৱাৰে বুলি। ক্ৰমাৎ চহৰখনে পাহৰি পেলাইছিল সেই প্ৰাণৱন্ত হাঁহিমুখীয়া ছোৱালীজনীক। নন্দিনীও ব্যস্ত হ'বলৈ ধৰিছিল তাইৰ নতুন জীৱনটোৰ লগত।

কেইদিনমান পাছত সিহঁতৰ কলেজ সপ্তাহ পাৰ হৈ গ'ল। তাৰ পাছতে সিহঁতক নতুনকৈ ইংৰাজী পঢ়ুৱাবলৈ প্ৰবক্তা এগৰাকী আহিল। তেওঁ সপ্তাহত এটাকৈ ক্লাছ পাইছিল। প্ৰথমদিনা আহিয়েই তেওঁ সকলোকে মেজৰ বিষয়টোনো কিয় পঢ়িব লাগে সেয়া সুধিলে।

এয়াই চাগে নন্দিনীহঁতক প্ৰথম কোনোবাই সুধিছিল। উত্তৰত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মেজৰ বিষয়ৰ গুৰুত্ব সমূহৰ বিষয়ে ক'লে। কিন্তু মুখখন দেখিয়েই গম পোৱা গ'ল যে তেওঁ সন্তুষ্ট হোৱা নাই। তেওঁ ক'লে যে হয় সকলোবোৰ বিষয়ৰে নিজা নিজা চাহিদা আছে। কিন্তু প্ৰথমে এই বিষয়টোক ভাল পাব লাগিব, তেতিয়াহে সেই ক্ষেত্ৰখনে তোমাক অন্তঃকৰণৰে আদৰি ল'ব। প্ৰথমবাৰৰ বাবে নন্দিনীৰ কৌতূহল জাগি উঠিল। ষ্ট্ৰেইট চুলি আৰু তিৰবিৰাই থকা চকু দুটিৰে মুখখন যেন কাৰোবাৰ লগত মিল আছে। আৰু তেওঁ কথাবোৰো যেন আন কোনোবাই কোৱা। নন্দিনীয়ে অধিক আগ্ৰহেৰে শিক্ষয়িত্ৰী গৰাকীয়ে কোৱা কথাবোৰ শুনি গ'ল। কাৰণ তেওঁ তাইৰ লোপামুদ্ৰা বা অনুৰাগ ছাৰৰ দৰে কথা কৈছে। বহু বছৰৰ আগতেই তাই হেৰুৱাই থৈ অহা জীৱনৰ ছন্দ হঠাতে ঘূৰাই পালে। ক্ৰমশঃ ৰাজনন্দিনী বৰুৱাই কলেজীয়া ছোৱালীজনীৰ পোছাক আঁৰি সৰু স্কুলঘৰটোৰ আগত ফুটুকীয়া ফ্ৰকৰ সেই ছোৱালীজনী হৈ কিৰিলি পাৰি বৰষুণজাকৰ লগত একাত্ম হোৱাৰ চেষ্টা কৰে।

□□□

# গৌৰৱ

প্ৰণিছা কোঁৱৰ

হাকিমৰ ঘৰৰ প্ৰকাণ্ড লোহাৰ গেটখনত হাত দিয়াৰ লগে লগে এক অজান সংকোচবোধে কিশোৰৰ মনটো আগুৰি ধৰিলে। চিনেমাত দেখা দৃশ্য এটাৰ দৰে প্ৰকাণ্ড দুই মহলীয়া ঘৰটো তাৰ চকুৰ আগত থিয় হৈ আছে। ঘৰটোৰ বাহিৰত ফুলি থকা নানা ৰঙী বিদেশী ফুলবোৰো সি কিজানি এতিয়ালৈকে চিনেমাৰ পৰ্দাতহে দেখিছে। পিন্ধি থকা পোছাকযোৰলৈ এবাৰ চকু গ'ল তাৰ। নীলা ৰঙৰ স্পৰ্টিং গেঞ্জি আৰু ক'লা জিনচৰ পেণ্ট, ফুৰিবলৈ যাওঁতে পিন্ধা আটাইতকৈ ভাল পোছাকযোৰকে পিন্ধি আহিছে সি, তথাপিও আটক ধুনীয়া ঘৰটোৰ সন্মুখত পোছাকযোৰ পুৰণি আৰু বিবৰ্ণ যেন অনুভৱ হ'ল কিশোৰৰ।

গেটখন খুলি ভিতৰলৈ সোমাই যোৱাৰ আগতে কাষতে লাগি থকা আন এটা ঘৰলৈ চকু দিলে সি। তিনিকোঠলীয়া সৰু এটা ঘৰ। সন্মুখত বাহৰ জেওৰা আৰু জপনা। পিৰালিৰ কাষত কেইজোপামান নাৰ্জি ফুলৰ গছ। সেইটো সিহঁতৰ ঘৰ। একেখন দেৱালৰ ইপাৰে সিপাৰে থাকিলেও তেনেকুৱা এটা ঘৰৰ চৌহদলৈ ঘপহকৈ সোমাই যাবলৈ যিকোনো মানুহৰে অলপমান হ'লেও সংকোচ হ'ব। তথাপিও সি যাবলৈ বুলি ওলাই আহিছে যেতিয়া যাবই।

হাতেৰে চুলিখিনি এনেয়ে এবাৰ ঠিক কৰি গেটখন খুলি সি ভিতৰলৈ সোমাই গ'ল। শাৰী শাৰী দেৱদাৰু গছবোৰৰ মাজে মাজে সি আগবাঢ়ি গৈ থাকিল। লাহে লাহে ভয় সংকোচৰ পৰ্দাখন তাৰ মনৰ পৰা আঁতৰি গৈ থাকিল। সুৰুযৰ আগমনৰ লগে লগে নিশাৰ কুঁৱলীয়ে মেলানি মগাৰ দৰে কিশোৰৰ মনত পুঞ্জীভূত হৈ থকা গ্লানি আৰু লজ্জাৰ তৰপবোৰো এখন এখনকৈ খহি যাবলৈ ধৰিলে। আৰু তাৰ ঠাই অধিকাৰ কৰিলে এক নতুন অনুভৱ। পুৱাৰ কোমল ৰ'দজাকৰ দৰেই এক আমেজময়, উত্তাপময় নতুন অনুভব।

আজিৰ পৰা পাঁচ বছৰৰ আগতে সি যেতিয়া প্ৰথমবাৰৰ বাবে এইখন ঘৰলৈ আহিছিল, তেতিয়া অৱশ্যে কিশোৰে ইমানবোৰ কথা ভবা নাছিল, সি টিভি চাই ভাল পাইছিল আৰু মানুহঘৰলৈ সি টি ভি চাবলৈকে আহিছিল। সিহঁতৰ গোটেই চুবুৰীটোতে তেতিয়া টি ভি নাছিলেই। ৰেডিঅ' বা টেপ ৰেকৰ্ডাৰটোৱেই তেতিয়া সকলোৰে বাবে বিলাসৰ সামগ্ৰী আছিল। সেইবাবে যেতিয়া স্কুলত একেলগে পঢ়া ৰাজা মজুমদাৰ নামৰ ল'ৰাজনে কিশোৰহঁতৰ আগত টি.ভি.ত দেখুওৱা বিভিন্ন আকৰ্ষণীয় প্ৰগেমৰ কথা কয়হি, তাৰ মনটোও চিত্ৰহাৰ, স্পাইডাৰমেন, বিক্ৰম বেতাল আদি চাবলৈ লক্ লকাই থাকে। এনেয়ো সি চিনেমা চাই বৰ ভাল পাইছিল। দুটাকৈ চিনেমা হল আছে সিহঁতৰ চহৰখনত। পিছে হ'লে কি হ'ব? দেউতাকে সিহঁতক বছৰেকত দুবাৰমানহে চিনেমা চাবলৈ নিয়ে। এবাৰ গমৰ বন্ধত আৰু এবাৰ বছৰেকীয়া পৰীক্ষাৰ শেষত। উপায়হীন হৈ কিশোৰে ৰেডিঅ'ত দুপৰীয়া সৈন্য বাহিনীৰ উদ্দেশ্য প্ৰচাৰিত গীতবোৰ শুনিয়েই মনটো শাঁত পেলায়। লাহে লাহে অৱশ্যে চহৰখনত টি ভি লোৱা মানুহৰ সংখ্যা বাঢ়ি আহিছিল। ৰাজাৰ বাহিৰেও সিহঁতৰ ক্লাচৰ ৰাজদ্বীপ আৰু আয়াজহঁতৰ ঘৰতো টি ভি লৈছিল। মাজে মাজে আয়াজহঁতৰ ঘৰলৈ গৈ কিশোৰেও কেতিয়াবা শনিবাৰে দিয়া 'স্পাইডাৰমেন' আৰু 'বিক্ৰম বেতাল' চাইছিল। অৱশ্যে কেতিয়াবাহে। শনিবাৰ আৰু স্কুল বন্ধ দুয়োটা একেদিনাই মিলি গ'লেহে সি চহৰখনৰ সিটো মূৰত থকা আয়াজহঁতৰ ঘৰলৈ যাবলৈ অনুমতি পাইছিল।

সেইবাবে যেতিয়া কিশোৰহঁতৰ ঘৰৰ কাষৰ খালী হৈ থকা মাটিডোখৰত নতুনকৈ ঘৰ এটা বনোৱাৰ কাম আৰম্ভ হ'ল আৰু মাকে যেতিয়া তাক ক'লে যে সেই ঘৰটোত ডাঙৰ হাকিম এজন থাকিবলৈ আহিব, তেতিয়া সি পোনচাতেই মাকক সুধিছিল, 'হাকিমৰ ঘৰত টি ভি থাকিব নহয় মা?'

'ধ্যেৎ কি যে কথাবোৰে সুধি থাক' মাকে তাৰ অঁকৰামিত হাঁহিছিল, 'টিভিৰ বাহিৰেও তেওঁলোকৰ ঘৰত আৰু কিমান নতুন নতুন বস্তু থাকিব ছাগৈ?'

লাহে লাহে কাষৰ ঘৰটো বনোৱা সম্পূৰ্ণ হৈ আহিছিল। কেইবাজনো মিস্ত্ৰিয়ে দিনে-ৰাতিয়ে কাম কৰি ঘৰটো সাজি উলিয়াইছিল। মাখন ৰঙৰ ডাঙৰ গাড়ী এখনত উঠি হাকিম-হাকিমনীয়ে মাজে মাজে ঘৰটোৰ কাম চাবলৈ

আহিছিল।

"তেওঁলোকৰ ঘৰত আমাৰ সমান ল'ৰা-ছোৱালী আছে নে নাই মা?" আকৌ এদিন কিশোৰে সুধিছিল মাকক —

"মইনো কেনেকৈ জানিম? তেওঁলোক আহিলে তই নিজেই গম পাবি নহয়।" চাউল বাচি থকাৰ পৰাই মাকে খঙেৰে উত্তৰ দিছিল।

সঁচাকৈয়ে এদিন হাকিম-হাকিমনী নতুনকৈ বনোৱা ঘৰটোত থাকিবলৈ আহিছিল। তেনেকুৱা এটা ঘৰ সিহঁতৰ চুবুৰীটোত আন এটা নাছিলেই। হাকিমহঁত অহাৰ দিনা তেওঁলোকে ঘৰ লোৱা বৰ ডাঙৰকৈ পাতিছিল। বহুত মানুহ আহিছিল, সৰু-ডাঙৰ বিভিন্ন ৰঙৰ গাড়ীৰে ভৰি পৰিছিল চুবুৰীৰ গোটেই ৰাস্তাটো। কিশোৰহঁতক যদিও তালৈ নিমন্ত্ৰণ কৰা নাছিল, কাম কৰা ল'ৰা এজনৰ হাতত সিহঁতৰ ঘৰলৈও মিঠাইৰ টোপোলা এটা পঠিয়াই দিছিল।

কিশোৰৰ অৱশ্যে মিঠাইৰ টোপোলাৰ প্ৰতি অলপো আগ্ৰহ নাছিল। তাৰ আগ্ৰহ কেন্দ্ৰীভূত হৈ আছিল হাকিমৰ ঘৰলৈ গৈ টি ভি চোৱাটোহে। ৰাতিপুৱা শুই উঠিয়েই সিহঁতৰ ঘৰৰ কাষৰ নিচেই কাষতে থকা হাকিমহঁতৰ টি ভিৰ এনটেনা ডাললৈ সি লোলুপ দৃষ্টিৰে চাইছিল আৰু কি কি প্ৰগেম সি নিয়মীয়াকৈ চাব তাৰ এখন তালিকা মনতে প্ৰস্তুত কৰিছিল। কেতিয়াকৈ হাকিমৰ ঘৰলৈ যোৱাৰ সুযোগ লাভ কৰিব, তাৰ বাবে সি আশা পালি থাকিল।

অৱশ্যে দুদিনমানৰ পাছতে কিশোৰৰ মনৰ আশা পূৰণ হৈছিল। মাকৰ লগত এদিন সি হাকিমৰ ঘৰলৈ যোৱা সুযোগ পালে। ইতিমধ্যে হাকিমনী অৰ্থাৎ হাকিমৰ পত্নীয়ে দেৱালৰ সিপাৰৰ পৰাই কিশোৰৰ মাকৰ সৈতে দুই এটা বাৰ্তা বিনিময় কৰিছিল। তেওঁৱেই কিশোৰৰ মাকক তেওঁলোকৰ ঘৰলৈ মাতিছিল। সেইবাবে সুযোগ বুজি মাকৰ লগত সিয়ো সেই ধুনীয়া ঘৰটোলৈ গৈছিল।

ইতিমধ্যে হাকিমৰ ঘৰত দুজনী ছোৱালী আছে বুলি সি গম পাইছিল, দুইজনী ছোৱালী দেখিবলৈ ইমান ধুনীয়া, একেবাৰে কেলেণ্ডাৰত থকা সৰু ল'ৰা-ছোৱালীৰ দৰে। দেৱালখনৰ এইটো পাৰৰ পৰা সি সদায় সিহঁত দুইজনীয়ে খেলি থকা চাই থাকে। তাৰ খুব মন যায় সিহঁতৰ লগত কথা পাতিবলৈ, খেলিবলৈ। কিন্তু সিহঁতৰ লগত থকা প্ৰকাণ্ড বিলাতী কুকুৰটোৰ ওপৰত চকু পৰিলেই তাৰ

ভয়তে অণ্ঠ-কণ্ঠ শুকাই গৈছিল।

পিছে মাকৰ লগত হাকিমৰ ঘৰলৈ যোৱাৰ লোভটো তাৰ ইমান বেছি হ'ল যে বিলাতী কুকুৰটোৰ ভয়ো কিশোৰে হেলাৰঙে দমন কৰিলে। কিন্তু প্ৰকাণ্ড ঘৰটোৰ চৌহদত থকা ৰং বিৰঙৰ ফুলবোৰ দেখি সি যিমানেই মুগ্ধ হ'ল ঘৰটোৰ ভিতৰত প্ৰৱেশ কৰি সি আৰু বেছি আচৰিত হ'ল। এঘৰ মানুহৰ ঘৰত নো ইমানবোৰ সজোৱা বস্তু থাকিব পাৰেনে? আলহী বহা কোঠাটোনো ইমান ডাঙৰ হয়নে? কিশোৰৰ লগত মাকৰো এক প্ৰকাৰৰ সংকোচবোধ হৈছিল কিজানি। তেওঁ তাক কোলাত লৈ চকীত নবহি কুচি মুচি মূঢ়া এটাতে বহি পৰিছিল।

হাকিমনীয়ে অৱশ্যে সিহঁতৰ লগত ভালদৰেই কথা- বতৰা পাতিছিল। কিশোৰৰ নাম সুধিলে, পঢ়া-শুনাৰ কথা শুনিলে, কিছুপৰৰ পাছত হাকিমৰ ছোৱালী দুজনী আহিও তাৰ লগত চিনাকি হ'ল। ডাঙৰজনীৰ নাম পান্না আৰু সৰুজনীৰ নাম পংখী। দুয়োজনীয়ে চহৰৰ এখন নামী ইংৰাজী মাধ্যম স্কুলত পঢ়ে। পান্না ক্লাছ ফ'ৰ আৰু পংখী টুত। অৱশ্যে সিহঁতে বেছিপৰ কিশোৰহঁতৰ লগত কথা পাতিবলৈ নাপালে। কাৰণ অলপ সময়ৰ পাছত সিহঁতৰ টিউচনৰ ছাৰ আহি পালেহি আৰু সিহঁত দুজনী পঢ়া কোঠালৈ সোমাই গ'ল। কিশোৰহঁতেও লগুৱা ল'ৰাজনে দিয়া চৰবত এগিলাছ খাই গুচি আহিছিল। সেইদিনা সি তেওঁলোকৰ ঘৰত টি ভি চাবলৈকে নাপালে।

তথাপিও কিশোৰৰ উৎসাহত চেঁচা পানী পৰা নাছিল। পাছদিনা সি তেওঁলোকৰ ড্ৰয়িং ৰূমটোত থকা ডাঙৰ ৰঙীন টি ভিটো চাবলৈ পালে। বাঃ ইমান ধুনীয়া ছবি আহে। ইয়াৰ আগতে সি ৰঙীন টি ভি চায়েই পোৱা নাছিল। আনন্দৰ আতিশয্যত সেই সময়ত বাতৰি দি থকা সত্ত্বেও তাকেই সি চিনেমা চোৱাৰ আগ্ৰহেৰে চাবলৈ ধৰিলে। অৱশ্যে কেৱল টি ভি চায়ে নহয় পান্না আৰু পংখীৰ লগত কথা পাতিও বৰ ভাল লাগিল তাৰ। ইমান ধনী মানুহৰ ছোৱালী যদিও অলপো অহংকাৰ নাছিল সিহঁত দুজনীৰ মনত, সিহঁতৰ কোঠাটোত থকা ইমানবোৰ ধুনীয়া ধুনীয়া খেলনা বস্তু, পুতলা আৰু ৰং বিৰঙৰ অসংখ্য কিতাপবোৰ দেখি কিশোৰে কোনটো চাব কোনটো নাচাব একো ভাবিয়েই উলিয়াব নোৱাৰিলে। সেইদিনাও সিহঁতৰ কাম কৰা ল'ৰাটোৱে তাক ফ্ৰিজত থকা এগিলাছ

চৰবত খাবলৈ দিলে। আঃ ইমান ঠাণ্ডা, ইমান সোৱাদ। পান্নাহঁতৰ ঘৰখন সঁচাকৈয়ে স্বৰ্গপুৰী যেন লাগিল তাৰ।

তাৰ পিছত সি প্ৰায়েই গৈছিল ধুনীয়া ঘৰটোলৈ। ড্ৰয়িং ৰুমৰ মূঢ়া এটাতে বহি টি ভি চাইছিল। অৱশ্যে পান্না আৰু পংখীয়ে বেছি সময় তাৰ লগত কথা-বতৰা পাতিব পৰা নাছিল। টিউচন, আৰ্ট ক্লাছ, নাচৰ ক্লাছ আদিতে সিহঁতে বেছিকৈ ব্যস্ত হৈ থাকিবলগীয়া হৈছিল।

কিন্তু এনেতে এদিন এটা ঘটনা ঘটিছিল। অৱশ্যে ঘটনা বুলি ল'লেহে ঘটনা, এনেয়ে বৰ বেছি একো নহয়, সেইদিনা আছিল দেওবাৰ। পুৱা 'ন' মান বজাতে পঢ়া সামৰি সি হাকিমৰ ঘৰলৈ গৈছিল। ন বজাৰ পৰা দিয়া 'ফেমাচ ফ'ৰ' নামৰ ইংৰাজী চিৰিয়েলখন চাই সি বৰ ভাল পাইছিল। পান্না আৰু পংখীয়েও চায় সেইখন চিৰিয়েল 'ন' বজাৰ আগত আকৌ মাকে তাক পঢ়া মেজৰ পৰা উঠিবলৈ নিদিয়ে। বেৰত আৰি থোৱা দেৱাল ঘড়ীটোৱে ন বজাৰ সংকেত দিয়াৰ লগে লগে মেজৰ কিতাপ মেজতে এৰি একে লৰে ঘৰৰ জপনাখন খুলি আৰু দুখোজ গৈ হাকিমৰ ঘৰৰ গেটখন খুলি ল'ৰা-লৰিকৈ টিভি থকা কোঠাটোত সোমাল। কিন্তু ই কি? টি ভিতো এতিয়ালৈকে লগোৱা নাই দেখোন। পান্না আৰু পংখীও নাই কোঠাটোত। সিহঁতৰ সলনি প্ৰকাণ্ড চকীখনত বহি আছে স্বয়ং হাকিম। কিশোৰৰ কলিজাখন ধপ কৰি উঠিল। আগতে কেতিয়াও সি হাকিমক এইদৰে অকলশৰে লগ পোৱা নাছিল। মুখেৰে চিগাৰেট হুপি থকা মানুহজনে যেন তাক দেখাই পোৱা নাছিল, এনে এক ভংগীৰে কপালৰ গাঠি থুপ খুৱাই চকীখনত বহি আছিল। তথাপিও মনলৈ জোৰকৈ সাহস আনি কিশোৰে তেওঁক সুধিলে —

'পংখীহঁত নাই নেকি?'

'কি নাম তোৰ?' এইবাৰহে যেন মানুহজনে তাক দেখা পালে।

'কিশোৰ বৰুৱা।'

'ঘৰ ক'ত তোৰ?'

সি আচৰিত হ'ল। তথাপিও উত্তৰ দিলে।

'আপোনালোকৰ সোঁফালে থকা কাষৰ ঘৰটোৱেই আমাৰ ঘৰ।'

‘অ’ ৰামপদ মহৰীৰ ল’ৰা, ‘হাকিমৰ মুখত যেন সামান্য তাচ্ছিল্যৰ অনুভূতি এটাই খেলা কৰি গ’ল।’

‘পিছে ইয়াত কি লাগে তোক?’

‘নহয়, মানে.... কিশোৰৰ চকু দুটা চলচলীয়া হ’ল। মুখেৰে কি ক’ব সি একো ভাবি নাপালে।’

আজিলৈকে কোনেও তাক ইমান বেয়াকৈ একো কোৱা নাছিল।

তাৰ অৱস্থাটো দেখি হাকিমৰ বোধহয় অলপ বেয়া লাগিল। এইবাৰ তেওঁৰ কণ্ঠস্বৰ অলপ কোমল হ’ল। “এইদৰে সময়ে অসময়ে লোকৰ ঘৰত টি ভি চাবলৈ অহাটো ভাল কথা জানো? পঢ়া-শুনা কৰ গৈ যা। মই ইহঁত দুজনীকো কৈছো, আজিৰ পৰা এইবোৰ টি ভি চোৱা বন্ধ। এতিয়া চিধাই ঘৰলৈ গৈ কিতাপ মেলি লগৈ যা। আগলৈ দেউতাৰাৰ নিচিনা সৰু চাকৰি কৰিলে নহ’ব। বুজি পাইছনে নাই?”

নাই, তেতিয়া কিশোৰে একো বুজি পোৱা নাছিল। বুজি পোৱাৰ বয়সো হোৱা নাছিল তাৰ। ডাঙৰ চাকৰিনো কাক কয়, সৰু চাকৰিনো কাক কয় তেতিয়া সি বুজিয়েই পোৱা নাছিল। ঘৰলৈ আহি সি কেৱল গোটেই দিনটো কান্দিছিল। মাকে বাৰে বাৰে সোধোতেও সি একো কোৱা নাছিল। কেৱল মাককে নহয়, ভায়েক-ভনীয়েক, লগৰ ল’ৰা-ছোৱালী কাকোৱেই সি এই বিষয়ে একো কথাই কোৱা নাছিল। কেৱল সকলোৰে পৰা লুকুৱাই চকুৰ পানী টুকিছিল সি।

তাৰ পাছত বহু সময় পাৰ হৈ গৈছিল। লাহে লাহে সি কিছুমান কথা বুজি পোৱা হৈ আহিছিল। হাকিমহঁতৰ দৰে মানুহ আৰু সিহঁতৰ দৰে মানুহৰ মাজত থকা অলংঘনীয় সামাজিক প্ৰাচীৰ খনৰ কথা সি বুজিবলৈ আৰম্ভ কৰিছিল। সি বুজি উঠিছিল যে প্ৰচলিত সামাজিক ধ্যান-ধাৰণাৰে হাকিমহঁত ডাঙৰ মানুহ আৰু সিহঁত সৰু মানুহ।

সি হাকিমহঁতৰ ঘৰলৈ যাবলৈ একেবাৰে বাদ দিছিল। আনকি তেওঁলোকৰ ঘৰৰ ফালে চাবলৈকো সি এৰি দিছিল। কেতিয়াবা স্কুললৈ যোৱাৰ সময়ত পান্না আৰু পংখীৰ লগত তাৰ দেখা দেখি হয়। সিহঁতেও হাঁহি এটা মাৰে, সিয়ো হাঁহি এটা মাৰে সিমানেই। তাৰ বাহিৰে ধুনীয়া ঘৰটোৰ মানুহবোৰৰ

লগত তাৰ সম্পৰ্ক একেবাৰে ছিন্ন হৈ গ'ল।

লাহে লাহে কিশোৰে ভালদৰে পঢ়া-শুনা কৰিবলৈ আৰম্ভ কৰিলে। অৱশ্যে আগৰ পৰাই সি পঢ়াত ভাল আছিল। কিন্তু এইবাৰ সি একেবাৰে মনপুতি, সমস্ত শক্তি প্ৰয়োগ কৰি পঢ়িবলৈ ধৰিলে। সি যিমানেই পঢ়িলে সিমানেই আৰু পঢ়িবলৈ তাৰ মন গ'ল। ৰাতিক দিন কৰি, দিনক ৰাতি কৰি সি পঢ়িবলৈ ধৰিলে। পাঠ্যপুথিৰ জগতখন একেবাৰে তাৰ একান্ত আপোন, বন্ধুৰ দৰে হৈ পৰিল।

আৰু এয়া যোৱা পৰহি তাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল দিলে। কিশোৰৰ কঠোৰ পৰিশ্ৰম অথলে নগ'ল। সমগ্ৰ অসমৰ ভিতৰত সপ্তম স্থান লাভ কৰি উত্তীৰ্ণ হৈছে সি। চহৰখনত তাক লৈ এক প্ৰকাৰৰ হুলস্থূল সৃষ্টি হৈ গৈছে। বাতৰি কাকত, দূৰদৰ্শন আদিৰ মানুহ আহি তাক আগুৰি ধৰিছিল। সকলোৰে লগত কথা পাতি পাতি সকলোৰে প্ৰশ্নৰ উত্তৰ দি দি তাৰ মুখ বিষাই গৈছে আৰু আৰু কালি সিহঁতৰ ঘৰলৈ হাকিম-হাকিমনীহঁত আহিছিল। অৱশ্যে সেইদিনা কিশোৰ ঘৰত নাছিল। সি পিছতহে গম পাইছিল তেওঁলোক অহাৰ কথা।

আজি হাকিমে তাক নিজেই নিমন্ত্ৰণ কৰিছে তেওঁলোকৰ ঘৰলৈ ভাত খাবলৈ। সিহঁতৰ সকলোৱে তাক যেনে তেনে যাবলৈ খুব অনুৰোধ কৰি থৈ গৈছে। তাৰ দৰে ইমান চোকা ল'ৰা এটা তেওঁলোকৰ ইমান ওচৰতে থকাৰ বাবে হাকিমহঁতে খুব গৌৰৱ অনুভৱ কৰিছে বোলে।

ৰং বিৰঙৰ ফুলবোৰৰ মাজেদি আহি থাকোঁতে কিশোৰৰ মনত থকা সকলোবোৰ মিঠা সংকোচ আঁতৰি গ'ল। নানা সুগন্ধি ফুলৰ সুবাস আহি তাৰ মনটো এক অবিমিশ্ৰ আনন্দৰে ভৰাই তুলিছিল।

এৰা, আজি সি সেইখন ঘৰৰ বাবে অনাকাংক্ষিত নহয়। আজি সি তেওঁলোকৰ ঘৰৰ নিমন্ত্ৰিত অতিথি, এইখন ঘৰৰ সকলোৱে আজি তাৰ বাবে অপেক্ষা কৰি আছে। তাৰ লগত এসাঁজ ভাত খাবলৈ তেওঁলোক ৰৈ আছে।

পৰম আত্মবিশ্বাসেৰে সি কলিং বেলৰ চুইছটোত হাত দিলে।

□□□

# এয়াই যে সময় ঃ শুধৰণিৰ

প্ৰিয়াক্ষী বুঢ়াগোহাঁই

শাওণ মাহ। কলহৰ কানে ঢলা বৰষুণৰ চাদৰখনে গোটেই চহৰখনকে ঢাকি ধৰিছে। মূল চহৰৰ প্ৰায় গাতে লাগি থকা 'শান্তিপুৰ'ৰ নামৰ এই সৰু অঞ্চলটোকো। নামটোৰ দৰে এই অঞ্চলটো সঁচা অৰ্থতেই শান্তিৰ আলয়। বৰষুণৰ অলেখ টোপালৰ শব্দৰ মাজতো যেন বিৰাজ কৰিছে এক প্ৰশান্ত মৌনতাই।

এটা ডাঙৰ ক'লা ছাতি লৈ মানুহ এজন কোবাকুবিকৈ খোজকাঢ়ি গৈছে। এইয়াতো চাৰিআলিত তামোল পাণৰ দোকান দিয়া মধুকাই হ'ব। ৰঘুক দোকানৰ দায়িত্ব দি বৰষুণ দিয়াৰ সুযোগতে দুপৰীয়াৰ ভাতসাঁজ খাবলৈ ঘৰলৈ গৈছে চাগৈ। বিপৰীত ফালৰ পৰা আন এজন মানুহে আকৌ তিতি তিতি চাইকেলখন চলাই চাৰিআলিৰ ফাললৈ গৈছে।

খিৰিকীৰ বাহিৰলৈ চাই চাই এনেবোৰ দৃশ্যৰ সোৱাদ লৈ থকা অবিনাশে ভাবিলে সময় সঁচাকৈয়ে বৰ আচৰিত। চকুৰ পচাৰতে ৰূপ সলায় দিয়ে সন্মুখৰে পৃথিৱীখনৰ? সি ভাবিলে আজিৰ দিনটো যদি কিছু বছৰৰ আগৰ দিন হ'লহেঁতেন? তেতিয়া হয়তো মধুকায়ে ছেকেণ্ডহেণ্ড হ'লেও স্কুটী এখনতহে ঘৰলৈ গ'লহেঁতেন। সেই মানুহজনেও হয়তো এখন বাইকত এটা ৰেইনকোট পিন্ধি দ্ৰুতগতিত ৰাস্তাটো পাৰ হৈ গ'লহেঁতেন। তেতিয়া হয়তো অবিনাশৰ বাবেও সময় ইমান উপভোগ্য হৈ নুঠিলহেঁতেন। অ' সিয়োটো পূৰ্ণগতিত বাইকখন চলাই ওলাই গ'লহেঁতেন, লগৰ ল'ৰাবোৰৰ লগত ৰেষ্টুৰেণ্টত বহি আড্ডা মাৰিবলৈ। কিন্তু এতিয়া তাৰ চকুত বাৰে বাৰে দোলা দি আছে তেতিয়াৰ এটা বিশেষ দিনহে...।

সিদিনাও আছিল এনেকৈয়ে ধাবাসাৰ বৰষুণ দি থকা এটা দিন। দিনটো একেৰাহে বৰষুণ দিয়াৰ পাছত সন্ধ্যালৈ বতৰটো অলপ মুকলি কৰিছিল। হাতত বাইকৰ চাবিটো লৈ আঙুলিৰে ঘূৰাই ঘূৰাই গেৰেজটোৰ ফাললৈ যোৱা অবিনাশে মাকক বাৰাণ্ডাতে আলোচনী এখন পঢ়ি বহি থকা দেখি কৈছিল — "মা মই তোমাক বিচাৰি আহিছিলো। আজি মোৰ লগৰ ৰাজ যে, তাৰ বাৰ্থডে মা। Dreamland ত পাৰ্টি দিছে। মই তালৈকে যাওঁ। বেছি দেৰি নকৰোঁ। তুমি চিন্তা নকৰিবা। বাই....।"

"সোণ। অলপ ৰ'বাচোন। তোমাৰ লগত মোৰ অলপ কথা আছে।"— মাকে তাক কৈছিল।

"কথা পাতি থাকিলে দেৰি হ'ব মা। আগতে আহি লওঁচোন। তুমিওযে আৰু মা।"— কথাষাৰ বিৰক্তিৰ সুৰত কৈ অবিনাশ পুনৰ যাবলৈ আগবাঢ়িল।

"নহয় অবি। মোৰ কথা তুমি এতিয়াই শুনিব লাগিব।"— মাকৰ শাসনৰ সুৰত কোৱা কথাষাৰত অগত্যা অবিনাশ ৰ'ব লগা হ'ল।

মাকে মাথোঁ কৈ গ'ল— 'অবি। তুমি এটা কথা ভালদৰেই জানা যে দেউতাৰাৰ অবিহনে মই তোমাক কেনেদৰে ডাঙৰ কৰিছোঁ। মই সেই অতীতক দোহাৰিব খোজা নাই। কিন্তু আজি বহুদিনৰ পৰা তোমাৰ চালচলনবোৰ দেখি মই ভাবিবলৈ বাধ্য হৈছোঁ যে তুমি আৰু আগৰ অবিনাশ হৈ থকা নাই। সেয়েহে আজি তোমাক শেষবাৰৰ বাবে কওঁ যে সলনি হোৱা তুমি। তুমিতো আগতে এনেকুৱা নাছিলা। মেট্ৰিকত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰা ল'ৰাটোৰ ইমান পৰিৱৰ্তন কেনেকৈ হ'বলৈ পালে? দিনক দিনে তোমাৰ অধোগতিৰ চৰম সীমা স্পষ্ট হৈ আহিছে। 1st Year ত ইমান বেয়া ৰিজাল্ট কৰাৰ পাছতো তোমাৰ লাজ নালাগিলনে? হায়াৰ ছেকেণ্ডাৰী ফাইনেল পৰীক্ষাত কেনেকুৱা কৰিছা ঈশ্বৰেহে জানে। ইঞ্জিনিয়াৰিং এণ্ট্ৰেছলৈ মাত্ৰ দুটা সপ্তাহ বাকী আছে। আৰু এতিয়া তুমি এই সন্ধিয়াখন বাইক লৈ লগৰ ল'ৰাৰ বাৰ্থডে পাৰ্টি খাবলৈ যোৱা? উগ্ৰ সুৰেৰে কথাখিনি কৈ মাক অলপ ৰ'ল।'

পুনৰ এক গম্ভীৰ বুজনিৰ সুৰত মাকে ক'লে — 'চোৱা অবি। ওচৰ চুবুৰীয়াই তোমাৰ এই বদগুণবোৰৰ কাৰণ সংগদোষ বুলি কয়। মই কিন্তু নাজানো।

কাৰণ আপোন ভালেই জগত ভাল। নিজে ভাল পথত থাকি দুজন পথভ্ৰষ্টকো ভাল পথত থিয় কৰাব পৰাটোহে তোমাৰ দৰে ছাত্ৰ এজনৰ পৰা সমাজে কামনা কৰে। বাকীবোৰ কথা বাৰু মই বাদেই দিলো। কিন্তু তুমি আৰু তোমাৰ সমনীয়াবোৰে যে বাইকত ধুন মাৰি ফুৰা, সেই কামত তোমালোক যুৱচামে কিমান মুৰ্খামিৰ পৰিচয় দিছা এবাৰ ভাবি চাইছানে? তুমিয়েইতো ৰচনা লিখিছিলা অনৱীকৰণযোগ্য সম্পদৰ ভৱিষ্যত দশাৰ কথা। প্ৰদুষণৰ ফলত হোৱা গোলকীয় উষ্ণতাৰ কথা। কেৱল ভাষাৰ ওজাস্বীতাৰে ৰচনা লিখি হেজাৰ জনৰ প্ৰশংসা বুটলিলে নহ'ব। নিজে লিখা কথাখিনি অন্ততঃ হৃদয়ংগম কৰি নিজৰ জীৱনত প্ৰয়োগ কৰিব পাৰিব লাগিব। সেয়ে প্ৰকৃত শিক্ষা। তুমি মাথোঁ পুঠিগত শিক্ষা পাইছা। মুল্যাংকৰ মোনা বুটলিছা। কিন্তু তোমাৰ শিক্ষাৰ লগত প্ৰজ্ঞাৰ সন্তুলন নাই। যাৰ বাবে তোমাক তোমাৰ শিক্ষাই মাথোঁ অহংকাৰীহে কৰি তুলিছে। তোমালোকে বিজ্ঞানৰ অন্তহীন উদ্ভাৱনী শক্তিৰ ওপৰত অন্ধভাৱে বিশ্বাস কৰিবলৈ লৈছা। ভাবিছা চাগৈ - কয়লা আৰু তেল গেছ শেষ হয় মানে বিজ্ঞানে নিশ্চয় বিভিন্ন বিকল্প শক্তিৰ উৎস বিচাৰি উলিয়াব। সেই আশা ভিত্তিহীন নহ'বও পাৰে। কিন্তু প্ৰজ্বলকৰ অভাৱত বৰ্তমানৰ যান্ত্ৰিক সভ্যতাৰ গতি ৰুদ্ধ হৈ মানুহ আকৌ এবাৰ প্ৰাক্ শিল্প বিপ্লৱ যুগৰ জীৱন ধাৰালৈ ঘূৰি যাবলগীয়া হোৱা সম্ভাৱনাকো নসাৎ কৰিব নোৱাৰা। তোমালোকৰ এই ধোঁৱাখুলীয়া স্বভাৱ এৰা। মিতব্যয়ী হ'বলৈ শিকা। লগৰ ল'ৰাবোৰকো কোৱা। সমাজৰ দহজনৰ মাজত কথাবোৰৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰা। গড্ডলিকা প্ৰবাহত উটি ভাহি নাযাবা। তোমালোক আমাৰ দেশৰ ভৱিষ্যৎ। তোমালোকৰ অমূল্য মগজুক কৰ্ষণ কৰি নতুন নতুন প্ৰকৃতি অনুকূল সম্পদ সৃষ্টি কৰা। ভৱিষ্যতৰ পৃথিৱীখনক সুন্দৰ কৰা। নিজৰ জীৱনক সমাজৰ হিতৰ বাবে উৎসৰ্গা কৰা। তাতহে মানৱ জীৱনৰ মহত্ত্ব লুকাই আছে। সময় পাখি লগা কাড়ৰ দৰে। এই সময় আৰু দুনাই নোপোৱা।

অবি, তোমালোকৰ আজিৰ এই অৱস্থাটোৰ বাবে আমি অভিভাৱকসকলো দায়ী। তোমালোকক প্ৰয়োজনাধিক স্বাধীনতা দিছোঁ। অথচ সঁচা মানুহৰ স্বাধীনতা মানেনো কি তাক বুজোৱা নাই। অৱশ্যে সময় এতিয়াও আছে। সময় থাকোঁতেই ইয়াৰ সদ্ব্যৱহাৰ কৰিবলৈ শিকা।— আচৰিত ভাবে

কথাখিনি কৈ মাকে অবিনাশৰ মুখলৈ চালে।

আজি তোমাক বহু কথাই ক'লো। কেৱল মোৰ সন্তান বুলি কোৱা নাই। এইখন দেশ, এইখন পৃথিৱীৰ সন্তান বুলি কৈছোঁ। নিজৰ বিবেকে কথাখিনি চালি জাৰি চাই সঠিক সিদ্ধান্ত ল'বা বুলি মোৰ বিশ্বাস আছে।

যি কি নহওক। তোমাৰ বন্ধুৰ বাৰ্থডেলৈ যোৱাত যথেষ্ট পলম কৰিলোঁ। পাৰিলে মোক ক্ষমা কৰিবা। — শেষৰ কথাখিনি কৈ মাক ভিতৰলৈ সোমাই গ'ল।

তলমূৰ কৰি ৰোৱা অবিনাশে মাক যোৱাৰ ফালে চাই ৰ'ল অপলক দৃষ্টিৰে। কোনোদিনেই কৰ্তব্যক অৱহেলা নকৰা শিক্ষয়িত্ৰী মাকে আজি বহু কথাই ক'লে। হঠাতে কিবা এটা ভাবি অবিনাশে লৰালৰিকৈ বাইকখন লৈ ওলাই গ'ল। গৈ থাকোঁতেও যেন কিবা ভাবিহে থাকিল। তেনেতে —

সম্পূৰ্ণ পাঁচ ঘণ্টাৰ পাছত নিদ্ৰাৰ পৰা সাৰ পাই অবিনাশে নিজকে হাস্পাতালৰ বিছনাত আৱিষ্কাৰ কৰিলে।

বৰষুণে পিছল কৰি তোলা ৰাস্তাইদি ভাবত বিভোৰ হৈ আহি থাকোঁতে কেতিয়ানো সন্মুখৰ ফালৰ পৰা আহি থকা ট্ৰাকখনৰ লগত খুন্দা মাৰিলে গমেই নাপালে। ভাগ্যে প্ৰাণ বাচিল। কিন্তু দুয়োখন ভৰি চিৰদিনৰ বাবে হেৰুৱালে।

সাৰ পোৱাৰ পিছত অসহনীয় বিষত কেঁকাই উঠা অবিনাশৰ মাত শুনি মাক প্ৰায়ে দৌৰি আহিল। তাক সাৱটি ধৰিলেহি। মাকৰ বুকুৰ উম পাই অবিনাশে ফেঁকুৰি উঠিল — 'মা, মোৰ লগত কিয় এনে হ'ল? বিশ্বাস কৰা। তুমি কথাখিনি কোৱাৰ পাছত মই তোমাৰ কথাখিনিক লগৰবোৰকো কৈ নতুনকৈ জীৱনটো আৰম্ভ কৰিম বুলি ভাবিছিলো মা।'

"এইয়াই কৰ্মফল সোণ। তুমি আগতে কৰা কামৰ প্ৰতিফল তুমি অনুশোচনা কৰাৰ পাছত পাইছা। আমি মানুহবোৰে এতিয়া যিবোৰ ভুল কৰি আছোঁ। হয়তো তাৰ ফল আমি এনেকৈয়ে পাম। অনুশোচনাৰ পাছত। যেতিয়া ভুলবোৰৰ শুধৰণি কোনো বাটেই নাথাকিব।"

গুৰুম্ ম...

আকৌ বৰষুণ দিব বুলি আগজাননী দিয়া মেঘৰ গাজনিতহে অবিনাশ

যেন স্মৃতিৰ জগতৰ পৰা বাস্তৱলৈ ঘূৰি আহিল। সি ভাবিলে মাকে ঠিকেই কৈছিল। অনৱীকৰণযোগ্য সম্পদবোৰ কেতিয়াও ঘূৰি নাহে। কেতিয়াও নাহে।

বাহিৰত খোজ কাঢ়ি কাঢ়ি নিজৰ গন্তব্যস্থানলৈ যোৱা মানুহবোৰলৈ চাই চাই ষাঠী বছৰীয়া ড° অবিনাশ চৌধুৰীয়ে ভাবিলে এতিয়াতো সঁচাকৈয়ে শুধৰণিৰ কোনো বাট নাই।

হুমুনিয়াহ এটা কাঢ়ি চৌধুৰীয়ে সন্ধিয়াতেই ডায়েৰীখনত লিখিবলৈ ল'লে এটা কবিতা। বাস্তৱ জীৱনৰ কবিতা। লিখিলে—

তাং ২৮ জুলাই, ২০৬০ চন।
শুধৰণিৰ সময় পাৰ হ'ল।

❑❑❑

49852
Sibsagar Girls' College Central Library & Information Centre
Date ........